UG S3-04
(IDC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি. বি. চি. এচ.; এন. ই. পি-2020 অনুসৰি)

তৃতীয় ষাণ্মাসিক

উত্তৰ-পূৰ্ব ভাৰতৰ অধ্যয়ন

সূর্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক সঞ্জয় বৰবৰা, টি আই এছ এছ, গুৱাহাটী আৱাস
অধ্যাপক সম্বিৎ মল্লিক, এইছ এছ এছ বিভাগ, আই আই টি, গুৱাহাটী
ড^{0} ইন্দ্রানী শর্মা, সমাজবিদ্যা বিভাগ, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*প্রস্তুতি গোটৰ সদস্য*	*ভাষান্তৰকাৰী*
1	ৰিশ্বিকা বৰুৱা	গীতাঞ্জলি মেধি, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
2	বনশ্রী বৰা	সীমান্ত বর্মন
3	ঋতুপর্ণা চৌধুৰী	ৰূপাঞ্জলি চেতিয়া
4	মৌচুমী নাথ	ড^{0} প্রভাত ভূঞা
5	চিহ্নিতা বৰুৱা	ৰূপাঞ্জলি চেতিয়া
6	ডোলা বৰকটকী	দীপাঞ্জলি শর্মা
7	মাধুর্য সন্দিকৈ	গীতাঞ্জলি মেধি
8	উদীপ্ত ফুকন	গীতাঞ্জলি মেধি
9	ড^{0} প্রিয়াসী দত্ত	দীপাঞ্জলি শর্মা
10	প্রিয়ংকা হাজৰিকা	সীমান্ত বর্মন
11	ঋতুপর্ণা চৌধুৰী	ৰূপাঞ্জলি চেতিয়া

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড^{0} শ্বাবিনা য়াচমিন শইকীয়া, সহযোগী অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ভাষা সম্পাদনা ঃ ড^{0} নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ মে', 2023; দ্বিতীয় প্রকাশ ঃ চেপ্তেম্বৰ, 2024

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী-৭৮১০১৭

নগৰ চৌহদ ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২; Web : www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ উত্তৰ-পূব ভাৰতৰ ধাৰণা ঃ প্ৰাচীন, ঔপনিৱেশিক আৰু উত্তৰ ঔপনিৱেশিক যুগ ৭-২০
উত্তৰ-পূব ভাৰত নামৰ ধাৰণাটোৰ উত্থান

অধ্যায় ২ ঃ উত্তৰ-পূব ভাৰতৰ অৱস্থিতি আৰু পৰিৱেশতন্ত্ৰ ২১-৩২
উত্তৰ-পূব ভাৰত অঞ্চলটোৰ ভৌগোলিক অৱস্থান, পাৰিপাৰ্শ্বিক তথা বিৰল প্ৰজাতিৰ জীৱ-উদ্ভিদ

অধ্যায় ৩ ঃ স্বাধীনোত্তৰ যুগৰ ৰাজ্য গঠন প্ৰক্ৰিয়া — বিভিন্ন ৰাজ্য আৰু স্বায়ত্ব শাসিত পৰিষদৰ গঠন ৩৩-৪১
ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত কেনেদৰে উত্তৰ-পূব অঞ্চলত নতুন ৰাজ্যই জন্ম লাভ কৰিছিল, ৰাজ্যবোৰৰ পুনৰসংগঠন, বিভিন্ন স্বায়ত্ব শাসিত পৰিষদৰ গঠন

অধ্যায় ৪ ঃ উত্তৰ-পূব ভাৰতৰ জনগাঁথনি ৪২-৫৫
অঞ্চলটোৰ বিভিন্ন জাতিভিত্তিক, ভাষিক তথা ধৰ্মভিত্তিক সংৰচনা

অধ্যায় ৫ ঃ উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ প্ৰধান জনজাতিসমূহৰ মাজত সামাজিক প্ৰতিষ্ঠানসমূহ ৫৬-৮২
উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ প্ৰধান জনজাতিসমূহৰ মাজত সামাজিক প্ৰতিষ্ঠানসমূহ, উত্তৰ-পূব ভাৰত অঞ্চলটোৰ বিবাহ-প্ৰথা, পৰিয়াল, স্বজনতা, ধৰ্ম, অৰ্থনীতি আৰু ৰাজনৈতিক প্ৰণালী

অধ্যায় ৬ ঃ উত্তৰ-পূব ভাৰত আৰু প্ৰব্ৰজন ৮৩-৯২
অসমলৈ প্ৰব্ৰজন কৰা বিভিন্ন গোট, তেওঁলোকৰ বৃত্তি আৰু এনে প্ৰব্ৰজনৰ পৰিণাম

অধ্যায় ৭ ঃ উত্তৰ-পূব ভাৰতৰ নৃগোষ্ঠীয় পৰিচয় ৯৩-১১১
নৃগোষ্ঠীবাদৰ ধাৰণা আৰু উত্তৰ-পূব ভাৰতৰ বিভিন্ন নৃগোষ্ঠীয় সম্প্ৰদায়ৰ বিষয়ে আলোচনা

অধ্যায় ৮ ঃ উত্তৰ-পূব ভাৰতত বিদ্ৰোহাৱস্থা ১১২-১২৩
অঞ্চলটোত উত্থান ঘটা বিদ্ৰোহাৱস্থাৰ আঁৰৰ কাৰণ, বিকাশ আৰু প্ৰধান বিদ্ৰোহী সংগঠনবোৰ

অধ্যায় ৯ ঃ উত্তৰ-পূব ভাৰতত ভূমি সম্বন্ধ ১২৪-১৩৪
অঞ্চলটোত ভূ-সম্পত্তিৰ অধিকাৰী হোৱাৰ নিয়ম আৰু কৃষি ভিত্তিক গাঁথনিবোৰ

অধ্যায় ১০ ঃ উত্তৰ-পূব ভাৰতৰ অর্থনৈতিক সমস্যা **১৩৫-১৪৭**

অঞ্চলটোৰ নিৱনুৱা সমস্যা, আন্তঃগাঁথনিমূলক সমস্যা আৰু ঔদ্যোগিকীকৰণৰ সমস্যা

অধ্যায় ১১ ঃ উত্তৰ-পূব ভাৰতত উন্নয়ন **১৪৮-১৫৭**

উত্তৰ-পূব পৰিষদ আৰু উত্তৰ-পূব অঞ্চল উন্নয়ন মন্ত্রালয় আদিৰ দৰে বিভিন্ন অভিকৰণৰ লগেত পূবলৈ চাওক নীতি (Look East Policy) আৰু উত্তৰ-পূব ভাৰত

পাঠ্যবিষয়ৰ পৰিচয় ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সংশোধিত যান্মাসিক ব্যৱস্থাৰ অধীনত সমাজতত্ত্ব বিভাগৰ স্নাতক মহলাৰ শিক্ষার্থীৰ বাবে এই পাঠ্যবিষয়খন প্রস্তুত কৰা হৈছে। পাঠ্যবিষয়খনৰ শীর্ষক হ'ল 'উত্তৰ-পূৱ ভাৰতৰ সমাজতত্ত্ব'। ভাৰতৰ উত্তৰ-পূব অঞ্চলটো বৈচিত্র্যময়। এই বৈচিত্র্যই অঞ্চলটোক এক অনন্য পৰিচয় প্রদান কৰিছে। অঞ্চলটোৰ আঠখন ৰাজ্যতে কিছুমান উমৈহতীয়া বৈশিষ্ট্য আৰু সমস্যা আছে। এই পাঠ্যবিষয়টো পঢ়ি শিক্ষার্থীয়ে উত্তৰ-পূর্বাঞ্চলৰ সৈতে জড়িত বিভিন্ন দিশ আৰু সমস্যাৰ বিষয়ে বহলাই বুজিব পাৰিব।

এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কৈটিমান 'আৰ্হি প্রশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ উত্তৰ-পূব ভাৰতৰ ধাৰণা ঃ প্ৰাচীন, ঔপনিৱেশিক আৰু উত্তৰ ঔপনিৱেশিক যুগ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ প্ৰাচীন কালত উত্তৰ-পূব ভাৰতৰ ধাৰণা

১.৪ ঔপনিৱেশিক যুগত উত্তৰ-পূব ভাৰতৰ ধাৰণা

১.৫ উত্তৰ-ঔপনিৱেশিক যুগত উত্তৰ-পূব ভাৰতৰ ধাৰণা

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্ৰগতিৰ খতিয়ান

১.৯ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- উত্তৰ - পূব ভাৰতৰ ঐতিহাসিক পটভূমি সম্পৰ্কে জানিব পাৰিব
- ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ক্ৰমবিকাশ সম্পৰ্কে অৱগত হ'ব
- বৰ্তমান সময়ত 'উত্তৰ-পূব' ৰ ধাৰণাটো কেনেদৰে গ্ৰহণ কৰা হয় সেয়া আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

স্নাতক পঞ্চম যাণ্মাসিক সমাজতত্ত্বৰ সাধাৰণ পাঠ্যক্ৰমৰ অন্তৰ্গত এইখন তৃতীয় পাঠ্যবিষয়। পাঠ্যবিষয়খনৰ শিৰোনাম 'উত্তৰ-পূৰ্বাঞ্চলৰ সমাজতত্ত্ব' এই বিশেষ পাঠ্যবিষয় এইটো প্ৰথম অধ্যায়। এই অধ্যায়টিত আপুনি উত্তৰ-পূব ভাৰতৰ ধাৰণা লাভ কৰিব পাৰিব।

উত্তৰ-পূৰ্বাঞ্চল হ'ল ভাৰতৰ একেবাৰে পূৱ প্ৰান্তত অৱস্থিত এক বৃহৎ ভৌগোলিক অঞ্চল। অঞ্চলটোৰ নিজস্ব ৰাজনৈতিক প্ৰশাসন বিভাগ আছে। প্ৰাকৃতিক সৌন্দৰ্য্য আৰু সাংস্কৃতিক ঐতিহ্যৰে ভৰা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলে ২,৬২,২৩০ বৰ্গ কি. মি. মাটিকালি জুৰি ব্যাপ্ত হৈ আছে। অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিমকে ধৰি মুঠ আঠখন ৰাজ্যৰে ভাৰতৰ উত্তৰ-পূব অঞ্চলটো গঠিত। ১৯৭১চনত উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্যসমূহৰ উন্নয়নৰ হকে গঠিত হোৱা উত্তৰ-পূব পৰিষদৰ অধীনত ৰাজ্যকেইখনে সময়ত বিভাগীয় স্বীকৃতি লাভ কৰে। ভাৰতৰ এই উত্তৰ-পূব অঞ্চলটো ৮৯.৪৬ ডিগ্ৰীৰ পৰা ৯৭.৩ ডিগ্ৰী পূব দ্ৰাঘিমাংশ

আৰু ২১.৫৭ ডিগ্ৰীৰ পৰা ২৯.৩ ডিগ্ৰী উত্তৰ দ্ৰাঘিমাংশৰ ভিতৰত পৰে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক পাঁচখন বিদেশী ৰাষ্ট্ৰ, ক্ৰমে- বাংলাদেশ, ভূটান, ম্যানমাৰ, চীন আৰু নেপালে আগুৰি ৰাখিছে। ফলস্বৰূপে, এক ৰণকৌশলগত ভূ- ৰাজনৈতিক অৱস্থানত উত্তৰ-পূৰ্বাঞ্চল অৱস্থিত বুলি গণ্য কৰা হয়। পশ্চিম বংগৰ শিলিগুড়িৰ মাজেৰে পৰা হৈ যোৱা ২২ কি.মি. দৈৰ্ঘ্যৰ এছোৱা পথে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক ভাৰতৰ অন্য প্ৰান্তৰ লগত সংলগ্ন কৰি ৰাখিছে। এই পথছোৱাৰ আকৃতি দেখাত কুকুৰাৰ ডিঙিটোৰ দৰে বাবে ইয়াক **'ছিকেনছ্ নেক'** বুলিও কোৱা হয়। দেশৰ মুঠ ভৌগোলিক পৰিসীমাৰ কেৱল ৭.৯৮ শতাংশ আগুৰি থকা উত্তৰ-পূৰ্বাঞ্চলৰ মুঠ জনসংখ্যা ২০১১ চনৰ লোকপিয়ল অনুসৰি ৪৫,৭৭২, ১৮৮ জন আৰু জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কি. মি.ত ১৭০ জন।

১.৩ প্ৰাচীন কালত উত্তৰ-পূব ভাৰতৰ ধাৰণা

বহুতো প্ৰাচীন হিন্দু সাহিত্যত উত্তৰ-পূৰ্বাঞ্চলক 'প্ৰাগজ্যোতিষ' অথবা 'কামৰূপ' নামেৰে উল্লেখ কৰা আছে। এই 'প্ৰাগজ্যোতিষ' নামটোৰ অৰ্থ হ'ল "পূৰ্ব দিশৰ জ্যোতিষ শাস্ত্ৰ চৰ্চা কৰা চহৰ"। এডৱাৰ্ড গেইটে তেওঁৰ গ্ৰন্থ '*A History of Assam*' ত প্ৰাগজ্যোতিষ নামটো সম্পৰ্কে এটি টোকা লিখি থৈ গৈছে। তাত তেওঁ উল্লেখ কৰিছে যে "দেশখন যাদু আৰু তন্ত্ৰ-মন্ত্ৰৰ বাবে বিখ্যাত আছিল আৰু অসমতেই হিন্দু ধৰ্মৰ তান্ত্ৰিক ধাৰাটোৰ উদ্ভৱ হৈছিল।" ৰামায়ণত উল্লেখ আছে যে অতীতত প্ৰাগজ্যোতিষ নগৰখন 'বৰাহ' নামৰ স্বৰ্ণ খচিত পৰ্বত এখনত নিৰ্মাণ কৰা হৈছিল। মহাভাৰতত প্ৰাগজ্যোতিষৰ ৰজা ভগদত্তক 'শৈললেয়' বুলি উল্লেখ কৰা আছে। ইয়াৰ অৰ্থ হ'ল "পৰ্বত নিবাসী"। মহাভাৰতত এইটো কথাও উল্লেখ আছে যে ৰজা ভগদত্তৰ সৈন্যদল কিৰাত, চীন আৰু সমুদ্ৰতটীয় বাসিন্দাসকলেৰে গঠিত আছিল। কিৰাত নামটো মংগোলীয়সকলক বুজাবলৈ আৰু চীন নামটো বিশেষকৈ তিব্বতী আৰু ভূটীয়াসকলক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। সমুদ্ৰৰ উপকূলত বাস কৰা লোকসকল আচলতে চিলেট, মৈমনসিং আৰু টিপ্পেৰাৰ জলাহ অঞ্চলবোৰত বাস কৰা লোক আছিল। ৰামায়ণ আৰু মহাভাৰতত উল্লিখিত এই তথ্যসমূহৰ ওপৰত ভিত্তি কৰি এফ. ই. পাৰগিটাৰে তেওঁৰ ' *Ancient Countries in Eastern India*' নামৰ কিতাপখনত উল্লেখ কৰা সাম্ৰাজ্যখন অসমৰ এক বৃহৎ অংশকে ধৰি বংগৰ জলপাইগুৰি, কোচ বিহাৰ, ৰংপুৰ, বগ্ৰা, মৈমনসিং, ঢাকা টিপ্পেৰা আদি জিলা, পাবনাৰ কিছু অংশ আৰু সম্ভৱতঃ পূৰ নেপালৰ এটা অংশ পৰ্যন্ত বিয়পি আছিল বুলি কনকলাল বৰুৱাই উল্লেখ কৰিছে।

যোগিনী তন্ত্ৰত উল্লেখ থকা মতে, কামৰূপখনৰ পূবে দিখৌ নদী, পশ্চিমে কৰতোৱা নদী, উত্তৰে কুঞ্জগিৰি পাহাৰ আৰু দক্ষিণে লক্ষ্য আৰু ব্ৰহ্মপুত্ৰ নদীৰ সংগমস্থলীয়ে বেৰি আছিল। এই তথ্য অনুসৰি এইটো অনুমান কৰা হয় যে কামৰূপ সাম্ৰাজ্যখন কেৱল অসম উপত্যকাতে বিয়পি থকা নাছিল। ই বংগৰ উত্তৰ আৰু পূব প্ৰান্তৰ কিছু অংশ, ভূটানৰ কিছু অংশ, খাচি আৰু গাৰো পাহাৰৰ লগতে চিলেট জিলাৰ উত্তৰৰ কিছু অংশও সামৰি লৈছিল। এই সাম্ৰাজ্যখন

পৌৰাণিক কালত কামৰূপ নামেৰে জনাজাত আছিল। প্ৰবাদ অনুসৰি ভাৰতীয় প্ৰেমৰ দেৱতা

কামদেৱ শিৱৰ ক্ৰোধদৃষ্টিত ভস্মীভূত হোৱাৰ পাচত ইয়াতেই পুনৰ জীৱন ঘূৰাই পাইছিল বাবে সাম্ৰাজ্যখনৰ নাম কামৰূপ হয়।

ষোড়শ শতিকাৰ আৰম্ভণিত কোঁচ ৰজাসকল ক্ষমতালৈ আহে। কিন্তু পশ্চিমে বংগৰ মুছলিম শক্তি আৰু পূবে আহোম শক্তিৰ প্ৰভাৱত কোঁচ সাম্ৰাজ্য বেছিদিন টিকিব নোৱাৰিলে। আহোম সাম্ৰাজ্যখন মানাহৰ পূবলৈ 'অসম' অথবা 'আসাম' নামেৰে জনাজাত হৈ পৰিছিল। আহোমসকলে ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে অসমত প্ৰৱেশ কৰিছিল। ১২৫৩ খ্ৰীঃত আহোম ৰজা চুকাফাই চৰাইদেউত ঘাটি স্থাপন কৰিছিল। আহোমসকলৰ আগমনৰ পূৰ্বে এই অঞ্চলটো বহুতো সৰু সৰু ৰাজ্যত বিভক্ত আছিল। কৰতোৱা নদীৰ পূব দিশে চুতীয়া ৰাজ্য আৰু পশ্চিম সীমান্তত ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰে কছাৰী ৰাজ্য অৱস্থিত আছিল। কছাৰী ৰাজ্যই পৰৱৰ্তী সময়ত নগাওঁ জিলাৰ আধা অংশ সামৰি লৈছিল। কছাৰী ৰাজ্যৰ দক্ষিণ সীমান্তত জয়ন্তীয়াসকলে ৰাজত্ব কৰিছিল। কছাৰীসকলৰ পশ্চিমে আৰু চুতীয়াসকলৰ উত্তৰে ভূঞাঁসকলে বাস কৰিছিল। আহোমসকলে এই ৰাজ্যসমূহ তেওঁলোকৰ সাম্ৰাজ্যৰ সৈতে চামিল কৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ নামনিত 'বৰ-অসম' নাম দি এখন নতুন ৰাজ্য গঠন কৰে।

এই অঞ্চলটো বিভিন্ন প্ৰব্ৰজনকাৰী ভাষিক-জনগোষ্ঠীৰ লোকৰ মিলনস্থলী। ইতিহাসৰ পাত লুটিয়াই চালে গম পোৱা যায় কিদৰে এই লোকসকল দক্ষিণ-পশ্চিম চীন অথবা দক্ষিণ-পূব এছিয়াৰ পৰা বাৰ্মা (ম্যানমাৰ) ৰ মাজেৰে আহি ইয়াত বসতি স্থাপন কৰিছিল। অসমৰ টাই-আহোমসকল আৰু মেঘালয়ৰ খাচী জনগোষ্ঠীৰ লোকসকলে দাবী কৰে যে তেওঁলোক দক্ষিণ-পশ্চিম এছিয়াৰ পৰা বাৰ্মাৰ মাজেৰে আহি এই অঞ্চলটোত প্ৰৱেশ কৰিছিল। মণিপুৰ, নাগালেণ্ড, অসম আৰু ত্ৰিপুৰাৰ কুকিসকলৰ লগতে মিজোৰামৰ মিজোসকলৰ বিশ্বাস মতে তেওঁলোকৰ পূৰ্বপুৰুষ দক্ষিণ চীনৰ পৰা আহিছিল। আনহাতে, গাৰোসকলৰ মতে তেওঁলোক মধ্য তিব্বতৰ দক্ষিণ অংশৰ পৰা প্ৰব্ৰজন কৰা লোক। এনে ধৰণৰ বৈচিত্ৰ্যৰ বাবেই জে.বি. ফুলাৰে এলেন প্লে'ফেয়াৰৰ (*The Garos* 1909) নামৰ কিতাপখনৰ পাতনিত লিখিছিল, "ভাৰতৰ উত্তৰ-পূব দিশৰ একেবাৰে শেষ প্ৰান্তত অৱস্থিত অসম প্ৰদেশখন বিভিন্ন জাতি- জনজাতিৰ এক সংগ্ৰহালয়।"



জানি থোৱা ভাল

(১) আহোমসকলে ১২২৮ খ্ৰীঃৰ পৰা প্ৰায় ছশ বছৰ কাল অসমত ৰাজত্ব কৰিছিল।

(২) চীনা পৰিব্ৰাজক হিউৱেন চাঙে সপ্তম শতিকাৰ প্ৰথমাৰ্ধত কামৰূপ সাম্ৰাজ্য ভ্ৰমণ কৰিছিল। তেওঁ ভ্ৰমণৰ টোকা হিচাপে লিখা 'চি-য়ু-কি' নামৰ গ্ৰন্থখনত প্ৰাগজ্যোতিষপুৰ নগৰৰ বিস্তৃত বিৱৰণ পোৱা যায়।




চিন্তা-চৰ্চা কৰক-১

আহোমসকলে নিজ ৰাজ্যৰ লগত চামিল কৰাৰ পূৰ্বে এই অঞ্চলটোত বৰ্তি থকা ৰাজ্যসমূহ, যেনে- কছাৰী ৰাজ্য, চুতীয়া ৰাজ্য ইত্যাদিৰ শক্তিশালী আৰু জনপ্ৰিয় ৰজাসকলৰ নাম বিচাৰি উলিয়াওক।

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ প্ৰবাদ অনুসৰি, কাৰ নামেৰে প্ৰাগজ্যোতিষপুৰৰ নাম কামৰূপ হৈছিল?

(ক) শিৱ, (খ) কামদেৱ (গ) আহোম ৰজা

(ঘ) ওপৰৰ আটাইবোৰ

প্ৰশ্ন নং 2 ঃ আহোমসকলে কিমান শতিকাত অসমত প্ৰৱেশ কৰিছিল?

(ক) পঞ্চদশ শতিকা (খ) ষোড়শ শতিকা

(গ) ত্ৰয়োদশ শতিকা (ঘ) চতুৰ্দশ শতিকা

১.৪ ঔপনিৱেশিক যুগত উত্তৰ-পূব ভাৰতৰ ধাৰণা

প্ৰাক্-ঔপনিৱেশিক যুগত মণিপুৰ আৰু ত্ৰিপুৰাৰ বাহিৰে বৰ্তমানৰ উত্তৰ-পূৰ্বাঞ্চলখন এটা ঐক্যবদ্ধ ৰাজনৈতিক আৰু প্ৰশাসনিক গোটত সাঙোৰ খাই আছিল। এই গোটটো আহোম ৰজাসকলে শাসন কৰিছিল। স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ ৰাজত্বকালত বদন বৰফুনৰ আহ্বান মৰ্মে মানসকলে অসম আক্ৰমণ কৰিছিল। এই ৰণত প্ৰথমে মানসকলে আহোম ৰজাক পৰাজিত কৰিছিল যদিও অৱশেষত ব্ৰিটিছসকলৰ সহায় লাভ কৰা আহোমৰ হাতত তেওঁলোক পৰাজিত হৈছিল। এই ৰণৰ অন্তত ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানী আৰু মান ৰজাৰ মাজত ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হৈছিল। এই সন্ধি অনুসৰি ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বাকীবোৰ পাহাৰীয়া ৰাজ্যক বাদ দি আহোমসকলে 'বৰ অসম' নাম দি গঢ় দিয়া ব্ৰহ্মপুত্ৰ উপত্যকাটো নিজৰ অধীনলৈ নিছিল। ১৮২৬ চনত এই ইয়াণ্ডাবু সন্ধিখন স্বাক্ষৰিত হোৱাৰ পাছত ব্ৰিটিছে পশ্চিম অসমৰ কৰ্তৃত্ব নিজৰ হাতলৈ নিয়ে আৰু ১৮৩৩ চনত পুৱন্দৰ সিংহক উজনি অসমৰ ৰজা পাতি তেওঁক অঞ্চলটোৰ শাসনভাৰ অৰ্পন কৰে। ব্ৰিটিছসকলে ১৮৩৮ চনলৈ এনেদৰে শাসনকাৰ্য চলোৱাৰ পৰৱৰ্তী সময়ছোৱাত লাহে লাহে সমগ্ৰ অঞ্চলটো নিজৰ অধীনলৈ নিয়ে। ঔপনিৱেশিক কালছোৱাত মণিপুৰ আৰু ত্ৰিপুৰাক বাদ দি উত্তৰ-পূব ভাৰতৰ বাকী অংশক অসম প্ৰদেশ বুলি জনা গৈছিল। এই প্ৰদেশখন এক স্বায়ত্ব শাসিত প্ৰশাসনিক

গোটে পৰিচালনা কৰিছিল। অসম উপত্যকা বুলি ব্ৰিটিছসকলে ব্ৰহ্মপুত্ৰ উপত্যকাক বুজাইছিল। 'উত্তৰ-পূৰ্বাঞ্চল' নামটো ব্ৰিটিছসকলে এক নিদিষ্ট ভৌগোলিক অঞ্চল বুজাবলৈ ব্যৱহাৰ কৰিছিল। আলেকজেণ্ডাৰ মেকেন্‌জি সম্ভৱতঃ প্ৰথম গৰাকী ব্যক্তি আছিল যিয়ে 'উত্তৰ-পূব সীমান্ত' নামটো প্ৰথমে ব্যৱহাৰ কৰিছিল। তেওঁ এই নামটো অসম আৰু তেতিয়াৰ ৰাজকীয় প্ৰদেশ মণিপুৰ তথা ত্ৰিপুৰাকে ধৰি আন আন পাহাৰীয়া অঞ্চলবোৰক সমূহীয়াকৈ বুজাবলৈ ব্যৱহাৰ কৰিছিল। ১৮৯০ ৰ শেষাৰ্ধ আৰু ১৯০০ দশকৰ আৰম্ভণিৰ সময়ছোৱাত যেতিয়া অসমক পূৰ্ব বংগৰ লগত চামিল কৰাৰ যো-জা চলিছিল তেতিয়া নতুন প্ৰদেশখনৰ নাম ' উত্তৰ-পূৰ্বীয় প্ৰদেশ' ৰখাৰ কথা চিন্তা কৰা হৈছিল।

ব্ৰিটিছে ১৮২৬ চনত অসমক যেতিয়া তেওঁলোকৰ ঔপনিবেশিক সাম্ৰাজ্যৰ সৈতে চামিল কৰে, তেতিয়াৰ পৰা অসমে পূৰ্বৰ কেন্দ্ৰীয় ভূমিকা হেৰুৱাই ভাৰতৰ অধীনত এখন প্ৰদেশ হৈ পৰে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক ভূটান, তিব্বত, চীন আৰু ম্যানমাৰৰ সীমাই আগুৰি আছে আৰু এই কথাটো ঔপনিৱেশিক প্ৰসাৰৰ বাবে বৃটিছসকলৰ দৃষ্টিত যথেষ্ট গুৰুত্বপূৰ্ণ হৈ পৰিছিল। আনহাতে, ৰবাৰ্ট ৰিডে *History of the Frontier Areas Bordering on Assam from 1883-1941* নামৰ কিতাপখনত উল্লেখ কৰিছে যে উত্তৰ-পূৰ্বাঞ্চলক 'সীমান্ত' অঞ্চল ৰূপে স্বীকৃতি দিয়াৰ আন এটা কাৰণ আছিল ইয়াৰ বাসিন্দাসকলৰ খালী ঠাই ব্যৱহাৰ কৰাৰ ধৰণটো। ব্ৰিটিছ ঔপনিৱেশিক চৰকাৰখনে উত্তৰ-পূৰ্বাঞ্চলত 'আন্তঃ ৰেখা' আৰু 'বহিঃ ৰেখা'ৰ সূচনা কৰিছিল। 'আন্তঃ ৰেখা' ই ব্ৰিটিছ অধিকৃত অঞ্চলটোক সূচাইছিল; আনহাতে 'বহিঃ ৰেখা'ই ব্ৰিটিছ অধিকৃত অঞ্চলৰ বাহিৰৰ অঞ্চলসমূহক সূচাইছিল। এই ৰেখাদুডালৰ মাজৰ অংশটোক ব্ৰিটিছসকলে 'প্ৰভাৱ মণ্ডল' হিচাপে স্বীকৃতি দিছিল। ৰবাৰ্ট ৰিডে উল্লেখ কৰা মতে ব্ৰিটিছসকলে খিলঞ্জীয়া জনজাতি সমূহৰ প্ৰাদেশীকৰণ ঘটোৱাৰ নিমিত্তে এই 'আন্তঃ ৰেখা' আৰু 'বহিঃ ৰেখা'ৰ ধাৰণা দুটাৰ সংযোজন ঘটাইছিল।



জানি থোৱা ভাল

(৩) ১৯৩৫ চনৰ পাচত চাইমন আয়োগৰ পৰামৰ্শ অনুসৰি নগা পাহাৰক এক 'বহিষ্কৃত এলেকা' বুলি ঘোষণা কৰা হৈছিল।

ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰৰ ভৈয়াম অঞ্চলবোৰ চাহ বাগানলৈ ৰূপান্তৰ কৰি ইয়াক নিয়ন্ত্ৰণ কৰাৰ দিহা কৰা হৈছিল। কেপ্তেইন জন মিছেলে "নৰ্থ ইষ্ট ফ্ৰণ্টিয়াৰ অৰ ইণ্ডিয়া' (North East Frontier of India) নামৰ টোকা এটিত উল্লেখ কৰা মতে এয়া ব্ৰিটিছসকলৰ ঔপনিৱেশিক কৌশলগত নীতিৰ এক চানেকি আছিল। ব্ৰিটিছসকলে কৃষিভূমিবোৰ ইয়াৰ আশে-পাশে বাস কৰা খিলঞ্জীয়া জনজাতিসমূহক নিয়ন্ত্ৰণ কৰাৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছিল। ব্ৰিটিছে জনজাতীয় লোকসকলে কৃষিভূমি ব্যৱহাৰত প্ৰাদেশিক সীমাৰেখাৰ নীতি উলংঘন কৰিছে বুলি মিছা অভিযোগ

আৰোপ কৰি সামৰিক অভিযান চলাইছিল। ভৈয়ামৰ অঞ্চলসমূহ নিজৰ নিয়ন্ত্ৰণাধীন কৰাৰ উদ্দেশ্যেৰে বৃটিছে এই অঞ্চলসমূহৰ মাজেৰে সামৰিক নিৰীক্ষণৰ অধীন বাণিজ্যিক পথসমূহ নিৰ্মাণ কৰিছিল। উদাহৰণস্বৰূপে, অৰুণাচলৰ আদি জনজাতিৰ ওপৰত চলোৱা অভিযানটো দেখাত যদিও এক প্ৰতিশোধমূলক অভিযান আছিল, আচলতে এই অভিযানটো তিব্বত আৰু চীনৰ লগত ভৈয়ামৰ মাজেৰে বাণিজ্য সম্প্ৰচাৰৰ সম্ভাৱনা নিৰূপণ কৰিবলৈ আৰু সেই সম্পৰ্কে বহুল তথ্য যুগুতাবলৈ চলোৱা হৈছিল।

এনেদৰেই ব্ৰিটিছসকলে পৰৱৰ্তী বছৰবোৰত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল নিজৰ অধীনলৈ নিছিল। কাছাৰ উপত্যকা ১৮৩০ চনত, খাচী পাহাৰ ১৮৩২ চনত, জয়ন্তীয়া পাহাৰ ১৮৩৫ চনত, কাৰ্বি আংলং অথবা মিকিৰ পাহাৰ ১৮৩৮ চনত উত্তৰ-কাছাৰ পাহাৰ ১৮৫৪ চনত, নগা পাহাৰ ১৮৭৪ চনত, গাৰো পাহাৰ ১৮৭২ চনৰ পৰা ১৮৭৩ চনত আৰু লুচাই পাহাৰ ১৮৫০ চনৰ পৰা ১৮৯২ চনৰ ভিতৰত ব্ৰিটিছৰ অধীনলৈ আহে। ব্ৰিটিছৰ এই চামিলকৰণ প্ৰক্ৰিয়াৰ ফলস্বৰূপে সমগ্ৰ অঞ্চলটোৰ প্ৰশাসনিক ব্যৱস্থা আৰু অৰ্থনৈতিক দিশলৈ যথেষ্ট পৰিৱৰ্তন আহে। পূৰ্বৰ পৰা বৰ্তি থকা সামন্তবাদী প্ৰতিষ্ঠানসমূহৰ লাহে লাহে বিলোপ ঘটে আৰু তাৰ ঠাই পুঁজিবাদী অৰ্থনৈতিক প্ৰতিষ্ঠান কিছুমানৰ উত্থান ঘটে। উদাহৰণস্বৰূপে, প্ৰাক্-ঔপনিৱেশিক যুগত ব্ৰহ্মপুত্ৰ উপত্যকা আৰু পাহাৰীয়া অঞ্চলসমূহৰ মাজৰ স্থানিক আধিপত্য ক্ষেত্ৰ নিৰূপণ কৰিবলৈ প্ৰচলিত 'খাট' নামৰ ভূমিকেন্দ্ৰিক ব্যৱস্থাটো ঔপনিৱেশিক বন নীতিৰ অধীনত ভূ-সম্পত্তি ৰূপে গণ্য কৰি খাটবোৰকো ভূমি ৰাজহ আদায় দিবলগীয়া গোটত অন্তৰ্ভুক্ত কৰা হৈছিল।

প্ৰাক্-স্বাধীন ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ ধাৰাটো অধ্যয়ন কৰিলে এইটো কথা স্পষ্ট হৈ পৰে যে তেতিয়াৰ অসমখন বৰ্তমান অসমৰ লগতে গাৰো পাহাৰ জিলা, খাচী-জয়ন্তীয়া পাহাৰ জিলা, নগা পাহাৰ জিলা, লুচাই পাহাৰ জিলা, আৰু নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰ এজেন্সি (নেফা, অৰুনাচল প্ৰদেশৰ পুৰণি নাম) ৰে গঠিত আছিল। প্ৰদেশ দুখন ব্ৰিটিছ আশ্ৰিত ৰাজ্যৰূপে বৰ্তি আছিল।




চিন্তা-চৰ্চা কৰক-২

ঔপনিৱেশিক কালছোৱাত উত্তৰ-পূৰ্বাঞ্চলৰ বাসিন্দাসকলৰ ওপৰত ব্ৰিটিছে প্ৰযোজ্য কৰা 'আন্তঃৰেখা' আৰু 'বহিঃৰেখা'ৰ তাৎপৰ্য্য আলোচনা কৰক।

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ইয়াণ্ডাবু সন্ধি কিমান চনত স্বাক্ষৰিত হৈছিল?

(ক) ১৮২৭ চন (খ) ১৮২৫ চন

(গ) ১৮২৬ চন (ঘ) ১৮২৯ চন

১.৫ উত্তৰ-ঔপনিৱেশিক যুগত উত্তৰ-পূব ভাৰতৰ ধাৰণা

১৯৪৭ চনত দেশ বিভাজনৰ লগে লগে অসমে ভাৰতৰ এখন সাংবিধানিক ৰাজ্য ৰূপে স্বীকৃতি লাভ কৰে। কৰিমগঞ্জ মহকুমাক বাদ দি অসমৰ চিলেট জিলাখন ১৯৪৬ চনৰ 'চিলেট গণভোট' অনুসৰি পূব পাকিস্তানৰ অধীনলৈ যায়। এই পূব পাকিস্তানখনেই পাচলৈ বাংলাদেশ নামেৰে জনাজাত হয়। শ্বিলং চহৰখন ব্ৰিটিছ শাসনাধীন অসম প্ৰদেশৰ ৰাজধানী আছিল। ১৯৭২ চনত মেঘালয়ে ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰাৰ সময়লৈকে শ্বিলং অবিভক্ত অসমৰে ৰাজধানী আছিল।

ভিন্ন জাতি- জনগোষ্ঠীৰ নিজস্ব জাতিগত, সাংস্কৃতিক আৰু ৰাজনৈতিক হাবিয়াস পূৰণৰ অৰ্থে অবিভক্ত অসমৰ পৰা নতুন ৰাজ্যসমূহৰ বিভাজন হ'বলৈ ধৰে। এই বিভাজনৰ উদ্দেশ্য আছিল ভিন্ন ভাষিক জনগোষ্ঠীসমূহক সংসদীয় গণতন্ত্ৰত নিজৰ মতামত দাঙি ধৰি নিজকে প্ৰতিনিধিত্ব কৰাৰ সুযোগ দিয়া আৰু ইয়াৰ দ্বাৰা তেওঁলোকে সন্মুখীন হোৱা সমস্যাসমূহ সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰা।

১৯৭২ চনৰ পৰা অৰুণাচল প্ৰদেশ এখন কেন্দ্ৰীয় শাসিত প্ৰদেশৰ মৰ্যাদা দিয়া হৈছিল। তাৰ পূৰ্বে ইয়াক 'নেফা' নামেৰে জনা গৈছিল। ১৯৮৭ চনৰ ২০ ফেব্ৰুৱাৰীত অৰুণাচল প্ৰদেশক ৰাজ্যৰ স্বীকৃতি দিয়া হয়। ১৯৬৯ চনৰ অসম পুনঃ গঠন আইন (মেঘালয়)ৰ অধীনত তেতিয়াৰ সংযুক্ত খাচী-জয়ন্তীয়া পাহাৰ জিলা আৰু গাৰো পাহাৰ জিলা সংলগ্ন মেঘালয়ক এখন উপ-স্বায়ত্বশাসিত ৰাজ্য গঠনৰ অনুমতি দিয়া হয়। এই ৰাজ্যখন ১৯৭০ চনৰ ২ এপ্ৰিল তাৰিখে সফলভাৱে সংগঠিত হয়। পাচলৈ ১৯৭২ চনৰ ২১ জানুৱাৰী তাৰিখে ই এক পূৰ্ণাংগ ৰাজ্যৰ স্বীকৃতি লাভ কৰে। সেই একে তাৰিখতে মিজোৰাম কেন্দ্ৰীয় শাসিত প্ৰদেশখন সংগঠিত হয়। বহু বছৰ কেন্দ্ৰীয় শাসিত প্ৰদেশ হৈ থকাৰ পাচত ১৯৮৬ চনৰ ৩০ জুন তাৰিখে মিজো জাতীয় মৰ্চা (এম এন এফ) আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত মিজোৰাম শান্তি চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি অনুসৰি ১৯৮৭ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে মিজোৰামক ভাৰতৰ এখন যুক্ত ৰাজ্যৰূপে স্বীকৃতি দিয়া হয়। ১৯৬০ চনৰ জুলাই মাহত ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰু আৰু নগা জন সন্মিলন (এন পি চি)ৰ নেতাসকলৰ মাজত হোৱা এক বৈঠক মৰ্মে ষোল্লটা চৰ্ত সম্বলিত এখন সন্মতিপত্ৰ যুগুত কৰা হয়। এই সন্মতিপত্ৰখনৰ আধাৰতেই ভাৰত চৰকাৰে নগালেণ্ডক এখন পূৰ্ণাংগ ভাৰতীয় ৰাজ্যৰ স্বীকৃতি প্ৰদান কৰে। সেই মৰ্মে, ১৯৬৩ চনৰ ১ ডিচেম্বৰ তাৰিখে নাগালেণ্ডে ভাৰতৰ ষোড়শ ৰাজ্যৰ স্বীকৃতি লাভ কৰে।

ব্ৰিটিছ শাসনৰ পৰা মুক্ত হৈ মণিপুৰ ১৯৪৯ চনত ভাৰতৰ লগত চামিল হয়। ১৯৭২ চনলৈ প্ৰায় ২৫ বছৰ কাল মণিপুৰ ভাৰতৰ এখন কেন্দ্ৰীয় শাসিত প্ৰদেশ হৈ ৰয়। ১৯৭২ চনত ই ভাৰতৰ এখন পূৰ্ণাংগ ৰাজ্যৰ স্বীকৃতি লাভ কৰে। ত্ৰিপুৰাৰ শেষৰজন ৰজা বীৰ বিক্ৰম কিশোৰ মাণিক্যৰ মৃত্যুৰ পাচত ১৯৪৯ চনত ৰাণী কাঞ্চন প্ৰভা দেৱী আৰু ভাৰত চৰকাৰৰ মাজত হোৱা এক চামিলকৰণ চুক্তি অনুসৰি ত্ৰিপুৰা ভাৰতৰ সৈতে চামিল হয়। প্ৰাথমিক অৱস্থাত ত্ৰিপুৰাক এখন কেন্দ্ৰীয় শাসিত প্ৰদেশৰ মৰ্যাদা দিয়া হৈছিল যদিও ১৯৭১ চনৰ উত্তৰ-পূৰ্বাঞ্চল পুনঃ গঠন আইনৰ অধীনত ১৯৭২ চনৰ ২১ জানুৱাৰী তাৰিখে ত্ৰিপুৰাই পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা লাভ কৰে।

১৯৭৫ চনৰ ২৪ এপ্ৰিল তাৰিখে সংগ্ৰহ কৰা এক গণভোট অনুসৰি ছিকিমক সংযুক্ত ভাৰতৰ সৈতে চামিল কৰাৰ সিদ্ধান্ত লোৱা হয়। সেই মৰ্মে, ১৯৭৫ চনৰ ২৫ এপ্ৰিল তাৰিখে ছিকিমে ভাৰতৰ দ্বিবিংশ ৰাজ্যৰ স্বীকৃতি লাভ কৰে। আনহাতে, ২০০২ চনত উত্তৰ-পূৰ্বাঞ্চলৰ অষ্টম ৰাজ্য ৰূপে ছিকিমক সংযোজিত কৰা হয়।

১৯৭১ চনত উত্তৰ-পূব পৰিষদ (এন ই চি) গঠনৰ লগে লগে উত্তৰ-পূৰ্বাঞ্চলৰ ধাৰণাটো ৰাজনৈতিকভাৱে গৃহিত হয় আৰু 'উত্তৰ-পূৰ্বাঞ্চল' অভিধাটো চৰ্চাৰ বিষয় হৈ পৰে। গঠন হোৱাৰ পাছৰে পৰা উত্তৰ-পূব পৰিষদে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে এক আঞ্চলিক পৰিকল্পনা আয়োগ ৰূপে কাৰ্যনিৰ্বাহ কৰি আহিছে। সেয়েহে পৰিষদখনক সমগ্ৰ অঞ্চলটোৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ হকে কৰ্মৰত এক কেন্দ্ৰীয় সংস্থা ৰূপেও গণ্য কৰা হয়।

সঞ্জীৱ বৰুৱাই উল্লেখ কৰা মতে অসমক বংগৰ প্ৰান্তীয় ৰাজ্য বুলি গণ্য কৰি বৃটিছে যি এক ঔপনিৱেশিক ভাবধাৰা পুহি ৰাখিছিল তাৰ বিৰুদ্ধাচৰণ কৰি অসমীয়া ভাষা-সংস্কৃতিৰ স্বকীয়তা আৰু বৈচিত্ৰ্য দাঙি ধৰাৰ উদ্দেশ্যৰে ঊনবিংশ শতিকাত এক অসমীয়া উপ-জাতীয়তাবাদৰ উদ্ভৱ হৈছিল। স্বায়ত্ব শাসন আৰু বৈচিত্ৰ্য উত্তৰ-ঔপনিৱেশিক যুগৰ অসমীয়া উপ-জাতীয়তাবাদে অবিৰতভাৱে চিন্তা-চৰ্চা কৰি থকা প্ৰসংগ আছিল। এই ক্ষেত্ৰত পৰৱৰ্তী সময়ত উত্তৰ-পূৰ্বাঞ্চললৈ ঘটা বহুল প্ৰব্ৰজনে অৰিহণা যোগাইছিল। এনে প্ৰব্ৰজনে অসমীয়া জাতিটোৰ লগতে আন আন স্থানীয় বাসিন্দাসকলক সংখ্যালঘূত পৰিণত কৰাৰ আশংকাৰ সৃষ্টি হৈছিল। থলুৱা জনগোষ্ঠীসমূহৰ প্ৰত্যেকৰে এক স্বকীয় পৰিচয় গঢ় দিয়াৰ যি হাবিয়াস আছিল তাৰ ফলস্বৰূপেই স্বায়ত্ব শাসন দাবী কৰি বহুতো জনগোষ্ঠীয় আন্দোলনে গা কৰি উঠিছিল। উত্তৰ-ঔপনিৱেশিক ভাৰতবৰ্ষত উত্তৰ-পূৰ্বাঞ্চলক এখন 'সমস্যা-জৰ্জৰিত' সীমান্তৱৰ্তী অঞ্চল বুলি যি আখ্যা দিয়া হৈছিল সেই ধাৰণাটোৱেই আটাইতকৈ জনপ্ৰিয় ৰূপ ধাৰণ কৰিছিল। স্বাধীনতাৰ পাছৰে পৰা নগা বিদ্ৰোহকে ধৰি সমগ্ৰ অঞ্চলটো বিভিন্ন থলুৱা বিদ্ৰোহ- বিক্ষোভৰ সন্মুখীন হৈ আহিছে। অসমত স্বায়ত্ব শাসন বিচাৰি উদ্ভৱ হোৱা প্ৰত্যেকটো আন্দোলন কেৱল এইটো ধাৰণাৰ ওপৰত ভিত্তি কৰি উদ্ভৱ হৈছে যে ক্ষুদ্ৰ জাতি-জনগোষ্ঠীসমূহ প্ৰভাৱশালী গোট আৰু চৰকাৰৰ দ্বাৰা যথেষ্ট পক্ষপাতিত্বৰ সন্মুখীন হৈ আহিছে আৰু সেয়েহে তেওঁলোকক স্বায়ত্ব শাসনৰ প্ৰয়োজন। উদাহৰণস্বৰূপে বড়ো, কাৰ্বি, ডিমাচা- কছাৰী, লালুং, ৰাভা, হাচং ইত্যাদি থলুৱা জনগোষ্ঠীসমূহে স্বায়ত্ব শাসন বিচাৰি

সময়ে সময়ে চলাই অহা আন্দোলনসমূহৰ কথা উল্লেখ কৰিব পাৰি। ক্ষুদ্ৰ থলুৱা জনজাতিসমূহৰ জনসংখ্যা প্ৰভাৱশালী জাতি-সম্প্ৰদায় সমূহতকৈ কম হোৱা বাবে তেওঁলোকৰ মনত নিজৰ ৰাজ্যতে ৰাজনৈতিক আৰু সাংস্কৃতিকভাৱে সংখ্যালঘু হোৱাৰ এক শংকাই গা কৰি উঠিছে। ইয়াৰ ফলস্বৰূপেই উত্তৰ-পূব অঞ্চলটোত বহিৰাগতই প্ৰবল আতংকৰ সৃষ্টি কৰিছে। এনেবোৰ কাৰণতেই উত্তৰ- ঔপনিৱেশিক ভাৰতবৰ্ষত উত্তৰ-পূৰ্বাঞ্চলে এক সমস্যা-জৰ্জৰিত সীমান্তৱৰ্তী অঞ্চল ৰূপে চিনাকী লাভ কৰিছে। বিভিন্ন শান্তি-সংহতি স্থাপনকাৰী প্ৰয়াস, উন্নয়ন প্ৰকল্প, বিশেষ আঁচনি আদি ৰূপায়ণ কৰাৰ লগতে নিৰাপত্তা বাহিনীৰ কটকটীয়া পহৰাৰ পাচতো এই অঞ্চলটোত শান্তি-শৃংখলা অটুট থকা নাই। ইয়াৰ কাৰণ হ'ল ভাৰতৰ যিবোৰ ৰাজ্য 'নিৰাপত্তা আৰ্হি (Security Paradigm)ৰ অন্তৰ্ভুক্ত সেইবোৰ ৰাজ্যত ঘটা বিভিন্ন সামাজিক সংঘৰ্ষক কেৱল 'আইন-শৃংখলাৰ বিষয়' ৰূপেহে গণ্য কৰা হয় আৰু বাস্তৱিক ঘটনাসমূহক আওকাণ কৰা হয়।

জয়ৰাম ৰমেশে 'North East India in a New State' নামৰ প্ৰৱন্ধটোত উল্লেখ কৰিছে যে চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে যিবোৰ পৰিকল্পনা হাতত লয় সেইবোৰ ৪ টা প্ৰধান আৰ্হিৰ ওপৰত নিৰ্ভৰশীল। সেই আৰ্হিকেইটা তলত উল্লেখ কৰা হ'ল-

- **<u>সাংস্কৃতিক আৰ্হি</u>** ঃ এই আৰ্হিটোৱে ১৯৫০ আৰু ১৯৬০ ৰ দশক দুটাত যথেষ্ট গুৰুত্ব লাভ কৰিছিল আৰু ইয়াৰ অধীনত উত্তৰ-পূব অঞ্চলৰ সংস্কৃতিক আশ্চৰ্যজনক অথচ বিলুপ্তপ্ৰায় বুলি স্বীকৃতি দিয়া হৈছিল। সেয়েহে এই আৰ্হিটোৰ অধীনত এই সংস্কৃতিবোৰ সংৰক্ষণৰ দিহা কৰা হৈছিল।
- **<u>নিৰাপত্তা আৰ্হি</u>** ঃ এই আৰ্হিটোৱে ১৯৬০ ৰ দশকত চৰ্চালৈ আহে। সম্ভৱতঃ ১৯৬২ চনৰ চীনা যুদ্ধৰ পাচৰে পৰা উত্তৰ-পূৰ্বাঞ্চলক কেৱল ভৌগোলিক দিশৰ পৰা এক গুৰুত্বপূৰ্ণ অঞ্চল ৰূপে নধৰি পূব -এছিয়া আৰু দক্ষিণ-পূব এছিয়াৰ ভূ-ৰাজনৈতিক ক্ষেত্ৰত ভাৰতৰ ভূমিকাৰ ফালৰ পৰাও ইয়াৰ গুৰুত্ব অনুধাৱন কৰা হৈছিল।
- **<u>ৰাজনৈতিক আৰ্হি</u>** ঃ এই আৰ্হিটোৰ অধীনত ১৯৭০ ৰ দশকত উত্তৰ-পূব অঞ্চলৰ নতুন ৰাজ্যসমূহ গঠন হ'বলৈ ধৰে। ইয়াৰ মূল উদ্দেশ্যটো এইটোৱে আছিল যে যদি বৈচিত্ৰ্যময় জনগোষ্ঠীয় সংস্কৃতি আৰু উপ-জাতীয়তাবাদী ধাৰণাসমূহে ঘাই সুঁতিৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াটোত প্ৰতিনিধিত্ব লাভ কৰে, তেন্তে এই অঞ্চলটোৰ সৈতে জড়িত থকা বহুতো সমস্যা সমাধান অথবা লাঘৱ হ'ব।
- **<u>উন্নয়ন আৰ্হি</u>** ঃ এই আৰ্হিটো ১৯৮০ ৰ দশকত অৱলম্বন কৰা হৈছিল। ইয়াৰ আঁৰত থকা ধাৰণাটো আছিল যে যদি অঞ্চলটোত উন্নয়নকেন্দ্ৰিক প্ৰতিষ্ঠানসমূহ প্ৰতিষ্ঠা কৰা হয় আৰু সঠিকভাৱে ধন আৱণ্টন দিয়া হয়, তেনেহ'লে অঞ্চলটোৰ সমস্যাবোৰ সম্পূৰ্ণৰূপে সমাধান নহ'লেও কিছু পৰিমাণে লাঘৱ হ'ব। এই উন্নয়ন আৰ্হি অনুসৰি চৰকাৰে ১৯৯৫ চনৰ পৰা ২০০০ চনলৈ হাতত লোৱা বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিষয়ে তলত উল্লেখ কৰা হ'ল-
  - **আগষ্ট, ১৯৯৫** ঃ উত্তৰ - পূব উন্নয়নৰ বিত্তীয় নিগম লিমিটেড (এন ই ডি এফ এল) গঠন কৰা হৈছিল।

- **অক্টোবৰ, ১৯৯৬ঃ** প্ৰধানমন্ত্ৰী এইচ. ডি. ডেভে-গৌড়াই উত্তৰ-পূব ভাৰতৰ উন্নয়নৰ বাবে ৬,১০০ কোটি টকা আৱণ্টন কৰিছিল। এয়া প্ৰধানমন্ত্ৰীৰ ফালৰ পৰা অনুমোদিত আঁচনিসমূহৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আগবঢ়োৱা নিদৰ্শনমূলক বিত্তীয় সাহায্যবোৰৰ মাজৰ প্ৰথমটো সাহায্য আছিল।
- **ডিচেম্বৰ, ১৯৯৭ঃ** উত্তৰ - পূৰ্বাঞ্চলীয় ঔদ্যোগিক নীতি (এন ই আই পি)ৰ ঘোষণা কৰা হৈছিল। উত্তৰ-পূব ভাৰতৰ ঔদ্যোগিক বিকাশৰ বাবে ধাৰ্য কৰা উদগনিমূলক কৰ ৰেহাই আৰু ৰাজসাহায্য এই ঔদ্যোগিক আৰ্হিৰ অন্তৰ্গত আছিল।
- **আগষ্ট, ১৯৯৯ঃ** ভাৰতে 'কুনমিং প্ৰয়াস' (Kunming Initiative)ত অংশগ্ৰহণ কৰিছিল। ইয়াক বৰ্তমান বাংলাদেশ, চীন, ভাৰত, ম্যানমাৰ আঞ্চলিক সহযোগিতা মঞ্চ (BCIMRCF) বুলি জনা যায়। উত্তৰ-পূৰ্বাঞ্চল আৰু ইয়াৰ সীমান্তৱৰ্তী দেশসমূহ, যেনে- চীন, ম্যানমাৰ আৰু বাংলাদেশৰ মাজত সংযোগ ব্যৱস্থা গঢ়ি তোলাৰ বাবে হাতত লোৱা বিভিন্ন উপ-আঞ্চলিক পৰিকল্পনাৰ ভিতৰত ই অন্যতম আছিল।
- **২০০১ঃ** উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন বিভাগ (DONER) নামেৰে কেন্দ্ৰীয় চৰকাৰে এটা বিভাগ খোলে।
- **জুলাই, ২০০২ঃ** ভাৰতীয় চেম্বাৰ্চ অৱ কমাৰ্চৰ পৃষ্ঠপোষকতাত মুম্বাইত প্ৰথমখন উত্তৰ-পূব বাণিজ্যিক শীৰ্ষ সন্মিলন অনুষ্ঠিত হয়।
- **২০০৪ঃ** ড'নাৰ (DONER) কেন্দ্ৰীয় চৰকাৰৰ এক পূৰ্ণাংগ মন্ত্ৰালয়ত পৰিণত হয়।
- **২০০৫ঃ** উত্তৰ-পূব পৰিষদ (NEC) আইন, ১৯৭১ ৰ সংশোধন কৰি উত্তৰ-পূব পৰিষদক এক বিধিসন্মত আঞ্চলিক পৰিকল্পনা অভিকৰণৰ উপদেষ্টা নিকায়লৈ ৰূপান্তৰিত কৰা হয়।

যি সময়ত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলে প্ৰাদেশিক বিভাজন প্ৰত্যক্ষ কৰিছিল, একে সময়তে ইয়াক এক উমৈহতীয়া পৰিচয় দিবলৈ প্ৰচেষ্টা চলোৱা হৈছিল। বহুতো পণ্ডিতে আঙুলিয়াই দেখুৱাইছে যে উত্তৰ-পূৰ্বাঞ্চলৰ সমস্যাসমূহ সমাধান কৰিবলৈ 'উত্তৰ-পূৰ্বাঞ্চল' আখ্যাটোৰ প্ৰতি থকা মানুহৰ ধাৰণাটো প্ৰথমে আলোচনা কৰিব লাগিব। মৃণাল মিৰিয়ে উল্লেখ কৰা অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰৰ মূলসূঁতিৰ এক বহৎ সংখ্যক ভাৰতীয়ৰ বাবে উত্তৰ-পূব অঞ্চলটো সুদূৰত অৱস্থিত এক অঞ্চল যি সংস্কৃতি, জাতি আৰু ভৌগোলিক দিশৰ পৰা কম-বেছি পৰিমাণে সমগোত্ৰীয়; কিন্তু একে সময়তে অঞ্চলটোত বিচ্ছিন্নতাবাদী চিন্তাধাৰাৰ আদিম জনগোষ্ঠীৰ আধিপত্য আছে। উদয়ন মিশ্ৰই তেওঁৰ *The Periphery Strickes Back: Challenges to the Nation. State in Assam and Nagaland* নামৰ কিতাপখনত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলক "এক ভ্ৰান্ত বৈসাদৃশ্য' পূৰ্ণ অঞ্চল বুলি অভিহিত কৰিছে। তেওঁ উনুকিয়াইছে যে অঞ্চলটোৰ বিভিন্ন থলুৱা জনগোষ্ঠীৰ মাজত আন আন বহুতো বৈসাদৃশ্য আছে যিবোৰ এটা নিৰ্দিষ্ট পৰিধিৰ মাজত সীমাবদ্ধ ৰাখিব নোৱাৰি। কিন্তু এই বৈসাদৃশ্যসমূহৰ ওপৰত ৰহণ সানি মূলসূঁতিৰ

ভাৰতীয়সকলে উত্তৰ-পূৰ্বাঞ্চলৰ এনে এক ছবি প্ৰস্তুত কৰিছে যিয়ে এই অঞ্চলটো আৰু ইয়াৰ লোকসকলক ভাৰতৰ অন্য প্ৰান্তৰ পৰা এলাগী কৰি ৰাখিছে। য়াছমিন শইকীয়া আৰু অমিত আৰ বৈশ্যই সম্পাদনা কৰা *North East India* নামৰ কিতাপখনত Solidarity, Visibility and Vulnerability: Northeast as a Racial Category in India' নামৰ অধ্যায়টিত ডানকেন মেক্‌ডুই-ৰাই লিখিছে যে 'উত্তৰ-পূব' হ'ল এক শ্ৰেণী বিভাজন মাথোঁ। ভাৰতৰ পূব-সীমান্তৱৰ্তী বিদ্ৰোহী অঞ্চলসমূহত অসাধাৰণ ন্যায়িক নীতি-নিয়ম বলবৎ কৰাৰ লগতে ইয়াৰ নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ নিমিত্তে ভাৰত ৰাষ্ট্ৰই নিজে এই শ্ৰেণীবিভাজনৰ সৃষ্টি কৰিছিল। এই শ্ৰেণী বিভাজনে অঞ্চলটোৰ বৈচিত্ৰ্য আৰু জটিলতা মচি নিয়াৰ লগতে অঞ্চলটোক অসাধাৰণ ন্যায়িক তথা আমোলাতান্ত্ৰিক ব্যৱস্থাৰ মাজেৰে বিভিন্ন সমস্যাৰ সমষ্টি যে সমাধান কৰিব পৰা যায় সেয়া বুজোৱাৰ এক 'উল্লেখ আৰ্হি'ত পৰিণত কৰিছিল। উদাহৰণস্বৰূপে, সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন (AFSPA) (1958) খনে উত্তৰ-পূব অঞ্চল উন্নয়ন নামেৰে এক নতুন বিশেষীকৃত চৰকাৰী মন্ত্ৰালয়ৰ জন্ম দিছিল।

যদিও উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা সম্প্ৰদায় আৰু জনগোষ্ঠীসমূহে এতিয়াও অঞ্চলটোত যথেষ্ট ক্ষমতাৰ অধিকাৰী আৰু নিজ নিজ নৃগোষ্ঠীয় তথা জনজাতি পৰিচয় এতিয়াও বৰ্তাই ৰাখিছে, তথাপিও দ্বৈত সংযোগ ব্যৱস্থা, নগৰীকৰণ, বহিঃ প্ৰব্ৰজন আৰু বিশেষকৈ স্বভূমিৰ বাহিৰত চলা বহুল জাতিবাদী প্ৰচাৰ আদিৰ পটভূমিত প্ৰত্যেকৰে মাজত পৰিচয়ৰ ভাগ-বটোৱাৰ হোৱা দেখা যায়। কেৱল জাতিগত নেতিবাচক অভিজ্ঞতা আৰু বৈষম্যমূলক আচৰণৰ বলি হোৱাটোৱেই নহয়, জাতি-জনগোষ্ঠীসমূহৰ মাজত থকা বৈশিষ্ট্যবোৰেও উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীসমূহক ভাৰতৰ আনবোৰ জনজাতিৰ পৰা পৃথক কৰিছে। সেয়েহে, সমসাময়িক কালত বসতিস্থান, ওচৰ-চুবুৰীয়া ৰাজ্য, কৰ্মস্থান আৰু খাদ্য অভ্যাসৰ মিল আদি দিশৰ পৰা 'উত্তৰ-পূৰ্বাঞ্চলীয়' বুলি এক পৃথক শিতান, এক পৰিচয়ৰ উদ্ভৱ হৈছে।



চিন্তা-চৰ্চা কৰক-৩

১। চৰকাৰৰ অধীনস্থ উত্তৰ-পূব অঞ্চল উন্নয়ন (ড'নাৰ) মন্ত্ৰালয়ৰ কাৰ্যাৱলী আলোচনা কৰক।

.....

.....

২। ভাৰতৰ 'পূবলৈ চোৱা নীতি' (Look East Policy) বিষয়ে এটি টোকা লিখক।

.....

.....

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১ ঃ উত্তৰ-পূব পৰিষদ কেতিয়া গঠন কৰা হৈছিল ?

(ক) ১৯৭১ চনত (খ) ১৯৭০ চনত

(গ) ১৯৬৫ চনত (ক) ১৯৬১ চনত

প্ৰশ্ন নং ২ ঃ কিমান চনত নাগালেণ্ড ভাৰতৰ এখন ৰাজ্যত পৰিণত হৈছিল ?

(ক) ১৯৪৭ চনত (খ) ১৯৬৩ চনত

(গ) ১৯৫০ চনত (ঘ) ১৯৭৫ চনত



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উত্তৰ-পূৰ্বাঞ্চল ভাৰতৰ একেবাৰে পূব প্ৰান্তত অৱস্থিত এক অঞ্চল। এই অঞ্চলটোৱে দেশৰ এক ভৌগোলিক, ৰাজনৈতিক তথা প্ৰশাসনিক বিভাগক প্ৰতিনিধিত্ব কৰে।
- ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল প্ৰাকৃতিক আৰু সাংস্কৃতিক ঐতিহ্যৰে চহকী এক অঞ্চল । এই অঞ্চলটো ২,৬২,২৩০ বৰ্গ কিঃ মিঃ জুৰি বিয়পি আছে।
- উত্তৰ পূৰ্বাঞ্চল মুঠ আঠখন ৰাজ্য, ক্ৰমে-অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিমেৰে গঠিত।
- ৰামায়ণত উল্লেখ আছে যে প্ৰাগজ্যোতিষ নগৰখন বৰাহ নামৰ স্বৰ্ণখচিত পৰ্বত এখনত অৱস্থিত আছিল।
- মহাভাৰতত প্ৰাগজ্যোতিষৰ ৰজা ভগদত্তক 'শৈললেয়' বুলি অভিহিত কৰা আছে। ইয়াৰ অৰ্থ হৈছে 'পৰ্বত নিবাসী'। তাত এইটো কথাও উল্লেখ আছে যে তেওঁৰ সৈন্যদল কিৰাত, চীনা আৰু সমুদ্ৰততীয় বাসিন্দাসকলেৰে গঠিত আছিল।
- 'উত্তৰ-পূৰ্বাঞ্চল' অভিধাটো ব্ৰিটিছসকলে প্ৰথমে এক ভৌগোলিক অঞ্চল দৰ্শাবলৈ ব্যৱহাৰ কৰিছিল।
- আলেকজেণ্ডাৰ মেকেন্‌জি সম্ভৱতঃ প্ৰথমগৰাকী ব্যক্তি আছিল যিয়ে 'উত্তৰ-পূব সীমান্ত' নামটো পোণপ্ৰথমবাৰৰ কাৰণে ব্যৱহাৰ কৰিছিল। তেওঁ এই নামটো অসম, তেতিয়াৰ ৰাজকীয় প্ৰদেশ মণিপুৰ আৰু ত্ৰিপুৰাকে ধৰি আন আন পাহাৰীয়া অঞ্চলসমূহক সমূহীয়াকৈ বুজাবলৈ ব্যৱহাৰ কৰিছিল।
- ১৯৪৭ চনত দেশ বিভাজনৰ লগে লগে, অসমে ভাৰতৰ এখন সাংবিধানিক ৰাজ্যৰ স্বীকৃতি লাভ কৰে।
- ১৯৭১ চনতউত্তৰ-পূৰ্ব পৰিষদ (এন ই চি) গঠনৰ লগে লগে উত্তৰ-পূৰ্বাঞ্চলৰ ধাৰণাটো ৰাজনৈতিকভাৱে গৃহীত হয় আৰু 'উত্তৰ-পূৰ্বাঞ্চল' নামটোৱে চৰ্চা লাভ কৰে।



১.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

Baruah, Sanjib. (2005). *Durable Disorder- Understanding the Politics of Northest India.* Oxford University Press. New Delhi.

Barua, K.L. (1933). *Early History of Kamarupa: From the Earliest Times to the End of the Sixteenth Century*. Shillong.

Gait, Edward. (2012). *A History of Assam.* Pragun Publications.

Misra, Udayon (2000). The Periphery Strikes Back: Challenges to the nation-state in Assam and Nagaland. Indian Institute of Advanced Study.

Miri, Mrinal. *Community, culture, nation*. Retrieved on 15 June, 2018 from http://www.india-http://www.india-seminar.com/2005/550/550%20jairam%20ramesh.htm.

Reid, Robert. (2013). *History of the Frontier Areas Bordering Assam from 1883-1941.* Bhabani Offset Pvt. Ltd. Guwahati

Saikia, Yasmin. and Baishya, Amit. R, editor. (2017). *Northest India: A Place of Relations.* Cambridge University Press.



১.৮ অগ্ৰগতিৰ খতিয়ান

(ক)

১_নং প্ৰশ্নৰ উত্তৰ ঃ কামদেৰ

২_নং প্ৰশ্নৰ উত্তৰ ঃ ত্ৰয়োদশ শতিকা

(খ)

১_নং প্ৰশ্নৰ উত্তৰ ঃ ১৮২৬ চন

২_নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৬৩ চন

৩_নং প্ৰশ্নৰ উত্তৰ ঃ নাগালেণ্ড, মিজোৰাম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়



১.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ উত্তৰ-পূব ভাৰতৰ ভৌগোলিক অৱস্থিতিৰ বৰ্ণনা আগবঢ়াওক।

প্ৰশ্ন নং ২ ঃ উত্তৰ-পূব ভাৰতৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা চাৰিটা উন্নয়নমূলক আঁচনি উল্লেখ কৰক।

(খ) ৰচনীধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ৩ ঃ উত্তৰ ঔপনিৱেশিক যুগ উত্তৰ-পূব ভাৰতৰ ধাৰণাৰ বিষয়ে এখন ৰচনা লিখক।

*** ***** ***

অধ্যায় ২ ঃ উত্তৰ-পূব ভাৰতৰ অৱস্থিতি আৰু পৰিৱেশতন্ত্ৰ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ উত্তৰ-পব ভাৰতৰ অৱস্থিতি

২.৪ উত্তৰ-পূব ভাৰতৰ চাৰি সীমা

২.৫ উত্তৰ-পূব ভাৰতৰ পৰিৱেশতন্ত্ৰ

২.৬ অসম- ইয়াৰ অৱস্থিতি আৰু পৰিৱেশতন্ত্ৰ

২.৭ উত্তৰ-পূব ভাৰতৰ উদ্ভিদ আৰু প্ৰাণী জগত তথা দুষ্প্ৰাপ্য প্ৰজাতি

২.৮ পাৰিপাৰ্শ্বিক জৈৱ-বৈচিত্ৰ্যময় অঞ্চল

২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.১০ অধিক জানিবলৈ

২.১১ অগ্ৰগতিৰ খতিয়ান

২.১২ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- উত্তৰ-পূৰ্বাঞ্চলৰ অৱস্থিতি আৰু পৰিৱেশতন্ত্ৰৰ বিষয়ে জানিব পাৰিব
- পাৰিপাৰ্শ্বিক বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিব
- অসমৰ অৱস্থিতি আৰু পৰিৱেশতন্ত্ৰ সম্পৰ্কে অৱগত হ'ব
- উত্তৰ-পূৰ্বাঞ্চলৰ উদ্ভিদ, প্ৰাণী জগত আৰু দুষ্প্ৰাপ্য প্ৰজাতিসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- পাৰিপাৰ্শ্বিক জৈৱ-বৈচিত্ৰ্যৰে সমৃদ্ধ অঞ্চলসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব

২.২ পৰিচয়

এই পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়ত আপুনি উত্তৰ-পূব ভাৰতৰ ধাৰণা লাভ কৰাৰ লগতে ইয়াৰ প্ৰাচীন, ঔপনিৱেশিক আৰু উত্তৰ ঔপনিৱেশিক যুগৰ ধাৰণা লাভ কৰিলে।

এই অধ্যায়টিয়ে আপোনাক ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ পাৰিপাৰ্শ্বিকতাত থকা ভিন্নতাৰ সৈতে পৰিচয় কৰাব। এই ভিন্নতাই অঞ্চলটোৰ ভৌগোলিক অৱস্থিতি আৰু ভূ-আকৃতিগত সজ্জাৰ (physiological settings) এক বিস্তৃত ছবি দাঙি ধৰে। জলবায়ু, বৰষুণৰ পৰিমাণ, নদী ব্যৱস্থা, উদ্ভিদ আৰু প্ৰাণী জগত তথা পাৰিপাৰ্শ্বিক জৈৱ বৈচিত্ৰ্যময় অঞ্চল আদিৰ দৰে গুৰুত্বপূৰ্ণ

কাৰকসমূহো আলোচনাৰ অন্তর্ভুক্ত কৰা হৈছে। পৰিৱেশতন্ত্ৰৰ বিচিত্ৰ প্ৰকৃতিৰ চানেকি থকা অসমৰ কথা অধ্যায়টিত বিশেষভাৱে আলোচনা কৰা হৈছে।

২.৩ উত্তৰ-পূব ভাৰতৰ অৱস্থিতি

ভাৰতৰ উত্তৰ-পূব অঞ্চলটো আঠখন ৰাজ্য, ক্ৰমে, অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ছিকিম আৰু ত্ৰিপুৰাৰে গঠিত। অঞ্চলটো ভাৰতৰ একেবাৰে পূব প্ৰান্তত অৱস্থিত। অঞ্চলটো ২১.৫৭ উত্তৰৰ পৰা ২৯.৩০ উত্তৰ দ্ৰাঘিমাংশ আৰু ৮৯.৪৬ পূবৰ পৰা ৯৭.৩০ পূব দ্ৰাঘিমাংশৰ ভিতৰত অৱস্থিত। উত্তৰ-পূর্বাঞ্চলৰ মুঠ মাটিকালি ২৬২,২৩০ বৰ্গ কি. মি.। ই ভাৰতৰ সৰ্বমুঠ মাটিকালিৰ ৭৯.৮ শতাংশ। উত্তৰ-পূব ভাৰত বিদেশী ৰাষ্ট্ৰৰ দ্বাৰা পৰিৱেষ্টিত। ইয়াৰ পূবে ম্যানমাৰ, উত্তৰে ভূটান আৰু চীন, দক্ষিণ-পশ্চিম দিশে বাংলাদেশ আৰু পশ্চিমে নেপাল অৱস্থিত। পশ্চিম বংগৰ শিলিগুড়িয়ে উত্তৰ-পূর্বাঞ্চলক মূল ভাৰত ভূ-খণ্ডৰ সৈতে সংযোজিত কৰিছে। ভাৰতৰ অন্য প্ৰান্তৰ সৈতে অঞ্চলটোক সংযোগ কৰা ঠেক অংশটোক চিকেন নেক' (chicken) বুলি জনা যায়।

২.৪ উত্তৰ-পূব ভাৰতৰ চাৰিসীমা

উত্তৰ-পূর্বাঞ্চলৰ আঠোখন ৰাজ্যই আন্তর্জাতিক সীমাত অৱস্থিত।

- উত্তৰ-পূর্বাঞ্চলৰ সৰ্ববৃহৎ ৰাজ্য অৰুণাচল প্ৰদেশৰ পশ্চিমে তিব্বত, উত্তৰে চীন আৰু দক্ষিণে অসম তথা অন্যান্য উত্তৰ-পূর্বাঞ্চলীয় ৰাজ্যসমূহ অৱস্থিত।
- অসমৰ উত্তৰে ভূটান আৰু অৰুণাচল প্ৰদেশ, পূব আৰু দক্ষিণ-পশ্চিম দিশে অন্যান্য উত্তৰ-পূর্বাঞ্চলীয় ৰাজ্যসমূহ আৰু পশ্চিমে ত্ৰিপুৰা আৰু বাংলাদেশ অৱস্থিত।
- নাগালেণ্ডৰ পূৱে ম্যানমান আৰু অৰুণাচল, উত্তৰ-পশ্চিম দিশে অসম আৰু দক্ষিণে মণিপুৰ অৱস্থিত।
- মিজোৰামৰ উত্তৰে অসম আৰু মণিপুৰ, পশ্চিমে ত্ৰিপুৰা আৰু বাংলাদেশৰ চিটাগং পাহাৰ তথা দক্ষিণ-পশ্চিম দিশে ম্যানমাৰ পাহাৰ অৱস্থিত।
- মণিপুৰক চাৰিওফালৰ পৰা অন্যান্য উত্তৰ-পূর্বাঞ্চলীয় ৰাজ্যসমূহে আৱৰি আছে।
- মেঘালয়ৰ দক্ষিণ-পূব দিশে বাংলাদেশ, উত্তৰে অসমৰ গোৱালপাৰা আৰু কার্বি-আংলং জিলা, পূবে অসমৰ উত্তৰ-কাছাৰ জিলা অৱস্থিত।
- ত্ৰিপুৰাৰ উত্তৰ-পশ্চিম আৰু দক্ষিণ দিশে বাংলাদেশ, উত্তৰ-পূব দিশে অসম আৰু মিজোৰাম অৱস্থিত।
- ছিকিমৰ উত্তৰে চীন, দক্ষিণে পশ্চিম বংগ, পূবে তিব্বত আৰু ভূটান তথা পশ্চিমে নেপাল অৱস্থিত।



চিন্তা-চৰ্চা কৰক-১

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যৰে চাৰিসীমা আলোচনা কৰক।

.....

.....

২.৫ উত্তৰ-পূব ভাৰতৰ পৰিৱেশতন্ত্ৰ

সামগ্ৰিকভাৱে, উত্তৰ-পূব ভাৰতত এক বৈচিত্ৰ্যময় ভূখণ্ড আছে। প্ৰাকৃতিক সৌন্দৰ্য আৰু বৈচিত্ৰ্যই উত্তৰ-পূৰ্বাঞ্চলৰ ভূখণ্ডক অদ্বিতীয়। পাহাৰ, পৰ্বত, মালভূমি, ভৈয়াম, নদ-নদী, উপত্যকা দ' অঞ্চলসমূহ, চৰ ভূমি, নদী দ্বীপ ইত্যাদি হ'ল অঞ্চলটোৰ কিছুমান উল্লেখযোগ্য বৈশিষ্ট্য। ২০১৫ চনৰ ভাৰতীয় ৰাজ্যিক বনাঞ্চল প্ৰতিবেদনত প্ৰকাশিত তথ্য অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ মুঠ বনাঞ্চল ১৭১,৯৬৪ বৰ্গ কি. মি.। ই অঞ্চলটোৰ ভৌগোলিক মাটিকালিৰ ৬৫.৫৯ শতাংশ।

ভূ-আকৃতিগত দিশেৰে অঞ্চলটোক কিছুমান নিৰ্দিষ্ট গোট, যেনে পাহাৰীয়া অঞ্চল, মালভূমি অঞ্চল, পলসুৱা ভৈয়াম অঞ্চল, গিৰিপদ বলয় অথবা পাদদেশ আদিত বিভক্ত কৰিব পাৰি। পাহাৰীয়া ভূ-অঞ্চলটোৱে উত্তৰ, দক্ষিণ, উত্তৰ-পূব আৰু দক্ষিণ-পূব দিশৰ ঠাইসমূহ আৱৰি আছে। অৰুণাচলৰ হিমালয় অংশটো প্ৰায়ে পূবা-পশ্চিমা দিশে গতি কৰিছে। ইয়াৰ ফলস্বৰূপে বৃহত্তৰ আল্পচ্-হিমালয় বলয়টো গঠিত হৈছে। অঞ্চলটোৰ দক্ষিণৰ প্ৰান্তত মিজো-লুচাই পাহাৰ অৱস্থিত। আনহাতে, মেঘালয়ত খাচী-জয়ন্তীয়া আৰু গাৰো পাহাৰ আছে। এই পাহাৰলানিয়ে ৰাজ্যখনৰ প্ৰায় ৮০ শতাংশ ঠাই আৱৰি আছে। মালভূমি অঞ্চলটোৱে মেঘালয়ৰ বেছিভাগ অংশ আৰু অসমৰ কাৰ্বি-আংলং জিলাৰ এটা অংশ আৱৰি আছে। গিৰিপদ বলয়টো দক্ষিণ দিশে নাগা-পাটকাই পৰ্বতমালা আৰু উত্তৰ দিশে হিমালয় পৰ্বতমালাৰ পাদদেশৰ কাষে কাষে অৱস্থিত।

উত্তৰ-পূৰ্বাঞ্চলৰ জলবায়ুৰ এক বিশিষ্ট আৰ্হি আছে। গ্ৰীষ্মকালত চৰম আৰ্দ্ৰতাৰ বিপৰীতে বাকী কালছোৱা তুলনামূলকভাৱে শীতল হোৱাৰ দৰে তাপমানৰ ভিন্নতা অঞ্চলটোৰ জলবায়ুত দেখা যায়। জুন মাহৰ আৰম্ভণিৰ পৰা আৰু ছেপ্তেম্বৰ মাহৰ শেষলৈকে বতৰটো গৰম হয়। উত্তৰ-পূৰ্বাঞ্চলত বৰষুণৰ বতৰ মাৰ্চ মাহত আৰম্ভ হৈ অক্টোবৰ মাহৰ শেষলৈ চলে। অঞ্চলটোৰ বাৰ্ষিক সৰ্বমুঠ বৰষুণৰ ৯০% দক্ষিণ-পশ্চিম মৌচুমী বতাহজাকে কঢ়িয়াই আনে। অঞ্চলটোৰ বাসিন্দাসকলে কৃষিকৰ্মৰ বাবে মৌচুমী বৰষুণৰ ওপৰত নিৰ্ভৰ কৰে। বৰষুণৰ পৰিমাণ অঞ্চলভেদে অসমান হয়। উদাহৰণস্বৰূপে, মেঘালয়ৰ মৌচিনৰামত বাৰ্ষিক বৰষুণৰ পৰিমাণ সৰ্বোচ্চ; আনহাতে অসমৰ নগাওঁ জিলা আৰু কাৰ্বি-আংলং জিলাৰ উত্তৰ প্ৰান্তত বৰষুণৰ পৰিমাণ সৰ্বনিম্ন। অঞ্চলটোক দুখন প্ৰধান নদী- ব্ৰহ্মপুত্ৰ আৰু বৰাকে আৱৰি আছে। দুয়োখন নদীৰে উপত্যকাৰ তাপমান নাতিশীতোষ্ণ। এই দুটা প্ৰধান নদী প্ৰণালীৰ বাহিৰে বহুতো সৰু-বৰ উপ-নদীয়ে অঞ্চলটো ভৰা। ব্ৰহ্মপুত্ৰৰ উল্লেখযোগ্য উপনদীসমূহ হ'ল-ছিয়াং অথবা দিহিং, দিবাং, লোহিত, সোৱণশিৰি, কামেং অথবা জীয়াভৰালী, জীয়া ধনশিৰি, মানাহ, বেকী, পাগলাদিয়া, গদাধৰ, সোণকোষ, বুঢ়ীদিহিং,

দিখৌ, ধনশিৰি, ডিগাৰু, সোণকোষ, বুঢ়ীদিহিং, দিখৌ, ধনশিৰি, ডিগাৰু, কপিলী ইত্যাদি। বৰাক নদীৰ উল্লেখযোগ্য উপনৈসমূহ হ'ল-জিৰি, জাতিংগা, সোণাই, ধলেশ্বৰী, লুভু ইত্যাদি। (ইয়াৰ উপৰি, উত্তৰ-পূব ভাৰতত বহুতো জলাহ পিটনি আছে। ব্ৰহ্মপুত্ৰৰ মাজত অৱস্থিত মাজুলী পৃথিৱীৰ সৰ্ববৃহৎ মিঠাপানীৰ (freshwater) নদীদ্বীপ



চিন্তা-চৰ্চা কৰক-২

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰধান নদী দুখনৰ উপনৈসমূহৰ নাম বিচাৰি উলিয়াই তালিকা প্ৰস্তুত কৰক।

.....

.....

২.৬ অসম-ইয়াৰ অৱস্থিতি আৰু পৰিৱেশতন্ত্ৰ

অসম পূব হিমালয়ৰ পাদদেশত অৱস্থিত ভাৰতৰ এখন উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্য। অসমক উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যসমূহে বেৰি আছে। অসম আৰু ইয়াৰ বাণিজ্যিক ৰাজধানী গুৱাহাটীয়ে সাত ভনী খ্যাত সাতখন ৰাজ্যৰে গঠিত উত্তৰ-পূব অঞ্চলৰ মূল প্ৰৱেশদ্বাৰখন সৃষ্টি কৰিছে। ছিকিমক ২০০৩ চনত উত্তৰ-পূব ভাৰতৰ অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ পূৰ্বে ছিকিম 'সাতভনী'ৰ অংশ নাছিল।

অৱস্থিতিঃ ২৪ ৰ পৰা ২৮ ডিগ্ৰী উত্তৰ দ্ৰাঘিমাংশ আৰু ৯০ ৰ পৰা ৯৬ ডিগ্ৰী পূৰ দ্ৰাঘিমাংশৰ মাজত অসম অৱস্থিত। ই ভূটান আৰু বাংলাদেশৰ সৈতে সীমা ভাগ কৰে। ৰাজ্যখন অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়ৰ দ্বাৰা আবৃত হৈ আছে। অসমৰ পূব দিশে অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু মণিপুৰ; পশ্চিমে বাংলাদেশ আৰু ত্ৰিপুৰা তথা দক্ষিণে মিজোৰাম আৰু মেঘালয় অৱস্থিত। অসমৰ মুঠ মাটিকালি ৭৮,৫২৩, বৰ্গ কি. মি.।


ভৌগোলিকভাৱে অসম উত্তৰে ব্ৰহ্মপুত্ৰ উপত্যকা আৰু দক্ষিণে বৰাক উপত্যকাত বিভক্ত। এই ভৌগোলিক অঞ্চল দুটাক কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰে বিভক্ত কৰি ৰাখিছে। অসমৰ মুঠ জনসংখ্যাৰ এক বৃহৎ সংখ্যকে উত্তৰৰ বিশাল ব্ৰহ্মপূত্ৰ উপত্যকাত বাস কৰে। ব্ৰহ্মপুত্ৰ নদীৰ প্ৰবাহৰ ওপৰত ভিত্তি কৰি ৰাজ্যখনক উজনি অসম আৰু নামনি অসম নামে দুটা ভাগত বিভক্ত কৰিব পাৰি। দক্ষিণ প্ৰান্ত বলয়টো অথবা বৰাক উপত্যকা অঞ্চলটো চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ এক বৰ্ধিত অংশ মাথোঁ। অঞ্চলটোৰ প্ৰধান জিলাকেইখন হ'ল- কৰিমগঞ্জ, কাছাৰ আৰু হাইলাকান্দি। কাৰ্বি আংলং অসমৰ কেন্দ্ৰস্থল আৰু ই সৰ্বমুঠ ১০,৪৩৪ বৰ্গ কি.মি. মাটি কালি আৱৰি আছে। কাৰ্বি আংলং বড়ো, কুকি, ডিমাছা, তিৱা, গাৰো আৰু খাচী আদিৰ দৰে প্ৰধান জনগোষ্ঠীসমূহৰ বাসভূমি।

জলবায়ুঃ বিষুৱীয় মৌচুমী বৰ্ষাৰণ্যৰ উপস্থিতিৰ বাবে অসমৰ জলবায়ু নাতিশীতোষ্ণ। গ্ৰীষ্মকালত অসমত বৰষুণৰ পৰিমাণ বেছি হয় আৰু বায়ুমণ্ডলত আৰ্দ্ৰতাৰ পৰিমাণ বেছি। গ্ৰীষ্ম ঋতু মে' মাহৰ মাজৰ পৰা আৰম্ভ হৈ অক্টোবৰলৈ চলে। শীতকাল অক্টোবৰ মাহৰ শেষৰ পৰা ফ্ৰেব্ৰুৱাৰীৰ শেষ পৰ্যন্ত চলে। গ্ৰীষ্মকালত ৰাজ্যখনৰ সৰ্বোচ্চ তাপমান ৩৫ ৰ পৰা ৩৮ ডিগ্ৰী চেলছিয়াছ হয়গৈ। বছৰটোৰ প্ৰায় আটাইকেইটা ঋতুতেই বৰষুণ হয়।

ভূ-সংস্থান(topography) বৰষুণৰ পৰিমাণ, কৃষিকাৰ্য ইত্যাদিৰ প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি অসমৰ মাটি অঞ্চল ভেদে ভিন্ন গুণসম্পন্ন। ৰাজ্যখনৰ মাটিক চাৰিটা ভাগত ভগাব পাৰি। যেনে- নতুন পলসুৱা; পু�ৰণি পলসুৱা; ৰঙা পলসুৱা আৰু ৰঙামাটি। ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ আৰু দক্ষিণ অংশৰ মাটি ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনৈসমূহে কঢ়িয়াই অনা পলসেৰে ভৰা। অসমত বহুতকেইখন বিষুৱীয় বৰ্ষাৰণ্য আছে। তাৰোপৰি, অসমত নদীৰ দ্বাৰা সৃষ্ট ঘাঁহনি, অসংখ্য জলাহ আৰু চৰভূমি আছে। অসমত পাঁচখন ৰাষ্ট্ৰীয় উদ্যান আছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, ওৰাং ৰাষ্ট্ৰীয় উদ্যান, ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান,নামেৰি ৰাষ্ট্ৰীয় উদ্যান আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যান অসমৰ গৌৰৱ।

কৃষিকৰ্ম অসমৰ লোকসকলৰ মূল বৃত্তি। ই ৰাজ্যখনৰ মুঠ কৰ্মশক্তিলৈ ৬৩ শতাংশ অৰিহণা যোগায়। ভাত অঞ্চলটোৰ প্ৰধান খাদ্য আৰু ধানৰ উৎপাদনেই হ'ল কৃষিকৰ্মৰ সৈতে জড়িত লোকসকলৰ প্ৰধান জীৱিকা। বিভিন্ন ধৰণৰ মাহজাতীয় শস্য, মৰাপাট, চাহপাত, ফল-মূল আদি হ'ল অঞ্চলটোত উৎপাদিত অন্যান্য কৃষিভিত্তিক শস্য। অঞ্চলটোত কুঁহিয়াৰ, আলু, পিয়াঁজ, কপাহ, তৈলশস্য, নাৰিকল আৰু তামোল আদিৰো খেতি কৰা হয়। পাহাৰীয়া অঞ্চলৰ লোকসকলে ঝুম খেতি অথবা স্থান সলনি কৰি (shifting) অর্থাৎ ঝুম খেতি কৰে। জনগোষ্ঠীয় কৃষকসকলে বনাঞ্চলৰ নিৰ্দিষ্ট অংশ কিছুমান জ্বলাই ইয়াক এক চক্ৰীয় অন্তৰালত ব্যৱহাৰ কৰি এই প্ৰথাটো বৰ্তাই ৰাখে। ফল-মূলৰ ভিতৰত অসমত কমলা টেঙা আৰু অন্য টেঙা ফল, কল, মধুৰিআম, আনাৰস আৰু আম পোৱা যায়। বনাঞ্চলসমূহ অসমৰ অর্থনীতিৰ এক অপৰিহাৰ্য অংশ। কাঠ আৰু বাঁহ অসমৰ বনাঞ্চলৰ দুটা প্ৰধান সম্পদ। অসমৰ চাহপাত এক প্ৰধান নগদী শস্য (cash crop) পৃথিৱীৰ মুঠ চাহৰ ১৫ শতাংশ অসমে উৎপাদন কৰে। অসমৰ ৭৫ শতাংশ চাহ বাগিচা ব্ৰহ্মপুত্ৰ উপত্যকাৰ দৰং, শিৱসাগৰ আৰু লখিমপুৰ জিলাত অৱস্থিত। কাছাৰ জিলাত ২০ শতাংশ আৰু বাকী থকা ৫ শতাংশ নামনি ব্ৰহ্মপুত্ৰ উপত্যকাত অৱস্থিত।

অসমত বহুতো খনিজ উৎস আছে। প্ৰধান খনিজ দ্ৰব্যসমূহ হ'ল-কয়লা, তেল আৰু প্ৰাকৃতিক গেছ, চূণশিল, ড'ল'মাইট, লো, ছিলিমেনাইট, অগ্নিমৃত্তিকা, পাইৰাইট, চীনামাটি (kachin), কাঁচ-মাটি (glass-sand), নিমখ, তাম। খাচী পাহাৰ, জয়ন্তীয়া পাহাৰ, মিকিৰ পাহাৰ আৰু মাকুমত কয়লাৰ খনি আছে। অসমৰ তেল উৎপাদনকাৰী অঞ্চলসমূহ ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনি অসমত অৱস্থিত। অসমৰ ডিগবৈ, নুনমাটি, বঙাইগাওঁ আৰু নুমলীগড়ত মুঠ চাৰিটা তেল শোধনাগাৰ আছে।



অগ্ৰগতি নিৰীক্ষণ-১

প্ৰশ্ন নং ১ ঃ মাজুলী মণিপুৰ ৰাজ্যত অৱস্থিত। (শুদ্ধ /অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ অসমৰ ৰাজধানী শ্বিলং। (শুদ্ধ /অশুদ্ধ)

প্ৰশ্ন নং ৩ ঃ অসম উত্তৰ-পূব ভাৰতৰ সৰ্ববৃহৎ ৰাজ্য। (শুদ্ধ / অশুদ্ধ)

প্ৰশ্ন নং ৪ ঃ অসমৰ তেল শোধনাগাৰ কেইটাৰ নাম লিখক।

প্ৰশ্ন নং ৫ ঃ ঝুম খেতি মানে কি?



চিন্তা-চৰ্চা কৰক-৩

অসমৰ খেতি কৰাৰ প্ৰথাবোৰ আলোচনা কৰক।

.....

.....



চিন্তা-চৰ্চা কৰক-৪

অসমৰ জলবায়ুৰ বৈশিষ্ট্যসমূহ বিচাৰি উলিয়াওক।

.....

.....

২.৭ উত্তৰ-পূব ভাৰতৰ উদ্ভিদ আৰু প্ৰাণীজগত তথা দুষ্প্ৰাপ্য প্ৰজাতিসমূহ

পাহাৰ আৰু ভৈয়াম- উভয় ধৰণৰ অঞ্চলেৰে ভৰা উত্তৰ-পূৰ্বাঞ্চল ইয়াৰ সেইজীয়া বননি আৰু বিভিন্ন প্ৰজাতিৰ উদ্ভিদ তথা প্ৰাণীকুলৰ বাবে বিখ্যাত। অঞ্চলটোৰ মুঠ ভৌগোলিক পৰিসীমাৰ ৬৪ শতাংশ বনাঞ্চলে আৱৰি আছে আৰু ই এক বনাঞ্চল উদবৃত্ত (surplus) অঞ্চল। অঞ্চলটোত মুঠ ৫১ ধৰণৰ বনাঞ্চল পোৱা যায়। এইবোৰক সাধাৰণতে ছটা প্ৰধান ভাগত বিভক্ত কৰা হয়। ভাগকেইটা হ'ল-

- বিষুৱীয় আৰ্দ্ৰ পৰ্ণপাতী বনাঞ্চল
  - এনেধৰণৰ বনাঞ্চল ত্ৰিপুৰা, মেঘালয়, অসম আৰু অৰুণাচল প্ৰদেশত পোৱা যায়।
- বিষুৱীয় উপ চিৰসেউজীয়া বনাঞ্চল- এনে ধৰণৰ বনাঞ্চল অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, মেঘালয় আৰু মণিপুৰ আদি ৰাজ্যত পোৱা যায়।
- বিষুৱীয় আৰ্দ্ৰ চিৰসেউজীয়া বনাঞ্চল
- উপ বিষুৱীয় বনাঞ্চল- এনে ধৰণৰ বনাঞ্চল মেঘালয় আৰু মিজোৰামত পোৱা যায়।

- নাতিশীতোষ্ণ বনাঞ্চল- এনে ধৰণৰ বনাঞ্চল অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু মিজোৰামৰ কিছু অংশত পোৱা যায়।
- আল্‌পাইন বনাঞ্চল- এনে ধৰণৰ বনাঞ্চলসমূহ প্ৰধানতঃ ছিকিম আৰু অৰুণাচল প্ৰদেশৰ দৰে ৰাজ্যসমূহত পোৱা যায়।

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ ঔষধি আৰু সুগন্ধিযুক্ত উদ্ভিদৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে চহকী। ফুলৰ প্ৰজাতিতো চহকী। ফুলৰ প্ৰজাতিৰ ক্ষেত্ৰত আটাইতকৈ অধিক বৈচিত্ৰ্য থকা ৰাজ্য দুখন হ'ল অৰুণাচল প্ৰদেশ আৰু ছিকিম। অসমত মুঠ ২৯২ বিধ প্ৰজাতিৰ অ'ৰ্কিড পোৱা যায়, আৰু ই উত্তৰ-পুব ভাৰতত পোৱা সৰ্বমুঠ অ'ৰ্কিড প্ৰজাতিবোৰৰ ৪২ শতাংশ। পৃথিৱীৰ মুঠ ১৩০০ প্ৰজাতিৰ অৰ্কিডৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলত প্ৰায় ৮০০ টা প্ৰজাতিৰ অ'ৰ্কিড পোৱা যায়। এতিয়ালৈ তালিকাভূক্ত হোৱা বিলুপ্তপ্ৰায় অ'ৰ্কিড প্ৰজাতিসমূহ হ'লঃ অসমত পোৱা ৰঙা ৰন্দা; ইংৰাজীত 'ফ'ক্স টেইল' বুলি কোৱা অসমৰ কপৌফুল; মণিপুৰ আৰু মিজোৰামত পোৱা এৰিয়া ফ্ৰেগ্ৰেন্চ; ছিকিমৰ জলাহ অঞ্চলত পোৱা ডেণ্ড্ৰ'বিয়াম ফিমব্ৰিয়াতাম; মণিপুৰত পোৱা চিৰ'ই লিলি আৰু ৰক্তচাপ নিৰাময়ৰ বাবে ব্যৱহৃত ক্লেৰ'ডেণ্ড্ৰাম আদি।

উদ্ভিদ কুলৰ দৰে অঞ্চলটো প্ৰাণী বৈচিত্ৰ্যৰ ক্ষেত্ৰতো চহকী। ভাৰতত সন্ধান পোৱা ১৫ টা কপিগোষ্ঠী (primate) ৰ ভিতৰত ৯ টাৰ বাসভূমি উত্তৰ-পূৰ্বাঞ্চল। অসমৰ ধুবুৰী জিলাৰ চক্ৰশীলা পাহাৰ সংৰক্ষিত অঞ্চলত আৱিস্কাৰ হোৱা 'সোণালী বান্দৰ'ৰ প্ৰজাতিটো আটাইতকৈ থলুৱাকৃত (localized) বান্দৰ প্ৰজাতিসমূহৰ ভিতৰত অন্যতম। ভাৰতত সন্ধান পোৱা ছটা ডাঙৰ মেকুৰী প্ৰজাতিৰ ভিতৰত চাৰিটাই উত্তৰ-পূৰ্বাঞ্চলত পোৱা যায়। উক্ত প্ৰজাতি চাৰিটা হ'ল-বাঘ, নাহৰফুটুকী বাঘ, হিমবাঘ আৰু লতামাকৰী বাঘ। এক দুষ্প্ৰাপ্য জন্তুৰ আখ্যা পোৱা বাঘৰ বাবে অসম এক উৎকৃষ্ট বসতি স্থল। ভাৰতত পোৱা আটাইকেইটা ভালুক প্ৰজাতিৰ বাসভূমি উত্তৰ-পূৰ্বাঞ্চল। কেৱল উত্তৰ-পূৰ্বাঞ্চলত পোৱা হোলোক নামৰ বান্দৰৰ প্ৰজাতিটো বৰ্তমান ভাৰতৰ দুষ্প্ৰাপ্য জন্তুৰ তালিকাভুক্ত অঞ্চলটোৰ পাদদেশৰ ঘাঁহনি আৰু চিৰসেউজ বনাঞ্চলসমূহ এক বৃহৎ সংখ্যক এছিয়ান প্ৰজাতিৰ হাতী, এশিঙীয়া গঁড় আৰু বনৰীয়া ম'হৰ আশ্ৰয়স্থল। স্থানীয়ভাৱে ছাংগাই। নামেৰে জনাজাত ব্ৰ' এণ্টলাৰ্ড হৰিণাবিধ মণিপুৰৰ স্থানীয় আৰু বৰ্তমান পৃথিৱীৰ আটাইতকৈ দুষ্প্ৰাপ্য হৰিণাৰ উপ-প্ৰজাতিসমূহৰ ভিতৰত অন্যতম। অৰুণাচল প্ৰদেশ কিছুমান তৃণভোজী জন্তু, যেনে- নতুনকৈ আৱিস্কৃত চীনা গ'ৰাল, গৰাল, ৰঙা গ'ৰাল, টাকিন আৰু চেৰ' (serow) নামৰ প্ৰজাতিসমূহৰ আশ্ৰয়ভূমি। নিম্ন স্তৰৰ মেৰুদণ্ডী প্ৰাণীসমূহৰ ভিতৰত উত্তৰ-পূব ভাৰতত ১৩৭ বিধ প্ৰজাতিৰ সৰীসৃপ পোৱা যায়। অঞ্চলটোত কাছৰ বৈচিত্ৰ্য সৰ্বাধিক । অসমত ৫৮ বিধ, মণিপুৰত ৩৪ বিধ আৰু অৰুণাচল প্ৰদেশত ৯২ বিধ সাপৰ প্ৰজাতি পোৱা যায়। অসমত ২০ বিধ উপ-প্ৰজাতিৰ জেঠী পোৱা যায়। তথ্য অনুসৰি, উত্তৰ-পূৰ্বাঞ্চলত ৩৬২৪ বিধ প্ৰজাতিৰ

কীট- পতঙ্গ পোৱা যায়। ছিকিমত ৬৮৯ বিধতকৈও অধিক প্ৰজাতিৰ পখিলা পোৱা যায়। অঞ্চলটো ৬৪ বিধ প্ৰজাতিৰ উভচৰৰ বাসভূমি বুলিও তথ্য আছে। ওৰাং বন্যপ্ৰাণী অভয়াৰণ্যখনেই এক মাত্ৰ ঠাই য'ত ওৰাং আঠালগা (sticky) ভেকুলীৰ প্ৰজাতিটো পোৱা যায়। দেশৰ সাতটা স্থানীয় পক্ষী অঞ্চলৰ ভিতৰত দুটা উত্তৰ-পূৰ্বাঞ্চলত অৱস্থিত। ইয়াৰে এটা পূৱ হিমালয়ত আৰু আনটো অসমৰ ভৈয়াম অঞ্চলত অৱস্থিত। অৰুণাচল প্ৰদেশ অকলেই ৭৬০ টা চৰাই প্ৰজাতিৰ বাসভূমি ।

উ প চিৰসেউজ বনাঞ্চলেৰে ভৰা উত্তৰ-পূৰ্বাঞ্চলৰ ব্ৰহ্মপুত্ৰ উপত্যকাত ভাৰতৰ ভিতৰতে সৰ্বাধিক হাতী আৰু পৃথিৱীৰ ভিতৰতে সৰ্বাধিক এশিঙীয়া গঁড় আৰু বাঘ পোৱা যায়। অঞ্চলটোৰ অন্যান্য বিলুপ্তপ্ৰায় স্তন্যপ্ৰায়ী প্ৰাণীসমূহৰ ভিতৰত দলহৰিণা, গৌৰ, লতামাকৰী বাঘ, নলগাহৰি, কেপড্ লীফ বান্দৰ, এচীয় ক'লা ভালুক ইত্যাদিৰ নাম ল'ব পাৰি। ব্ৰহ্মপুত্ৰ নদীত মিঠাপানীত বাস কৰা শিহু পোৱা যায়। ৩৭০ বিধ প্ৰজাতিৰ চৰাইকুলে অঞ্চলটো অধিক চহকী কৰি তুলিছে। ইয়াৰে ২ বিধ চৰাই উপত্যকাটোৰ স্থানীয় প্ৰজাতি। উত্তৰ-পূৰ্বাঞ্চলৰ ডাঙৰ পাতেৰে আৱৰা অৰণ্যবোৰত পোৱা বিলুপ্ত প্ৰায় প্ৰজাতিৰ জীৱ-জন্তুৰ ভিতৰত বাঘ, ৰঙা পাণ্ডা, টাকিন, চেৰ', অসমীয়া মলুৰা বান্দৰ, বনৰীয়া কুকুৰ, কলা আঁচথকা নেউল আৰু ইৰাৱাডী কেৰ্কেটুৱাৰ নাম ল'ব




চিন্তা-চৰ্চা কৰক-৫

উত্তৰ-পূব ভাৰতৰ দুষ্প্ৰাপ্য প্ৰজাতিৰ জীৱ-জন্তুৰ নামবোৰ তালিকাভুক্ত কৰক।

.....

.....



অগ্ৰগতি নিৰীক্ষণ-২

প্ৰশ্ন নং ১ ঃ উত্তৰ-পূৰ্বাঞ্চলত থকা বনাঞ্চলসমূহৰ প্ৰকাৰসমূহ কি কি? আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ ব্ৰহ্মপুত্ৰ উপত্যকাৰ পাৰিপাৰ্শ্বিক বৈশিষ্ট্যসমূহ আলোচনা কৰক।

২.৮ পাৰিপাৰ্শ্বিক জৈৱ-বৈচিত্ৰ্যময় অঞ্চল

উত্তৰ-পূৰ্বাঞ্চলক ইয়াৰ উচ্চ জৈৱ-বৈচিত্ৰ্যৰ বাবে পূব হিমালয় জৈৱ-বৈচিত্ৰ্য অঞ্চলৰ অধীনত বুলি স্বীকৃতি দিয়া হৈছে। পৃথিৱীপৃষ্ঠৰ কনিষ্ঠতম আৰু জটিল পৰ্বত বিন্যাসক প্ৰতিনিধিত্ব

কৰা হিমালয়ক ৩৪ টা গোলকীয় জৈৱ-বৈচিত্ৰ্যময় অঞ্চলৰ এটা বুলি গণ্য কৰা হয়। ৫.৩ লাখ বৰ্গ কি.মি. তকৈও অধিক ভৌগোলিক পৰিধিৰ ভাৰতীয় হিমালয় অঞ্চলটোৱে (আই এইচ আৰ) সমগ্ৰ হিমালয়ৰ জৈৱ- বৈচিত্ৰ্যৰ এক বৃহৎ অংশ সৃষ্টিত অৰিহণা আগবঢ়াইছে আৰু প্ৰতিটো স্তৰতে জৈৱ-বৈচিত্ৰ্যৰ সৃষ্টিকাৰী উপাদানসমূহৰ প্ৰাচুৰ্যতাৰ কথা সূচায় আৰু বিভিন্ন উপাদানৰ প্ৰতিনিধিত্ব কৰে। এই অঞ্চলটোৱে দহখন ৰাজ্য ক্ৰমে জম্মু আৰু কাশ্মীৰ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, ছিকিম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়ক সম্পূৰ্ণৰূপে আৰু অসম তথা পশ্চিম বংগৰ পাহাৰীয়া অঞ্চলসমূহ আৱৰি আছে। ৱৰ্ল্ড ৱাইড ফান্দ ফ'ৰ নেচাৰ (সংক্ষেপে ডব্লিউ ডব্লিউ এফ) সংস্থাটোৱে সমগ্ৰ পূব হিমালয় অঞ্চলটোক এক অগ্ৰাধিকাৰপ্ৰাপ্ত গোলকীয় ২০০ টা পৰিৱেশ অঞ্চল (Ecoregion)ৰ এটা বুলি স্বীকৃতি দিছে। অঞ্চলটো এটা স্থানীয় পক্ষীৰে ভৰা অঞ্চল আৰু কৃষিজাত শস্য, উৎপাদনৰ এক গুৰুত্বপূৰ্ণ উৎস কেন্দ্ৰ। উত্তৰ-পূৰ্বাঞ্চল ভাৰতীয় উপমহাদেশত সন্ধান পোৱা ১২০০ বিধ চৰাইৰ প্ৰজাতিৰ ভিতৰত ৮৩৬ বিধৰ বাসস্থান। অঞ্চলটো সৰ্বাধিক পক্ষী জৈৱ-বৈচিত্ৰ্যৰে ভৰা। ভাৰতীয় কৃষিভিত্তিক গৱেষণা পৰিষদে (আই চি এ আৰ) অঞ্চলটোক য়্যাৰ্মপ্লাজম্ কেন্দ্ৰ বুলি আখ্যা দিছে আৰু কেন্দ্ৰীয় উদ্ভিদ বংশগতি সমল পৰিষদ (এন বি পি জি আৰ) এ প্ৰকাশ কৰা প্ৰতিবেদনত অঞ্চলটোক শস্য উদ্ভিদৰ বনৰীয়া প্ৰজাতিত চহকী অঞ্চল বুলি অভিহিত কৰিছে। পূব হিমালয় জৈৱ-বিচিত্ৰ্যময় অঞ্চলটোৰ উচ্চতা বৃদ্ধি হৈ সৃষ্টি হোৱা ভাৰত-বাৰ্মা জৈৱ-বৈচিত্ৰ্যময় অঞ্চলটো হ'ল ভাৰতৰ দ্বিতীয়টো বৃহৎ জৈৱ-বৈচিত্ৰ্যময় অঞ্চল। এই জৈৱ-বৈচিত্ৰ্যময় অঞ্চলটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্য আৱৰি আছে। অসমত বিখ্যাত এশিঙীয়া গঁড়ৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান; স্থানীয় আঠালগা ভেকুলীৰ বাবে ওৰাং ৰাষ্ট্ৰীয় উদ্যান; ভাৰতীয় উৰন্ত ভেকুলী আৰু বিভিন্ন প্ৰজাতিৰ মেৰুদণ্ডী প্ৰাণীৰ বাবে নামেৰি ৰাষ্ট্ৰীয় উদ্যান; ২০ বিধতকৈও অধিক বিশ্বজনীনভাৱে সংকটাপন্ন মেৰুদণ্ডী প্ৰাণীৰ বাসস্থানৰ বাবে ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান; জৈৱ মণ্ডল সংৰক্ষিত অঞ্চল; বাৰেৱহনীয়া প্ৰজাতিসমূহৰ সংৰক্ষণৰ বাবে উত্তৰ আৰু পূব কাৰ্বি আংলং আৰু গৰমপানী আৰু নামবৰ বন্যপ্ৰাণী অভয়াৰণ্য; নলগাহৰি, বাঘ, বনৰীয়া পানী ম'হ আৰু কেটেলা পহুৰ বাবে মানাহ ব্যাঘ্ৰ অভয়াৰণ্য ; সোণালী বান্দৰ, বেংগল ফ্লৰিকান আৰু কাছৰ চাৰিটা প্ৰজাতিৰ বাবে সোণাই- ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্য; চৰাইৰ কিছুমান প্ৰজাতি সংৰক্ষণৰ বাবে লামডিং স্থানীয় পক্ষী এলেকা; ৰঙচুৱা মুগা বুকুৰ টিপচী চৰাইৰ বাবে জাতিংগা; দেও হাঁহ, বগা হেৰ'ণ আৰু বৈকাল শৰালি হাঁহৰ (Baikal Teal) বাবে উজনি দিহিং বনাঞ্চল আছে। মণিপুৰৰ জৈৱ-বৈচিত্ৰ্যময় অঞ্চলটোত কাছৰ কেইটামান প্ৰজাতি আৰু হোলোক গিবন থকা যুকো চিৰ'ই অঞ্চল দুটা আছে। মেঘালয়ত স্থানীয় ভেকুলীৰ প্ৰজাতিৰ বাবে চেৰাপুঞ্জীৰ থিয় পৰ্বতমালা, গিৰিখাত আৰু সংৰক্ষিত লোৰ, খাচী পাহাৰ, ছিজু পাহাৰ আৰু গাৰো পাহাৰ অঞ্চল প্ৰসিদ্ধ নাগালেণ্ডৰ ইটাংকি ৰাষ্ট্ৰীয় উদ্যান, মাৰাটলংগিৰি আৰু ধনশিৰি অঞ্চল বাৰেৱহণীয়া জীৱ প্ৰজাতিসমূহৰ বাসভূমি। পূব হিমালয় জৈৱ-বৈচিত্ৰ্যময় অঞ্চলৰ অধীনত ছিকিমৰ কাঞ্চনজংঘা ৰাষ্ট্ৰীয় উদ্যান আৰু মেনাম বন্যপ্ৰাণী অভয়াৰণ্য অৱস্থিত।

জৈৱ-বৈচিত্র্যৰে ভৰা অঞ্চলসমূহত থকা জীৱ-জন্তুৰ প্রজাতিসমূহ সংকটৰ মুখামুখি হোৱাৰ মূল কাৰণসমূহ হ'ল- বাসস্থান ধ্বংস, উৎসৰ অপব্যৱহাৰ, চোৰাং চিকাৰ আৰু জলবায়ু পৰিৱর্তন। বেছিভাগ সংৰক্ষিত পাৰিপার্শ্বিক অঞ্চল দূৰৱর্তী আৰু দুর্গম। গছ-কটা, বর্দ্ধিত কৃষিকর্ম আৰু মানুহৰ বর্দ্ধিত বসতিকৰণ আদিয়ে বনাঞ্চল ধ্বংস আৰু নদী প্রদূষণ আদিৰ দৰে সমস্যাৰ সৃষ্টি কৰিছে। এই কাৰণসমূহে জীৱ-জন্তু তথা উদ্ভিদ প্রজাতিসমূহৰ সংখ্যা হ্রাস কৰি আনিছে। সঠিক ব্যৱস্থাপনা অবিহনে চলা বর্দ্ধিত পর্যটনে পৰিৱেশকেন্দ্রিক বিবাদৰ সৃষ্টি কৰিছে। নির্বিচাৰ চিকাৰ তথা চোৰাং চিকাৰে ডাঙৰ স্তন্যপায়ী জন্তুসমূহ, যেনে- বাঘ, গঁড় আৰু হাতীৰ বাবে সংকট কঢ়িয়াই আনিছে। ব্যৱসায়িক উদ্দেশ্যেৰে জন্তু আৰু চৰাইৰ প্রজাতিসমূহ চিকাৰ কৰা অথবা ধৰাৰ লগতে মানুহৰ দ্বাৰা ভূমি আৰু বনাঞ্চলৰ শোষণে জৈৱ-বৈচিত্র্যময় অঞ্চলবোৰৰ বাবে ভাবুকিৰ সৃষ্টি কৰিছে।

উত্তৰ-পূর্বাঞ্চলৰ প্রতিখন ৰাজ্যতে ৰাজ্যিক জৈৱ-বৈচিত্র্য সংৰক্ষণৰ কৌশলগত কার্য পদ্ধতিৰ অধীনত চৰকাৰে কিছুমান নির্দিষ্ট ব্যৱস্থা গ্রহণ কৰিছে। প্রতিখন ৰাজ্যকে পাৰিপার্শ্বিকতা উন্নত কৰিবলৈ ব্যক্তিগতভাৱে প্রয়োজনীয় নীতি গ্রহণ কৰা হৈছিল। ২০০২ চনত ডব্লিউ ডব্লিউ এফ- ভাৰত শাখাই প্রৱর্তন কৰা জৈৱ-বৈচিত্র্য সংৰক্ষণ প্রাধিকৰণ প্রকল্প (বি চি চি পি) প্রথমটো এনে অনুশীলন আছিল যিয়ে জৈৱিক আৰু সামাজিক-অর্থনৈতিক আদর্শৰ ভিত্তিত উৎকর্ষ কেন্দ্র আৰু উদ্ভিদ-জীৱৰ প্রজাতিসমূহ চিনাক্ত কৰিবলৈ প্রচেষ্টা চলোৱাৰ লগতে সেইবোৰৰ সংৰক্ষণৰ বাবে কৌশল বিকাশৰ প্রয়াস কৰিছিল। অসম, অৰুণাচল প্রদেশ, মণিপুৰ আৰু ছিকিমৰ উৎকর্ষ কেন্দ্রসমূহ এই প্রকল্পটোৰ অধীনত নির্ণয় কৰা হৈছিল। ঠিক তেনেদৰে, প্রকৃতি সংৰক্ষণ আৰু পাৰিপার্শ্বিক ৰক্ষণাবেক্ষণৰ কাৰণে প্রতিখন ৰাজ্যতে প্রাকৃতিক সম্পদ ব্যৱস্থাপনা বিভাগ থাকে।



জানি থোৱা ভাল

ৱর্ল্ড ৱাইড ফান্দ ফ'ৰ নেচাৰ, চমুকৈ ডব্লিউ ডব্লিউ এফ, হ'ল ১৯৬১ চনত স্থাপিত এটা আন্তর্জাতিক বে-চৰকাৰী সংগঠন।



২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ উত্তৰ-পূব অঞ্চলটো আঠখন ৰাজ্য, যেনে- অৰুণাচল প্রদেশ, অসম, মেঘালয়, মণিপুৰ, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্রিপুৰাৰে গঠিত।
- উত্তৰ-পূব অঞ্চলটো ভাৰতৰ পূব প্রান্তত অৱস্থিত।
- অঞ্চলটো২১.৫৭ উত্তৰৰ পৰা ২৯.৩০ উত্তৰ দ্রাঘিমাংশ আৰু৮৯.৪৬ পূবৰ পৰা ৯৭.৩০ পূব দ্রাঘিমাংশৰ মাজত অৱস্থিত।

- ভূ -আকৃতিগত দিশেৰে অঞ্চলটোক কিছুমান নির্দিষ্ট গোটত, যেনে- পাহাৰীয়া অঞ্চল, মালভূমি অঞ্চল, পলসুৱা ভৈয়াম অঞ্চল, গিৰিপদ বলয় অঞ্চল অথবা পাদদেশ আদিত বিভক্ত কৰিব পাৰি।
- উত্তৰ-পূৰ্বাঞ্চলৰ জলবায়ুৰ এক বিশিষ্ট আৰ্হি আছে। গ্ৰীষ্মকালত চৰম আৰ্দ্ৰতাৰ বিপৰীতে বাকী কালছোৱা তুলনামূলকভাৱে শীতল হোৱাৰ দৰে ভিন্নতা অঞ্চলটোৰ জলবায়ুত দেখা যায়।
- জুন মাহৰ আৰম্ভণিৰ পৰা ছেপ্তেম্বৰ মাহৰ শেষলৈ অঞ্চলটোৰ বতৰ গৰম হয়।
- পাহাৰ আৰু ভৈয়াম উভয় অঞ্চলৰ সমষ্টি উত্তৰ-পূৰ্বাঞ্চল ইয়াৰ সেউজীয়া বননি আৰু বিভিন্ন প্ৰজাতিৰ উদ্ভিদ তথা প্ৰাণীকুলৰ প্ৰাচুৰ্যৰ বাবে বিখ্যাত।
- অঞ্চলটোৰ মুঠ ভৌগোলিক মাটিকালিৰ ৬৪ শতাংশ বনাঞ্চলে আৱৰি ৰাখিছে আৰু ই এক বনাঞ্চল উদবৃত্ত (Surplus)অঞ্চল।
- উত্তৰ-পূৰ্বাঞ্চলক ইয়াৰ সমৃদ্ধ জৈৱ-বৈচিত্ৰ্যতাৰ বাবে পূব হিমালয় জৈৱ-বৈচিত্ৰ্য অঞ্চলৰ এটা অংশ হিচাপে স্বীকৃতি দিয়া হৈছে।
- পৃথিৱীপৃষ্ঠৰ কনিষ্ঠতম আৰু জটিল পৰ্বত বিন্যাসক প্ৰতিনিধিত্ব কৰা হিমালয়ক ৩৪ টা গোলোকীয় জৈৱ- বৈচিত্ৰ্যৰ ভৰা অঞ্চলৰ এটা বুলি গণ্য কৰা হয়।
- পূব হিমালয় জৈৱ-বৈচিত্ৰ্যময় অঞ্চলটোৰ উচ্চতা বৃদ্ধি হোৱাৰ ফলত সৃষ্টি হোৱা ভাৰত বাৰ্মা জৈৱ-বৈচিত্ৰ্য অঞ্চলটো ভাৰতৰ দ্বিতীয় বৃহত্তম জৈৱ-বৈচিত্ৰ্যময় অঞ্চল।
- এই জৈৱ- বৈচিত্ৰ্যময় অঞ্চলটোৱে উত্তৰ-পূব ভাৰতৰ আঠোখন ৰাজ্যকে আৱৰি আছে।



২.১০ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Baruah, H.M. Encyclopedia of North-East India-1, Arunachal Pradesh, Mittal Publications, New Delhi, 2001
2. Saikia, Dr. Amorjit and Sen, 'Society in North East India' (A socio economic and historical perspective), Brahmaputra Offset, Dibrugarh, 2013
3. Karlsson, B.G. Unruly Hills : A Political Ecology of India's North-East. 2011
4. Pugh, B.M., 'A Common Perspective for North-East India, Calcutta, 1967
5. Worah, S; Chatterjee, S and Dutta. P, 'Review of Biodiversity in North East India' WWF, Delhi, March 2006

২.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ - অশুদ্ধ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ - অশুদ্ধ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ - ডিগবৈ, নুনমাটি, বঙাইগাঁও আৰু নুমলীগড়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ - ২২

চিন্তা-চৰ্চা কৰক-৬

উত্তৰ-পূব ভাৰতৰ পৰিৱেশতন্ত্ৰ আৰু অসমৰ পৰিৱেশতন্ত্ৰৰ মাজৰ তুলনামূলক বিৱৰণ দিয়ক।

২.১২ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

১। উত্তৰ-পূব ভাৰতৰ অৱস্থিতি আৰু পৰিৱেশতন্ত্ৰৰ বিৱৰণ দিয়ক।

২। অসমত পোৱা স্থানীয় প্ৰজাতিৰ উদ্ভিদ আৰু জীৱসমূহৰ বিষয়ে আলোচনা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

৩। উত্তৰ-পূব ভাৰতৰ উদ্ভিদকুল আৰু প্ৰাণীকুলৰ বিষয়ে এটি ৰচনা লিখক।

৪। জৈৱ-বৈচিত্ৰ্যময় অঞ্চলসমূহৰ দুষ্প্ৰাপ্য প্ৰজাতিৰ জীৱৰ বাবে ভাবুকিৰ সৃষ্টি কৰা সমস্যাসমূহ আলোচনা কৰক আৰু এই সমস্যাসমূহ সমাধানৰ পৰামৰ্শ আগবঢ়াওক।

*** ***** ***

অধ্যায় ৩ ঃ স্বাধীনোত্তৰ যুগৰ ৰাজ্য গঠন প্ৰক্ৰিয়া- বিভিন্ন ৰাজ্য আৰু স্বায়ত্ব শাসিত পৰিষদৰ গঠন

অধ্যায় গাঁথনি

3.1 উদ্দেশ্য

3.2 পৰিচয়

3.3 স্বাধীনোত্তৰ যুগত উত্তৰ-পূব ভাৰতত চলা ৰাজ্য গঠন প্ৰক্ৰিয়া

3.4 উত্তৰ-পূব ভাৰতৰ ৰাজ্যবোৰৰ পুনৰসংগঠন

3.5 বিভিন্ন স্বায়ত্ব শাসিত পৰিষদৰ গঠন

3.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

3.7 অধিক জানিবলৈ

3.8 অগ্ৰগতিৰ খতিয়ান

3.9 আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- স্বাধীনোত্তৰ যুগত উত্তৰ-পূব ভাৰতত কেনেদৰে বিভিন্ন ৰাজ্য গঠন কৰা হৈছিল সেয়া বুজিব পাৰিব
- স্বায়ত্ব শাসিত পৰিষদ গঠন প্ৰক্ৰিয়াটোৰ বিষয়ে জানিব পাৰিব।

৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি উত্তৰ-পূব ভাৰতৰ ধাৰণাটোৰ কেনেদৰে উত্থান ঘটিছিল সেই বিষয়ে আলোচনা কৰিছো। এই অধ্যায়টিত আমি উত্তৰ-পূব ভাৰতৰ ৰাজ্যবোৰ কেনেকৈ গঠন কৰা হৈছিল সেয়া আলোচনা কৰিম।

৩.৩ স্বাধীনোত্তৰ যুগত উত্তৰ-পূব ভাৰতত চলা ৰাজ্য গঠন প্ৰক্ৰিয়া

স্বাধীনোত্তৰ যুগত উত্তৰ-পূব ভাৰতত চলা ৰাজ্য গঠন প্ৰক্ৰিয়াটো ভালদৰে বুজিবলৈ আমি প্ৰথমে উত্তৰ-পূব অঞ্চলটো কেনেদৰে ভাৰতৰ বাকী অংশৰ সৈতে ৰাজনৈতিকভাৱে সংহত কৰা হৈছিল সেই প্ৰক্ৰিয়াটো জানি ল'ব লাগিব। 1826 চনত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হোৱাৰ পাচত অসম বৃটিছ শাসিত ভাৰতৰ প্ৰশাসন এক্তিয়াৰৰ অধীন হৈ পৰিছিল। ইয়াৰ লগে লগে বৃটিছে অসমত নিজৰ শাসন বলবৎ কৰিছিল আৰু সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাতে আধিপত্য বিস্তাৰ কৰিছিল। ঔপনিৱেশিক যুগৰ আৰম্ভণিত অসমক বেংগল প্ৰভিন্স (বংগ প্ৰদেশ)ৰ অংশ কৰি ৰখা

হৈছিল (1839–1873)। লাহে লাহে বৃটিছে সকলো চুবুৰীয়া অঞ্চললৈকে ইয়াৰ প্ৰশাসনিক অধিকাৰ সম্প্ৰসাৰিত কৰিছিল। অতীজৰে পৰা স্বতন্ত্ৰ অস্তিত্ব সহকাৰে জীৱন যাপন কৰি থকা বিভিন্ন জনজাতি সম্প্ৰদায়ে প্ৰতিৰোধী কাৰ্যকলাপ আৰম্ভ কৰা সত্বেও বৃটিছসকল থমকি ৰোৱা নাছিল।

ভাৰতে স্বাধীনতা লাভ কৰাৰ পাচত এক বৃহত্তৰ ৰাষ্ট্ৰ গঠন আৰু সংহতকৰণ প্ৰক্ৰিয়াটোত গুৰুতৰ সংকটে দেখা দিছিল। উত্তৰ-পূব ভাৰতৰ বাসিন্দাসকল ভাৰতৰ বাকী অংশৰ পৰা পৃথক হৈ থকাত অভ্যস্ত আছিল। অঞ্চলটোৰ বিচ্ছিন্নতাৰ ইতিহাস যথেষ্ট দীঘলীয়া আৰু ইয়াত বিভিন্ন সমাজ-সাংস্কৃতিক অনুশীলনৰ প্ৰচলন আছে। এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে এই পৃথকতা আৰু বিচ্ছিন্নতাৰ অনুভৱ আছিল বৃটিছ শাসন নীতিৰ মূল। দেশৰ মূল অংশৰ পৰা বাদ পৰা আৰু আংশিকভাৱে বাদ পৰা অঞ্চলবোৰক লৈ উত্তৰ পূৰ্বাঞ্চল গঠন কৰা হৈছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাচত উত্তৰ-পূৰ্বাঞ্চলৰ জাতি-জনজাতিৰ মাজত মিলি যাব নোৱাৰা অনুভৱটোৱে শক্তিশালী ৰূপ ধাৰণ কৰিছিল। বহুতো জাতি- জনজাতিয়ে অঞ্চলটোক ভাৰতৰ অংশ কৰাৰ ধাৰণাটোক লৈ অসন্তোষ ব্যক্ত কৰিছিল।

নতুন সাৰ্বভৌম ৰাষ্ট্ৰ গঠনৰ সবাতোকৈ তাৎক্ষণিক প্ৰয়োজনীয়তা আৰু সমস্যাটো আছিল ৰাষ্ট্ৰীয় সংহতি স্থাপন। এখন নতুন জাতীয় ৰাষ্ট্ৰক সুদৃঢ় ৰূপত প্ৰতিষ্ঠা কৰিবলৈ এই কামটোক বাস্তৱ ৰূপ দিয়াটো অত্যাৱশ্যকীয় হৈ পৰিছিল। 1962 চনৰ ভাৰত-চীন সংঘাতৰ পাচত উত্তৰ-পূব ভাৰতক গুৰুত্বপূৰ্ণ সুৰক্ষা স্বাৰ্থজড়িত কৌশলগত অৱস্থানত থকা অঞ্চলৰূপে প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজনীয়তাই মূৰ দাঙি উঠিছিল। সকলো ধৰণৰ খিলঞ্জীয়া নৃগোষ্ঠীয় আন্দোলনৰ সৈতে জাতীয়তাবাদ বিৰোধী ধাৰণা যুক্ত কৰি চোৱা হৈছিল আৰু এনে ধাৰণাবোৰক ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰতি ভাবুকি বুলি গণ্য কৰা হৈছিল। কৌশলপূৰ্ণ ভৌগোলিক অৱস্থান আৰু ৰাজনৈতিক জটিলতাৰে পূৰ্ণ উত্তৰ-পূব অঞ্চলটোত স্বাধীনোত্তৰ কালত ৰাজ্য গঠন কৰাটো এক প্ৰত্যাহ্বানমূলক প্ৰক্ৰিয়া হৈ পৰিছিল। অঞ্চলটোৰ স্থানীয় প্ৰত্যাশা আৰু দাবীবোৰৰ প্ৰতি কেন্দ্ৰ চৰকাৰে প্ৰদৰ্শন কৰা অনীহাৰ বাবেও বাসিন্দাসকলৰ মনত ভাৰত বিৰোধী আৱেগৰ জন্ম হৈছিল।

1947 চনৰ 15 আগষ্টত ক্ষমতাৰ হস্তান্তৰ হোৱাৰ লগে লগে বাদ পৰা আৰু অসমৰ পাহাৰীয়া এলেকাবোৰৰ আংশিকভাৱে বাদ পৰা অঞ্চলবোৰৰ প্ৰশাসনিক এক্তিয়াৰ অসম চৰকাৰৰ হাতত অৰ্পন কৰা হৈছিল। অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিৰূপে এই দায়িত্ব গ্ৰহণ কৰিছিল। স্বাধীনোত্তৰ কালতো ভাৰত চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ ক্ষেত্ৰত ঔপনিৱেশিক বিচ্ছিন্নতাবাদী নীতি অব্যাহত ৰাখিছিল যদিও সংবিধানৰ ষষ্ঠ অনুসূচীত জনজাতি অধ্যুষিত এলেকাবোৰত প্ৰশাসনিক কাম-কাজ চলোৱাৰ নীতি-নিয়ম সম্বলিত এক বিশেষ দফা যোগ দিয়া হৈছিল। অনুসূচীত অঞ্চলটোৰ জনজাতি অধ্যুষিত এলেকাবোৰক PART A আৰু PART B শিতানত বিভক্ত কৰা হৈছিল। অতীজৰে পৰা ত্ৰিপুৰা আৰু মণিপুৰ আছিল ৰাজকীয় প্ৰদেশ। গতিকে এই প্ৰদেশ দুখনক স্বাধীন ভাৰতৰ ৰাজ্যৰ মৰ্যাদা নিদি কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণাধীন বিশেষ প্ৰশাসনিক অঞ্চলৰ মৰ্যাদা দিয়া হৈছিল। অৰ্থাৎ, সেই দিশেৰে চাবলৈ গ'লে ভাৰত স্বাধীন

হোৱাৰ সময়ত উত্তৰ-পূব বোলা অঞ্চলটোত আছিল অসম (পুৰণি অসম প্ৰদেশৰ ভৈয়াম অঞ্চল, পাহাৰীয়া জিলাসমূহ আৰু নেফা/ নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰ এজেন্সীৰ অন্তৰ্গত এলেকাসমূহ), মণিপুৰ ৰাজকীয় প্ৰদেশ আৰু ত্ৰিপুৰা ৰাজকীয় প্ৰদেশ।

এই সময়ছোৱাত নাগালেণ্ড অসমৰ অবিচ্ছেদ্য অংগ আছিল। কিন্তু এচাম নগা নেতাই এনে সংহতকৰণৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত ৰাখিছিল। কালক্ৰমত অঞ্চলটোত এ.জেদ. ফিজোৰ নেতৃত্বত বিদ্ৰোহী দলে মূৰ দাঙি উঠিছিল। তেওঁলোকে ভাৰতৰ পৰা পৃথক হৈ যোৱাৰ আৰু সম্পূৰ্ণ স্বাধীনতাৰ দাবীত বিদ্ৰোহী কাৰ্যকলাপ অব্যাহত ৰাখিছিল। স্বাধীনতাৰ পূৰ্বে তেওঁলোকৰ এই কাৰ্যক কিছুমান বৃটিছ বিষয়া আৰু মিশ্যনেৰীয়ে অনুপ্ৰাণিত কৰিছিল। 1955 চনত এই বিচ্ছিন্নতাবাদী নগা বিদ্ৰোহীসকলে এখন স্বতন্ত্ৰ চৰকাৰ গঠনৰ ঘোষণা কৰিছিল। বহুদিনীয়া আৰু কঠোৰ সংগ্ৰামৰ অন্তত এলানি মধ্যৱৰ্তী ব্যৱস্থা গ্ৰহণৰ জৰিয়তে ভাৰত চৰকাৰে নাগাসকলৰ কিছু দাবী মানি লৈছিল। এনেকৈয়ে 1963 চনত নাগালেণ্ড ৰাজ্যখন গঠন কৰা হৈছিল। 1956 চনৰ ৰাজ্য পুনৰসংগঠন আইনৰ অধীনত এই নতুন ৰাজ্যখন সৃষ্টি কৰা হৈছিল। আইনখনৰ বিষয়ে পৰৱৰ্তী শিতানত চমুকৈ আলোচনা কৰা হৈছে।

৩.৪ উত্তৰ-পূব ভাৰতৰ ৰাজ্যবোৰৰ পুনৰ সংগঠন

উত্তৰ-পূব ভাৰতত 1962 চনৰ নাগালেণ্ড ৰাজ্য আইনৰ অধীনত নতুন নাগালেণ্ড ৰাজ্য গঠন কৰা হৈছিল। 1964 চনৰ 1 ফেব্ৰুৱাৰীৰ পৰা এই নতুন ৰাজ্যখনৰ আনুষ্ঠানিক অস্তিত্বক স্বীকৃতি দিয়া হৈছিল। নতুন ৰাজ্যখনত নাগা -টুৱেনচাং অঞ্চল অন্তৰ্ভুক্ত কৰা হৈছিল। পূৰ্বতে এই অঞ্চলটো অসম ৰাজ্য আৰু সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনস্থ এটা জনজাতি অধ্যুষিত এলেকা আছিল। নাগালেণ্ড গঠন হোৱাৰ লগে লগে অঞ্চলটোৰ আন বহুকেইটা নৃগোষ্ঠীয় দলে স্বনিয়ন্ত্ৰণ আৰু জাতি গঠনৰ সুযোগ বিচাৰি দাবী উত্থাপন কৰিছিল। কালক্ৰমত একেখন আইনৰ অধীনতে মেঘালয়, অৰুণাচল প্ৰদেশ আৰু মিজোৰামক পৃথক ৰাজ্যৰ মৰ্যাদা দিয়া হৈছিল।

1972 চনত মেঘালয়ক ৰাজ্যৰ মৰ্যাদা দিয়া হৈছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ত মাত্ৰ দুখন জিলাৰে বৰ্তমানৰ মেঘালয় অঞ্চলটো গঠিত আছিল। অসম প্ৰদেশৰ অধীনত মেঘালয়ে সীমিতি স্বায়ত্ব শাসনৰ সুযোগ পাইছিল। 1960 চনত অঞ্চলটোত এখন পৃথক পাহাৰীয়া ৰাজ্য বিচাৰি কৰা আন্দোলনৰ সূত্ৰপাত হৈছিল। তাৰপাচত 1969 চনৰ অসম পুনৰ সংগঠন আইনৰ অধীনত 1970 চনৰ 2 এপ্ৰিলত মেঘালয়ক এক স্বায়ত্ব শাসিত প্ৰদেশৰ মৰ্যাদা দিয়া হৈছিল। 1971 চনত সংসদে উত্তৰ- পূৰ্বাঞ্চলীয় এলেকাবোৰ পুনৰ সংগঠন আইনখন গৃহিত কৰিছিল। এই আইনৰ অধীনত মেঘালয় স্বায়ত্ব শাসিত প্ৰদেশখনক পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা দিয়া হৈছিল আৰু 1972 চনত ভাৰতৰ এখন ৰাজ্যৰূপে মেঘালয়ে স্বীকৃতি লাভ কৰিছিল।

পূৰ্বতে 'নেফা' (নৰ্থ ইষ্ট ফ্ৰণ্টিয়াৰ এজেন্সী) নামেৰে জনাজাত অৰুণাচল প্ৰদেশে 1987 চনৰ 20 ফেব্ৰুৱাৰীত ভাৰতৰ এখন পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা লাভ কৰে। ইয়াৰ আগতে অঞ্চলটোক অসমৰ পৰা পৃথক কৰি এখন কেন্দ্ৰীয় শাসিত প্ৰদেশৰ ৰূপ দিয়া হৈছিল।

দীৰ্ঘদিন ধৰি দ্য মিজো ইউনিয়নৰ দৰে বহুকেইটা মিজো সংগঠনে অভিযোগ কৰি আহিছিল যে লুচাই পাহাৰৰ বাসিন্দাসকলক অসম চৰকাৰে কোনোদিনে পৰ্যাপ্ত গুৰুত্ব দিয়া নাছিল। স্বাভাৰিক ভাৱেই কালক্ৰমত অঞ্চলটোক এক পৃথক ৰাজ্য হিচাপে গঢ়ি তোলাৰ দাবী শক্তিশালী হৈ পৰিছিল। 1959–60 চনত লুচাই পাহাৰত দেখা দিয়া দুৰ্ভিক্ষৰ সময়ত চৰকাৰে লোৱা অপৰ্য্যাপ্ত ব্যৱস্থাক লৈ মিজোসকল বিশেষকৈ অসন্তুষ্ট আছিল। 1956 চনত দুৰ্ভিক্ষ সাহায্য প্ৰদানৰ বাবে গঠিত মিজো নেশ্যনেল ফেমাইন ফ্ৰণ্ট নামৰ সংগঠনটোৱে 1961 চনত মিজো নেশ্যনেল ফ্ৰণ্ট (MNF) নামৰ ৰাজনৈতিক দলৰ ৰূপ লৈছিল। ইয়াৰ উপৰি 1960 চনত অসমীয়া ভাষাটোক ৰাজ্যিক ভাষা ৰূপে বলপূৰ্বক জাপি দিয়াৰ বিষয়টোক লৈও মিজোসকলৰ মনত উপান্ত অনুভূতিৰ জন্ম দিছিল। এইবোৰে অঞ্চলটোৰ বাসিন্দাসকলৰ অসন্তুষ্টিৰ পৰিমাণ বৃদ্ধি কৰিছিল। বিংশ শতিকাৰ ষাঠিৰ দশকত মিজোৰামত এলানি প্ৰতিবাদী কাৰ্যসূচী আৰু উগ্রপন্থামূলক কাৰ্যকলাপৰ উত্থান ঘটিছিল। এম এন এফ-এ ভাৰতৰ পৰা স্বাধীনতা বিচাৰি বিদ্রোহ তীব্রতৰ কৰি তুলিছিল। 1966 চনৰ মাৰ্চ মাহত অঞ্চলটোত সৰ্ববৃহৎ বিদ্রোহী অভ্যুত্থান ঘটিছিল। সেই বছৰৰ 1 মাৰ্চৰ দিনা এম এন এফ- এ অসমৰ মিজো জিলাৰ বিভিন্ন অংশত থকা চৰকাৰী কাৰ্যলয় আৰু সুৰক্ষা কৰ্মী থকা এলেকাবোৰ আক্রমণ কৰিছিল। 1971 চনত কেন্দ্ৰীয় চৰকাৰে মিজো পাহাৰক এখন কেন্দ্ৰীয় শাসিত প্ৰদেশৰ ৰূপ দিবলৈ সন্মত হৈছিল। এনেকৈয়ে 1972 চনত মিজোৰাম প্ৰদেশ গঠন কৰা হৈছিল। 1946 চনতচৰকাৰ আৰু (MNF) ৰ মাজত হোৱা মিজোৰাম শান্তি চুক্তি অনুসৰি 1987 চনত প্ৰদেশখনক ভাৰতৰ এখন পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা দিয়া হৈছিল।

আগতেই উল্লেখ হৈছে যে মণিপুৰ আৰু ত্রিপুৰা আছিল স্বতন্ত্র ৰাজকীয় প্ৰদেশ। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাচত দেশৰ প্ৰথমগৰাকী গৃহমন্ত্রী চৰ্দাৰ ৰল্লভ ভাই পটেলে 500 খনতকৈও অধিক ৰাজকীয় প্ৰদেশক ভাৰতৰ সৈতে সংহতকৰণৰ প্ৰচেষ্টা আৰম্ভ কৰিছিল। এই প্ৰচেষ্টাৰ অংশ ৰূপে 1949 চনৰ 21 ছেপ্টেম্বৰত মণিপুৰে চামিলকৰণ চুক্তি এখনত স্বাক্ষৰ কৰি ভাৰত গণৰাজ্যৰ অংশ হৈছিল। মণিপুৰ প্ৰদেশৰ হৈ মহাৰাজ বোধচন্দ্র সিঙে এই চুক্তিৰ চহী কৰিছিল। 1962 চনৰ পৰা এখন কেন্দ্ৰীয় শাসিত প্ৰদেশ হৈ থকাৰ অন্তত 1972 চনত মণিপুৰে ভাৰতৰ এখন পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা লাভ কৰিছিল।

পূৰ্বৰ ৰাজকীয় প্ৰদেশ ত্রিপুৰাত মাণিক্যৰ মহাৰাজসকলে শাসন চলাইছিল। ত্রিপুৰাৰ ৰাজ বুৰঞ্জী অনুসৰি 1949 চনৰ 15 অক্টোবৰত ভাৰত গণৰাজ্যৰ সৈতে চামিল হোৱাৰ পূৰ্বে প্ৰায় 184 জন ৰজাই ত্রিপুৰা শাসন কৰিছিল। 1950 চনৰ 26 জানুৱাৰীত ত্রিপুৰাক এখন 'C' শাখাৰ ৰাজ্য বুলি ঘোষণা কৰা হৈছিল আৰু 1956 চনৰ 1 নৱেম্বৰত ইয়াত কেন্দ্ৰীয় শাসিত


প্ৰদেশৰ মৰ্যাদা দিয়া হৈছিল। ত্ৰিপুৰাৰ বাসিন্দাৰ অবিৰত প্ৰয়াস আৰু সংগ্ৰামৰ ফলস্বৰূপে 1972 চনৰ 21 জানুৱাৰীত ই ভাৰতৰ এখন পূৰ্ণাংগ ৰাজ্যত পৰিণত হৈছিল।

1947 চনত এক গণভোটৰ আধাৰত চিকিমক ভাৰত গণৰাজ্যৰ সৈতে চামিল কৰাৰ প্ৰক্ৰিয়াটো বাতিল হৈছিল। সেই সময়ৰ প্ৰধানমন্ত্ৰী নেহৰুৱে অঞ্চলটোক এখন সংৰক্ষিত ৰাজ্যৰ মৰ্যাদা দিবলৈ সন্মত হৈছিল। এনেকৈয়ে ৰাজ্যখন ভাৰতৰ সাৰ্বভৌম কৰ্তৃত্বৰ অধীন হৈছিল। ভাৰতে ইয়াৰ বৈদেশিক পৰিক্ৰমা, প্ৰতিৰক্ষা, কূটনৈতিক কাৰ্যকলাপ আৰু সংযোগ ব্যৱস্থা নিয়ন্ত্ৰণ কৰিছিল। ৰাজ্যখনক কেৱল প্ৰশাসনিক স্বায়ত্ব শাসনৰ সুযোগ দিয়া হৈছিল। 1975 চনত চিকিমৰ প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ এখন অংগৰাজ্য হোৱাৰ আগ্ৰহ প্ৰকাশ কৰি ভাৰতীয় সংসদলৈ গোহাৰি পত্ৰ প্ৰেৰণ কৰিছিল। একে বছৰতে এপ্ৰিল মাহত ভাৰতীয় সেনাই চিকিমৰ ৰাজধানী চহৰ গেংটকৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ নিছিল। একেদৰে ছোগ্যালৰ ৰাজভৱন প্ৰহৰীবোৰকো ভাৰতে অধিগ্ৰহণ কৰিছিল। তাৰপাচত ৰাজ্যখনত এক গণভোটৰ আয়োজন কৰা হৈছিল। অধিকাংশ চিকিমবাসীয়ে ৰাজ্যখনৰ পৰা ৰাজতন্ত্ৰৰ নিৰ্মূল আৰু ভাৰতৰ সৈতে চামিলকৰণৰ সপক্ষে ভোট দিছিল। 1975 চনৰ 16 মে' তাৰিখে চিকিমক ভাৰতৰ 22 তম পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা দিয়া হৈছিল।



জানি থোৱা ভাল

'C'শাখাৰ ৰাজ্য মানে হ'ল ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়া মুখ্য আয়ুক্তই পৰিচালনা কৰা ৰাজ্য।



অগ্ৰগতি নিৰীক্ষণ

1। পৃথককৰণ আৰু বিচ্ছিন্নকৰণ আছিল উত্তৰ-পূৰ্বাঞ্চলৰ বাবে গ্ৰহণ কৰা বৃটিছ শাসন নীতিৰ মূল। (শুদ্ধ /অশুদ্ধ)

2। ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ আঞ্চলিক সংৰচনাটোত কেৱল পুৰণি অসমৰ ভৈয়াম অঞ্চলহে অন্তৰ্ভুক্ত আছিল। (শুদ্ধ / অশুদ্ধ)

3। নাগালেণ্ড হ'ল পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা লাভ কৰা প্ৰথমখন উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্য। (শুদ্ধ /অশুদ্ধ)

4। গণভোটৰ জৰিয়তে চিকিমৰ পৰা ৰাজতন্ত্ৰ আঁতৰোৱা হৈছিল। (শুদ্ধ /অশুদ্ধ)

5। **চিকিম হ'ল** ভাৰতৰ এখন পূৰ্ণাংগ ৰাজ্য। (শুদ্ধ /অশুদ্ধ)



চিন্তা চৰ্চা কৰক

- অৰুণাচল প্ৰদেশে কেনেকৈ অসমৰ পৰা পৃথক হৈ গৈ এখন নতুন ৰাজ্যৰ ৰূপ লৈছিল সেই বিষয়ে অধিক তথ্য সংগ্ৰহ কৰক।
- মিজো দুৰ্ভিক্ষৰ বিষয়ে গৱেষণা কৰক আৰু মিজোৰামক পূৰ্ণাংগ ৰাজ্যৰূপে গঢ়ি তোলাত এম. এন. এফ. ৰ ভূমিকা জনাৰ চেষ্টা কৰক।
- মণিপুৰ ৰাজ্য গঠনত নিৰ্ণায়ক ভূমিকা লোৱা 'চামিলকৰণ চুক্তি(Instrument of Accession) ৰ অন্তৰ্ভুক্ত প্ৰাসংগিক দফাবোৰ বিচাৰি উলিয়াওক।

৩.৫ বিভিন্ন স্বায়ত্ব শাসিত পৰিষদৰ গঠন


ভাৰত স্বাধীন হোৱাৰ পাচত দেশৰ প্ৰথমখন অন্তৰ্ৱৰ্তী চৰকাৰে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ অধ্যক্ষতাত উত্তৰ-পূব সীমান্ত (অসম) জনজাতি আৰু বাদ পৰা এলেকা সমিতি গঠন কৰিছিল। এই সমিতিখন সংবিধান সভাৰ এখন উপ-সমিতি আছিল। ইয়াৰ দ্বাৰা এইটোৱেই প্ৰমাণিত হয় যে আৰম্ভণিৰে পৰা উত্তৰ-পূব ভাৰতৰ প্ৰশাসনত ঘটা সবাতোকৈ তাৎপৰ্যপূৰ্ণ সংৰচনাভিত্তিক পৰিৱৰ্তনটো হ'ল অঞ্চলটোত চলা ৰাজনৈতিক স্বায়ত্ব শাসন প্ৰদান আৰু পূৰ্ণাংগ ৰাজ্য গঠন প্ৰক্ৰিয়া। এই সমিতিয়ে পৰামৰ্শ দিছিল যে স্থানীয় পৰ্যায়ত জনজাতি লোকসকলক ৰাজনীতিত প্ৰাপ্য প্ৰতিনিধিত্বমূলক সংৰচনাৰ অধিকাৰী কৰি তুলিবলৈ হ'লে স্বায়ত্ব শাসিত জিলা পৰিষদ গঠন কৰিব লাগিব। ইয়াৰ কাৰণ হ'ল ভাৰতত সদায়েই জনজাতি অধ্যুষিত এলেকাবোৰত প্ৰশাসনিক কাম-কাজ আগবঢ়াই নিয়া বিষয়টোৱে প্ৰত্যাহ্বানৰ সৃষ্টি কৰি আহিছে। এই পৰামৰ্শবোৰ পাচত ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ ধাৰা 244(2) আৰু ধাৰা 275(1)ত সন্নিৱিষ্ট কৰা হৈছিল। এনে এলেকাত স্বায়ত্ব শাসিত পৰিষদ গঠন প্ৰশাসনৰ বাবে এক ফলপ্ৰসূ আহিলাত পৰিণত হৈছিল। পৰিষদবোৰৰ অন্তৰ্গত এলেকাবোৰৰ বাসিন্দাই আগতকৈ উন্নতৰ ন্যায়িক, কাৰ্যসম্পাদনকেন্দ্ৰিক আৰু বিধায়িনী ক্ষমতা লাভ কৰিছিল।

কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে প্ৰদান কৰা মৰ্যাদা অনুসৰি উত্তৰ-পূব ভাৰতত দুই ধৰণৰ স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হয়। প্ৰথমবিধ পৰিষদ ষষ্ঠ অনুসূচীৰ অধীনত কেন্দ্ৰীয় চৰকাৰে নিজে গঠন কৰে। ৰাজ্যিক বিধানসভাই দ্বিতীয়বিধ পৰিষদ গঠনত আগভাগ লয়।

ষষ্ঠ অনুসূচীৰ অধীনত অসম, মেঘালয় , ত্ৰিপুৰা আৰু মিজোৰামত বিভিন্ন স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হৈছে। অসমৰ এনে কেইখনমান পৰিষদ হ'ল- বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিল (BTC) কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদ (KAAC)আৰু ডিমা হাচাও জিলা স্বায়ত্বশাসিত পৰিষদ(DHAC)। 2003 চনৰ 10 ফেব্ৰুৱাৰীত (BTC) গঠন কৰা হৈছিল। এই পৰিষদৰ অন্তৰ্গত অঞ্চলবোৰক আনুষ্ঠানিকভাৱে বড়োলেণ্ড টেৰিট'ৰিয়েল এৰিয়া ডিষ্ট্ৰিক্টচ্ (BTAD) বোলা হয়। কোকৰাঝাৰ, বাক্সা, ওদালগুৰি আৰু চিৰাং জিলাৰে BTAD গঠিত। 1952 চনৰ চ্ জুনত KAAC গঠন কৰা হৈছিল। ইয়াৰ প্ৰধান কাৰ্যলয় ডিফুত অৱস্থিত।

মেঘালয়ত থকা স্বায়ত্ব শাসিত পৰিষদ তিনিখন হ'ল- খাচী পাহাৰ স্বায়ত্বশাসিত জিলা পৰিষদ, গাৰো পাহাৰ স্বায়ত্বশাসিত জিলা পৰিষদ আৰু জয়ন্তীয়া পাহাৰ স্বায়ত্ব শাসিত জিলা পৰিষদ। ত্রিপুৰাত থকা পৰিষদখনৰ নাম হ'ল ত্রিপুৰা জনজাতি এলেকা স্বায়ত্বশাসিত পৰিষদ। আনহাতে, মিজোৰামত গঠন কৰা স্বায়ত্বশাসিত পৰিষদ তিনিখন হ'ল- চাক্‌মা স্বায়ত্বশাসিত জিলা পৰিষদ, মাৰা স্বায়ত্বশাসিত জিলা পৰিষদ আৰু লেই স্বায়ত্বশাসিত জিলা পৰিষদ।

বিধান সভাবোৰে আইন গৃহিত কৰাৰ পাচত ৰাজ্য চৰকাৰবোৰে গঠন কৰা পৰিষদবোৰক বিধান সন্মত স্বায়ত্বশাসিত পৰিষদ (Statutory Autonomous Council) বোলে। অসম আৰু মণিপুৰত এনে পৰিষদৰ অস্তিত্ব দেখিবলৈ পোৱা যায়। অসমত থকা এনে পৰিষদৰ কেইটামান উদাহৰণ হ'ল-ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদ, লালুং স্বায়ত্বশাসিত পৰিষদ, মিচিং স্বায়ত্বশাসিত পৰিষদ, ঠেঙ্গাল কছাৰী পাহাৰীয়া স্বায়ত্বশাসিত পৰিষদ, সোণোৱাল কছাৰী স্বায়ত্বশাসিত পৰিষদ আৰু দেউৰী স্বায়ত্বশাসিত পৰিষদ। আকৌ, মণিপুৰত গঠন কৰা এনে পৰিষদৰ কেইটামান উদাহৰণ হ'ল- চন্দেল স্বায়ত্বশাসিত পৰিষদ, চূড়াচান্দপূৰ স্বায়ত্বশাসিত পৰিষদ, সদৰ পাহাৰ স্বায়ত্বশাসিত জিলা পৰিষদ, উত্তৰ মণিপুৰ স্বায়ত্বশাসিত জিলা পৰিষদ, তামেংলং স্বায়ত্বশাসিত জিলা পৰিষদ আৰু উখ্রুল স্বায়ত্বশাসিত জিলা পৰিষদ।



অগ্রগতি নিৰীক্ষণ

6। অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্রী গোপীনাথ বৰদলৈৰ অধ্যক্ষতাত উত্তৰ-পূব সীমান্ত (অসম) জনজাতি আৰু বাদ পৰা এলেকা সমিতি গঠন কৰা হৈছিল। (শুদ্ধ /অশুদ্ধ)

7। ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত বিধানসন্মত স্বায়ত্ব শাসিত পৰিষদবোৰ গঠন কৰা হয়। (শুদ্ধ /অশুদ্ধ)



চিন্তা চৰ্চা কৰক

- উত্তৰ-পূব ভাৰতৰ স্বায়ত্ব শাসিত পৰিষদবোৰৰ হাতত ন্যস্ত থকা বিভিন্ন ক্ষমতা আৰু এই পৰিষদবোৰৰ কাৰ্যাৱলী কেনে ধৰণৰ বিচাৰি উলিয়াওক।



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ঔপনিৱেশিক যুগৰ আৰম্ভণিত অসমক বেংগল প্ৰভিন্স (বংগ প্ৰদেশ)ৰ অংশ কৰি ৰখা হৈছিল। 1874 চনত পৃথক অসম প্ৰদেশ গঠন কৰা হৈছিল। লাহে লাহে বৃটিছে সকলো

চুবুৰীয়া অঞ্চললৈকে ইয়াৰ প্ৰশাসনিক অধিকাৰ সম্প্ৰসাৰিত কৰিছিল। অতীজৰে পৰা স্বতন্ত্ৰ অস্তিত্ব সহকাৰে জীৱন-যাপন কৰি থকা বিভিন্ন জনজাতি সম্প্ৰদায়ে প্ৰতিৰোধী কাৰ্যকলাপ আৰম্ভ কৰা সত্ত্বেও বৃটিছসকল থমকি ৰোৱা নাছিল।

- কৌশলপূৰ্ণ ভৌগোলিক অৱস্থান আৰু ৰাজনৈতিক জটিলতাৰে পূৰ্ণ উত্তৰ-পূব ভাৰতত স্বাধীনোত্তৰ কালত ৰাজ্য গঠন কৰাটো এক প্ৰত্যাহ্বানমূলক প্ৰক্ৰিয়া হৈ পৰিছিল।
- অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ অধ্যক্ষতাত উত্তৰ পূব সীমান্ত (অসম) জনজাতি আৰু বাদ পৰা এলেকা সমিতি গঠন কৰা হৈছিল। এই সমিতিয়ে পৰামৰ্শ দিছিল যে স্থানীয় পৰ্যায়ত জনজাতি লোকসকলক ৰাজনীতিত প্ৰাপ্য প্ৰতিনিধিত্বমূলক সংৰচনাৰ অধিকাৰী কৰি তুলিবলৈ হ'লে স্বায়ত্ব শাসিত জিলা পৰিষদ গঠন কৰিব লাগিব।
- বৰদলৈ সমিতিৰ পৰামৰ্শবোৰ পাচত ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ ধাৰা 244 (2) আৰু ধাৰা 275 (1) ত সন্নিবিষ্ট কৰা হৈছিল।
- কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে প্ৰদান কৰা মৰ্যাদা অনুসৰি উত্তৰ-পূব ভাৰতত দুই ধৰণৰ স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হয়। প্ৰথমবিধ পৰিষদ ষষ্ঠ অনুসূচীৰ অধীনত কেন্দ্ৰীয় চৰকাৰে নিজে গঠন কৰে। ৰাজ্যিক বিধানসভাই দ্বিতীয়বিধ পৰিষদ গঠনত আগভাগ লয়।



৩.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Sharma, Chandan Kumar. 'Nation, Nationality and Nation-building in India'. Retrieved from academia.edu
2) Baruah, Sanjib. 2001. *India Against Itself.* Oxford University Press.
3) Baruah, Sanjib. 2007. *Durable Disorder: Understanding the Politics of Northeast India.* OUP.
4) Guha, Amalendu. 1977. *Planter Raj to Swaraj: Freedom Struggle and Electoral Politics in Assam 1826-1947.* New Delhi.
5) Barpujari, H.K. 1998. *North-east India: Problems,Politcies and Prospects.* Delhi.
6) Inoue, Kyoko. *Integration of the Northeast: The State Formation Process.* (Details unknown)



৩.৮ অগ্রগতিৰ খতিয়ান

1¼ শুদ্ধ

2¼ অশুদ্ধ

3¼ শুদ্ধ

4¼ শুদ্ধ

5¼ অশুদ্ধ

6¼ শুদ্ধ

7¼ অশুদ্ধ



৩.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ মেঘালয়ে ৰাজ্যক মৰ্যাদা কেনেকৈ লাভ কৰিছিল উল্লেখ কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ স্বাধীনোত্তৰ যুগত উত্তৰ-পূব ভাৰতত চলা ৰাজ্য গঠন প্ৰক্ৰিয়াৰ বিষয়ে এখন ৰচনা লিখক।

*** ***** ***

অধ্যায় ৪ ঃ উত্তৰ-পূব ভাৰতৰ জনগাঁথনি

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ জাতি-জনগোষ্ঠী
৪.৪ উত্তৰ-পূব ভাৰতৰ ভাষিক বৈচিত্র্য
৪.৫ উত্তৰ-পূব ভাৰতৰ জনসাধাৰণৰ ধর্মীয় গাঁথনি
৪.৬ উত্তৰ-পূব ভাৰতৰ জনসংখ্যাৰ আকাৰ
৪.৭ জনসংখ্যাৰ ঘনত্ব
৪.৮ লিংগ অনুপাত
৪.৯ গ্রামীন-নগৰীয়া জনসংখ্যা গাঁথনি
৪.১০ জন্ম আৰু মৃত্যুৰ হাৰ
৪.১১ সাক্ষৰতা হাৰ
৪.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১৩ অধিক জানিবলৈ
৪.১৪ অগ্রগতিৰ খতিয়ান
৪.১৫ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- উত্তৰ-পূর্বাঞ্চলৰ জনসংখ্যাৰ আকাৰ আৰু জনসংখ্যাৰ ঘনত্বৰ বিষয়ে আলোচনা কৰিব পাৰিব
- এই অঞ্চলটোৰ জনসংখ্যাৰ লিংগ অনুপাত, জন্ম আৰু মৃত্যু হাৰ আৰু সাক্ষৰতাৰ হাৰ সম্পর্কে জানিব পাৰিব।

৪.২ পৰিচয়

আমি আগৰ অধ্যায়ত আলোচনা কৰি আহিছোঁ যে ভাৰতৰ উত্তৰ-পূব অঞ্চলটো ভাৰতৰ আটাইতকৈ পূবৰ অংগ। ভৌগোলিক আৰু প্রশাসনীয় এই দুই প্রশাখাৰে ই দেশৰ লগত সংযোজিত হৈ আছে। এই সমগ্র ভূমিখণ্ড বিভিন্ন জাতি-জনগোষ্ঠী, সভ্যতা, সংস্কৃতি, ভিন্ন ভাষাৰে বর্ণময় যি ভাৰতৰ স্বাধীনতাৰ পাছতহে ভৌগোলিকভাৰে এক সুকীয়া পৰিচয় লাভ কৰে। বর্তমান সময়ত অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, চিকিম আৰু ত্রিপুৰা এই

আঠখন ৰাজ্যৰে এই অঞ্চলটো গঠিত হৈছে। উত্তৰ-পূর্বাঞ্চলক ভাৰতৰ আন অংশৰ লগত সংযোগ কৰা পশ্চিমবংগৰ শিলিগুৰিৰ দীঘলীয়া অঞ্চলটো চিকেন নেক (Chicken's Neck) নামেৰে বহুল পৰিচিত। ২৬২২৩০ বর্গ কিলোমিটাৰ মাটিকালিৰে উত্তৰ-পূব অঞ্চলটো গঠিত হৈছে। ই ভাৰতৰ মুঠ মাটিকালিৰ প্রায় ৮ শতাংশ। ২০১১ চনৰ লোকপিয়ল অনুসৰি অঞ্চলটোৰ মুঠ জনসংখ্যা ৪৫,৭৭২,১৮৮ জন। এই অঞ্চলৰ জনসাংখ্যিক বৈশিষ্ট্যক অঞ্চলটোৰ একক বা অসাধাৰণ উপাদানসমূহে গঢ়ি তুলিছে। জনসংখ্যা বিজ্ঞান হৈছে বিশেষ একোটা অঞ্চল বা ভূখণ্ডৰ জনসংখ্যাৰ অধ্যয়ন। জনসংখ্যাৰ আকাৰ আৰু ঘনত্ব, জন্ম আৰু মৃত্যুৰ হাৰ, লিংগ অনুপাত, ৰোগ-ব্যাধি সম্পর্কীয় পৰিঘটনা আদি বিভিন্ন সূচকে মানুহৰ জনসংখ্যা গাঁথনিৰ পৰিৱর্তনৰ ব্যাখ্যা দিয়ে। অঞ্চল একোটাৰ জনসংখ্যা গাঁথনি যথাবিহিতভাৱে বুজিবলৈ সেই অঞ্চলৰ জাতি-জনগোষ্ঠী, ভাষা আৰু ধর্ম সম্পর্কেও জনা অতি দৰকাৰ। এই অধ্যায়ত অঞ্চলটোৰ কিছুমান বিশেষ জনসাংখ্যিক দিশ আলোচনা কৰা হ'ব।

৪.৩ জাতি-জনগোষ্ঠী

কোনো এটা অঞ্চল বা ভূখণ্ডৰ জনসংখ্যা নির্ধাৰণত জাতি, জনগোষ্ঠী অতি প্রয়োজনীয় দিশ। সমাজতত্ত্ব সম্পর্কীয় অক্সফর্ড অভিধান (Oxford dictionary of Sociology)ৰ মতে মুখাকৃতিৰ বৈশিষ্ট্য, চালৰ বৰণ, চকুৰ আকৃতি আদিৰ আধাৰত জাতিগত দল বা ভাগবোৰ কৰা হয়। বর্তমান ভাৰতৰ উত্তৰ-পূর্বাঞ্চললৈ বুৰঞ্জীৰ বিভিন্ন যুগত বিভিন্ন ঠাইৰ পৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক প্রব্রজিত হৈ আহিছে। বিভিন্ন নৰ্ব্যপ্রস্তৰ সঁজুলি, একেদৰে ভাষিক সাক্ষ্যই প্রমাণ কৰে যে বুৰঞ্জীৰ বিভিন্ন যুগত অষ্ট্রে'লয়ড, মঙ্গোলয়ড, নেগ্রিট' (দ্রাবিড়িয়ান) আৰু ইন্দো-এৰিয়ান বা আর্যসকল এই অঞ্চললৈ প্রব্রজিত হৈ আহিছিল।

এতিয়া উত্তৰ-পূর্বাঞ্চলৰ বিভিন্ন ৰাজ্যসমূহত বসবাস কৰা জনসাধাৰণৰ বিষয়ে চমুকৈ আলোচনা আগবঢ়াম -

● **অসম** ঃ কোৱা হয় যে অসম মূলতঃ তিব্বত-বর্মীয় বা তিব্বত-বর্মীয় ভাষী জনজাতিৰ বাসভূমি। বর্তমান মুঠ জনসংখ্যাৰ প্রায় ২০ শতাংশ লোক তিব্বত-বর্মীয়। বর্তমান সময়ত ৰাজ্যখনত বাস কৰা ২৩ টা জনজাতিক দুটা মুখ্য শ্রেণীত ভাগ কৰিব পাৰি— পার্বত্য আৰু সমতলীয় বা ভৈয়াম জনজাতি। বড়ো-কছাৰীসকল ৰাজ্যখনৰ বৃহৎ জনজাতি। তেওঁলোকৰ পাছতেই আছে ক্রমে মিছিং, দেউৰী, ৰাভা, তিৰা, খামটি, সোনোৱাল, মিকিৰ, হাজং, মাৰ, ডিমাচা, কুকি আৰু অন্যান্য সৰু জনজাতি। এই জনজাতিসকলৰ বাহিৰেও ৰাজ্যখনত অজনজাতি বর্ণ বা গোত্রৰ বা সম্প্রদায়ৰ ব্রাহ্মণ, কায়স্থ, কলিতা, বৈশ্য, নাথ, বনিয়া, চৰল, হীৰা, বৃত্তিয়াল, কৈৱর্ত, জালৈ, কেওঁট, কান্তি, সূত আদি লোকেও ব্রহ্মপুত্র উপত্যকাত বাস কৰি আহিছে। বৰাক উপত্যকাত বিভিন্ন সম্প্রদায়ৰ যেনে— বাৰুই, বৈদ্য, দাস, নমশূদ্র, সাহা, সূত্রধৰ, মহিষ্য, পট্নি, তাঁতী, ধোলি, জালো-মালো, মহৰা, মালী আদি লোকো পোৱা যায়। ঔপনিৱেশিক সময়ছোৱাত বিভিন্ন সম্প্রদায়ৰ প্রব্রজনৰ সাক্ষ্য এই ৰাজ্যই বহন কৰে

(স্ব-ইচ্ছাৰে হওক বা বলপূর্বকভাৱেই হওক) আৰু বর্তমান এই সকলো অসমৰ অবিচ্ছেদ্য অংগত পৰিণত হৈছে। ঔপনিৱেশিক যুগত অসমলৈ প্রব্রজিত হোৱা কিছুমান গুৰুত্বপূর্ণ সম্প্রদায় হৈছে— চাওতালী, মুন্দা, ওৰাং, খৰিয়া, গৌড়, আদি যিবিলাক বর্তমান ঝাৰখণ্ডৰ, পৰা অহা, মাৰোৱাৰী, গোর্খা, বিহাৰী ইত্যাদি।

● **নাগালেণ্ড ঃ** নাগালেণ্ডত বাস কৰা প্রধান জনজাতি সম্প্রদায় দুটা হ'ল নগা আৰু কুকি-চিন গোটবোৰ। এই দুয়োটা সম্প্রদায় আকৌ ত্রিশটাতকৈ অধিক ক্ষুদ্র ক্ষুদ্র জনগোষ্ঠীত বিভক্ত। দুয়োটা সম্প্রদায়েই মমগোলিয়ান মূলৰ। অৱশ্যে তেওঁলোকে তিব্বত-বার্মা ভাষিক পৰিয়ালৰ অন্তর্গত বিভিন্ন ভাষা ব্যৱহাৰ কৰে। নগা সম্প্রদায়ৰ দুটামান প্রধান জনগোষ্ঠী হ'ল—আও, আংগামী, লোথা, কোন্যাক, ছেং, ৰেংমা, ঠেঙ্গাল, তাংখুল, ঝেলিয়ানৰং, মাও, মাৰাম, তাৰাও আদি। কুকি-চিন সম্প্রদায়ৰ দুটামান প্রধান জনগোষ্ঠী হ'ল—গাংটে, মাৰ, থাদৌ, ৰাইফেই, ঝৌ, ছিৰু, ক'ইৰিং, ক'ম, ছোটে, লামগাং ইত্যাদি।

● **অৰুণাচল প্রদেশ ঃ** ৰাষ্ট্রৰ আটাইতকৈ উত্তৰ-পূব অংশটোত আছে মিচিমিসকল। মিচিমিসকলৰ তিনিটা উপ-জনজাতি আছে। অৰুণাচল প্রদেশৰ কেন্দ্রীয় বা মধ্য অঞ্চলটোত আদি সকলে বসবাস কৰে। আদিসকলৰ ১৫ টা উপ-জনজাতি আছে। এই জনজাতিটোক প্রধান দুটা ভাগত ভাগ কৰা হয়— বগুম আৰু বমিছ। অৰুণাচল প্রদেশৰ পশ্চিমাংশ মনপা জনজাতিৰ বসতিস্থল যাক পুনৰ ৬টা উপ-জনজাতিত ভাগ কৰা হৈছে। ৰাজ্যখনৰ দক্ষিণ-পূব অংশত ৰাংছু, নক্টে আৰু টাংচা জনজাতিৰ লোকে বাস কৰে। অৱশ্যে টাংছা জনজাতিসকলক ১৫ টা জনজাতিত পুনৰ ভাগ কৰা হয়। উজনি আৰু নামনি সোৱনশিৰি জিলাত নিছি, আপাটানি, পর্বতীয়া মিৰি, তাগিন, নাছ আৰু ছুলুং সকলে বাস কৰে। লোহিত জিলাত মিছিমি, জাখাৰিং, মেয়ৰচ, খামটি, আৰু খামিয়াৰচসকলে বাস কৰে।

● **মেঘালয় ঃ** মেঘালয়ত বাস কৰা তিনিটা প্রধান জনজাতি হৈছে খাচী, গাৰো আৰু জয়ন্তীয়া। খাচীসকলে মধ্য মেঘালয়ত, গাৰোসকলে পশ্চিম মেঘালয়ত আৰু জয়ন্তীয়াসকলে পূব মেঘালয়ত বাস কৰে। খাচীসকল অষ্ট্রলয়দ মনখেমেৰ গোষ্ঠীৰ অন্তর্গত। তেওঁলোকক ভাৰতীয় উপ-মহাদেশৰ এক আদিম অধিবাসী বুলি বিশ্বাস কৰা হয়। তেওঁলোকক খ্যনৰিয়াম প্নাৰ, ভই ৰাৰ আৰু লিঙ্নগাম এই কেইটা ভাগত ভগোৱা হয়। তেওঁলোকে নিজকে হাইনীৰেপ মানুহ বুলি কয়, যিটোৰ অর্থ হৈছে প্রট'-অষ্ট্র'লয়ড মনখেমেৰ জনগোষ্ঠী। গাৰোসকলে নিজকে 'আচিক' বুলি কৈহে ভাল পায়। খাচী, গাৰো আৰু জয়ন্তীয়াসকলৰ উপৰি মেঘালয়ত আন কিছুমান জনজাতি যেনে— বড়ো-কছাৰী, হাজং, ৰাভা মাৰ, মিকিৰ, মিজো, নগা আৰু বহুতো কুকি জনজাতিৰ লোকে বাস কৰি আহিছে। এই জনজাতিবোৰৰ বাহিৰেও বর্তমান সময়ত ভাৰতৰ আন আন ঠাইৰ মানুহ মেঘালয়ৰ বিভিন্ন অংশলৈ প্রব্রজিত হৈছে।

● **মণিপুৰ ঃ** মণিপুৰত প্রধানকৈ তিনিটা প্রধান জনজাতিৰ লোকে বাস কৰে আৰু তেওঁলোক হ'ল— মেইটে, নগা আৰু কুকি-চীন জনজাতি। তেওঁলোক সকলো মংগোলীয় নৃগোষ্ঠীৰ অন্তর্গত। মণিপুৰ উপত্যকাত মেইটেসকলে বাস কৰে। মেইটেসকলক চাৰিটা উপ-

গোটত ভাগ কৰা হয় আৰু সেই কেইটা হৈছে— ল'ই, য়েইথিবি, থাংগা আৰু পঙ্গল। নগা আৰু কুকি-চীনসকলে মণিপু�ৰৰ পার্বত্য অঞ্চলত বাস কৰে। মণিপুৰৰ নগাসকলৰ মাজত তাংখুল, জেমী, লিয়াংমেই, ৰংমেই মাও, মাৰাম, তাৰাওসকল অন্তর্গত। মণিপুৰৰ কুকি-চীন জনজাতিৰ মাজত গেঙটে, মাৰ, পাইট, থাডাঅ', ময়ান, মনছাং, আইমল আৰু অনালসকল অন্তর্গত।

● **মিজোৰাম** ঃ মিজোৰামক আগতে লুচাই পাহাৰ বুলি জনা গৈছিল। মিজো শব্দৰ অর্থ হৈচে পাহাৰৰ মানুহ। লুচেই, মাৰ, পাইটে, পৰাই, মাৰা, তালাউ, ৰাল্টে, পাঙ, হোৱালঙু আৰু বাইটে আদিৰ দৰে বিভিন্ন জনজাতিসমূহ মিজোসকলৰ অন্তর্গত। তেওঁলোকে সকলোৱে তেওঁলোকৰ স্বকীয় পৰিচয় ধৰি ৰাখিছে যদিও তেওঁলোক সকলো মংগোলীয় নৃগোষ্ঠীৰ চীন-জুমী শ্রেণীৰ অন্তর্গত। তেওঁলোকৰ উৎপত্তি সম্পর্কীয় বিভিন্ন তত্ত্ব আছে আৰু তাৰে এটা হ'ল তেওঁলোক ইজৰাইলৰ ১২ টা জনজাতিৰ অন্যতম এটা মেনাছে নামৰ ইজৰাইলৰ পৰা হেৰোৱা জনজাতিটোৰ বংশধৰ।

● **চিক্কিম** ঃ চিক্কিমত লেপছা, ভূটীয়া আৰু নেপালী এই তিনিটা প্রধান জনসম্প্রদায়ৰ লোকে বাস কৰে। লেপছাসকলক ৰাজ্যখনৰ আদিম অধিবাসী বুলি বিশ্বাস কৰা হয়। লেপছাসকল মঙ্গোলয়ড নৃগোষ্ঠীৰ অন্তর্গত আৰু তেওঁলোকৰ চিক্কিমৰ উত্তৰ-মধ্য অঞ্চলত বসতি দেখিবলৈ পোৱা যায়। চিক্কিমী ভূটীয়া, ভূটান আৰু তিৰ্ব্বতৰ ভূটীয়াসকলেৰে চিক্কিমৰ ভূটীয়া জনসম্প্রদায়টো গঠিত। মঙ্গোলয়ড আৰু আর্য বা ইন্দো এৰিয়ান এই দুই নৃগোষ্ঠীৰ বংশধৰেৰে নেপালী সম্প্রদায়টো গঠিত হৈছে।

● **ত্রিপুৰা** ঃ ভাৰতৰ উত্তৰ-পূর্বাঞ্চলৰ আন এখন ৰাজ্য হৈছে ত্রিপুৰা। ১৮৮১ চনলৈকে ৯০ শতাংশ জনজাতি লোকৰ বসতিৰে ত্রিপুৰা আছিল এখন জনজাতীয় ৰাজ্য। ত্রিপুৰাৰ প্রধান জনজাতি কেইটা হ'ল তিপ্রা, জামাতিয়া, ৰিয়াং, নোৱাটিয়া, হালাম আৰু উচৈ। বর্তমান সময়ত ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ ৩১ শতাংশহে জনজাতীয় লোক। এই জনজাতি লোকসকল প্রধানকৈ ত্রিপুৰাৰ উত্তৰ আৰু দক্ষিণ অংশৰ পাহাৰীয়া ভূখণ্ডত সিঁচৰতি হৈছে। ভাৰত বিভাজনৰ পাছত পূর্বৰ পূব পাকিস্তানৰ পৰা ঘটা ব্যাপক পৰিমাণৰ প্রব্রজনে ৰাজ্যখনৰ জনগাঁথনি ব্যাপক পৰিৱর্তন ঘটায়।

৪.৪ ভাৰতৰ উত্তৰ-পূর্বাঞ্চলৰ ভাষিক বৈচিত্র্য

উত্তৰ-পূর্বাঞ্চলৰ জনসাধাৰণক ভাষাৰ আধাৰতো শ্রেণীবিভাজন বা দল বা গোষ্ঠীভুক্ত কৰিব পাৰি। পৃথিৱীৰ বিভিন্ন অংশৰ পৰা বিভিন্ন তৰংগত ঘটা প্রবজনৰ অভিজ্ঞতাৰে ভাৰতৰ উত্তৰ-পূর্বাঞ্চল পুষ্ট। সেই অনুসৰি বিভিন্ন সামাজিক গোট বা গোষ্ঠীৰ লগতে বৈচিত্র্যময় ভাষিক গোষ্ঠীও এই অঞ্চলত পোৱা যায়। এই অঞ্চলৰ প্রধান ভাষিক গোষ্ঠী কেইটা হ'ল— চীনো তিবেটান/তিবেটো বার্মান/টাই-কদাই, অষ্ট্র এচিয়াটিক আৰু ইন্দো-এৰিয়ান বা আর্য। এই অঞ্চলত অসমীয়া, বঙলা, হিন্দী আৰু নেপালী। খাচী আৰু জয়ন্তীয়া জনজাতিৰ মাজত প্রচলিত ভাষা অষ্ট্র'এচিয়াটিক গোষ্ঠীৰ খাচী-খামিক উপ-পৰিয়ালৰ অন্তর্গত। টাই-আহোম,

টাই-ফাকে আৰু খামটি সম্প্রদায়ৰ লোকে ব্যৱহাৰ কৰা ভাষাবোৰ টাই-কডাই ভাষিক পৰিয়ালৰ অংশ। এই অঞ্চলৰ অধিক সংখ্যক ভাষাই আন এক গুৰুত্বপূর্ণ ভাষা পৰিয়াল তিব্বত-বর্মীয় ভাষিক পৰিয়ালৰ ভিতৰুৱা। জর্জ আব্রাহাম গ্রীয়ার্চনে এই গোটটো তিনিটা ভাগত ভাগ কৰিছে আৰু এই কেইটা হৈছে—

- তিব্বত-হিমালয়ী,উত্তৰ অসম শাখা। উত্তৰ অসম শাখাটো সাতটা ভাগেৰে গঠিত।
- বৰো-নগা আৰু তিব্বত বর্মীয় ভাষাত কাচিন গোটৰ ভাষাসমূহ।
- কুকি-চীন আৰু তিব্বত-বর্মীয় ভাষা গোষ্ঠীৰ বর্মীয় গোটৰ ভাষাসমূহ।



জানি থোৱা ভাল

চৰকাৰী ভাষাসমূহ

ৰাজ্য	চৰকাৰী ভাষা
অৰুণাচল প্রদেশ —	হিন্দী, ইংৰাজী
অসম —	অসমীয়া, বড়ো, বাংলা
মণিপুৰ —	মেইটে ইলন
মেঘালয় —	খাচী, গাৰো, ইংৰাজী
মিজোৰাম —	মিজো, ইংৰাজী
নাগালেণ্ড —	ইংৰাজী
চিক্কিম —	নেপালী, ইংৰাজী
ত্রিপুৰা —	বাংলা, কক্ বৰক্।

৪.৫ উত্তৰ-পূব ভাৰতৰ জনসংখ্যাৰ ধর্মীয় গাঁথনি

জনসংখ্যাৰ ধর্মীয় গাঁথনি কোনো এটা অঞ্চলৰ জনসংখ্যা জানিবলৈ প্রয়োজনীয় এটা গুৰুত্বপূর্ণ দিশ। ২০০১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ উত্তৰ-পূর্বাঞ্চলত খ্রীষ্টান ধর্মাৱলম্বী লোকৰ সংখ্যা যথেষ্ট বেছি। নগালেণ্ডৰ মুঠ জনসংখ্যাৰ ৯০ শতাংশ লোক খ্রীষ্টান ধর্মাৱলম্বী। ইয়াৰ পাছতেই আছে ৮০ শতাংশ খ্রীষ্টান ধর্মাৱলম্বী লোকেৰে মিজোৰাম। মিজোৰামৰ পাছত আছে ৭০.৩ শতাংশ খ্রীষ্টান ধর্মাৱলম্বী লোকেৰে মেঘালয়। ইয়াৰ পাছত আছে যথাক্রমে ৩৪ শতাংশ খ্রীষ্টান ধর্মী লোকেৰে মণিপুৰ আৰু ১৮.৭ শতাংশ খ্রীষ্টান ধর্মাৱলম্বী লোকেৰে অৰুণাচল প্রদেশ। অঞ্চলটোৰ জনসংখ্যাৰ আন এক বৃহৎ অংশ হিন্দু ধর্মাৱলম্বী। এই ক্ষেত্রত ৮৫.৬ শতাংশ হিন্দু ধর্মাৱলম্বী লোকেৰে ত্রিপুৰা উত্তৰ-পূবৰ আন কেইখন ৰাজ্যতকৈ আগবাঢ়ি আছে। ত্রিপুৰাৰ পাছতেই আছে অসম। অসমৰ মুঠ জনসংখ্যাৰ ৬৪.৯ শতাংশ লোক হিন্দুধর্মী। অসমৰ পাছতেই আছে যথাক্রমে ৬০.৯ শতাংশৰে চিক্কিম, ৪৬ শতাংশৰে মণিপুৰ আৰু ৩৪.৫ শতাংশ হিন্দু ধর্মী লোকেৰে অৰুণাচল প্রদেশ। মুছলমান বা ইছলাম লোকৰ সমাৱেশ অসমতেই উত্তৰ-পূর্বাঞ্চলৰ ভিতৰত সর্বাধিক। অসমৰ মুঠ জনসংখ্যাৰ

৩০.৯ শতাংশ লোক মুছলমান বা ইছলামধর্মী। ইছলাম ধর্মীলোকৰ ক্ষেত্রত অসমৰ পাছতেই আছে মণিপুৰ ৮.৮ শতাংশ আৰু ত্রিপুৰা ৮ শতাংশ। লক্ষণীয়ভাৱে চিক্কিমৰ ২৮ শতাংশ লোক বৌদ্ধ ধর্মাৱলম্বী। ই উত্তৰ-পূবৰ ৰাজ্যসমূহৰ ভিতৰতে সর্বাধিক। চিক্কিমৰ পাছতেই আছে অৰুণাচল প্রদেশ। অৰুণাচল প্রদেশৰ ১৩ শতাংশ লোক বৌদ্ধ ধর্মাৱলম্বী। যদিও খ্রীষ্টান ধর্মী লোকৰ সংখ্যা উত্তৰ-পূবৰ আন ৰাজ্যৰ তুলনাত ত্রিপুৰা আৰু অসমত ন্যূনতম (যথাক্রমে ৩.২ শতাংশ), আৰু ৩.৭ শতাংশ তথাপি সমগ্র ভাৰতৰ খ্রীষ্টানধর্মী লোকৰ সংখ্যাৰ (২.৩%) তুলনাত এই ৰাজ্য দুখনত খ্রীষ্টান ধর্মী লোকৰ সংখ্যা বহু বেছি। এনেদৰে দৃষ্টিগোচৰ হয় যে যদিও সমগ্র ভাৰতৰ জনসংখ্যাৰ ৯৫ শতাংশ হিন্দু আৰু মুছলমান লোকৰ সমষ্টি তথাপি এনে জনগাঁথনিৰ আর্হি উত্তৰ-পূব ভাৰতত দেখিবলৈ পোৱা নাযায়। এই অঞ্চলটো বিভিন্ন জনসম্প্রদায়, বিভিন্ন ধর্মীয় বিশ্বাসত বিশ্বাসী লোকৰ সমন্বয় থলী।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ (ক) মিজোৰাম ভাৰতৰ দ্বিতীয় সর্বাধিক খ্রীষ্টান ধর্মাৱলম্বী লোকৰ ৰাজ্য।

(১) সঁচা (২) মিছা

(খ) মণিপুৰৰ চৰকাৰী ভাষা কি?

৪.৬ উত্তৰ-পূব ভাৰতৰ জনসংখ্যাৰ আকাৰ

আমি ইতিমধ্যে আলোচনা কৰি আহিছো যে বিশেষত্বপূর্ণ বিভিন্ন নৃগোষ্ঠীৰ স্বতন্ত্রপূর্ণ সামাজিক, সাংস্কৃতিক আৰু অর্থনৈতিক পৰিচয়েৰে ভাৰতৰ উত্তৰ-পূর্বাঞ্চলক সুকীয়া বিশেষত্ব প্রদান কৰিছে। এই অঞ্চল ভাৰতৰ জনজাতীয় জনসংখ্যাৰ ৮.৫৫ শতাংশই অধিকাৰ কৰি আছে। অঞ্চলটোত জনজাতীয় আৰু অজনজাতীয় দুই ধৰণৰ লোকেই বাস কৰে। উত্তৰ-পূব ভাৰতত বাস কৰা অজনজাতীয় লোকৰ শতকৰা হাৰ ৪৭.২২ শতাংশ। তাৰ বিপৰীতে জনজাতীয় লোকৰ অধীনত থকা ভূমি ভাগ বা মাটিকালি সামগ্রিকভাৱে অজনজাতীয় লোকৰ অধীনত থকা মাটিকালিতকৈ বহুত বেছি। উত্তৰ-পূবৰ আঠখন ৰাজ্যৰ ভিতৰত চাৰিখন ৰাজ্যত জনজাতীয় লোক সংখ্যাগৰিষ্ঠ। বিশেষভাৱে, মিজোৰাম (৯৪.৫ শতাংশ), নাগালেণ্ড (৮৯.১ শতাংশ)। ২০১১ চনৰ লোকপিয়ল অনুসৰি উত্তৰ-পূর্বাঞ্চলৰ মুঠ জনসংখ্যা প্রায় ৪৫ মিলিয়ন/নিযুত। এই জনসংখ্যাৰ মাজত অসমৰ জনসংখ্যাই সর্বাধিক। উত্তৰ-পূবৰ মুঠ জনসংখ্যাৰ ৬৮ শতাংশ। অসমৰ পাছতেই আছে ত্রিপুৰা (৮ শতাংশ)। অসমৰ জনসংখ্যা ৩১ নিযুত, ত্রিপুৰাৰ ৩.৬৭ নিযুত মেঘালয় ২.৯৬ নিযুত আৰু মণিপুৰৰ ২.৭২ নিযুত। চিক্কিমৰ জনসংখ্যা আটাইতকৈ কম; মাত্র ০.৬১ নিযুত। তলৰ ৪.১ তালিকাখন ১৯৭১ চনৰ পাছৰ ভাৰতৰ উত্তৰ-পূর্বাঞ্চলৰ ৮ খন ৰাজ্যৰ জনসংখ্যা প্রদর্শন কৰা হ'ল—

তালিকা-৪.১ উত্তৰ-পূব ভাৰতৰ জনসংখ্যা

ৰাজ্য	১৯৭১	১৯৮১	১৯৯১	২০০১	২০১১
অৰুণাচল প্ৰদেশ	৪৬৮	৬৩২	৮৬৫	১০৯৮	১৩৮৩
অসম	১৪৬২৫	১৮০৪১	২২৪১৪	২৬৬৫৬	৩১১৬৯
মণিপুৰ	১০৭৩	১৪২১	১৮৩৭	২২৯৪	২৭২২
মেঘালয়	১০১২	১৩৩৬	১৭৭৫	২৩১৯	২৯৬৪
মিজোৰাম	৩৩২	৪৯৪	৬৯০	৪৪৯	১০৯১
নাগালেণ্ড	৫১৬	৭৭৫	১২১০	১৯৯০	১৯৮১
চিক্কিম	২১০	৩১৬	৪০৬	৫৪১	৬০৮
ত্ৰিপুৰা	১৫৫৬	২০৫৩	২৭৫৭	৩১৯৯	৩৬৭১
উত্তৰ-পূবৰ সৰ্বমুঠ	১৯৭৯২	২৩৭৮৮	৩১৯৫৪	৩৮৯৮৬	৪৫৫৮৮
ভাৰত	৫৪৮১৬০	৬৮৩৩৯	৮৪৬৩০৩	১০২৮৭৩৩৭	১২১০১৯৩

উৎস ঃ ভাৰতৰ লোকপিয়ল ১৯৭১, ১৯৮১, ১৯৯১, ২০০১ আৰু ২০১১

১৯৭১-৮১ লোকপিয়লত দশকীয় বৃদ্ধি হাৰে দেখুৱাই যে অসমৰ বাহিৰে এই সময়ছোৱাত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ জনসংখ্যা বৃদ্ধিৰ হাৰ ৰাষ্ট্ৰীয় গড় বৃদ্ধি ২৪.৬৬ তকৈ অধিকতৰ। এই সময়ছোৱাত ত্ৰিপুৰাৰ সৰ্বোচ্চ বৃদ্ধি হাৰ আছিল ৫০.৭৭ শতাংশ। ইয়াৰ পাছতে আছিল ৫০.০৫ শতাংশৰে নাগালেণ্ড। ইয়াৰ পৰৱৰ্তী দশকত অৰ্থাৎ ১৯৮১-৯১ সময়ছোৱাত অসমৰ জনসংখ্যা বৃদ্ধি হাৰ আছিল ২৪.২৪ শতাংশৰে সৰ্বনিম্ন। অৱশ্যে এই বৃদ্ধিৰ হাৰো আছিল ৰাষ্ট্ৰীয় গড় বৃদ্ধি হাৰ ২৩.৮৫ শতাংশতকৈও অধিক। ১৯৮১-৯১ৰ পৰা ১৯৯১-২০০১লৈ সময়ছোৱাৰ ভিতৰত নাগালেণ্ডৰ জনসংখ্যা বৃদ্ধি হাৰ আছিল সৰ্বোচ্চ ক্ৰমাগতভাৱে ৫৬.০৮ শতাংশ আৰু ৬৪.৪৬ শতাংশ। ১৯৯১-২০০১ সময়ছোৱাত অসম আৰু চিক্কিমৰ বাহিৰে আন সকলো ৰাজ্যৰ জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৃদ্ধি হাৰ ২১.৫৪ শতাংশতকৈ অধিক। মন কৰিব লগীয়া এয়ে যে ২০০১ৰ পৰা ২০১১ মাজৰ সময়ছোৱাত কেৱল নাগালেণ্ডৰ বৃদ্ধিৰ হাৰ আছিল ঋণাত্মক ০.৪৭ শতাংশ। ইয়াৰ বিপৰীতে অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয় আৰু মিজোৰামৰ জনসংখ্যা বৃদ্ধি হাৰ ৰাষ্ট্ৰীয় বৃদ্ধি হাৰ ১৭.৬৪ শতাংশতকৈ অধিক আছিল। ইয়ে স্পষ্টভাৱে দেখুৱায় যে অধিক সংখ্যক ৰাজ্যৰ জনসংখ্যা বৃদ্ধিৰ হাৰ ৰাষ্ট্ৰীয় গড় বৃদ্ধিতকৈ অধিক যিয়ে এই অঞ্চলটোৰ প্ৰধান উদ্বেগৰ কাৰণ হৈ পৰিছে।

৪.৭ জনসংখ্যাৰ ঘনত্ব

ইয়াৰ আগৰ শাখাৰ পৰা আমি জানিব পাৰিলোঁ যে বিগত বৰ্ষসমূহত এই অঞ্চলটোৰ জনসংখ্যা বৃদ্ধি ঊৰ্ধ্বগামী। কিন্তু ৰাষ্ট্ৰৰ বা ভাৰতৰ আন অংশৰ তুলনাত ই কম।

অৱশ্যে একে সময়তে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজত জনসংখ্যাৰ বিতৰণ একে নহয়। জনসংখ্যাৰ গৰিষ্ঠ অংশই গ্ৰামাঞ্চলত বাস কৰে। ২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি ৮৪ শতাংশ লোক গ্ৰাম্য অঞ্চলত বাস কৰে আৰু এই অঞ্চলসমূহৰ জনসংখ্যাৰ ঘনত্ব গড়ে প্ৰতি বৰ্গ কিলোমিটাৰত ১৭৩ জন।

জনসংখ্যাৰ পৰিমাণ বৃদ্ধিৰ লগে লগে প্ৰতি বৰ্গ কিলোমিটাৰত জনসংখ্যাৰ ঘনত্বও বৃদ্ধি পায়।

বিগত দুটা দশকত উত্তৰ-পূৰ্বাঞ্চলৰ জনসংখ্যাৰ ঘনত্বৰ বৃদ্ধি ১৫.২৩ শতাংশ। ইয়াৰ তুলনাত সমগ্ৰ ভাৰতৰ জনসংখ্যা ঘনত্ব বৃদ্ধি ১৭.৫৩ শতাংশ লক্ষ্য কৰা যায়। এই দুয়োটা দশকত অৰ্থাৎ ২০০১ আৰু ২০১১, এই অঞ্চলটোৰ জনসংখ্যা ঘনত্বৰ যথেষ্ট পৰিৱৰ্তন পৰিলক্ষিত হয় (যিবোৰ তালিকা ৩৫.২ প্ৰতিফলন ঘটিছে)। অৰুণাচল প্ৰদেশৰ জনসংখ্যাৰ ঘনত্ব আছিল ২০০১ চনত প্ৰতি বৰ্গ কিলোমিটাৰত ১৩ জন আৰু ২০১১ চনত প্ৰতি বৰ্গ কিলোমিটাৰত ১৭ জন। অসমৰ জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত ৩৯৭ জন। অসমৰ পাছতেই আছে যথাক্ৰমে প্ৰতি বৰ্গ কিলোমিটাৰত ত্ৰিপুৰাৰ ৩৫০ জন, মেঘালয়ৰ ১৩২ জন, মণিপুৰত ১২২ জন, নাগালেণ্ডত ১১৯ জন, আৰু চিক্কিমত ৮৬ জন। যি কি নহওক আমি নিশ্চিতভাৱে প্ৰত্যক্ষ কৰিলো যে ৰাজ্য কেইখনৰ মাজত জনসংখ্যাৰ বিতৰণ একে নহয়। অঞ্চলটোৰ মধ্য অংশত জনসংখ্যা মাত্ৰাধিক; কাৰণ এই অংশত অৰ্থনৈতিক অৱস্থা আৰু উন্নত আন্তঃগাঁথনিৰ সুবিধাই এক গুণমান বিশিষ্ট জীৱন ধাৰা নিশ্চিত কৰিছে। অঞ্চলটোৰ পাহাৰীয়া হেলনীয়া ভূ-ভাগত মূল অংশৰ বিচ্ছিন্ন আৰু বিভিন্ন সা-সুবিধাৰ অভাৱৰ বাবে জনসংখ্যাৰ সমাৱেশ বা জনবসতি অতি কম। তালিকা ৪.২ত উত্তৰ-পূব ভাৰতৰ বিভিন্ন ৰাজ্যৰ জনবসতিৰ ঘনত্ব দেখুওৱা হ'ল—

তালিকা ৪.২ উত্তৰ-পূব ভাৰতৰ জনসংখ্যাৰ ঘনত্ব

ৰাজ্য/দেশ	২০০১	২০১১
অৰুণাচল প্ৰদেশ	১৩	১৭
অসম	৩৪০	৩৯৭
মণিপুৰ	১০৩	১২২
মেঘালয়	১০৩	১৩২
মিজোৰাম	৪৩	৫২
নাগালেণ্ড	১২০	১১৯
চিক্কিম	৭৬	৮৬
ত্ৰিপুৰা	৩০৫	৩৫০
উত্তৰ-পূৰ্বাঞ্চল	১৫১	১৭৪
ভাৰত	৩২৪	৩৮২

উৎস ঃ ২০০১ আৰু ২০১১ চনৰ ভাৰতৰ লোকপিয়ল

৪.৮ লিংগ অনুপাত

জনসংখ্যা অধ্যয়নত লিংগ অনুপাত হৈছে আন এক গুৰুত্বপূর্ণ জনসাংখ্যিক সূচক। এক সমতাযুক্ত লিংগ অনুপাতে এক সুস্থ বা স্বাভাৱিক জনসংখ্যা গাঁথনিৰ চিন নির্দেশ কৰে। ই সমাজত মহিলাৰ স্থান বা মর্যাদাও নির্দেশ কৰে। এই দিশত উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যসমূহত যোৱা দশকত লিংগ অনুপাতৰ উন্নতি ঘটিছে। লোকপিয়লৰ প্রতিবেদনে দেখুৱাইছে যে লিংগ অনুপাত ২০০১ চনত ৯৩৭ৰ পৰা ২০১১ চনত ৯৫৬ হৈছে। দুয়োটা দশকত ৰাষ্ট্রৰ মুঠ (তালিকা ৪.৩) লিংগ অনুপাতৰ তুলনাত উত্তৰ-পূর্বাঞ্চলৰ লিংগ অনুপাত উচ্চতৰ। এনেদৰে দেখা যায় যে সামগ্রিক লিংগ অনুপাতৰ প্রসংগত উত্তৰ-পূর্বাঞ্চলৰ লিংগ অনুপাতনৰ ছবিখন বেয়া নহয়।

তালিকা ঃ ২০০১ আৰু ২০১১ চনত উত্তৰ-পূর্বাঞ্চলৰ লিংগ অনুপাত (তলৰ সংখ্যাবোৰে প্রতি এজাহাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা সূচাইছে)

ৰাজ্য/দেশ	লিংগ অনুপাত	
	২০০১	২০১১
অৰুণাচল প্রদেশ	৮৯৩	৯২০
অসম	৯৩৫	৯৫৪
মণিপুৰ	৯৭৮	৯৮৭
মেঘালয়	৯৭২	৯৮৬
মিজোৰাম	৯৩৫	৯৭৫
নাগালেণ্ড	৯০০	৯৩১
চিক্কিম	৮৭৫	৮৮৯
ত্রিপুৰা	৯৪৮	৯৬১
উত্তৰ-পূর্বাঞ্চল	৯৩৭	৯৫৬
ভাৰত	৯৩৩	৯৪০

উৎস ঃ ভাৰতৰ লোকপিয়ল ২০১১

৪.৯ গ্রামীণ-নগৰীয়া জনসংখ্যা গাঁথনি

ভাৰতৰ উত্তৰ-পূর্বাঞ্চলৰ নগৰীকৰণ প্রক্রিয়া ভাৰতৰ আন অংশৰ তুলনাত মন্থৰ গতিৰ। উত্তৰ-পূর্বাঞ্চলৰ অঞ্চল ভিত্তিক জনসংখ্যা গাঁথনিলৈ চালে দেখা যায় যে ৮১.৬৪ শতাংশ লোকেই গ্রাম্য অঞ্চলত বাস কৰে। সেইমতে নগৰীয়া জনসংখ্যা মাত্র ১৮.৩৬ শতাংশ; যিটো ২০১১ চনৰ সমগ্র ভাৰতৰ নগৰীয়া জনসংখ্যা ৰাশি ৩১.১৬ শতাংশতকৈ বহুত তলত। বর্তমান সময়ত আঠ ৰাজ্যৰ ভিতৰত মিজোৰাম এই অঞ্চলটোৰ আটাইতকৈ বেছি নগৰীকৃত ৰাজ্য হিচাপে পৰিগণিত

হৈছে। এই ক্ষেত্রত ১৯৮১ চনৰ পৰাই অসমৰ নগৰীয়া জনসংখ্যাৰ অংশ ন্যূনতম। সেই অনুসৰি উত্তৰ-পূব ভাৰতৰ জনসংখ্যা আৰু অর্থনীতি গ্রামাঞ্চল অভিমুখী ঢাল বা প্রবৃত্তি দেখুৱায়। অন্য ভাষাত বহুবোৰ নগৰীয়া সা-সুবিধাৰ অভাৱেই অঞ্চলটোৰ বিশেষত্ব হৈ পৰিছে।

তালিকা ঃ ৪.৪য়ে বিগত বর্ষবোৰত উত্তৰ-পূব ভাৰতৰ গ্রামীণ-নগৰীয়া জনসংখ্যাৰ অংশ (শতাংশ) প্রতিফলন ঘটাইছে।

তালিকা ঃ ৪.৪ উত্তৰ-পূব ভাৰতৰ গ্রামীণ-নগৰীয়া জনসংখ্যা অংশ।

ৰাজ্য	১৯৮১	১৯৯১	২০০১	২০১১
অৰুণাচল	৬.৫৬	১২.৮০	২০.৭৫	২২.৬৭
প্রদেশ				
অসম	পোৱা নাযায়	১১.১০	১২.৯০	১৪.০৮
মণিপুৰ	২৬.৪২	২৭.৫২	২৬.২৮	৩০.২১
মেঘালয়	১৮.০৭	১৮.৬০	১৯.৫৮	২০.০৮
মিজোৰাম	২৪.৬৭	৪৬.১০	৪৯.৬৩	৫১.৫১
নাগালেণ্ড	১৫.৫২	১৭.২১	১৭.২৩	২৮.৯৭
চিক্কিম	১৬.১৪	৯.১০	১১.০৭	২৪.৯৭
ত্রিপুৰা	১০.৯৯	১৫.৩০	১৭.০৬	২৬.১৮
উত্তৰ-পূবৰ মুঠ	১৬.৭৪	১৩.৮৩	১৫.৬৬	১৮.৩৬
ভাৰত	২৩.৩৪	২৩.৭১	২৭.৮২	৩১.১৬

উৎস ঃ ভাৰতৰ লোকপিয়ল ১৯৮১, ১৯৯১, ২০০১ আৰু ২০১১।

৪.১০ জন্ম আৰু মৃত্যু হাৰ

জন্ম হাৰ আৰু মৃত্যু হাৰ দুয়োটাই প্রধান জনসাংখ্যিক অৱয়ব বা বৈশিষ্ট্য, যি অঞ্চল একোটাৰ জনসংখ্যাৰ গতি প্রবাহত গুৰুত্বপূর্ণ প্রভাৱ পেলায়। ভাৰতৰ মহাপঞ্জীয়কৰ প্রতিদর্শ পঞ্জীয়ন পদ্ধতিৰ অনুসৰি উত্তৰ-পূবৰ ৰাজ্যসমূহৰ জন্ম হাৰ ভাৰতৰ আন অংশৰ তুলনাত কম। আঠখন ৰাজ্যৰ ভিতৰত মণিপুৰ আৰু ত্রিপুৰাৰ জন্ম হাৰ ন্যূনতম। সাম্প্রতিক সময়ছোৱাত ইয়াৰ পাছতেই আহে নাগালেণ্ড (১৬.৪), মিজোৰাম (১৭.১) আৰু চিক্কিম (১৭.৮)। বিগত তিনিটা দশকত দেখা যায় যে জন্ম হাৰ কেৱল দুখন ৰাজ্যতহে বেছি। এই ৰাজ্য দুখন হ'ল মেঘালয় আৰু অসম। ইয়ে অঞ্চলটোৰ ধনাত্মক জনসাংখ্যিক অৱয়বটো দাঙি ধৰে। অৱশ্যে মৃত্যু হাৰৰ ক্ষেত্রত অসমৰ প্রদর্শন অতি বেয়া। বিগত চাৰিটা দশক, ১৯৮১ চনৰ পৰা অসমৰ মৃত্যুৰ হাৰ ৰাষ্ট্রীয় গড় মৃত্যু হাড়তকৈ বেছি। কিন্তু এই দিশত মণিপুৰৰ ফলাফল উন্নত পর্যায়ৰ। মণিপুৰৰ মৃত্যু হাৰ কেৱল উত্তৰ-পূবৰ আন ৰাজ্যৰ ভিতৰতে নিম্নতৰ নহয়, ৰাষ্ট্রীয় গড়তকৈও নিম্ন। মুঠতে অসমৰ বাহিৰে উত্তৰ-পূবৰ আন সকলো ৰাজ্যৰ মৃত্যুৰ হাৰ নিম্ন। সেয়েহে অঞ্চলটোৱে ৰাষ্ট্রীয়

জনসংখ্যা নীতিৰ আকাংক্ষিত লক্ষ্যত উপনীত হ'বলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। তালিকা ৪.৫য়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ১৯৮১ চনৰ পৰা জন্ম আৰু মৃত্যু হাৰ প্ৰদৰ্শন কৰিছে—

তালিকা ৪.৫

উত্তৰ-পূৰ্বাঞ্চলৰ জন্ম আৰু মৃত্যু হাৰ—

ৰাজ্য	জন্ম হাৰ				মৃত্যুৰ হাৰ			
	১৯৮১	১৯৯১	২০০১	২০১০	১৯৪১	১৯৯১	২০০১	২০১০
অৰুণাচল প্ৰদেশ	পোৱা নাযায়	৩০.৯	২২.২	২০.৫	পোৱা নাযায়	১৩.৫	৫.৭	৫.৯
অসম	৩৩.০	৩০.৯	২৭.০	২৩.২	১২.৬	১১.৫	৯.৬	৮.২
মণিপুৰ	২৬.৬	২০.১	১৮.৩	১৪.৯	৬.৬	৫.৪	৫.২	৪.২
মেঘালয়	৩২.৬	৩২.৪	২৮.৩	২৪.৫	৮.২	৮.৮	৯.০	৭.৯
মিজোৰাম	পোৱা নাযায়	পোৱা নাযায়	১৫.৭	১৭.১	পোৱা নাযায়	পোৱা নাযায়	৪.৪	৪.৫
নাগালেণ্ড	পোৱা নাযায়	১৮.৫	পোৱা নাযায়	১৬.৮ নাযায়	পোৱা নাযায়	৩.৩	পোৱা নাযায়	৩.৬
চিক্কিম	৩১.০	২২.৫	২১.৬	১৭.৮	৮.৯	৭.৫	৫.১	৫.৬
ত্ৰিপুৰা	২৬.৪	২৪.৪	১৬.১	১৪.৯	৮.০	৭.৬	৫.৬	৫.০
ভাৰত	৩৩.৯	২৯.৫	২৫.৪	২২.১	১২.৫	৯.৮	৮.৪	৭.২

উৎস ঃ ভাৰতবৰ্ষৰ পৰিয়াল কল্যাণ পৰিসংখ্যা ২০১২ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়, ভাৰত চৰকাৰ।

৪.১১ সাক্ষৰতাৰ হাৰ

যিকোনো অঞ্চল একোটাৰ সামাজিক-অৰ্থনৈতিক উন্নতি শিক্ষাগত সাফল্যৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰে। অন্যান্য শিক্ষাগত সূচকসমূহৰ ভিতৰত সাক্ষৰতা হাৰক এটা অতি গুৰুত্বপূৰ্ণ দিশ হিচাপে বিবেচনা কৰা হয়। শিক্ষাই সমাজৰ উৎকৰ্ষ সাধনত বহু পৰিমাণে অৰিহণা যোগায়। ভাৰতৰ আন আন অংশৰ তুলনাত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সাক্ষৰতাৰ হাৰ বহু উন্নত। ২০০১ আৰু ২০১১, উভয় দশকতে অঞ্চলটোৰ সাক্ষৰতা হাৰ ৰাষ্ট্ৰীয় গড় সাক্ষৰতা হাৰতকৈ ওপৰত। উত্তৰ-পূব ভাৰতৰ আঠ ৰাজ্যৰ ভিতৰত ২০০১ চনত মিজোৰামৰ সাক্ষৰতা হাৰ আছিল ৮৮.৮০ শতকৰা হাৰেৰে সৰ্বাধিক। আনহাতে অৰুণাচল প্ৰদেশৰ সাক্ষৰতা হাৰ আছিল ৫৪.৩৪ শতাংশ যিটো সকলো ৰাজ্যৰ ভিতৰতে সৰ্বনিম্ন। অৰুণাচল প্ৰদেশৰ উপৰি অসম আৰু মেঘালয়ৰ সাক্ষৰতা হাৰো ৰাষ্ট্ৰীয় গড় সাক্ষৰতা হাৰ ৬৪.৮৩ শতাংশতকৈ কম। এটা দশকৰ পাছত ২০১১ চনৰ চৰকাৰী লোকপিয়নে পুনৰ উন্মোচিত কৰিলে যে দুখন ৰাজ্যৰ সাক্ষৰতা হাৰ, অৰুণাচল প্ৰদেশ আৰু অসমৰ, ৰাষ্ট্ৰীয় সাক্ষৰতা হাৰৰ

পৰিমাণ ৭৪ শতাংশতকৈ কম। কিন্তু ক্রমাগতভাৱে মিজোৰামে ৯১.৫৮ শতকৰা হাৰেৰে সাক্ষৰতাৰ ক্ষেত্রত সকলোতকৈ আগবাঢ়ি আছিল। ইয়াৰ পাছতেই আছিল যথাক্রমে ত্রিপুৰা (৮৭.৭৫ শতাংশ), চিক্কিম (৮২.২০ শতাংশ), নাগালেণ্ড (৮০.১১ শতাংশ), মণিপুৰ (৭৯.৮৫ শতাংশ) আৰু মেঘালয় (৭৫.৪৮ শতাংশ)ষ। অন্য কথাত ক'বলৈ গ'লে সাক্ষৰতাৰ ক্ষেত্রত উত্তৰ-পূবৰ অধিক সংখ্যক ৰাজ্যকেইখনৰ ফলাফল ভাল। পুংখানুপুংখ প্রসংগৰ বাবে তালিকা ৪.৬ চাওক।

তালিকা ঃ ৪.৬ উত্তৰ-পূব ভাৰতৰ বিভিন্ন ৰাজ্যৰ সাক্ষৰতাৰ হাৰ

ৰাজ্য	২০০১			২০১১		
	ব্যক্তি	পুৰুষ	মহিলা	ব্যক্তি	পুৰুষ	মহিলা
অৰুণাচল প্রদেশ	৫৪.৩৪	৬৩.৮৩	৪৩.৫৩	৬৬.৯৫	৭৩.৬৯	৫৯.৫৭
অসম	৬৩.২৫	৭১.২৮	৫৪.৬১	৭৩.১৮	৭৮.৮১	৬৭.২৭
মণিপুৰ	৬৯.৯৩	৭৯.৫৪	৬০.১০	৭৯.৮৫	৮৬.৪৯	৭৩.১৭
মেঘালয়	৬২.৫৬	৬৫.৪৩	৫৯.৬১	৭৫.৪৮	৭৭.১৭	৭৩.১৭
মিজোৰাম	৮৮.৮০	৯০.৭২	৮৬.৭৫	৯১.৫৮	৯৩.৭২	৮৯.৪০
নাগালেণ্ড	৬৬.৫৯	৭১.১৬	৬১.৪৬	৮০.১১	৮৩.২৯	৭৬.৬৭
চিক্কিম	৬৮.৮১	৬০.৪০	১৫.৬৪	৮২.২০	৮৭.২৯	৭৬.৪৩
ত্রিপুৰা	৭৩.১৯	৮১.০২	৬৪.৯১	৮৭.৭৫	৯২.১৮	৮৫.১৫
উত্তৰ-পূবৰ (সর্বমুঠ)	৭০.৭৩	—	—	৭৫.৬০	—	—
ভাৰত	৬৪.৮৩	৭৫.২৬	৫৩.৬৭	৭৪.০৪	৮২.১৪	৮২.১৪

উৎস ঃ ভাৰতৰ লোকপিয়ল ২০০১ আৰু ২০১১।



৪.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উত্তৰ-পূর্বৰ ৰাজ্যকেইখনক ভাৰতৰ অন্যান্য অংশৰ লগত সংযোগ কৰা পশ্চিমবংগৰ শিলিগুৰি ঠেক দীঘলীয়া ভূ-ভাগক 'চিকেন নেক' বুলি জনা যায়।
- উত্তৰ-পূর্বৰ মুঠ মাটিকালি ২৬২,২৩০ বর্গ কিলোমিটাৰ, ভাৰতৰ মুঠ ভূমি ভাগৰ প্রায় ৮ শতাংশ।
- ২০১১ চনৰ লোকপিয়ল মতে এই অঞ্চলৰ মুঠ জনসংখ্যা ৪৫,৭৭২,১৮৮ জন।
- কিছুমান একক উপাদানে অঞ্চলটোৰ জনসাংখ্যিক অবয়ৱক সুকীয়া ৰূপ দিছে।

- বিভিন্ন নৰপ্ৰস্তৰ সা-সঁজুলিৰ লগত ভাষিক সাক্ষ্যই প্ৰমাণ কৰে যে বুৰঞ্জীৰ বিভিন্ন যুগত এই অঞ্চললৈ অষ্ট্ৰ'লয়ড, মংগোলয়ড, নেগ্ৰিট' (দ্ৰাবিড়) আৰু ইন্দো-এৰিয়ান বা আৰ্যসকলৰ প্ৰব্ৰজন ঘটিছিল।
- এই অঞ্চলৰ মানুহক ভাষাৰ আধাৰতো চিনাক্ত বা দল গোষ্ঠীভুক্ত কৰিব পাৰি। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৃথিৰীৰ বিভিন্ন ঠাইৰ পৰা বিভিন্ন তৰংগত হোৱা প্ৰব্ৰজনৰ অভিজ্ঞতা আছে।
- সামাজিক গোট অনুসৰি এই অঞ্চলত বিভিন্ন ভাষা গোষ্ঠীৰ লোক পোৱা যায়। এনে কিছুমান প্ৰধান ভাষিক গোষ্ঠী হৈছে— চীনো তিবেতান বা চীন তিব্বতীয়/তিব্বত-বৰ্মীয়/টাই-কদাই, অষ্ট্ৰ'-এছীয়া আৰু ইন্দো-এৰিয়ান বা আৰ্য।
- উত্তৰ-পূৰ্বাঞ্চলত খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকৰ সংখ্যা অধিক।
- ভাৰতৰ আন অংশৰ তুলনাত এই অঞ্চলটোৰ জনসংখ্যাৰ ঘনত্ব কম।
- ভাৰতৰ আন অংশৰ তুলনাত অঞ্চলটোৰ নগৰীকৰণ বৃদ্ধিৰ হাৰ কম।
- অঞ্চলটোৰ লিংগ অনুপাত ভাৰসাম্যযুক্ত।
- অঞ্চলটোৰ সাক্ষৰতা হাৰ উৎসাহজনক পোৱা যায়।



৪.১৩ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. George Abraham Grierson. (reprint 2005). *Linguistic Survery of India : Tibeto-Burman Family.* Vol. 3. Low Price Publication : New Delhi.
2. Srivastava S.C. "*Demographic profileof North east India"* Mittal Publication.
3. Nath, A.N. : "*Demographic Changes Among the Scheduled Tribes".* 1982. B.R. Publishing, Delhi.



৪.১৪ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সঁচা

(খ) মেইটেইলন বা মেইটেই



৪.১৫ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উত্তৰ পূব অঞ্চলৰ সাক্ষৰতাৰ হাৰৰ বিষয়ে এটি চমু টোকা লিখক

প্ৰশ্ন ২ ঃ জনসংখ্যা বিজ্ঞান বা জনসংখ্যা তত্ত্ব মানে কি?

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ৩ ঃ নগা জনজাতি চাৰিটাৰ নাম লিখক।

প্ৰশ্ন ৪ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ জনসাংখ্যিক গাঁথনি আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ প্ৰধান জনজাতিসমূহৰ মাজত সামাজিক প্ৰতিষ্ঠানসমূহ

অধ্যায় গাঁথনি

5.1 উদ্দেশ্য
5.2 পৰিচয়
5.3 সামাজিক প্ৰতিষ্ঠানৰ অৰ্থ
5.4 কিছুমান মৌলিক ধাৰণাৰ সংজ্ঞা - পৰিয়াল, স্বজনতা আৰু বিবাহ
5.5 সামাজিক প্ৰতিষ্ঠান হিচাপে ধৰ্ম, অৰ্থ আৰু ৰাজনীতি
5.6 জনজাতীয় সম্প্ৰদায়সমূহৰ মাজত সামাজিক প্ৰতিষ্ঠানসমূহৰ প্ৰভাৱ
5.7 জনজাতীয় সম্প্ৰদায়সমূহৰ পৰিয়াল, বিবাহ আৰু আত্মীয় সম্পৰ্ক ব্যৱস্থা
5.8 জনজাতীয় সম্প্ৰদায়সমূহৰ ধৰ্ম, অৰ্থ আৰু সমাজ ব্যৱস্থা
5.9 সামৰণি
5.10 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
5.11 অধিক জানিবলৈ
5.12 অগ্ৰগতি খতিয়ান
5.13 আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক প্ৰতিষ্ঠান কি বুজিবলৈ সমৰ্থ হ'ব
- কি কি প্ৰকাৰৰ সামাজিক প্ৰতিষ্ঠান আছে তাৰ আলোচনা কৰিব পাৰিব
- জনজাতীয় সামাজিক প্ৰতিষ্ঠানৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- বিভিন্ন প্ৰকাৰৰ জনজাতীয় সামাজিক প্ৰতিষ্ঠানৰ বিষয়ে জানিবলৈ সমৰ্থ হ'ব।

৫.২ পৰিচয়

প্ৰতিষ্ঠা এটা সাধাৰণতে প্ৰতিষ্ঠিত নিয়ম অনুসৰি নাইবা কম পক্ষেও আইন বা প্ৰথাগতভাৱে স্বীকৃত নিয়ম অনুসৰি কাম কৰে। সেই নিয়মসমূহ বিবেচনা নকৰাকৈ প্ৰতিষ্ঠানসমূহৰ নিয়মিত আৰু নীৰৱচ্ছিন্ন কাৰ্য-কলাপ বুজিব পৰা নাযায়। প্ৰতিষ্ঠানসমূহে ব্যক্তিবিশেষৰ ওপৰত বাধা আৰোপ কৰে আৰু তেওঁলোকক বিভিন্ন সা-সুবিধাও প্ৰদান কৰে। এটা প্ৰতিষ্ঠান ইয়াৰ মাজতে সীমাবদ্ধ বুলিও মত প্ৰকাশ কৰিব পাৰি। প্ৰকৃততে মানুহে বিবাহ, পৰিয়াল, আত্মীয় সম্পৰ্ক, ধৰ্ম, অৰ্থ আৰু চৰকাৰ আৰু ৰাষ্ট্ৰ নাইবা শিক্ষাক নিজৰ মাজতে

সীমাবদ্ধ বুলি মত প্ৰকাশ কৰে। এই অধ্যায়টিত আমি উত্তৰ-পূব ভাৰতৰ জনজাতিসমূহৰ মাজত প্ৰচলিত কিছুমান সামাজিক প্ৰতিষ্ঠানৰ বিষয়ে আলোচনা কৰিম।

৫.৩ সামাজিক প্ৰতিষ্ঠানৰ অৰ্থ

সাধাৰণ ভাষা নাইবা সাহিত্যত পাব পৰাকৈ "সামাজিক প্ৰতিষ্ঠান" (social institution) পৰিভাষাটোৰ কোনো স্পষ্ট সূত্ৰ নাই। সামাজিক প্ৰতিষ্ঠানৰ বিভিন্ন প্ৰকাৰৰ ধাৰণা, অৰ্থ আছে। তথাপিও, সাম্প্ৰতিক সমাজবিজ্ঞানীসকলে "সামাজিক প্ৰতিষ্ঠান" পৰিভাষাটো জটিল সামাজিক আকাৰসমূহ বুজাবলৈ ব্যৱহাৰ কৰে যিবিলাকে সময়ে সময়ে চৰকাৰ, পৰিয়াল, মানৱ ভাষা, বিশ্ববিদ্যালয়, চিকিৎসালয়, ব্যৱসায়িক আৰু আইনী ব্যৱস্থাসমূহ পুনৰাবৃত্তি কৰে। জনাথান টাৰ্নাৰে (Jonathan Turner) সামাজিক প্ৰতিষ্ঠানক বৰ্ণনা কৰে- "এটা নিৰ্দিষ্ট পৰিবেশত জীৱন-নিৰ্বাহৰ সংস্থানসমূহৰ উৎপাদন, বংশবৃদ্ধি আৰু প্ৰয়োগসাধ্য সামাজিক গঠন চলাই যোৱাত হোৱা মৌলিক সমস্যাসমূহৰ সম্পৰ্কে এক বিশেষ প্ৰকাৰৰ সামাজিক গঠন আৰু মানৱীয় কাৰ্যৰ তুলনামূলকভাৱে স্থিৰ পদ্ধতিসমূহত স্থাপিত পদ, ভূমিকা, নিয়ম আৰু মূল্যৰ জোট।" ইয়াৰ উপৰি, এণ্টনি গিডেঞ্চে উল্লেখ কৰে যে "সূত্ৰৰ দ্বাৰা প্ৰতিষ্ঠানসমূহ হৈছে সামাজিক জীৱনৰ স্থায়ী বৈশিষ্ট্য।"

প্ৰকাৰ্যবাদৰ মতে সামাজিক প্ৰতিষ্ঠানসমূহক সামাজিক নিয়ম, বিশ্বাস, মূল্য আৰু সম্পৰ্কীয় ভূমিকাৰ এটা জটিল গোট যিটো সমাজৰ প্ৰয়োজনৰ তাগিদাত উদয় হয়। সমাজ এখনত ব্যক্তি এজনৰ সামাজিক প্ৰয়োজনসমূহ সামাজিক প্ৰতিষ্ঠানে পূৰণ কৰে। সেই অনুসৰি (ফলস্বৰূপে) আনুষ্ঠানিক আৰু ঔপচাৰিক দুই ধৰণৰ সামাজিক প্ৰতিষ্ঠান আমি সমাজত দেখিবলৈ পাওঁ। পৰিয়াল আৰু ধৰ্মৰ নিচিনা প্ৰতিষ্ঠানসমূহ হৈছে অনানুষ্ঠনিক সামাজিক প্ৰতিষ্ঠানৰ উদাহৰণ আৰু আইন আৰু শিক্ষা হৈছে আনুষ্ঠানিক সামাজিক প্ৰতিষ্ঠান।

গঠন, কাৰ্য আৰু সংস্কৃতি নামৰ তিনিটা দিশ থাকে কাৰণে সামাজিক প্ৰতিষ্ঠানক বুজিবলৈ সহজ। এটা অনুষ্ঠানৰ এই গঠন, কাৰ্য আৰু সংস্কৃতিয়ে যদিও এটা কাৰ্যপ্ৰণালী প্ৰদান কৰে যাৰ সহায়ত ব্যক্তি এজনে কাম কৰে, সেইবোৰে সম্পূৰ্ণৰূপে ব্যক্তিজনৰ কাৰ্যক নিৰ্ধাৰণ কৰি নিদিয়ে।



অগ্ৰগতি নিৰীক্ষণ

[1] প্ৰতিষ্ঠানসমূহে ব্যক্তিবিশেষৰ ওপৰত ..... আৰু তেওঁলোকক ..... প্ৰদান কৰে।

[2] জনাথান টাৰ্নাৰে (Jonathan Turner) কেনে ধৰণে সামাজিক প্ৰতিষ্ঠানক বৰ্ণনা কৰে?

[3] এনস্থনি গিডেঞ্চে উল্লেখ কৰে যে সূত্ৰৰ দ্বাৰা প্ৰতিষ্ঠানসমূহ হৈছে সামাজিক জীৱনৰ ....।

[4] কার্যকাৰিতাবাদীসকলৰ মতে সামাজিক প্ৰতিষ্ঠানৰ অর্থ কি?


[5] তিনিটা দিশসমূহ কি কি যাৰ দ্বাৰা সামাজিক প্ৰতিষ্ঠান গঠিত?

৫.৪ কিছুমান মৌলিক ধাৰণাৰ সংজ্ঞা - পৰিয়াল, স্বজনতা আৰু বিবাহ

- **পৰিয়ালঃ**

পৰিয়ালক আটাইতকৈ "সহজাত" সামাজিক সত্তা বুলি অভিহিত কৰিব পাৰি। পৰিয়ালৰ বাহিৰে আন কোনো সামাজিক প্ৰতিষ্ঠান বেছি সার্বজনীন আৰু অপৰিবর্তনীয় হোৱা বুলি প্ৰতীয়মান নহয়। বহুতো দশক ধৰি, সমাজতন্ত্ৰ আৰু সমাজ নৃতত্ত্বশাস্ত্ৰ বিভিন্ন সংস্কৃতিৰ অধ্যয়ন সম্পন্ন কৰিছে যিয়ে প্ৰমাণ কৰে যে পৰিয়াল, বিবাহ আৰু স্বজনতা সকলো সমাজৰ কাৰণে গুৰুত্বপূর্ণ; যদিওবা ইবোৰ বিভিন্ন সমাজত চাৰিত্ৰিক ফালৰ পৰা পৃথক হয়। সেই অধ্যয়নে এইটোও আঙুলিয়াই যে পৰিয়াল (ব্যক্তিগত পৰিধি) অর্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু শৈক্ষিক (সামাজিক) পৰিধিৰ লগত সংযোগ হৈ আছে। কার্যপ্ৰবাদীসকলৰ মতে পৰিয়ালে গুৰুত্বপূর্ণ কামসমূহ সম্পাদন কৰে আৰু সমাজৰ মৌলিক প্ৰয়োজনসমূহ আগবঢ়ায় আৰু সমাজিক শৃঙ্খলা ধৰি ৰখাত সহায় কৰে।

একত্ৰ পৰিয়ালৰ পৰা যৌথ পৰিয়াললৈ পৰিবর্তনৰ বিষয়ে ভাৰতত এক কেন্দ্ৰীয় তর্ক আছে। একত্ৰ পৰিয়াল ভাৰতত সদায় দেখা যায় বিশেষকৈ বঞ্চিত জাতি আৰু শ্ৰেণীৰ মানুহৰ মাজত। সমাজতত্ত্ববিদ এ.এম. শ্বাহে মন্তব্য কৰে যে স্বাধীনোত্তৰ কালছোৱাত যৌথ পৰিয়ালৰ সংখ্যা লাহে লাহে বৃদ্ধি পাইছে। তেওঁৰ মতে ইয়াত বৰঙণি যোগোৱা কাৰকটো হৈছে যে ভাৰতত মানুহৰ আয়ুস বাঢ়িছে। যি কি নহওঁক, অধ্যয়নত এইটো কথাও পোহৰলৈ আহিছে যে বিভিন্ন সমাজত বেলেগ বেলেগ আকাৰৰ পৰিয়াল পোৱা যায়। বাস কৰা নিয়ম অনুসৰি কিছুমান সমাজ তেওঁলোকৰ বিবাহ আৰু পৰিয়ালৰ প্ৰথা হিচাপে মাতৃপ্ৰধান আৰু কিছুমান সমাজ পিতৃপ্ৰধান। মাতৃপ্ৰধান সমাজৰ ক্ষেত্ৰত, নতুনকৈ বিয়া হোৱা দম্পত্তি মহিলাগৰাকীৰ পিতৃ-মাতৃৰ লগত থাকে আৰু পিতৃপ্ৰধান সমাজত দম্পত্তিযোৱা মানুহজনৰ পৰিয়ালৰ লগত থাকে। পিতৃপ্ৰধান সমাজত মানুহজনে কর্তৃত্ব আৰু প্ৰাধান্য দেখুৱাই আৰু মাতৃপ্ৰধান সমাজত মহিলাগৰাকীয়ে পৰিয়ালত সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত প্ৰধান ভূমিকা লয়। মাতৃবংশীয় সমাজ দেখিবলৈ পোৱা যায় কিন্তু একেটা কথা মাতৃপ্ৰধান সমাজৰ বিষয়ে দাবী কৰিব নোৱাৰি। যদিওবা পৰিয়ালসমূহ অইন পৰিধিৰ পৰা যেনেকৈ অর্থনৈতিক আৰু ৰাজনৈতিক; স্বতন্ত্ৰ আৰু পৃথক বুলি বিবেচনা কৰা হয়। যি কি নহওঁক, সূক্ষ্মভাৱে বিচাৰ কৰি চালে প্ৰমাণ কৰিব যে পৰিয়ালৰ গঠন আৰু নিয়মসমূহ সমাজৰ আন আন কথাবোৰৰ লগত সাঙোৰ খাই আছে।



অগ্ৰগতি নিৰীক্ষণ

(6) পৰিয়ালক আটাইতকৈ ..... সামাজিক সত্তা বুলি অভিহিত কৰিব পাৰি।

(7) ..... সকলৰ মতে পৰিয়ালে কি কৰে?

(8) এ.এম. শ্বাহৰ মতে স্বাধীনোত্তৰ কালছোৱাত যৌথ পৰিয়ালৰ সংখ্যা বৃদ্ধি হোৱাৰ কাৰণ কি?

(9) পিতৃপ্ৰধান আৰু মাতৃপ্ৰধান পৰিয়ালৰ সংজ্ঞা দিয়ক।


- **বিবাহৰ প্ৰতিষ্ঠান ঃ**

বিভিন্ন সমাজত বহুল পৰিমাণৰ পৃথক আকাৰৰ বিবাহ থকা দেখা যায় আৰু বিবাহে ভিন্ন কার্য্য সম্পাদন কৰাও দেখা যায়। প্ৰকৃতার্থত বিবাহৰ পদ্ধতিটোয়ে আশ্চর্যজনক পৃথক পৃথক প্ৰথা আৰু ৰীতি-নীতি উদঙাই দেখুৱায়।

বিবাহৰ বিভিন্ন প্ৰকাৰৰ আকাৰ থকা দেখা যায়। এই আকাৰসমূহ সঙ্গীৰ সংখ্যা আৰু নীতি-নিয়ম যেনে—কোনে কাক বিয়া কৰাব পাৰে তাৰ ওপৰত ভিত্তি কৰি নিৰূপণ কৰিব পৰা যায়। সংঙ্গীৰ সংখ্যাৰ ক্ষেত্ৰত কোনে বৈধভাৱে বিবাহপাশত আবদ্ধ হ'ব পাৰে, একবিবাহ আৰু বহুবিবাহ নামৰ দুই প্ৰকাৰৰ বিবাহ আছে। একবিবাহে যিকোনো ব্যক্তি এজনক এসময়ত এজন সংঙ্গীৰ মাজতে সীমাবদ্ধ কৰি ৰাখে; আনহাতে বহুবিবাহ প্ৰথাত এজন ব্যক্তিৰ এজনতকৈ বেছি সঙ্গী থাকিব পাৰে। য'ত বহুবিবাহৰ অনুমতি আছে তাতো, বাস্তৱিক ক্ষেত্ৰত, একবিবাহহে বেছি ব্যাপকভাৱে প্ৰাধান্য পায়। বহুতো সমাজত, ব্যক্তি এজনক তেওঁৰ পতি নাইবা পত্নীৰ মৃত্যুৰ পিছত নাইবা নিজৰপতি নাইবা পত্নীৰ লগত বিচ্ছেদ হোৱাৰ পিছত আকৌ বিবাহপাশত আৱদ্ধ হ'বলৈ অনুমতি দিয়া হয়। এনেকুৱা একগামী বিবাহ পদ্ধতিক ধাৰাবাহিক একবিবাহ বুলি অভিহিত কৰিব পাৰি।

সকলোবিলাক সমাজত বিবাহৰ সঙ্গীক বাছনি কৰাৰ নিয়ম পৃথক পৃথক হয়। কিছুমান সমাজত পছন্দটো পিতৃ-মাতৃয়ে নাইবা সম্পৰ্কীয় মানুহে কৰে। আকৌ কিছুমান সমাজত ল'ৰা-ছোৱালী নিজৰ পছন্দ মতে বিবাহৰ সঙ্গীক বাছি লোৱাৰ কাৰণে স্বাধীন থাকে। কিছুমান সমাজৰ সূক্ষ্ম সীমাবদ্ধতা থাকে। আকৌ কিছুমান সমাজৰ বিবাহৰ সম্পৰ্কে অতি কঠোৰ আৰু বিশদভাৱে বর্ণিত নিয়ম বন্ধা থাকে। যিবিলাক নিয়মৰ দ্বাৰা সঙ্গীৰ উপযুক্ততা-অনুপযুক্ততা বিচাৰ কৰা হয়, তাৰ ওপৰত ভিত্তি কৰি বিবাহৰ আকাৰক অন্তর্বিবাহ আৰু অসবর্ণ বিবাহ বুলি শ্ৰেণীবিভাজন কৰা হয়। অন্তর্বিবাহত ব্যক্তি এজনে এটা নির্দিষ্ট সাংস্কৃতিক গোট যাৰ তেওঁ এজন সদস্য তাৰ ভিতৰত বিবাহ কৰিব লাগে। উদাহৰণস্বৰূপে, নিজা জাতিৰ মাজত। অসবর্ণ বিবাহত ব্যক্তি এজনে তেওঁলোকৰ নিজা গোটৰ বাহিৰত বিয়া কৰিব লাগে। অন্তর্বিবাহ আৰু

অসবর্ণ বিবাহ কিছুমান বিশেষ সম্পর্কীয় গোটৰ প্রসঙ্গত যেনে- বংশ, জাতি, পৌত্তলিক নাইবা ধর্মীয় গোট। উত্তৰ ভাৰতৰ কিছু বিশেষ অংশৰ কিছুমান গাওঁত অসবর্ণ বিবাহ পালন কৰা হয়। গাওঁৰ বাহিৰত বিবাহৰ পদ্ধতিটো প্রধানত পালন কৰা হয় ছোৱালীক গাওঁৰ বাহিৰত বিয়া দিবৰ কাৰণে এনেকুৱা গাওঁ বাছি লোৱা হয় যি তেওঁৰ গাওঁৰ পৰা বহু দূৰত। এইটো বিশ্বাস কৰা হয় যে এনেকুৱা ধৰণৰ পদ্ধতিয়ে কইনাগৰাকীৰ কাৰণে নিজৰ ঘৰৰ পৰা অনায়াসে শহুৰৰ ঘৰলৈ স্থানান্তৰ কৰিব পাৰিব আৰু তেওঁ নিজৰ নতুন ঘৰত নিজৰ কোনো সম্পর্কীয় মানুহৰ বাধা নোহোৱাকৈ খাপ খাই ল'ব পাৰিব।



অগ্রগতি নিৰীক্ষণ

[10] প্রকৃতার্থত বিবাহৰ পদ্ধতিটোয়ে আশ্চর্যজনক পৃথক পৃথক ..... আৰু .....


[11] একবিবাহ আৰু বহুবিবাহ বর্ণনা কৰক।

[12] ধাৰাবাহিক একগামি বিবাহ কি?

[13] অন্তর্বিবাহ আৰু অসবর্ণ বিবাহ কিছুমান বিশেষ ..... প্রসঙ্গত যেনে- ....., জাতি নাইবা জাতিগত, ... নাইবা ধর্মীয় গোট।

স্বজনতা ঃ

পৰিয়াল হৈছে আত্মিক সম্পর্কৰ যোগসূত্রেৰে বান্ধ খাই থকা কিছুমান মানুহৰ সমষ্টি। স্বজনতা হৈছে মানুহৰ মাজত গঢ় লৈ উঠা সম্বন্ধ নাইবা সম্পর্ক যিটো বিবাহ নাইবা বংশসূত্রে স্থাপিত হয়। বিবাহৰ প্রতিষ্ঠানটো হৈছে সামাজিকভাৱে স্বীকৃত প্রতিষ্ঠান আৰু মানুহৰ মাজত যেতিয়া বিবাহৰ সম্পর্ক স্থাপন হয় তেতিয়া দুয়োখন ঘৰৰ পৰিয়ালৰ মানুহবিলাক ইজনে সিজনৰ সম্পর্কীয় হৈ পৰে। বিবাহৰ বন্ধনে এক বিশাল পৰিধিৰ মানুহকো একগোট কৰে। বিবাহৰ বন্ধনৰ মাজেৰে মাক-দেউতাক, ভাই-ভনী আৰু আন সম্পর্কীয় মানুহবোৰ নিজৰ সঙ্গীৰ সম্পর্কীয় মানুহ হৈ পৰে। জন্মসূত্রে যিটো পৰিয়াল হয় তাক **আধাৰ পৰিয়াল** আৰু যি পৰিয়ালত এজন ব্যক্তিৰ বিয়া হয় তাক **'কন্‌চেংগুইলে কিন'** বুলি কোৱা হয়। ৰক্তৰ সূত্রে সম্পর্ক স্থাপন হোৱা সম্পর্কীয় মানুহবিলাকক গোত্রৰ সম্পর্কীয় বুলি কোৱা হয় আৰু বিবাহৰ সূত্রে সম্বন্ধ স্থাপন হোৱা সম্পর্কীয় মানুহবিলাকক এফিনছ বুলি কোৱা হয়। আমি এই অধ্যায়ৰ পিছৰ ভাগলৈ আগবাঢ়ি যোৱাৰ লগে লগে আপুনি লক্ষ্য কৰিব যে কেনেকৈ পৰিয়াল আৰু আর্থিক জীৱন একেবাৰে নিগূঢ়ভাৱে এটাই আনটোৰ লগত সাঙোৰ খাই আছে।



অগ্ৰগতি খতিয়ান

[14] পৰিয়াল হৈছে .....বান্ধ খাই থকা কিছুমান মানুহৰ সমষ্টি।

[15] আত্মীয় সম্পৰ্কৰ যোগসূত্ৰ বৰ্ণনা কৰক।

[16] জন্মসূত্ৰে যিটো পৰিয়াল হয় তাক ..... আৰু যি পৰিয়ালত এজন ব্যক্তিৰ বিয়া হয় তাক ..... বুলি কোৱা হয়।

[17] তেজ আৰু বিবাহৰ সূত্ৰে সম্পৰ্কীয় মানুহবিলাকক কি বুলি অভিহিত কৰা হয়?

৫.৫ সামাজিক প্ৰতিষ্ঠান হিচাপে ধৰ্ম, অৰ্থ আৰু ৰাজনীতি

ধৰ্ম ঃ

যুগ যুগ ধৰি ধৰ্মৰ সামাজিক প্ৰতিষ্ঠানটো অধ্যয়ন আৰু চিন্তাৰ বিষয় হৈ আহিছে। এটা পৰ্যায়ৰ প্ৰভাৱ গঠন কৰাৰ সৈতে ধৰ্মৰ নিয়ম কানুনবিলাকে সামাজিক বুজা-পৰা নিৰ্ধাৰণ কৰে। সমাজতত্ত্ববিদসকলে কৰা প্ৰায়োগিক অধ্যয়নৰ দ্বাৰা বিচাৰ কৰে যে কেনেকৈ প্ৰকৃতাৰ্থত ধৰ্মই সমাজত কাম কৰে আৰু আন সামাজিক প্ৰতিষ্ঠানসমূহৰ লগত ইয়াৰ সম্পৰ্ক কি জানিবৰ বাবে এটা তুলনামূলক পদ্ধতি ব্যৱহাৰো কৰে। ইয়াৰ উপৰি ই ধৰ্মীয় বিশ্বাস, অনুশীলন আৰু প্ৰতিষ্ঠানসমূহৰ সমাজ আৰু সংস্কৃতিৰ আন আন বিষয়ৰ লগত সংগতিৰ পৰীক্ষা কৰে। প্ৰায়োগিক পদ্ধতিয়ে বুজায় যে সমাজতত্ত্ববিদসকলে ধৰ্মীয় ঘটনাসমূহৰ বিচাৰমূলক স্থিতি নলয়। তুলনামূলক পদ্ধতি বৰ গুৰুত্বপূৰ্ণ কাৰণ ই সকলো সমাজক এখনক আনখনৰ সৈতে সমপৰ্যায়লৈ লৈ কোনো ধৰণৰ পক্ষপাত নোহোৱাকৈ অধ্যয়ন কৰাত সহায় কৰে। সমাজতাত্ত্বিক দিশে বুজাই যে ধৰ্মীয় জীৱনক ঘৰুৱা জীৱন, আৰ্থিক জীৱন আৰু ৰাজনৈতিক জীৱনৰ লগত জড়িত কৰিহে বোধগম্য কৰিব পৰা যাব পাৰে।

ধৰ্ম সকলোবোৰ সমাজত অৱস্থান কৰি আছে; তথাপি ধৰ্মীয় বিশ্বাস আৰু অনুশীলন সংস্কৃতি অনুসৰি ভিন্ন। সকলোবোৰ ধৰ্মৰে কিছুমান বিশেষ বৈশিষ্ট্য আছে যেনে প্ৰতীক, ধৰ্মীয় ক্ৰিয়া-কলাপ নাইবা উৎসৱ-পাৰ্বন ইত্যাদি। ধৰ্মৰ লগত জড়িত ক্ৰিয়া-কলাপ ভিন্ন হয়। কিন্তু সকলো ধৰ্মই ধৰ্ম বিশ্বাসী মানুহে সমজুৱাকৈ পালন কৰা উৎসৱ-পাৰ্বন অন্তৰ্ভুক্ত কৰে। নিয়মিত উৎসৱ-পাৰ্বন সাধাৰণতে বিশেষ ঠাইত পালন কৰা হয়, যেনে, গীৰ্জা, মছজিদ, মন্দিৰ, গুৰুদ্বাৰ আদি।


সমাজতাত্ত্বিক দিশৰ পৰা যেতিয়া ধৰ্মক অধ্যয়ন কৰা হয়, ধৰ্মৰ আন সামাজিক প্ৰতিষ্ঠানসমূহৰ সৈতে থকা সম্পৰ্কৰ বিষয়েও চিন্তা কৰিব পাৰি। ৰাজনীতি আৰু ক্ষমতাৰ সৈতে ধৰ্মৰ এটা অতি নিকট সম্পৰ্ক আছে। উদাহৰণস্বৰূপে, আগতে সামাজিক পৰিবৰ্তনৰ

কাৰণে ধৰ্মীয় আন্দোলন গঢ়ি উঠিছিল যেনে, বিভিন্ন জাতিভেদ প্ৰথা বিৰোধী আন্দোলন নাইবা লিংগ বৈষম্য বিৰোধী আন্দোলন। ব্যক্তিগত বিশ্বাসৰ বিষয় হোৱাৰ সৈতে, ধৰ্মই ব্যক্তি এজনৰ ৰাজহুৱা চৰিত্ৰৰ এটা গুৰুত্বপূৰ্ণ অংশ গঠনো কৰে। ধৰ্মৰ এই চৰিত্ৰই সমাজৰ আন প্ৰতিষ্ঠানসমূহৰ ওপৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

- **ৰাজহুৱা মুখী অৰ্থনৈতিক ব্যৱস্থা আৰু ৰাষ্ট্ৰ**

ৰাজনীতি এক গুৰুত্বপূৰ্ণ সামাজিক প্ৰতিষ্ঠান হিচাপে কাম কৰে। ৰাজনৈতিক প্ৰতিষ্ঠানসমূহে সমাজত ক্ষমতাৰ বিতৰণৰ সৈতে জড়িত। যেতিয়া ৰাজনৈতিক প্ৰতিষ্ঠানসমূহৰ বিশ্লেষণ কৰা হয় তেতিয়া ক্ষমতা আৰু কৰ্তৃত্ব সবাতোকৈ গুৰুত্বপূৰ্ণ দিশ। ক্ষমতা হৈছে সেইটো যেতিয়া কোনোবাই কিবা এটা কাৰ্য আনে বিৰোধ কৰা সত্বেও সম্পাদন কৰিব পাৰে। ক্ষমতা নিসঙ্গভাৱে ব্যৱহাৰ কৰিব পৰা নাযায়, ইয়াক আনৰ লগত সম্বন্ধ ৰাখিহে ব্যৱহাৰ কৰিব পৰা যায়। বেছিভাগ ক্ষেত্ৰতে ক্ষমতাৰ ব্যৱহাৰ কৰ্তৃত্বৰ মাজেৰেহে কৰা হয়। কৰ্তৃত্ব হৈছে ক্ষমতাৰ স্থাপিত(প্ৰতিষ্ঠানিক) আৰু বৈধ আকাৰ।

সামাজিক প্ৰতিষ্ঠান হিচাপে অৰ্থব্যৱস্থাই উৎপাদন, খৰচ আৰু বিতৰণৰ গোটেই প্ৰক্ৰিয়াটোকে চোৱা-চিতা কৰে। এখন সমাজৰ নাইবা সংস্কৃতিৰ ভিতৰৰ সুপ্ৰতিষ্ঠিত গঠন নাইবা ব্যৱস্থা বুলি অৰ্থনৈতিক প্ৰতিষ্ঠানসমূহক অভিহিত কৰিব পাৰি। উদাহৰণস্বৰূপে, সম্পত্তিৰ অধিকাৰৰ কাৰণে বিশেষ পদ্ধতি, প্ৰথাগত উপহাৰ দিয়া ইত্যাদি। এটা সম্প্ৰদায়ৰ জীৱনধাৰণৰ প্ৰয়োজনসমূহ যোগান ধৰে বুলি অৰ্থনৈতিক প্ৰতিষ্ঠানসমূহে। এইদৰে, পৃথক পৃথক সমাজৰ ভিন্ন আকাৰৰ (গঠনৰ) অৰ্থনৈতিক প্ৰতিষ্ঠান আছে যিয়ে বস্তু আৰু সেৱাৰ উৎপাদন প্ৰক্ৰিয়া হিচাপে কাম কৰে আৰু ইয়াৰ চোৱা-চিতা কৰে। প্ৰতিষ্ঠান হিচাপে অৰ্থনৈতিক ব্যৱস্থাৰ সদায় পৰিবৰ্তন হৈ থাকে।



অগ্ৰগতি নিৰীক্ষণ

[18] সকলোবোৰ ধৰ্মৰে কিছুমান বিশেষ বৈশিষ্ট্য আছে যেনে .....; ধৰ্মীয় বিশ্বাসৰ এটা ..... ইত্যাদি।

[19] ..... আৰু ..... সৈতে ধৰ্মৰ এটা অতি নিকট সম্পৰ্ক আছে।

[20] ৰাজনৈতিক প্ৰতিষ্ঠানসমূহে সমাজত ..... বিতৰণৰ সৈতে জড়িত।

[21] যেতিয়া ৰাজনৈতিক প্ৰতিষ্ঠানসমূহৰ বিশ্লেষণ কৰা হয় তেতিয়া কোন দুটা বিষয় মনত ৰাখিব লাগে?

[22] অৰ্থনৈতিক প্ৰতিষ্ঠানৰ বৰ্ণনা কৰক।

[23] এটা সম্প্ৰদায়ৰ ..... যোগান ধৰে অৰ্থনৈতিক প্ৰতিষ্ঠানসমূহে।

৫.৬ জনজাতীয় সম্প্ৰদায়সমূহৰ মাজত সামাজিক প্ৰতিষ্ঠানসমূহৰ প্ৰভাৱ

2001 চনৰ লোকপিয়ল মতে ভাৰতৰ মুঠ জনসংখ্যাৰ 8.2i হৈছে জনজাতীয় মানুহ। তাৰ মানে 85 নিযুত। ভাৰতত জনজাতীয় লোকসকলক তেওঁলোকৰ স্থায়ী আৰু আৰ্জি লোৱা চৰিত্ৰ (বৈশিষ্ট্য) হিচাপে শ্ৰেণীবিভাজন কৰা হৈছে। ইয়াৰ উপৰি, আকাৰৰ ফালৰ পৰা, জনজাতিসমূহ 7 নিযুতৰ পৰা আৰম্ভ কৰি 100 জনতকৈও কম জনসংখ্যা (আন্দামান আৰু নিকোবৰ দীপপুঞ্জত) ৰ আছে। আটাইতকৈ ডাঙৰ জনজাতিসমূহ হৈছে গোন্দ, ভিল, ছান্থাল, উৰান, মিনা, বড়ো, আৰু মুণ্ডা।


ছাহলিনে জনজাতিক বৰ্ণনা কৰে, "বিভিন্ন অংশ একেলগ হোৱা এটা সংঘ। কেইটামান সমপৰ্য্যায়ৰ, অনিৰ্ধাৰিত বহুপৰিয়ালৰ গোটৰ দ্বাৰা ই গঠিত য'ত প্ৰত্যেকটো পৰিয়াল ইটো আনটোৰ হুবহু নকলঃ জনজাতি এটা হৈছে সমপৰ্য্যায়ৰ সম্পৰ্কীয় মানুহৰ সংযোজিত গোটৰ স্তুপ।" আন্দ্ৰে বেটিলিৰ মতে, জনজাতি এটাৰ সৰ্বোৎকৃষ্ট হ'ব বৰ্ণনা কৰা যাব পাৰে যে বিভিন্ন অংশ সংযোজিত হোৱা এটা পদ্ধতি য'ত এটা বিশেষ প্ৰকাৰৰ বংশৰ পদ্ধতি আৰু বংশীয় গঠনৰ অস্তিত্ব বিৰাজ কৰে, যিটো অধিকভাৱে বয়সীয়ালসকলৰ মাজত সম্পূৰ্ণভাৱে বিকাশ লাভ কৰিছে, যি কি নহওঁক উপ-ছাহাৰা আফ্ৰিকা আৰু বাহিৰৰ ঠাইতো এনেকুৱা জনজাতি দেখা যায়। ইয়াৰ উপৰি, মৰগানে জনজাতীয় সমাজৰ কেৱলমাত্ৰ সামাজিক প্ৰতিষ্ঠান লক্ষ্য কৰিছিল, কোনো ৰাজনৈতিক প্ৰতিষ্ঠান তেওঁ লক্ষ্য কৰা নাছিল। জনজাতীয় সমাজসমূহ (সম্প্ৰদায়সমূহ) আৰু ৰাষ্ট্ৰই সহঅৱস্থান কৰিছে আৰু অতি পুৰণি কালৰে পৰা পৰিপূৰক সম্পৰ্ক বৰ্তাই ৰাখিছে।

সাধাৰণতে, জনজাতীয় সম্প্ৰদায়সমূহ পৰিমাণত সৰু থাকে আৰু তেওঁলোক এটা নৈতিক, ধৰ্মীয়, ন্যায়িক আৰু ৰাজনৈতিক সম্পৰ্কৰ এটা ভৌগোলিক আৰু সময়ৰ সীমাৰ ভিতৰত তেওঁলোক সীমাবদ্ধ। ইয়াৰ উপৰি, জনজাতীয় সমাজে উল্লেখনীয় অৰ্থব্যৱস্থা দেখুৱাই আৰু আত্মনিৰ্ভৰশীল হোৱাৰ দৃঢ়তা আছে। এই আত্মনিৰ্ভৰশীলতা ওচৰা-ওচৰি সংযোগ আৰু কেতিয়াবা একপক্ষীয় সংযোগ যিটো জনজাতীয় প্ৰতিষ্ঠানসমূহত আছে তাৰ দ্বাৰা লাভ কৰিছে। জনজাতীয় সমাজসমূহৰ বেছিভাগ অতি নিজস্বতাকেন্দ্ৰিক।

বৰ্তমান ৰাষ্ট্ৰৰ কাৰণে শাসন প্ৰণালীয়েই হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ কথা। যদিওবা বিভিন্নজনৰ মতে শাসন প্ৰণালীৰ ধাৰণা ভিন্ন, ইয়াৰ এটা সৰ্বজনগ্ৰাহ্য অৰ্থ হৈছে যে ই এটা সিদ্ধান্ত গঠন প্ৰক্ৰিয়া আৰু সেই সিদ্ধান্তসমূহ কাৰ্যকৰী কৰা প্ৰক্ৰিয়াও। শাসন প্ৰণালীৰ নিৰ্ভুল

কার্যপ্রণালীৰ কাৰণে বিভিন্ন পদ্ধতি জড়িত থাকে যিটো প্রতিষ্ঠানিক আৰু অপ্রতিষ্ঠানিক দুয়ো ধৰণৰ কার্যকর্তা নিয়োগ কৰে। যেনেকৈ, জনজাতীয় সম্প্রদায়সমূহৰ পৰম্পৰাগত সামাজিক প্রতিষ্ঠানসমূহে শাসন প্রণালীৰ এই বিষয়সমূহত স্থানীয় পদ্ধতিসমূহৰ ব্যৱহাৰ কৰে।

উত্তৰ-পূব ভাৰত এক বিশাল সংখ্যক জাতিগত গোষ্ঠীৰ ঘৰ বুলি কোৱা হয়। এই গোষ্ঠীসমূহ, বিভিন্ন জাতিগত মূলৰ অন্তর্গত, বিভিন্ন সময়ত বিভিন্ন দিশৰ পৰা আহিছিল। এইদৰে, তেওঁলোকে তেওঁলোকৰ সৈতে বৈচিত্র্যময় সামাজিক আৰু সাংস্কৃতিক ব্যৱস্থা কঢ়িয়াই লৈ আহিছিল।



অগ্রগতি নিৰীক্ষণ

[24] ছাহলিনে দিয়া জনজাতি এটাৰ বর্ণনা কি?

[25] কোনে জনজাতিক ছেগমেনটাৰি পদ্ধতি বুলি বর্ণনা কৰিছিল?

[26] জনজাতীয় সমাজসমূহৰ বেছিভাগ ৰৰকৈ .....।

৫.৭ জনজাতীয় সম্প্রদায়সমূহৰ পৰিয়াল, বিবাহ আৰু আত্মীয় সম্পর্ক ব্যৱস্থা

উত্তৰ পূব ভাৰতৰ জনজাতিসমূহ মনোগ্রাহী ধর্মীয় ৰীতি-নীতি আৰু প্রথাৰে উপচি আছে। সেইদৰে, এই ৰাজ্যসমূহৰ জনজাতিসমূহৰ বিবাহৰ ৰীতি-নীতি আৰু সাংস্কৃতিক বিচিত্রতা পৰিলক্ষিত হয়। ডেভিদ মেনদেলবউমে আঙুলিয়াই দেখুৱায় যে জনজাতীয় সমাজত স্বজনতাৰ সম্পর্কৰ দ্বাৰা মুখ্য সংযোগ স্থাপন হয়। স্বজনতা এটা সামাজিক গোষ্ঠীৰ নীতি নহয়; ই উত্তৰাধিকাৰ, শ্রমবিভাজন আৰু ক্ষমতা আৰু সুবিধাসমূহৰ বিতৰণৰো নীতি। বেছিভাগ জনজাতীয় সমাজে তেওঁলোকৰ সামাজিক সম্পর্কৰ লগত সংগতি ৰাখি নৈতিকতা, ধর্ম আৰু পৃথিৰীৰ ওপৰত মত পোষণ কৰে

মেঘালয় ৰাজ্যখন তিনিটা মাতৃতান্ত্রিক জনজাতিৰ আবাস ভূমি। সেইয়া হৈছে খাচী, জয়ন্তীয়া আৰু গাৰো। এই তিনিটাই হৈছে ৰাজ্যখনৰ মূল বাসিন্দাসকলৰ মাজৰ প্রধান জাতিগত গোষ্ঠী। বার্চৰ মতে, খাচী হৈছে এটা পৰিভাষা (নাম) যিটো খাচী আৰু জয়ন্তীয়া পাহাৰৰ আশে-পাশে বাস কৰা বিভিন্ন জনজাতি আৰু উপ-জনজাতিক দিয়া হৈছে। খাচীসকলক আৰু চাৰিটা উপজাতিত বিভক্ত কৰা হৈছে। খাচীসকল হৈছে মাতৃস্থানীয়। খাচী জনজাতিসমূহৰ মাজত, দৰাই কইনাৰ ঘৰত থাকে আৰু কইনা বা পত্নীক কামত সহায় কৰে। পৰিয়ালত থকা আটাইতকৈ সৰু ছোৱালীজনী সম্পত্তিৰ অধিকাৰী হয় যাক কা খাদুহ বুলিও কোৱা হয়। খাচী আৰু জয়ন্তীয়া, দুয়োটা জনজাতিৰ মাজত পাইকাম নামৰ এক প্রথাৰ প্রচলন আছে, ই হ'ল ইচ্ছাপত্রৰ জৰিয়তে উত্তৰাধিকাৰ লাভ কৰাৰ সমার্থক প্রথা। খাচী পৰিয়াল এটাত মাকৰ ভায়েকে বংশানুক্রমিক পৰিয়ালত কর্তৃত্বমূলক স্থান অধিকাৰ কৰে।

মেঘালয়ত খাচী জনজাতিৰ মাজত বিবাহ পদ্ধতিও প্ৰত্যেকটো ক্ষেত্ৰত অনন্য। এটা আনুষ্ঠানিক চুক্তিৰ পিছতহে বিবাহৰ কাৰ্য্য সম্পাদন কৰা হয় আৰু ই কইনাৰ ঘৰত পতা হয়। তামোলৰ মোনাৰ মাজত আঙঠি বিনিময় কৰা হয়। বিবাহৰ পিছত, দৰাজন কইনাৰ ঘৰলৈ স্থানান্তৰিত হয় যিটো কইনাৰ বংশানুক্ৰমিক ঘৰ। পৰিয়ালত সম্পত্তি আৰু টকাৰ প্ৰধান (মুখ্য) অধিকাৰী তিৰোতা বুলি বিবেচনা কৰা হয়। দম্পত্তিযোৰা কইনাৰ মাকৰ নামত তেওঁলোকৰ উপাধি গ্ৰহণ কৰে। যেতিয়া খাচী মাতৃবংশৰ ধাৰণাৰ পৰীক্ষা কৰাৰ চেষ্টা কৰা হয়, খাচী সমাজত প্ৰচলিত হৈ থকা কিছুমান বিশেষ সামাজিক অৱস্থাও বুজি লোৱাটো গুৰুত্বপূৰ্ণ, যিবিলাক কাম-কাজ সমাজখনে পৰম্পৰাগতভাৱে আৰু সাৰ্বজনীনভাৱে অনুসৰণ কৰি আহিছে। খাচীসকলে বংশ, বসতি আৰু উত্তৰাধিকাৰৰ মাতৃবংশীয় নীতি অনুসৰণ কৰে, যাৰ মতে সন্তান হৈছে মাকৰ জন্ম অধিকাৰ। সন্তানে মাকৰ সামাজিক গোটৰ পৰিচয় লাভ কৰে। মাতৃবংশীয় নীতিৰ আধাৰত সমাজত আটাইতকৈ বিশাল ভাগ হৈছে 'কুৰ' নাইবা উপজাতি। 'কুৰ' এটা হৈছে অসবৰ্ণ বিবাহৰ গোট আৰু একে উপজাতিৰ প্ৰত্যেকেই প্ৰত্যেকৰ আত্মীয়। সেইদৰে, একেই 'কুৰ'ৰ অন্তৰ্গত প্ৰত্যেকজন সদস্যই ইজনে সিজনক সামগ্ৰিকভাৱে 'শ্বি কুৰ' বুলি সম্বোধন কৰে। এই ধৰণৰ আত্মীয়তাৰ আধাৰ হৈছে সেই বিশ্বাস যে তেওঁলোক সকলোৱে এগৰাকী সাৰ্বজনীন মাতৃৰ পৰা জন্ম লাভ কৰিছে। খাচী 'ঈঙ্গ' বা পৰিয়াল খাচী আত্মীয়তাৰ মাজত আটাইতকৈ গুৰুত্বপূৰ্ণ গোট হিচাপে উত্থান লাভ কৰিছে। বুৎপত্তিগতভাৱে, 'ঈঙ্গ' শব্দটো বাস কৰা গোট আৰু নিকটতম পৰিয়ালৰ সদস্য যিসকল এগৰাকী সাৰ্বজনীন মাতৃৰ পৰা জন্ম লাভ কৰিছে এই দুয়োটাকে সূচায়। এই ধাৰণা হিচাপে, 'ঈঙ্গ' টো কেৱলমাত্ৰ বাস কৰা এটা গোটে নহয় যাৰ ভিতৰত উৎপাদন, ব্যয় আৰু জন্মধাৰণৰ নিচিনা পাৰ্থিৱ কামসমূহ প্ৰভাৱিত হয়, ই পৰিয়ালৰ ৰীতি-নীতিৰো কেন্দ্ৰ য'ৰ পৰা অনা-আত্মীয় (যি সগোত্ৰীয় নহয়) সদস্যসমূহক নিলগাই ৰখা হয়। খাচী সমাজৰ অবিচ্ছেদ্য অংগ স্বজনতা ব্যৱস্থাত পিতৃপক্ষৰ স্বজন (ধা) আৰু মাতৃপক্ষৰ স্বজন (কুৰ)ৰ বাবে পৃথক পৃথক বাধ্যবাধকতা আৰু কৰ্তব্যৰ সমষ্টি নিৰ্ধাৰণ কৰা থাকে।

উত্তৰ পূব ভাৰতীয় জনজাতিসমূহৰ মাজত গাৰো জনজাতি হৈছে এটা বিশাল জনজাতি। গাৰো সমাজ গঠন আৰু প্ৰকৃতিত মাতৃতান্ত্ৰিক। গাৰো সমাজ মাতৃবংশীয় হয় কিন্তু মাতৃতান্ত্ৰিক নহয়। মাতৃবংশীয় পদ্ধতিৰ সমাজ এখনত মহিলাক পৰিয়ালৰ উত্তৰাধিকাৰীৰ আধাৰ হিচাপে বিবেচনা কৰা হয়। মাতৃৰ ফালৰ আত্মীয়ৰ ওপৰত ভিত্তি কৰি উত্তৰাধিকাৰী বছা হয়। এইদৰে গাৰোসকলৰ মাজত বংশৰ অন্তৰ্ভুক্তি মাকৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰিত কৰা হয়।

মাতৃবংশীয় পদ্ধতিয়ে বিবাহৰ সেই প্ৰথাক নিৰ্দেশ কৰে য'ত দৰাই বিবাহৰ পিছত তেওঁৰ পিতৃ-মাতৃৰ ঘৰ এৰিব লাগে আৰু তেওঁৰ ঘৈণীয়েকৰ পিতৃ-মাতৃৰ ঘৰত বাস কৰিব লাগে। বিবাহৰ পিছতো, কইনাই তাইৰ নিজা স্থানীয় ঠাইত বাস কৰি থাকে; সেই কাৰণে এই

পদ্ধতিক মাতৃস্থানীয় বুলিও কোৱা হয়। মাতৃস্থানীয় পদ্ধতিৰ বিবাহত, দৰাজন তেওঁৰ ঘৈনীয়েকৰ বংশলৈ সম্পূৰ্ণৰূপে ৰূপান্তৰিত নহয় আৰু তেওঁ নিজৰ জন্মগত বংশৰ সদস্যপদ আৰু কৰ্তৃত্ব অক্ষুণ্ণ ৰাখে। এনেকুৱা ধৰণৰ পদ্ধতিত স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি উত্তৰাধিকাৰ প্ৰাপ্তিৰ অধিকাৰ মহিলাগৰাকীৰ হাতলৈ যায়। তেওঁৰ গিৰীয়েকে বিবাহৰ পিছত অধিকাৰী হোৱা নাইবা আৰ্জিত কৰা সকলো সম্পত্তি তেওঁৰ সম্পত্তি হয়। উত্তৰাধিকাৰপ্ৰাপ্তিৰ প্ৰথাগত আইন অনুসৰি সম্পত্তি উত্তৰাধিকাৰপ্ৰাপ্তিৰ অধিকাৰ মাকৰ পৰা জীয়েকলৈ হস্তান্তৰিত হয়। প্ৰত্যেকজন ব্যক্তিৰ বংশ সদায় মাতৃৰ পৰা অংকিত কৰা হয়। গোটেই সমাজখনক মাতৃবংশই অনুমোদন জনায়; বংশ মাতৃবংশীয় আৰু উত্তৰাধিকাৰপ্ৰাপ্তি মহিলাৰ ফালৰ পৰা হয়। এইদৰে, ডি.এন. মজুমদাৰে গৰো সমাজক মাতৃবংশৰ নিৰ্দেশক বুলি পৰ্যবেক্ষণ কৰে।

নামনি অসমৰ সমতলভূমি নাইবা পাহাৰৰ দাতিত বাস কৰা ৰাভাসকলৰ মাজত মাতৃবংশৰ পৰা পিতৃবংশলৈ এটা পৰিবৰ্তন আহিছে বুলি বৰ্ণনা কৰা হৈছে। 1911 চনৰ লোকপিয়লৰ প্ৰতিবেদন মতে, তেওঁলোকৰ মাজত বংশৰ ধাৰা সদায় মহিলাৰ ফালৰ পৰা ধৰা হৈছিল। বৰ্তমানে পিতৃস্থানীয় বাসিন্দা আৰু পুৰুষৰ ফালৰ পৰা উত্তৰাধিকাৰপ্ৰাপ্তিকৰণৰ এক প্ৰবণতা জাগি উঠিছে। ইয়াৰ উপৰি, সম্বন্ধীয় মানুহৰ সাত স্তৰলৈকে বিবাহৰ সম্পৰ্ক নিষিদ্ধ কৰা হৈছে। প্ৰথাৰ ফালৰ পৰা যদিও মাকৰ ভায়েকৰ জীয়েকৰ লগত বিয়াৰ অনুমতি আছে, শিক্ষিত চামে এনেকুৱা সম্পৰ্কৰ পৰা দূৰত থকাটো অগ্ৰাধিকাৰ দিয়ে।

কাৰ্বি আংলঙৰ পাহাৰ আৰু সমতলভূমিত বাস কৰা লালুং সকলৰ মাজত, মাতৃবংশীয় আৰু পিতৃবংশীয় পদ্ধতিৰ মিশ্ৰণ ঘটিছে। এই জনজাতিৰ পাহাৰীয়া আৰু সমতল অঞ্চলৰ মাজত অৰ্থনৈতিক ভূমিকাৰ পৃথকতা দেখা যায়। লালুং সকলৰ মাজত দুই ধৰণৰ বংশ দেখা যায়। ইয়াৰ এটা বংশ মাকৰ পৰা উদ্ভৱ হোৱা বংশৰ আৰু আনটো আকাৰ আঞ্চলিক দলৰ ফালৰ পৰা গঠন হয় যিটো সাধাৰণতে মুখীয়াল নাইবা বিশাল গাওঁৰ দলৈৰ নেতৃত্বত গঠিত হয়। পৰম্পৰাগতভাৱে বিবাহ আছিল মাতৃস্থানীয়। পাহাৰীয়া অঞ্চলত লালুংসকলে এতিয়াও উত্তৰাধিকাৰপ্ৰাপ্তিৰ মাতৃবংশীয় পদ্ধতিৰ মানি চলে; কিন্তু সমতল অঞ্চলত সূক্ষ্ম পৰিবৰ্তন হৈছে আৰু জীয়েকসকলৰ পৰিবৰ্তে পুতেকসকলে সম্পত্তিৰ অধিকাৰ লাভ কৰে।

ডিমাছা জনজাতিয়ে দুটা বংশৰ আনুগত্যতা মানি চলে। পুৰুষৰ ক্ষেত্ৰত, প্ৰাথমিক অন্তৰ্ভুক্তিকৰণ হয় পিতৃবংশত(ছেংফং) আৰু দ্বিতীয় অন্তৰ্ভুক্তিকৰণ হয় মাতৃবংশত (জাদ্দি)। মহিলাসকলৰ ক্ষেত্ৰত, নিয়মটো বিপৰীত হয়। ডিমাছাসকলৰ মাজত বিবাহ হৈছে ন-স্থানীয় ধাৰণা। ডিমাছাসকলৰ মাজত দেউতাকৰ সম্পত্তিৰ (স্থাৱৰ আৰু অস্থাৱৰ দুয়ো) পুতেকসকলে সমভাৱে অধিকাৰ পায়। দেউতাকৰ সম্পত্তিৰ উত্তৰাধিকাৰী ছোৱালীসকলে হোৱাত কোনো বাধা নাই। কিন্তু, এজন পিতৃ যাৰ কোনো ল'ৰা নাই, তেওঁৰ মৃত্যুত তেওঁৰ ছোৱালীসকলে সম্পত্তিৰ অধিকাৰ পায়। মাকৰ ওচৰত থকা সম্পত্তি যেনেকৈ অলংকাৰ, কাপোৰ, টকা ইত্যাদি কেৱলমাত্ৰ ছোৱালীসকলে ভাগ কৰি লয় আৰু ইয়াত ল'ৰাসকলৰ কোনো ভাগ নাই।

মিজোৰামত বিবাহক এখন চুক্তি হিচাপে বিবেচনা কৰা হয়, চুক্তি কৰা পক্ষৰ ইচ্ছাৰ দ্বাৰা ইয়াক খণ্ডিত কৰিব পৰা যায়। মিজো জনজাতিসমূহৰ মাজত, বিবাহত টকা প্ৰদান কৰাৰ প্ৰথাৰ প্ৰাদুৰ্ভাৱ আছে, যিয়ে কইনাজনীৰ পৰিয়াললৈ এটা বিশেষ পৰিমাণৰ টকা আদায় দিয়াৰ ব্যৱস্থা কৰে। ছোৱালীজনীৰ পৰিয়ালৰ সন্মতিৰ পিছত, বিবাহ কার্য সম্পাদন কৰাৰ কাৰণে ল'ৰাজনে এটা দৰ স্থিৰ কৰে। গীৰ্জা এটাত বিবাহ কার্য সম্পাদন কৰা হয় আৰু কইনাই দৰালৈ এটা পৰম্পৰাগত কম্বল নাইবা এটা পুৱানডাম দিয়ে যিটো দৰাজনৰ মৃত্যুত তেওঁৰ শৰীৰৰ চাৰিওফালে মেৰিওৱা হয়। মিজোসকলৰ তলত দিয়া প্ৰকাৰৰ বিবাহ পদ্ধতি আছে-

1] লুংভাৰ 2] লুখুং 3] ট্লৈনডাম 4] ৰিয়াভূক থিংফ'ম

5] ট'নছাব'প 6] ফেন

সাধাৰণ পদ্ধতি নাইবা প্ৰকাৰ যিটো অনুসৰণ কৰা হয় আৰু সাংস্কৃতিকভাৱে অনুমোদিত সেইটো হৈছে লুংভাৰ। আন আন প্ৰকাৰৰ বিবাহ বিলাক যদিওবা গ্ৰহণযোগ্য কিন্তু কিছুমান বিশেষ পৰিস্থিতি সাপেক্ষে। ওপৰত উল্লেখ কৰাৰ দৰে, প্ৰকৃত বিবাহ ল'ৰাৰ পৰিয়ালৰ মানুহ যাক কোৱা হয় পালাই আৰু আৰু ছোৱালীৰ পিতৃ-মাতৃৰ আলাপ-আলোচনাৰে আগুৱাই যায়। দুটা প্ৰতিজ্ঞা মনত ৰখা প্ৰয়োজন- ছোৱালীজনীৰ ইচ্ছা আৰু দৰা নাইবা ল'ৰাৰ পৰিয়ালে যি পৰিমাণৰ টকা আদায় দিবলৈ সন্মত হৈছে। এই দুটা প্ৰস্তাৱৰ (প্ৰতিজ্ঞাৰ) বন্দোবস্ত হৈ যোৱাৰ পিছত, বিবাহৰ দিন ধার্য্য কৰা হয়। আন আন প্ৰকাৰৰ বিবাহ যেনে ট্লৈনডাম (পলাই যোৱা) আৰু লুখুং হৈছে লুংভাৰ প্ৰকাৰৰ বিবাহৰ বিকল্প, যেতিয়া মাক-দেউতাকসকলৰ মাজত বিবাহৰ আলোচনাত এটা সন্মতিৰ চুক্তি বিফল হয় ।এই ধৰণৰ বিবাহৰ প্ৰকাৰক মর্যদা হানিকাৰক বুলি বিবেচনা কৰা হয়।

মণিপুৰৰ যৌ জনজাতিয়েও এনেকুৱা নিয়ম মানি চলে যাক কন্যা ধন বুলি অভিহিত কৰিব পাৰি। যৌসকল মঙ্গোলীয়ান জাতিৰ কুকি-চিন-লুছাই গোটৰ অন্তর্ভূক্ত তেওঁলোকক বুৰঞ্জীবিদসকলে পৰিবর্তিতভাৱে ছিনো-তিব্বেতান পৰিয়ালৰ বুলি বর্ণনা কৰিছে। যদিওবা বিবাহৰ ৰীতি-নীতি আৰু কইনাৰ দৰ বিভিন্ন দল আৰু অঞ্চলৰ মাজত পৃথক হয় তথাপি তেওঁলোকে কিছু প্ৰকাৰৰ সাধাৰণ মানদণ্ড মানি চলে। উদাহৰণস্বৰূপে, "মউ মান" (মউ মানে হৈছে কইনা আৰু মান মানে হৈছে দৰ) আৰু "মউ ৰানকেন" (ৰানকেন মানে হৈছে কইনাই বিবাহৰ সময়ত তাইৰ সৈতে অনা বস্তু)। পৰম্পৰাগতভাৱে, যৌসকলৰ কন্যা ধন হৈছে তেওঁৰ কুদাল, কম্বল, কুঠাৰ, পাঁচি ইত্যাদিৰ বাহিৰেও পাঁচটা মিথুন।


যৌসকলে সাধাৰণতে তেওঁলোকৰ গোত্ৰৰ বাহিৰত (গোত্ৰ অসবর্ণ বিবাহ) কিন্তু জনজাতিৰ ভিতৰত বিয়া কৰাটো পছন্দ কৰে (জাতি অন্তর্বিবাহ)। কিন্তু কিছুমান ক্ষেত্ৰত, এনেকুৱা কোনো ধৰণৰ সীমাবদ্ধতা নাই যেতিয়ালৈকে ল'ৰা আৰু ছোৱালী একেবাৰে নিকট সম্পর্কীয় নহয়। প্ৰথাগত ভাৱে বিধবাৰ বিয়াৰ অনুমতি আছে কিন্তু প্ৰকৃততে বেছিকৈ দেখা

নাযায়। সাধাৰণতে যৌসকলে একবিবাহত বিশ্বাস কৰে। এই জনজাতিটোৱে বেছিভাগ সময়তে পিতৃবংশীয় পেহীয়েকৰ ল'ৰা-ছোৱালীৰ সৈতে বিয়াত বহা (patrilineal cross-cousin's marriage)ৰ প্ৰথাটো অনুসৰণ কৰে। তেওঁলোকৰ প্ৰথম পছন্দ এই প্ৰথাটোক 'নেইলা' (Neila) নামেৰে জনা যায়। সাধাৰণতে এইটো দেখা যায় যে যৌ জনজাতিৰ পৰম্পৰাগত বিবাহ পদ্ধতি নিয়ন্ত্ৰিত হয় হয়তো (ক) টং মউ (পাতি দিয়া বিবাহ)ৰ দ্বাৰা নাইবা (খ) নেইলা পিতৃবংশীয় পেহীয়েকৰ সন্তানৰ সৈতে হোৱা বিবাহ) ৰ দ্বাৰা আৰু (গ) পলাই কৰা বিয়াৰ দ্বাৰা। উপৰৰ (ক) আৰু (খ) বিবাহ পদ্ধতি আনুষ্ঠানিক কাৰ্যপ্ৰণালীৰে বিবাহৰ কাৰ্য সম্পাদন কৰে যাৰ অবিহনে কোনো বিয়াৰ অনুমতি নাই। প্ৰথমৰ দুই প্ৰকাৰৰ বিয়াৰ পদ্ধতিক টং মউ বুলিও জনা যায় (পিতৃ-মাতৃৰ দ্বাৰা নিৰ্বাচিত কইনা)। প্ৰথাগতভাৱে সমসাময়িক সম্বন্ধীয় ভাই-ভনীৰ মাজত বিবাহৰ অনুমতি নাই। ল'ৰাৰ পিতৃ-মাতৃৰ পৰা বিবাহৰ সম্বন্ধ আৰম্ভ হয় নাইবা তেওঁলোকৰ ঘৰুৱা পৰিষদৰ সদস্যৰ দ্বাৰা যাক পালাই (প্ৰতিনিধি) বুলি কোৱা হয়।

ত্ৰিপুৰাত পৰম্পৰাগত বিবাহৰ পদ্ধতিয়ে দাবী কৰে যে দৰাজনে তেওঁৰ হ'বলগীয়া কইনাক যদি বিয়া কৰিব বিচাৰে তেন্তে তেওঁ কইনাজনীৰ পৰিয়ালৰ চোৱা-চিতা কৰিব লাগিব। সেইমতে, ল'ৰাজন ছোৱালীৰ ঘৰলৈ স্থানান্তৰিত হয় আৰু তেওঁৰ পৰিয়ালৰ যত্ন লোৱাৰ কাৰণে তেওঁৰ যোগ্যতা প্ৰমাণ কৰিবলৈ কঠোৰ পৰিশ্ৰম কৰে। ইয়াৰ কাৰণে পাৰস্পৰিকভাৱে এটা নিৰ্ধাৰিত সময়ত সন্মতি লোৱা হয় আৰু এই সময়সীমা ছয় মাহৰ পৰা এবছৰলৈ হ'ব পাৰে। এই প্ৰথাৰ মূল উদ্দেশ্য হৈছে দ'ৰাজনৰ সামৰ্থক বিশ্লেষণ কৰি চোৱা।

অৰুণাচল প্ৰদেশত বিবাহৰ তিনি ধৰণৰ স্পষ্ট গঠন আছে যিবিলাক সমাজত পালন কৰা হয়। প্ৰথম প্ৰকাৰত বিবাহ কাৰ্য বুজা-পৰা নাইবা আলাপ-আলোচনা নাইবা আৰ লং আৰ ৰ জৰিয়তে সম্পাদন কৰা হয়। দ্বিতীয় আৰু তৃতীয় প্ৰকাৰৰ বিবাহ কাৰ্য ক্ৰমে পলায়ন নাই থোক নো হো চাই ৰ দ্বাৰা কৰা বিবাহ আৰু ধৰি আনি কৰা বিবাহ নাইবা আন শিঅ আৰ। আৰ লং আৰ ত দৰাৰ পিতৃ-মাতৃয়ে কইনাক তেওঁলোকৰ ঘৰলৈ আদৰি আনে হো ফা বা (চেনী) আৰু বান ম'আ (ফুলেৰে ভৰ্তি প্লেট) প্ৰদান কৰি । সাধাৰণতে, বন্দোৱস্ত আকাৰৰ বিবাহ এজন মধ্যস্থতাকাৰীৰ দ্বাৰা তত্ত্বাৱধান কৰা হয় যাক চৌ পাচাউ বুলি কোৱা হয়। দৰা আৰু কইনাৰ আনুষ্ঠানিক বিবাহ হিচাপে হেইজাপ'ট অনুষ্ঠানে বুজায়।

নাগালেণ্ডত বিভিন্ন জনজাতিৰ বিভিন্ন প্ৰথা আৰু আচাৰ-ৰীতি আছে। কন্যাক মুখীয়ালসকলৰ বাহিৰে একে বংশৰ মাজত বিবাহ নহয়। আগামি জনজাতিৰ সদস্যসকলে তেওঁলোকৰ বিবাহৰ ঘোষণাৰ পূৰ্বে এটা মতা কুকুৰা মাৰে। মুংছেন জনজাতিৰ সদস্যসকলে দম্পত্তিহালক বিশ দিনৰ এটা বাণিজ্যিক ভ্ৰমণত পঠিয়ায় য'ত দৰা-কইনাহালে তেওলোকৰ বিবাহক পবিত্ৰ কৰা উদ্দেশ্যে কৃতকাৰ্যতাৰে বাণিজ্য সম্পাদন কৰিব লাগে । ছেমা জনজাতিয়ে বহুবিবাহ মানি চলে আৰু বহুতকেইজনী ঘৈণীয়েকৰ পৰা এজনীক মূখ্য ঘৈণীয়েক নিযুক্ত কৰে। ল'থা আৰু চেংগ সকলেও বহুবিবাহ মানি চলে।



অগ্ৰগতি নিৰীক্ষণ

[27] ডেভিদ মেনদেলবউমে আঙুলিয়াই দেখুৱায় যে জনজাতীয় সমাজত .....ভিত্তিত মুখ্য সংযোগ স্থাপন হয়।

[28] মেঘালয় ৰাজ্যখন তিনিটা মাতৃবংশীয় জনজাতিৰ ঘৰ। সেইবিলাক হৈছে ....., ... আৰু .....।

[29] খাচীসকলক আৰু ..... উপজাতিত বিভক্ত কৰা হৈছে।

[30] এটা খাচী পৰিয়ালত কোনে সম্পত্তিৰ উত্তৰাধিকাৰী হয়?

[31] খাচীসকলে বংশ, বাস আৰু উত্তৰাধিকাৰৰ ..... নীতি অনুসৰণ কৰে।

[32] মাতৃবংশীয় নীতিৰ আধাৰত সমাজত আটাইতকৈ বিশাল ভাগ হৈছে ..... নাইবা ..... ।

[33] খাচী ..... বা ..... খাচী আত্মীয়তাৰ মাজত আটাইতকৈ গুৰুত্বপূৰ্ণ গোট হিচাপে উত্থান লাভ কৰিছে।

[34] উত্তৰ পূৰ ভাৰতীয় জনজাতিসমূহৰ মাজত ..... জনজাতি হৈছে এটা বিশাল জনজাতি।

[35] এইদৰে গাৰোসকলৰ মাজত ..... মাকৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰিত কৰা হয়।

[36] মাতৃস্থানীয় পদ্ধতিত সম্পত্তিৰ উত্তৰাধিকাৰ প্ৰাপ্তিৰ অধিকাৰ কাৰ থাকে?

[37] খাচী পৰিয়ালত সম্পত্তি আৰু টকাৰ .....তিৰোতা বুলি বিবেচনা কৰা হয়।

[38] .....সম্বন্ধীয় মানুহৰ সাত স্তৰলৈকে বিবাহৰ সম্পৰ্ক নিষিদ্ধ কৰা হৈছে।

[39] লালুংসকলৰ মাজত থকা দুই বংশৰ বৰ্ণনা কৰক।

[40] ডিমাছা জনজাতিয়ে দুটা বংশৰ আনুগত্যতা মানি চলে.....।

[41] ডিমাছাসকলৰ মাজত দেউতাকৰ সম্পত্তি (স্থাবৰ আৰু অস্থাবৰ দুয়ো) .....সমভাৱে অধিকাৰ কৰে।

[42] বিয়াৰ দৰ পৰিশোধ কি?

[43] মিজোসকলৰ মাজত প্রচলিত ছয় প্রকাৰৰ বিবাহসমূহ কি কি?

[44] মণিপুৰৰ যৌ জনজাতিয়ে ..... পালন কৰে।

[45] যৌ সকলে সাধাৰণতে তেওঁলোকৰ .....বাহিৰত বিয়া কৰা পছন্দ কৰে (বংশ অসবর্ণ বিবাহ) আৰু তেওঁলোকৰ ..... ভিতৰত বিয়া কৰাটো পছন্দ কৰে (জাতি অন্তর্বিবাহ)।

[46] যৌসকলৰ বিয়া নিয়ন্ত্রন কৰা পৰম্পৰাগত ব্যৱস্থাসমূহ কি কি?

[47] অৰুণাচল প্রদেশত প্রচলিত তিনি প্রকাৰৰ বিবাহসমূহ কি কি?

[48] অৰুণাচল প্রদেশত বন্দোৱস্ত আকাৰৰ বিবাহ কাৰ তত্ত্বাৱধানত হয়?

[49] দৰা আৰু কইনাৰ আনুষ্ঠানিক বিবাহ হিচাপে ..... অনুষ্ঠানে বুজায়।

[50] ..... বাহিৰে একে বংশৰ জনজাতিবিলাকে বিবাহত নোসোমায়।

৫.৮ জনজাতীয় সম্প্রদায়সমূহৰ ধর্ম, অর্থ আৰু সমাজ ব্যৱস্থা

জনজাতিৰ অর্থব্যৱস্থা জনজাতীয় সমাজৰ এটা অভিক্ষেপ আৰু তেওঁলোকে জনজাতীয় সম্প্রদায়সমূহৰ উৎপাদন আৰু বিস্তাৰৰ কার্য্যাৱলীসমূহ প্রদর্শন কৰে; আৰু ই আত্মীয়তাৰ বন্ধনেৰে চালিত হয়। কোনো ধৰণৰ বিশেষত্ব আৰু শ্রমবিভাজন নোহোৱাকৈ পৰিয়াল হৈছে উৎপাদনৰ গোট। জনজাতিসমূহৰ অর্থৰ আদর্শমূলক অৱস্থাক আত্মনির্ভৰশীলতা বুলি বর্ণনা কৰিব পাৰি যদিওবা জীৱন নির্বাহৰ পর্য্যায়ত।

অর্থৰ সৈতে ধর্মও সমাজৰ এক গুৰুত্বপূর্ণ অংশ গঠন কৰে আৰু সমাজৰ আন প্রতিষ্ঠানসমূহৰ লগত জোট-পোট খাই আছে, যেনে, সংস্কৃতি, বিবাহ পদ্ধতি, আৰু পৰিয়াল বহুতৰে মাজত। ধর্মীয় প্রতীক আৰু আচাৰ-ৰীতি সমাজৰ সংস্কৃতিৰ সৈতে বেছিকৈ সম্মিলিত হৈ আছে।

যদি আমি খাচী জনজাতি পর্যবেক্ষণ কৰিব লাগে, কৃষি হৈছে তেওঁলোকৰ প্রধান জীৱন নির্বাহৰ কার্য্য আৰু পৰিয়াল খেতিয়ে শস্য উৎপাদন কার্যৰ প্রাথমিক গোট গঠন কৰে। খাচী জনজাতি হৈছে বহু বৃত্তিমূলক আৰু সেইদৰে অর্থব্যৱস্থা হৈছে বজাৰ ভিত্তিক। শস্য জীৱিকা নির্বাহ আৰু বাণিজ্যৰ কাৰণে উৎপাদন কৰা হয়। কৃষিৰ কাৰণে চাৰি প্রকাৰৰ ভূমিৰ ব্যৱহাৰ কৰা হয়- হাবি; সেমেকা ধাননি পথাৰ (হালি নাইবা পিনথ'ৰ), ঘৰৰ ভিটামাটি (কা'ডিউ

কাইপেৰ); আৰু ওখ ঘাঁহনি পথাৰ (কা ৰি লুম নাইবা কা ৰি ফ্লাং)। সাধাৰণতে, ঝুম খেতি নিয়মীয়াকৈ কৰা হয় আৰু তাৰ কাৰণে হাবিৰ ভূমি পৰিস্কাৰ কৰি লোৱা হয় আৰু গছবোৰ কাটি জুই লগাই দিয়া হয় আৰু তাৰ পিছত বীজবিলাক সিচা হয়। জনজাতিটোৱে নিজক আন আন কার্য যেনে মাছ ধৰা, চিকাৰ কৰা ইত্যাদিতো নিয়োজিত কৰে। উদ্যোগিকৰণৰ বিশেষত্বৰ ফালৰ পৰা, খাচী জনজাতিয়ে বহুতো ভিন্ন ভিন্ন ঔদ্যোগিক শিল্পৰ কামৰ লগত জড়িত হৈ আছে। বাঁহ আৰু বেতৰ কাম, কমাৰৰ কাম, দর্জিৰ কাম, হস্ততাত বোৱা আৰু চিলোৱা, মুগা পালন, শিলকটা, ইটা তৈয়াৰ কৰা, অলংকাৰ তৈয়াৰ কৰা, মৃৎশিল্প, লো গলোৱা, কুটিৰ শিল্প আৰু ঔদ্যোগিক শিল্পই সামৰি লয়। সাধাৰণতে পুৰুষসকলে ঝুম খেতি, গৰু পালনৰ সৈতে ধাতুৰ কামৰ সৈতে জড়িত আৰু মিস্ত্রীকাম বিলাক সমাধা কৰে। তিৰোতাসকলে কাপোৰ বৈ দোকানী হিচাপে বজাৰত বেচিবলগীয়া সামগ্রীসমূহৰ সৈতে জড়িত থাকে আৰু ল'ৰা-ছোৱালীৰ সামাজিকৰণ কৰাৰ প্রক্রিয়াত এটা প্রধান ভূমিকা পালন কৰে। ভূমিৰ ফালৰ পৰা, খাচী জনজাতিৰ চাৰি প্রকাৰৰ ভূমি থাকে- কা ৰি ৰাজ (জমিদাৰী ভূমি); কা ৰি লিংদোহ (পৌৰহিত্য ভূমি); কি সোং (ঘৰৰ ছাউনীৰ কাৰণে ঘাঁহ, জুইধৰা খৰি ইত্যাদিৰ উৎপাদনৰ কাৰণে গাওঁৰ মাটি); আৰু কি 'ল'কিনটেং (পবিত্র কুঞ্জবন)। ইয়াৰ উপৰি, ব্যক্তিগত ভূমিক দুই প্রকাৰৰ ভূমিত বিভাজন কৰিব পাৰি- ৰি কুৰ (এটা বংশৰ দ্বাৰা অধিকৃত ভূমি) আৰু ৰি-কিনতি (পৰিয়ালৰ দ্বাৰা অধিকৃত বা আর্জিত মাটি; এই মাটি এজনী মহিলাই তাইৰ মাকৰ পৰা উত্তৰাধিকাৰ সূত্রে পোৱা নাইবা এজন মানুহ নাইবা এজনী মহিলাই আর্জিত)। পূর্বপুৰুষৰ মাটি মহিলাৰ অধিকৃত হয়।

ধর্মৰ ফালৰ পৰা, খাচী জনজাতি এজন সৃষ্টিকাৰী দেৱতাৰ ওপৰত বিশ্বাস কৰে (ইউ ৱ্লেই নং-থাৰ) যিজনক লিংগৰ ফালৰ পৰা স্ত্রীলিংগ বুলি বিবেচনা কৰা হয় (কা লেই ছিনসাৰ)। যেতিয়া বলিদান দিয়া হয় নাইবা যেতিয়া কোনো সমস্যাৰ সন্মুখীন হয় তেওঁলোকে দেবীক মাতে। প্রধান আত্মা যিবিলাকৰ পূজা কৰা হয় সেইবিলাক হৈছে উলেই মুলুক (ৰাজ্যৰ দেৱতা), উলেই উমটেং (খোৱা পানী আৰু ৰন্ধা পানীৰ দেৱতা), উলেই লংছপাহ (সম্পত্তিৰ দেৱতা); আৰু অ ৰিংকিউ নাইবা উ বাছা স্নঅঙ (গাওঁৰ ৰক্ষকর্তা দেবী)।

গাৰো সমাজ কেতিয়াও আধুনিক সময়ৰ স্থাপিত আকাৰৰ চৰকাৰৰ দ্বাৰা চালিত (শাসিত) হোৱা নাই। গাৰো সমাজৰ গঠনমূলক আৰু ক্রিয়ামূলক দুয়ো ধৰণৰ শক্তি আছিল যিয়ে মানুহৰ কর্ম আৰু আচৰণক নিয়ন্ত্রিত কৰিছিল। এটা সময়সীমাৰ মাজত গঢ় লৈ উঠা প্রথাই আইনৰ বিধি গঠন কৰিছিল আৰু গোটেই সম্প্রদায়ে তাক মানি চলিছিল। এই আইনৰ বিধিসমূহক তিনিটা ভাগত বিভক্ত কৰিব পাৰি- আছিমালজা, দাকমালজা, আৰু নিমা। আছিমালজা নৈতিকতাৰ নীতিসমূহ গঠন কৰিছিল যিয়ে এজন গাৰো মানুহক কোনো কুকার্য লিপ্ত হোৱাত বাধা আৰোপ কৰিছিল। ভিন্ন আকাৰৰ নৈতিক নিয়ম, ধর্মীয় নিয়ম, দেৱানী আৰু অপৰাধমূলক আইন, বিবাহ আইন, ভূমি আইন, উত্তৰাধিকাৰপ্রাপ্তিৰ আইন ইত্যাদিৰ দ্বাৰা

দাকমালজা গঠিত আৰু যদি কোনো ব্যক্তিয়ে এই বিধিসমূহ ভংগ কৰিছে নাইবা অপমান কৰিছে তেন্তে তাক শাস্তি দিয়া হৈছিল। দাকমালজা ৰ নিয়ম অনুসৰি উত্তৰাধিকাৰপ্ৰাপ্তি গাৰো জনজাতিত মাতৃবংশীয় পক্ষৰ ফালৰ ওপৰত নির্ভৰ কৰিছিল। সার্বজনীন বলিদানৰ দিনবোৰ উদযাপন কৰাৰ নিয়ম গাৰো জনজাতিৰ ধর্মীয় নিয়ম উদযাপন কৰাৰ ভিতৰত অন্তর্ভুক্ত আছিল। এই দিনটোত, গাওঁৰ জনগণে তেওঁলোকৰ ওপৰত বর্ষণ কৰা সকলো সুফলসমূহৰ কাৰণে দেবতালৈ কৃতজ্ঞতা জ্ঞাপন কৰে আৰু এটা উজ্জ্বল ভৱিষ্যতৰ কাৰণে প্ৰার্থনা কৰে। সকলোবোৰ বাসিন্দাৰ কাৰণে কিবা নহয় কিবা কামত জড়িত হোৱাটো বাধ্যতামূলক আৰু প্ৰত্যেকে প্ৰথাগত অনুষ্ঠান সম্পাদন কৰাটো আশা কৰা হয়। ধর্মীয় উৎসৱ-অনুষ্ঠানত মহিলাসকলৰ কোনো ভূমিকা পালন কৰিবলগীয়া নাথাকে। গাৰো জনজাতিয়ে ঝুম খেতিৰ ওপৰত জীৱন নির্বাহ কৰে। প্ৰত্যেক গাৰো পৰিয়াল স্বয়ংসম্পূর্ণ অর্থনৈতিক গোট হিচাপে কাম কৰে। ডকমেণ্ড (এক প্ৰকাৰৰ কাপোৰ) গুথাত নিজকে খটুৱায় ব্যৱসায়িক উদ্দেশ্যে আৰু ব্যক্তিগত ব্যৱহাৰৰ উদ্দেশ্যেও প্ৰস্তুত কৰা হয়। এইবিলাকৰ বাহিৰেও, মৃৎশিল্প আন এক প্ৰকাৰৰ বৃত্তি যি কম সংখ্যক পৰিয়ালৰ মাজত সীমিত। ঝুম খেতিৰ বাবে ভূমি বংশৰ দ্বাৰা অধিকৃত হয়। প্ৰত্যেক গাওঁৰে ইয়াৰ নিজা পৰম্পৰাগতভাৱে সীমা নির্ধাৰণ কৰা অঞ্চল আছে যাক এডক বুলি কোৱা হয়। এখন অঞ্চলক বিভিন্ন খণ্ডত বিভক্ত কৰা হয় আৰু তাৰ পিছত সেই ভূমি কৃষিৰ কাৰণে বৃত্তিয় শৃঙ্খলাত ব্যৱহাৰ কৰা হয়।

মণিপুৰত, বিশাল সংখ্যক জনগণে বর্দ্ধিত হাৰত খ্ৰীষ্টান ধর্মলৈ ধর্মান্তৰিত হৈছে। মণিপুৰত 29 টা অনুসূচিত জনজাতি আছে। প্ৰধান জনজাতিসমূহ হৈছে কাবুই (জেলিআনগৰং শৈলীত গঠিত হোৱা এটা গোট) নাগা গোটৰ অধীনত মাউ আৰু তাংখুল আৰু বহলভিত্তিত কুকি গোটৰ অধীনত পাইটে, ক'ম, হমাৰ, ভাইপেই, থাডাউ, গানটে আৰু যৌ। কাবুই সকলে বহুতো দেৱ-দেৱীক, স্থানীয় দেৱতা আৰু আত্মাৰ ওপৰত বিশ্বাস কৰে। তেওঁলোকে এজন সর্বোচ্চ ভগৱান ৰা-গেং (দেৱতাসকলৰ ৰজা)ৰ ওপৰতো বিশ্বাস কৰে যাৰ বাসস্থল হৈছে স্বর্গ আৰু যিজন হৈছে অমৰ আৰু সদা-বিৰাজমান। বিভিন্ন সিদ্ধি অনুষ্ঠানৰ কাৰণে তেওঁলোকৰ পুৰোহিত (ম'ল বুলি কোৱা হয়) আৰু আন আন ঐশ্বৰিক পুৰুষ থাকে। টেংখুলসকলে কিছু সংখ্যক দেৱতাৰ পূজা কৰে আৰু তেওঁলোক তেওঁলোকৰ ধর্মীয় আৰু ধর্মনিৰপেক্ষ সকলো কাৰ্য-কার্যৰ কাৰণে গীতক পচন্দ কৰে। পাইটেসকলে যিসকলে ভাল আৰু বেয়া দুয়ো ধৰণৰ আত্মাত বিশ্বাস কৰে। তেওঁলোকৰ বাবে ৰক্ত উছর্গা হৈছে ঈশ্বৰক সন্তুষ্ট কৰা আৰু ভূত-প্ৰেত আঁতৰোৱাৰ প্ৰধান উপায়। তেওঁলোকৰ পুৰোহিত আৰু আত্মাৰ সৈতে সংযোগ স্থাপনকাৰী মাধ্যম (ব্যক্তি) থাকে। তেওঁলোকে মৃত্যুৰ পাছতো জীৱনৰ অস্তিত্ব থাকে আৰু আত্মাবোৰ 'পাইলগাল'লৈ গৈ থকা অৱস্থাত 'চাহ্নু' নামৰ এক স্ত্রী আত্মাই বাট দেখুৱাই নিয়ে বুলি বিশ্বাস কৰে। ক'মসকলে আত্মা আৰু আন আন প্ৰাকৃতিক শক্তিৰ ওপৰত বিশ্বাস কৰে। তেওঁলোকে পূর্বপুৰুষৰ পূজাতো বিশ্বাস কৰে। ক'মসকলৰ কাৰণে ফনী বৰ পবিত্র বুলি বিবেচিত হয়।

হমাৰসকলে পাথেইন (সকলো বস্তুৰ সৃষ্টিকৰ্তা) নামৰ এজন সৰ্বোচ্চ দেৱতাৰ ওপৰত বিশ্বাস কৰে আৰু ভাল-বেয়া দুয়ো ধৰণৰ পৰ্বত, শিল আৰু নদীৰ আত্মাবিলাকক পূজা কৰে। থাডউসকলেও সৰ্বোচ্চ দেৱতাৰ ওপৰত বিশ্বাস কৰে আৰু তেওঁলোকে স্বৰ্গ আৰু নৰকৰ ধাৰণাকো বিশ্বাস কৰে। তেওঁলোকৰ ঈনদৈ নামৰ ঘৰৰ দেৱতাও আছে (মাইতেই ছানামাহিৰ প্ৰতিৰূপ যিয়ে বহুল অৰ্থ বহন কৰে)। ক'মসকলৰো এজন ঘৰৰ দেৱতা আছে যাক লুৱুই বুলি কোৱা হয়। তেওঁলোকে দুজন দেৱতা পাথেইন (সৰ্বোচ্চ) আৰু তেওঁৰ ভায়েক লুঙিয়েই ৰ ওপৰতো বিশ্বাস কৰে; এই দুয়োজন স্বৰ্গত বাস কৰে। ভাইফেইসকলেও পাথেইন আৰু ঈনদৈক প্ৰত্যেক ঘৰৰ ৰক্ষাকৰ্তা আত্মা হিচাপে বিশ্বাস কৰে। ইয়াৰ উপৰি তেওঁলোকে আন আন বিভিন্ন আত্মাক বিশ্বাস কৰে যিবিলাকক তেওঁলোকে সমভাৱে বিশ্বাস আৰু ভয় কৰে। সেকমাই, ফায়েং, লেইমৰম, আৰু এনড্ৰ অঞ্চলত বাস কৰা মণিপুৰ উপত্যকাৰ চাকপা সম্প্ৰদাসমূহে (অনুসূচিত জনজাতি বুলি কোৱা হয়) আকাশ-দেৱতা আৰু আন আন আত্মাৰ ওপৰত বিশ্বাস কৰে, তেওঁলোকৰ জাকজমকীয়া হাৰাউবা উৎসৱত প্ৰদৰ্শন কৰাৰ দৰে। তেওঁলোকে তেওঁলোকৰ বৈষ্ণৱ ধৰ্মাৱলম্বীসকলৰ বিপৰীতে মদ আৰু মাংস দুয়োটা খায় আৰু মণিপুৰীসকলৰ পৰম্পৰাগত সংস্কৃতি ৰক্ষা কৰাটো তেওঁলোকে বিচাৰে। খ্ৰীষ্টিয় বিংশ শতাব্দীৰ প্ৰথম ভাগত মণিপুৰত খ্ৰীষ্টান ধৰ্মৰ আগমন ঘটে। বৰ্তমানলৈকে পাহাৰত মুঠ জনসংখ্যাৰ খ্ৰীষ্টান ধৰ্ম আকোৱালি লৈছে। পুৰুমাসকলে ছানামাহি (মাইতেই ভগৱান) আৰু হিন্দুসকলে কৃষ্ণক ভগৱান হিচাপে মানে।


নগা জনজাতিৰ মাজত খ্ৰীষ্টান ধৰ্মই শিপাই লৈছে যদিও ই পৰম্পৰাগত ধৰ্মীয় বিশ্বাসক মচি পেলোৱা নাই। কিছু সংখ্যক দেৱতাক তেওঁলোকে পূজা কৰে, যিবিলাকৰ মাজত কিছুমান উল্লেখযোগ্য হৈছে- কেন'পফু(সৃষ্টিকৰ্ত্তা দেৱতা); ৰুটজেহ (আকস্মিক মৃত্যুদাতা) মাৱএনু (উৰ্ৱৰতাৰ দেৱতা) টেলেপফু (এজন হানিকাৰক দেৱতা); ছুকু আৰু যুৱাৰু (পতি আৰু পত্নী একেলগে ক্ষুদ্ৰ দেৱতা বনৰীয়া জীৱ-জন্তুৰ ওপৰত ৰাজত্ব কৰি); মেটছিমো (স্বৰ্গলৈ যোৱা দুৱাৰৰ ৰক্ষক); টেখু-ৰ' (বাঘৰ দেৱতা); আৰু আয়েপি (আগামি ঘৰত বাস কৰা এজন দেৱতা আৰু ই উন্নতি লৈ আনে)। আংগামি জনজাতিসকলৰ মাজত, ধৰ্মীয় কাম-কাজ এঘাৰটা জেনাছ (সম্প্ৰদায় আৰু (নাইবা) ব্যক্তিক বান্ধা আচৰণমূলক সীমাবদ্ধতাৰ সৈতে ধৰ্মীয় যাদুৰ প্ৰকাৰৰ উৎসৱ-পাৰ্বন) শাৰীৰ চাৰিওফালে কেন্দ্ৰিত হয় যিটো গোটেই বছৰ জুৰি পালন কৰা হয়। এইবোৰ কাম-কাজ কৃষিমূলক কাৰ্যাৱলীৰ লগতো জড়িত থাকে আৰু ইয়াৰ দ্বাৰা সম্প্ৰদায়ৰ দৈনন্দিন জীৱন প্ৰভাৱিত হয়।

আন এটা সৰু জনজাতি যিটো অসমত পোৱা যায় সেইটো হৈছে ফাকিয়ালসকল। তেওঁলোকৰ প্ৰায় মাত্ৰ দুই হেজাৰ জনসংখ্যা আছে আৰু প্ৰধানত মাৰ্ঘেৰিটা, নাহৰকটিয়া, নঙলাই, লিডু, লংগাও ইত্যাদি ঠাইত বাস কৰে। এই জনজাতিৰ মাজত কিছুমান উপ-জাতি আছে যেনে, থেমাঙ, মান, হাই থুমটেন ইত্যাদি। ধৰ্মৰ ফালৰ পৰা, ফাকাইলসকলে প্ৰধানত

বুদ্ধ ধৰ্ম মানে আৰু এইদৰে তেওঁলোকৰ সকলো মানুহে পঞ্চশীল আৰু অষ্টশীলৰ আজ্ঞা কৰে আৰু প্ৰচাৰ কৰে। এই জনজাতিসকলে কঠোৰভাৱে জন্তু বধ কৰাৰ বিৰোধিতা কৰে। তেওঁলোকৰ বৃত্তিৰ বিষয়ে ক'বলৈ গ'লে, ফাকাইলসকলে কৃষি কৰে। এই জনজাতিৰ মহিলা সদস্যসকল শি পিনী কামত পাৰ্গত আৰু পুৰুষ সদস্যসকল মৃৎশিল্প, কাঠ আৰু বাঁহেৰে শিল্পসুলভ নিদৰ্শন নিৰ্মাণ কৰে।

৫.৯ সামৰণি ঃ

সামাজিক প্ৰতিষ্ঠানসমূহক আদৰ্শনুযায়ী গঠন কৰা ব্যৱস্থা আৰু যোগসূত্ৰ যিয়ে সমাজৰ সদস্যসকলৰ দৈনন্দিন প্ৰয়োজনসমূহ পূৰণ কৰে বুলি আটাইতকৈ উত্তমভাৱে ক'ব পাৰি। সামাজিক প্ৰতিষ্ঠানসমূহৰ কাৰ্যাৱলী বিশালভাৱে সমাজখনৰ নাইবা গোট এটাৰ সদস্যসকলৰ দ্বাৰা এনেকুৱা প্ৰতিষ্ঠানসমূহৰ গ্ৰহণযোগ্যতাৰ ওপৰত নিৰ্ভৰ কৰে। সমাজ এখনত সামাজিক প্ৰতিষ্ঠানসমূহৰ অস্তিত্ব আৱশ্যকীয় কাৰণ এইবিলাকে সমাজ এখনত নিৰ্ভৰ কৰে। সমাজ এখনত সামাজিক প্ৰতিষ্ঠানসমূহৰ অস্তিত্ব আৱশ্যকীয় কাৰণ এইবিলাকে সমাজ এখনত ব্যক্তি এজনে যি ধৰণে কাম কৰে তাক শৃঙ্খলাবদ্ধ আৰু গঠন কৰে। এইদৰে এফালৰ পৰা এই প্ৰতিষ্ঠানসমূহে সমাজৰ মেৰুদণ্ড হিচাপে কাম কৰে আৰু সমাজ, গোট, সম্প্ৰদায়ক সকলো ক্ষেত্ৰত পৰিপূৰ্ণতা লাভ কৰিবলৈ সহায় কৰে। সেয়া অৰ্থনৈতিক নাইবা শিক্ষাবিষয়ক নাইবা ৰাজনৈতিকো হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

[51] ..... হৈছে খাচীসকলৰ প্ৰধান জীৱন নিৰ্বাহৰ কাৰ্য্য

[52] খাচীসকলৰ দ্বাৰা কৃষিৰ কাৰণে ব্যৱহাৰ কৰা চাৰি প্ৰকাৰৰ ভূমি কি কি?

[53] খাচীসকলৰ পূৰ্বপুৰুষৰ ভূমি কাৰ অধিকাৰত থাকে?

[54] তিনি শ্ৰেণীৰ আইনৰ বিধিসমূহ কি কি যাৰ ভিত্তিত গাৰো সমাজ এখন পৰিচালিত হয়?

[55] প্ৰত্যেক গাৰো পৰিয়াল এটা ..... গোট হিচাপে কাম কৰে।

[56] মণিপুৰত..... জনজাতি আছে।

[57] ফাকাইল জনজাতিৰ উপ-জাতিসমূহৰ নাম লিখক।



৫.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

1। কার্যকাৰিতাবাদী এজনৰ মতে সামাজিক প্রতিষ্ঠানসমূহক সামাজিক নিয়ম, বিশ্বাস, মূল্য আৰু সম্পর্কীয় ভূমিকাৰ এটা জটিল গোট বুলি বুজে যিটো সমাজৰ প্রয়োজনৰ তাগিদাত উদয় হয়।

2। পৰিয়ালক আটাইতকৈ "সহজাত" সামাজিক সত্তা বুলি অভিহিত কৰিব পাৰি।

3। বিবাহৰ বিভিন্ন প্রকাৰৰ আকাৰ থকা দেখা যায়। এই আকাৰসমূহ সঙ্গীৰ সংখ্যা আৰু নীতি-নিয়ম যিয়ে নির্ধাৰণ কৰে কোনে কাক বিয়া কৰাব পাৰে তাৰ ওপৰত ভিত্তি কৰি নিৰূপণ কৰিব পৰা যায়।

4। অন্তর্বি বাহ আৰু অসবর্ণ বিবাহ কিছুমান বিশেষ সম্পর্কীয় গোটৰ প্রসঙ্গত যেনে- বংশ, জাতি নাইবা জাতিগত, পৌত্তলিক নাইবা ধর্মীয় গোট।

5। তেজৰ সূত্রে সম্পর্ক স্থাপন হোৱা সম্পর্কীয় মানুহবিলাকক গোত্রৰ সম্পর্কীয় বুলি কোৱা হয় আৰু বিবাহৰ সূত্রে সম্বন্ধ স্থাপন হোৱা সম্পর্কীয় মানুহবিলাকক এফিনছ বুলি কোৱা হয়।

6। যুগ যুগ ধৰি ধর্মৰ সামাজিক প্রতিষ্ঠানটো অধ্যয়ন আৰু চিন্তাৰ বিষয় হৈ আহেছে।

7। যেতিয়া ৰাজনৈতিক প্রতিষ্ঠানসমূহৰ বিশ্লেষণ কৰা হয় তেতিয়া ক্ষমতা আৰু কর্তৃত্ব সবাতোকৈ গুৰুত্বপূর্ণ কথা।

8। প্রতিষ্ঠান হিচাপে অর্থনৈতিক ব্যৱস্থা সদায় পৰিবর্তন হৈ থাকে।

9। 2001 চনৰ লোকপিয়ল মতেভাৰতৰ মুঠ জনসংখ্যাৰ 8.2% হৈছে জনজাতীয় মানুহ। তাৰ মানে 85 মিলিয়ন।

10। মেঘালয় ৰাজ্যখন তিনিটা মাতৃবংশীয় জনজাতিৰ ঘৰ। সেইবিলাক হৈছে খাচী, জয়ন্তীয়া আৰু গাৰো।

11। আত্মীয়তাৰ ব্যৱস্থা যি খাচী সমাজত এটা অবিচ্ছেদ্য অংশ গঠন কৰে সেই ব্যৱস্থাই পিতৃৰ ফালৰ আত্মীয় (খা) আৰু মাতৃৰ ফালৰ আত্মীয় (কুৰ) সম্পর্কে বিভিন্ন বাধা আৰু দায়িত্ব আৰোপ কৰে।

12। গাৰো সমাজ গঠন আৰু প্রকৃতিত মাতৃবংশীয়।

13। লালুং জনজাতিৰ পাহাৰীয়া আৰু সমতল অঞ্চলৰ মাজত অর্থনৈতিক ভূমিকাৰ পৃথকতা আছে।

14। ডিমাছা জনজাতিয়ে দুটা বংশৰ আনুগত্যতা মানি চলে। পুৰুষৰ ক্ষেত্ৰত, প্ৰাথমিক অন্তৰ্ভূক্তিকৰণ হয় পিতৃবংশত(ছেংফং) আৰু দ্বিতীয় অন্তৰ্ভূক্তিকৰণ হয় মাতৃবংশত (জাদ্দি)। মহিলাসকলৰ ক্ষেত্ৰত, নিয়মটো বিপৰীত হয়।

15। মিজোসকলৰ বিয়াত কইনাই দৰালৈ এটা পৰম্পৰাগত কম্বল নাইবা এটা পুৰানডাম দিয়ে যিটো দৰাজনৰ মৃত্যুত তেওঁৰ শৰীৰৰ চাৰিওফালে মেৰিওৱা হয়।

16। মিজোসকলৰ তলত দিয়া ছয় প্ৰকাৰৰ বিবাহ পদ্ধতি আছে-

(ক) লুংভাৰ (খ) লুখুং (গ) ট্লৈনডাম (ঘ) ৰিয়াভুক থিংফ'ম

(ঙ) ট'নছাব'প (চ) ফেন

17। মণিপুৰৰ যৌ জনজাতিয়েও এনেকুৱা নিয়ম মানি চলে যাক কইনাৰ দৰ বুলি অভিহিত কৰিব পাৰি।

18। যৌ সকলে সাধাৰণতে তেওঁলোকৰ বংশৰ বাহিৰত বিয়া কৰা পছন্দ কৰে (বংশ অসবর্ণ বিবাহ) আৰু তেওঁলোকৰ জনজাতিৰ ভিতৰত বিয়া কৰাটো পছন্দ কৰে (জাতি অন্তর্বিবাহ)।

19। সাধাৰণতে যৌসকলে একবিবাহত বিশ্বাস কৰে।

20। অৰুণাচল প্ৰদেশত দৰা আৰু কইনাৰ আনুষ্ঠানিক বিবাহ হিচাপে হেইজাপ'ট অনুষ্ঠানে বুজায়।

21। মুংছেন জনজাতিৰ সদস্যসকলে দম্পত্তিহালক বিশ দিনৰ এটা বাণিজ্যিক ভ্ৰমণত পঠিয়ায় য'ত দৰা-কইনাহালে তেওলোকৰ বিবাহক পবিত্ৰ কৰা উদ্দেশ্যে কৃতকার্যতাৰে বাণিজ্য সম্পাদন কৰিব লাগে ।

22। কন্যাক মুখীয়ালসকলৰ বাহিৰে একে বংশৰ জনজাতিবিলাকে বিবাহত নোসোমায়।

23। জনজাতিৰ অর্থব্যৱস্থা জনজাতীয় সমাজৰ এটা অভিক্ষেপ আৰু তেওঁলোকে জনজাতীয় সম্প্ৰদায়সমূহৰ উৎপাদন আৰু বিস্তাৰৰ কার্য্যাৱলীসমূহ প্ৰদর্শন কৰে; আৰু ই আত্মীয়তাৰ বন্ধনেৰে চালিত হয়।

24। খাচী জনজাতি হৈছে বহু বৃত্তিমূলক আৰু সেইদৰে অর্থব্যৱস্থা হৈছে বজাৰ ভিত্তিক।

25। গাৰো সমাজ কেতিয়াও আধুনিক সময়ৰ স্থাপিত আকাৰৰ চৰকাৰৰ দ্বাৰা চালিত (শাসিত) হোৱা নাই।

26। মণিপুৰত, বিশাল সংখ্যক জনগনে বর্দ্ধিত হাৰত খ্ৰীষ্টান ধর্মলৈ ৰূপান্তৰিত হৈছে।

27। নগা জনজাতিৰ মাজত খ্ৰীষ্টান ধর্মই শিপাই লৈছে যদিও ই পৰম্পৰাগত ধর্মীয় বিশ্বাসক মচি পেলোৱা নাই।

২৪.৪ সামাজিক প্ৰতিষ্ঠানসমূহক আদৰ্শনুযায়ী গঠন কৰা ব্যৱস্থা আৰু যোগসূত্ৰ যিয়ে সমাজৰ সদস্যসকলৰ দৈনন্দিন প্ৰয়োজনসমূহ পূৰণ কৰে বুলি আটাইতকৈ উত্তমভাৱে কবপাৰি।

২৯.৪ সমাজ এখনত সামাজিক প্ৰতিষ্ঠানসমূহৰ অস্তিত্ব আৱশ্যকীয় কাৰণ এইবিলাকে সমাজ এখনত ব্যক্তি এজনে যি ধৰণে কাম কৰে তাক শৃঙ্খলাবদ্ধ আৰু গঠন কৰে।



৫.১১ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Adcock, R. Bevir, M., and Stimson, S, 2006, Historicizing the new institutionalisms. In Modern Political Science: Anglo American Exchanges since 1880, (eds.) R. Andock, M. Bevir, and S. Stinson, NJ: Princeton University Press
2. Ansari, Mahmood, Tribal Economies in Assam: A Study of Northeastern India, MPRA Paper No. 51890, available at https://mpra.ub.uni-muenchen.de/51890/.
3. Britannica, India. Vol.6, Encyclopaedia Britannica Private Ltd, New Delhi, pp. 145-155.
4. Beteille, Andre, "The concept of tribe with special reference to India", European Journal of Sociology, Vol. 27, No. 2, 1986, and pp: 297-318.
5. Judd, Charles. H, "The Nature of Social Institustions", Social Forces, Vol. 10, No. 1, 1931, pp: 1-4.
6. S, Clegg. 1990. Modern Organisations: Organisation Studies in a Postmodern World, London: Sage
7. Shah, A.M., 1998, Family in India: Critical Essays. Hyderabad: Orient Longman.
8. Singh, Yogendra, 1993, Social Change in India: Crisis and Resilience, New Delhi: Har-Anand Publications.

9. Uberoi, Patricia, 1994, Family Kinship and Marriage in India, Calcutt: OUP.



৫.১২ অগ্ৰগতি খতিয়ান

[1] প্ৰতিষ্ঠানসমূহে ব্যক্তিবিশেষৰ ওপৰত বাধা আৰোপ কৰে আৰু তেওঁলোকক বিভিন্ন সা-সুবিধাও প্ৰদান কৰে।

[2] জনাথান টাৰ্নাৰ (Jonathan Turner) সামাজিক প্ৰতিষ্ঠানক বৰ্ণনা কৰে- "এটা নিৰ্দিষ্ট পৰিবেশত জীৱন-নিৰ্বাহৰ সংস্থানসমূহৰ উৎপাদন, বংশবৃদ্ধি আৰু প্ৰয়োগসাধ্য সামাজিক গঠন চলাই যোৱাত হোৱা মৌলিক সমস্যাসমূহৰ সম্পৰ্কে এক বিশেষ প্ৰকাৰৰ সামাজিক গঠন আৰু মানৱীয় কাৰ্যৰ তুলনামূলকভাৱে স্থিৰ পদ্ধতিসমূহত স্থাপিত পদ, ভূমিকা, নিয়ম আৰু মূল্যৰ জোট।"

[3] এনথনি গিডেনসে উল্লেখ কৰে যে "সূত্ৰৰ দ্বাৰা প্ৰতিষ্ঠানসমূহ হৈছে সামাজিক জীৱনৰ স্থায়ী বৈশিষ্ট্য।"

[4] কাৰ্যকাৰিতাবাদী এজনৰ মতে সামাজিক প্ৰতিষ্ঠানসমূহক সামাজিক নিয়ম, বিশ্বাস, মূল্য আৰু সম্পৰ্কীয় ভূমিকাৰ এটা জটিল গোট বুলি বুজে যিটো সমাজৰ প্ৰয়োজনৰ তাগিদাত উদয় হয়।

[5] সামাজিক প্ৰতিষ্ঠান তিনিটা দিশৰ দ্বাৰা গঠিত- গঠন, কাৰ্য আৰু সংস্কৃতি।

[6] পৰিয়ালক আটাইতকৈ "সহজাত" সামাজিক সত্তা বুলি অভিহিত কৰিব পাৰি।

[7] কাৰ্যকাৰিতাবাদীসকলৰ মতে পৰিয়ালে গুৰুত্বপূৰ্ণ কামসমূহ সম্পাদন কৰে আৰু সমাজৰ মৌলিক প্ৰয়োজনসমূহ আগবঢ়ায় আৰু সমাজিক শৃঙ্খলা ধৰি ৰখাত সহায় কৰে।

[8] সমাজ শাস্ত্ৰবিদ এ.এম. শ্বাহ মন্তব্য কৰে যে স্বাধীনোত্তৰ কালছোৱাত যৌথ পৰিয়ালৰ সংখ্যা লাহে লাহে বৃদ্ধি পাইছে। তেওঁৰ মতে ইয়াত বৰঙণি যোগোৱা কাৰকটো হৈছে যে ভাৰতত মানুহৰ আয়ুস বাঢ়িছে।

[9] পিতৃপ্ৰধান সমাজত মানুহজনে কৰ্তৃত্ব আৰু প্ৰাধান্য দেখুৱায় আৰু মাতৃপ্ৰধান সমাজত মহিলাগৰাকীয়ে পৰিয়ালত সিদ্ধান্ত-গঠন প্ৰক্ৰিয়াত প্ৰধান ভূমিকা লয়।

[10] প্ৰকৃতাৰ্থত বিবাহৰ পদ্ধতিটোয়ে আশ্চৰ্যজনক পৃথক পৃথক প্ৰথা আৰু ৰীতি-নীতি উদঙাই দেখুৱায়।

[11] একবিবাহে যিকোনো ব্যক্তি এজনক এসময়ত এজন সঙ্গীৰ মাজতে সীমাবদ্ধ কৰি ৰাখে য'ত বহুবিবাহত এজন ব্যক্তিৰ এজনতকৈ বেছি সঙ্গী থাকিব পাৰে।

[12] বহুতো সমাজত, ব্যক্তি এজনক তেওঁৰ পতি নাইবা পত্নীৰ মৃত্যুৰ পিছত নাইবা নিজৰ পতি নাইবা পত্নীৰ লগত বিচ্ছেদ হোৱাৰ পিছত আকৌ বিবাহপাশত আৱদ্ধ হ'বলৈ অনুমতি দিয়া হয়। এনেকুৱা একগামী বিবাহ পদ্ধতিক ধাৰাবাহিক একবিবাহ বুলি অভিহিত কৰিব পাৰি।

[13] অন্তর্বিবাহ আৰু অসবর্ণ বিবাহ কিছুমান বিশেষ সম্পর্কীয় গোটৰ প্ৰসঙ্গত যেনে- বংশ, জাতি নাইবা জাতিগত, পৌত্তলিক নাইবা ধর্মীয় গোট।

[14] পৰিয়াল হৈছে আত্মিক সম্পর্কৰ যোগসূত্রেৰে বান্ধ খাই থকা কিছুমান মানুহৰ সমষ্টি।

[15] আত্মীয় সম্পর্কৰ যোগসূত্র হৈছে মানুহৰ মাজত গড় লৈ উঠা সম্বন্ধ নাইবা সম্পর্ক যিটো বিবাহ নাইবা বংশসূত্রে স্থাপিত হয়।

[16] জন্মসূত্রে যিটো পৰিয়াল হয় তাক আধাৰ পৰিয়াল আৰু যি পৰিয়ালত এজন ব্যক্তিৰ বিয়া হয় তাক জনন পৰিয়াল বুলি কোৱা হয়।

[17] তেজৰ সূত্রে সম্পর্ক স্থাপন হোৱা সম্পর্কীয় মানুহবিলাকক গোত্রৰ সম্পর্কীয় বুলি কোৱা হয় আৰু বিবাহৰ সূত্রে সম্বন্ধ স্থাপন হোৱা সম্পর্কীয় মানুহবিলাকক এফিনছ বুলি কোৱা হয়।

[18] সকলোবোৰ ধর্মৰে কিছুমান বিশেষ বৈশিষ্ট্য আছে যেনে প্রতীক, ধর্মীয় ক্রিয়া-কলাপ নাইবা উৎসৱ-পার্বনৰ এটা সংহতি; ধর্মীয় বিশ্বাসৰ এটা সম্প্রদায় ইত্যাদি।

[19] ৰাজনীতি আৰু ক্ষমতাৰ সৈতে ধর্মৰ এটা অতি নিকট সম্পর্ক আছে।

[20] ৰাজনৈতিক প্রতিষ্ঠানসমূহে সমাজত ক্ষমতাৰ বিতৰণৰ সৈতে জড়িত।

[21] যেতিয়া ৰাজনৈতিক প্রতিষ্ঠানসমূহৰ বিশ্লেষণ কৰা হয় তেতিয়া ক্ষমতা আৰু কর্তৃত্ব সবাতোকৈ গুৰুত্বপূর্ণ কথা।

[22] এখন সমাজৰ নাইবা সংস্কৃতিৰ ভিতৰৰ সুপ্রতিষ্ঠিত গঠন নাইবা ব্যৱস্থা বুলি অর্থনৈতিক প্রতিষ্ঠানসমূহক অভিহিত কৰিব পাৰি। উদাহৰণস্বৰূপে, সম্পত্তিৰ অধিকাৰৰ কাৰণে বিশেষ পদ্ধতি, প্রথাগত উপহাৰ দিয়া ইত্যাদি।

[23] এটা সম্প্রদায়ৰ জীৱনধাৰণৰ প্রয়োজনসমূহ যোগান ধৰিবলৈ বুলি অর্থনৈতিক প্রতিষ্ঠানসমূহ বুলি ক'ব পাৰি।

[24] ছাহলিনে জনজাতিক বর্ণনা কৰে, "বিভিন্ন অংশ একেলগ হোৱা এটা সংঘ। কেইটামান সমপর্য্যায়ৰ, অনির্ধাৰিত বহুপৰিয়ালৰ গোটৰ দ্বাৰা ই গঠিত য'ত প্রত্যেকটো পৰিয়াল

ইটো আনটোৰ হুবহু নকলঃ জনজাতি এটা হৈছে সমপৰ্য্যায়ৰ সম্পৰ্কীয় মানুহৰ সংযোজিত গোটৰ স্তুপ।"

[25] আন্দ্রে বেটিলিৰ মতে, জনজাতি এটা অতি উত্তমভাৱে বৰ্ণনা কৰা যাব পাৰে যে বিভিন্ন অংশ সংযোজিত হোৱা এটা পদ্ধতি য'ত এটা বিশেষ প্ৰকাৰৰ বংশৰ পদ্ধতি আৰু বংশীয় গঠনৰ অস্তিত্ব বিৰাজ কৰে, যিটো আৰবীয়সকলৰ মাজত আটাইতকৈ বেছি সম্পূৰ্ণভাৱে বিকাশ লাভ কৰিছে, যি কি নহওঁক উপ-ছাহাৰা আফ্রিকা আৰু বাহিৰৰ ঠাইতো এনেকুৱা জনজাতি দেখা যায়।

[26] জনজাতীয় সমাজসমূহ বেছিভাগ ৰৰকৈ নিজ জাতিকেন্দ্রিক।

[27] ডেভিদ মেনদেলবউমে আঙুলিয়াই দেখু�ৱায় যে জনজাতীয় সমাজত আত্মিক সম্পৰ্কৰ ভিত্তিত মূখ্য সংযোগ স্থাপন হয়।

[28] মেঘালয় ৰাজ্যখন তিনিটা মাতৃবংশীয় জনজাতিৰ ঘৰ। সেইবিলাক হৈছে খাচী, জয়ন্তীয়া আৰু গাৰো।

[29] খাচীসকলক আৰু চাৰিটা উপজাতিত বিভক্ত কৰা হৈছে।

[30] খাচী পৰিয়ালত থকা আটাইতকৈ সৰু ছোৱালীজনী সম্পত্তিৰ অধিকাৰী হয় যাক কা খাদুহ বুলিও কোৱা হয়।

[31] খাচীসকলে বংশ, বাস আৰু উত্তৰাধিকাৰৰ মাতৃবংশীয় নীতি অনুসৰণ কৰে।

[32] মাতৃবংশীয় নীতিৰ আধাৰত সমাজত আটাইতকৈ বিশাল ভাগ হৈছে 'কুৰ' নাইবা উপজাতি।

[33] খাচী 'ঈঙ্গ' বা পৰিয়াল খাচী আত্মীয়তাৰ মাজত আটাইতকৈ গুৰুত্বপূৰ্ণ গোট হিচাপে উত্থান লাভ কৰিছে।

[34] উত্তৰ পূৱ ভাৰতীয় জনজাতীসমূহৰ মাজত গাৰো জনজাতি হৈছে এটা বিশাল জনজাতি।

[35] এইদৰে গাৰো সকলৰ মাজত বংশৰ অন্তৰ্ভুক্তি মাকৰ ওপৰত ভিত্তি কৰি নির্ধাৰিত কৰা হয়।

[36] মাতৃস্থানীয় পদ্ধতিত পদ্ধতিত স্থাবৰ আৰু অস্থাবৰ সম্পত্তি উত্তৰাধিকাৰপ্রাপ্তিৰ অধিকাৰ মহিলাগৰাকীৰ হস্তগত হয়।

[37] খাচী পৰিয়ালত সম্পত্তি আৰু টকাৰ প্রধান (মূখ্য) অধিকাৰী তিৰোতা বুলি বিবেচনা কৰা হয়।

[38] ৰাভাসকলৰ মাজত সম্বন্ধীয় মানুহৰ সাত স্তৰলৈকে বিবাহৰ সম্পৰ্ক নিষিদ্ধ কৰা হৈছে।

[39] লালুঙ সকলৰ মাজত দুই ধৰণৰ বংশ দেখা যায়। ইয়াৰ এটা বংশ প্ৰকৃত মাকৰ পৰা উদ্ভৱ হোৱা সাৰ্বজনীন বংশৰ ফালৰ ভিত্তিত হয় আৰু আনটো আকাৰ আঞ্চলিক দলৰ ফালৰ পৰা গঠন হয় যিটো সাধাৰণতে মুখীয়াল নাইবা বিশাল গাওঁৰ দলৈৰ নেতৃত্বত গঠিত হয়।

[40] ডিমাছা জনজাতিয়ে দুটা বংশৰ আনুগত্যতা মানি চলে, প্ৰাথমিক অন্তৰ্ভুক্তিকৰণ হয় পিতৃবংশত(ছেংফং) আৰু দ্বিতীয় অন্তৰ্ভুক্তিকৰণ হয় মাতৃবংশত (জাদ্দি)।

[41] ডিমাছাসকলৰ মাজত দেউতাকৰ সম্পত্তি (স্থাবৰ আৰু অস্থাবৰ দুয়ো) পুতেকসকলে সমভাৱে অধিকাৰ কৰে।

[42] মিজো জনজাতিসমূহৰ মাজত, বিবাহত টকা প্ৰদান কৰাৰ প্ৰথাৰ পাদুৰ্ভাৰ আছে, যিয়ে কইনাৰ পৰিয়াললৈ এটা বিশেষ পৰিমাণৰ টকা আদায় দিয়াৰ ব্যৱস্থা কৰে।

[43] মিজোসকলৰ ছয় প্ৰকাৰৰ বিবাহ পদ্ধতি আছে। সেইবোৰ হৈছে-

(ক) লুংভাৰ (খ) লুখুং (গ) ট্লৈনডাম (ঘ) ৰিয়াভূক থিংফ'ম

(ঙ) ট'নছাব'প (চ) ফেন

[44] মণিপুৰৰ যৌ জনজাতিয়েও এনেকুৱা নিয়ম মানি চলে যাক কইনাৰ দৰ বুলি অভিহিত কৰিব পাৰি।

[45] যৌ সকলে সাধাৰণতে তেওঁলোকৰ বংশৰ বাহিৰত বিয়া কৰা পছন্দ কৰে (বংশ অসবৰ্ণ বিবাহ) আৰু তেওঁলোকৰ জনজাতিৰ ভিতৰত বিয়া কৰাটো পছন্দ কৰে (জাতি অন্তৰ্বিবাহ)।

[46] সাধাৰণতে এইটো দেখা যায় যে যৌ জনজাতিৰ পৰম্পৰাগত বিবাহ পদ্ধতি নিয়ন্ত্ৰিত হয় হয়তো

(ক) টং মউ (পাতি দিয়া বিবাহ)ৰ দ্বাৰা।

(খ) নেইলা (সম্পৰ্কীয়া তীৰ্যক ভাই-ভনীৰ বিবাহ) ৰ দ্বাৰা।

(গ) পলাইকৰা বিয়াৰ দ্বাৰা।

ওপৰৰ (ক) আৰু (খ) বিবাহ পদ্ধতি আনুষ্ঠানিক কাৰ্যপ্ৰণালীৰে বিবাহৰ কাৰ্য সম্পাদন কৰে যাৰ অবিহনে কোনো বিয়াৰ অনুমতি নাই।

[47] অৰুণাচল প্ৰদেশত বিবাহৰ তিনি ধৰণৰ স্পষ্ট গঠন আছে যিবিলাক সমাজত পালন কৰা হয়। প্ৰথম প্ৰকাৰত বিবাহ কাৰ্য বুজা-পৰা নাইবা আলাপ-আলোচনা নাইবা আৰ লং আৰ ৰ জৰিয়তে সম্পাদন কৰা হয়। দ্বিতীয় আৰু তৃতীয় প্ৰকাৰৰ বিবাহ কাৰ্য ক্ৰমে

পলায়ন নাই থোক নো হো চাই ৰ দ্বাৰা কৰা বিবাহ আৰু ধৰি আনি কৰা বিবাহ নাইবা আন শিঅ আৰ।

[48] অৰুণাচল প্ৰদেশত বন্দোৱস্ত আকাৰৰ বিবাহ এজন মধ্যস্থতাকাৰীৰ দ্বাৰা তত্ত্বাৱধায়ন কৰা হয় যাক চৌ পাচাউ বুলি কোৱা হয়।

[49] অৰুণাচল প্ৰদেশত দৰা আৰু কইনাৰ আনুষ্ঠানিক বিবাহ হিচাপে হেইজাপ'ট অনুষ্ঠানে বুজায়।

[50] কন্যাক মুখীয়ালসকলৰ বাহিৰে একে বংশৰ জনজাতিবিলাকে বিবাহত নোসোমায়।

[51] কৃষি হৈছে খাচীসকলৰ প্ৰধান জীৱন নিৰ্বাহৰ কাৰ্য্য।

[52] কৃষিৰ কাৰণে খাচীসকলে ব্যৱহাৰ কৰা চাৰি প্ৰকাৰৰ ভূমি হৈছে- হাবি; সেমেকা ধাননি পথাৰ (হালি নাইবা পিনথ'ৰ), ঘৰৰ ভিটামাটি (কা'ডিউ কাইপেৰ); আৰু ওখ ঘাঁহনি পথাৰ (কা ৰি লুম নাইবা কা ৰি ফ্লাং)।

[53] খাচীসকলৰ পূৰ্বপুৰুষৰ মাটি মহিলাৰ অধিকৃত হয়।

[54] তিনি ধৰণৰ আইনৰ বিধি যাৰ আধাৰত গাৰো সমাজৰ শাসন চলে সেয়া হৈছে- আছিমালজা, দাকমালজা, আৰু নিমা।

[55] প্ৰত্যেক গাৰো পৰিয়াল এটা স্বয়ংসম্পূৰ্ণ অৰ্থনৈতিক গোট হিচাপে কাম কৰে।

[56] মণিপুৰত চঙ্মা টা অনুসূচিত জনজাতি আছে।

[57] ফাকাইল জনজাতিৰ মাজত কিছুমান উপ-জাতি আছে যেনে, থেমাঙ, মান, হাই থুমটেন ইত্যাদি।



৫.১৩ আৰ্হি প্ৰশ্ন

[1] সামাজিক প্ৰতিষ্ঠান হিচাপে পৰিয়ালৰ ওপৰত এটি টোকা লিখক।

[2] মাতৃবংশীয় আৰু মাতৃপ্ৰধান পৰিয়ালৰ মাজৰ পাৰ্থক্য ব্যাখ্যা কৰক।

[3] সামাজিক প্ৰতিষ্ঠান হিচাপে ধৰ্মক ব্যাখ্যা কৰক।

[4] বিবাহৰ প্ৰতিষ্ঠানৰ ওপৰত এটি টোকা লিখক।

[5] মেঘালয়ৰ খাচী আৰু গাৰো জনজাতিৰ পৰিয়াল ব্যৱস্থা আৰু বিবাহৰ প্ৰকাৰসমূহ বৰ্ণনা কৰক।

[6] মিজোসকলৰ মাজত পালন কৰা বিয়াৰ প্ৰকাৰসমূহৰ বৰ্ণনা কৰক।

[7] খাচীসকলৰ অৰ্থব্যৱস্থাৰ ওপৰত এটি টোকা লিখক।

*** ***** ***

অধ্যায়- ৬ ঃ উত্তৰ-পূব ভাৰত আৰু প্ৰব্ৰজন

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ ঔপনিৱেশিক কালত হোৱা প্ৰব্ৰজন
৬.৪ উত্তৰ-ঔপনিৱেশিক সময়ছোৱাৰ প্ৰব্ৰজন
৬.৫ প্ৰব্ৰজনৰ পৰিণতি
৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্ৰগতিৰ খতিয়ান
৬.৯ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- ঔপনিৱেশিক শাসকসকলৰ প্ৰব্ৰজনৰ প্ৰতি উৎসাহ প্ৰদৰ্শনৰ বিষয়ে জানিব পাৰিব
- উত্তৰ-পূব ভাৰতলৈ প্ৰব্ৰজনৰ জৰিয়তে অহা বিভিন্ন প্ৰব্ৰজনকাৰী গোটসমূহক চিনাক্তকৰণ কৰিব পাৰিব।
- উত্তৰ-ঔপনিৱেশিক সময়ছোৱাত প্ৰব্ৰজনৰ তীব্ৰতা (Intensity) সম্বন্ধে ধাৰণা লাভ কৰিব
- প্ৰব্ৰজনৰ পৰিণতি সম্বন্ধে আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

উত্তৰ-পূব ভাৰত হ'ল বিভিন্ন জাতি-জনজাতিৰ আবাসভূমি। ভৌগোলিক বিভিন্নতাৰ লগে লগে ধৰ্ম, জাতি, ভাষা আৰু সাংস্কৃতিক বিভিন্নতাৰ বাবেও এই অঞ্চল বিশেষভাৱে পৰিচিত। দেশৰ বিভিন্ন প্ৰান্ত আৰু বিদেশৰ পৰা অহা প্ৰব্ৰজনকাৰীসকলে বিভিন্ন সময়ত এই অঞ্চলত পদাৰ্পন কৰি ইয়াৰ সংস্কৃতিত উল্লেখযোগ্য অৱদান যোগাই আহিছে। বাংলাদেশ, ম্যানমাৰ, চীন, ভূটান আৰু নেপালৰ আন্তৰ্জাতিক পৰিসীমাতে অৱস্থিত উত্তৰ-পূব, ইয়াৰ ভৌগোলিক পৰিসীমাৰ বাবে প্ৰব্ৰজনৰ ক্ষেত্ৰত কেন্দ্ৰস্থল হৈ পৰিছে। দেশৰ অন্য অঞ্চলসমূহত এনে বৃহৎ আৰু অবিৰত প্ৰব্ৰজনৰ প্ৰক্ৰিয়া অতি ক্ষীণহে দেখা যায়। অসম আৰু ত্ৰিপুৰা ৰাজ্য প্ৰব্ৰজনৰ দ্বাৰা সৰ্বাধিকভাৱে পীড়িত। এই অধ্যায়ত ঔপনিৱেশিক শাসক সকলে প্ৰব্ৰজনৰ বাবে উত্তৰ-পূবৰ ৰাজ্যসমূহত কেনেদৰে পথ মুকলি কৰাত বিশেষ কাৰ্য্যপন্থা হাতত লৈছিল তাক আলোচনা

কৰা হৈছে। লগতে উত্তৰ-ঔপনিৱেশিক কাল চোৱাত প্ৰব্ৰজন কেনেদৰে সংঘটিত হৈ আহিছে তাকো আলোচনা কৰা হৈছে। এই অঞ্চলৰ সমাজ, অৰ্থনীতি আৰু ৰাজনীতিত প্ৰব্ৰজনৰ পৰিণতি সম্বন্ধেও আলোচনা কৰা হৈছে।

৬.৩ ঔপনিৱেশিক কালত হোৱা প্ৰব্ৰজন

ভাৰতৰ অন্য ঠাইসমূহৰ তুলনাত অসম বহু পলম কৈ বৃটিছ ঔপনিৱেশিকতাৰ কবললৈ আহিছিল। 1826 চনৰ ইয়াণ্ডাবু সন্ধিৰ পৰিণতি স্বৰূপে অসম বৃটিছ শাসনৰ অন্তৰ্ভুক্ত হৈছিল। বৃটিছসকলে প্ৰথমে ব্ৰহ্মপুত্ৰ, ৰবাক আৰু সুৰমা উপত্যকা অধিগ্ৰহণ কৰিছিল আৰু পিছলৈ আহোম আৰু মটক ৰজাৰ পৰা ক্ষমতা হস্তগত কৰে। কাছাৰৰ ৰাজশাসন আকৌ 1850 চনত অসমৰ লগত সংযোগ কৰে আৰু তেনেদৰে 1833 চনত খাচী পাৰ্বত্য অঞ্চল, 1835 চনত জয়ন্তীয়া পাৰ্বত্য অঞ্চল, 1869 চনত গাৰো পাৰ্বত্য অঞ্চল আৰু শেষত নগা আৰু লুচাই পাহাৰো অসমত অন্তৰ্ভুক্ত হয়।

ডফলা, আবৰ, অকা, মিচিমি আৰু অন্য জনজাতিসমূহ এই ব্যৱস্থাৰে অসমৰ বাসিন্দা হৈ পৰে (বৰ্তমান এই অধিবাসীসকল অৰুণাচল প্ৰদেশৰ অন্তৰ্ভুক্ত)।

তেনেদৰে বৃটিছসকলে প্ৰশাসনৰ আধুনিক ব্যৱস্থাৰ প্ৰৱৰ্তনৰ নিচিনা বহুতো নতুন ব্যৱস্থাৰ আৰম্ভণি ঘটাইছিল। নতুন ভূমি ৰাজহ আৰু কৰ ব্যৱস্থাৰ প্ৰৱৰ্তনো বিশেষ উল্লেখযোগ্য। এই ব্যৱস্থাসমূহৰ পৰিৱৰ্তন আৰু নতুন ব্যৱস্থাৰ প্ৰচলনে উত্তৰ-পূব অঞ্চলৰ প্ৰশাসন ব্যৱস্থালৈ আমূল পৰিৱৰ্তন আনিছিল। প্ৰশাসনীয় ব্যৱস্থা, ভূমি ৰাজহ নীতিৰ পৰিৱৰ্তনৰ লগে লগে বৃটিছ শাসকসকলে ৰাজ্যৰ বাহিৰৰ পৰা প্ৰব্ৰজনৰ পথ প্ৰশস্থ কৰি এই অঞ্চলৰ আৰ্থ-সামাজিক আৰু জনসাংখ্যিক (Demographic) গঠনশৈলীতো প্ৰভূত পৰিৱৰ্তন আনিছিল। অৱশ্যে এইটোও সত্য নহয় যে অসমভূমিৰ প্ৰব্ৰজন কেৱল বৃটিছ উপনিৱেশৰ সময়ৰ পৰাই আৰম্ভ হৈছিল। ইতিহাসৰ সময়ৰে পৰাই বিভিন্ন সময়ত, বিভিন্ন ক্ষেত্ৰৰ পৰা এই অঞ্চললৈ প্ৰব্ৰজনৰ সোত বৈছিল। 1228 খ্ৰীঃত আহোমসকলেও বাৰ্মাৰ পাৰ্বত্য অঞ্চলৰে আহি অসমৰ পূব প্ৰান্তৰেৰে ইয়াৰ ভূমিত পদাৰ্পন কৰিছিল। আহোমসকলে অসমৰ ভূমিত থিতাপি লৈ ব্ৰহ্মপুত্ৰ উপত্যকাত নিজৰ প্ৰভূত্ব স্থাপন কৰিছিল। প্ৰথম অৱস্থাত আহোমসকলে ইয়াৰ মূল নিবাসী (Native) সকলৰ প্ৰত্যাহ্বানৰ মুখা-মুখী হৈছিল যদিও শেষত আহোমসকলে ইয়াত নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰি নিজস্ব ক্ষমতা প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। স্থানীয় নিবাসীসকলৰ লগত আহোমসকলে সৌহাৰ্দ্য স্থাপন কৰিবলৈ সক্ষম হৈছিল আৰু স্থানীয় ৰীতি-নীতি গ্ৰহণ আৰু ইয়াৰ পালন কৰিছিল। ভাষাৰ ব্যৱহাৰৰ উপৰিও স্থানীয় লোকসকলৰ লগত বৈবাহিক সম্বন্ধ স্থাপনও কৰিছিল। ষষ্ঠদশ শতিকাৰ পৰাই হিন্দুত্ববাদৰ গ্ৰহণ আৰু পৰিৱৰ্তন সংঘটিত হ'ব ধৰিছিল। ইয়েই আহোম সাম্ৰাজ্যৰ প্ৰসাৰণ কৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিম প্ৰান্ত স্পৰ্শ কৰিছিল। আহোমসকলৰ নিচিনাকৈ ব্ৰাহ্মণসকলো এই অঞ্চললৈ কনৌজৰ পৰা প্ৰব্ৰজন কৰা বুলি বিশ্বাস কৰা হয়। সেয়েহে দেখা যায় যে প্ৰব্ৰজন এক সদ্য সংঘটিত (recent phenomenon) বা সম্পূৰ্ণভাৱে বৃটিছ ঔপনিৱেশিকতা ঘটিত

ঘটনা নহয়, বৰং ই ইতিহাসৰ সময়ৰ পৰা সংঘটিত হৈ আহিছে যদিও ইয়াৰ ধাৰা সেইসময় চোৱাত অতি ক্ষীণ গতিত হৈছিল।

ঔপনিৱেশিক শাসকসকলৰ আগমন আৰু তেওঁলোকৰ উচ্চ ৰাজহ বা আয় উৎপাদনৰ লক্ষ্যই এই অঞ্চললৈ প্ৰব্ৰজনৰ সোঁত তীব্ৰ কৰিছিল। ঔপনিৱেশিক শাসকসকলৰ পদাৰ্পনৰ আগতে, অসমৰ জনসংখ্যাৰ হাৰ সেৱেঙা আছিল আৰু প্ৰচুৰ পৰিমাণে অব্যৱহৃত ভূমি সম্পদৰ পৰা অৰ্থ-আহৰণৰ সোণালী সুযোগ গ্ৰহণ কৰিছিল আৰু প্ৰব্ৰজনকাৰীসকলক এই অঞ্চললৈ অহাৰ আৰু কাম কৰাৰ সুবিধা প্ৰদানেৰে নিজস্ব অৰ্থ-ভৰাল চহকী কৰিছিল। এই উত্তৰ-পূব অঞ্চলৰ অসম ৰাজ্য চাহ উৎপাদনৰ বাবে বিশেষভাৱে উপযোগী আছিল আৰু এই আৱিষ্কাৰে অসমৰ আৰ্থ-সামাজিক পটভূমিলৈ মহত্বপূৰ্ণ পৰিৱৰ্তন আনিছিল। চাহ উদ্যোগ স্থাপনৰ উদ্দেশ্য আৰু ইয়াৰ বহল ভিত্তিক উৎপাদনৰ স্বাৰ্থত বৃটিছসকলে অৰ্থ নিয়োগ কৰিছিল। হাবি-বননি কাটি চাহ উদ্যোগৰ বাবে বাগিচা স্থাপন কৰা হৈছিল। চাহ বাগিছাত প্ৰয়োজন হোৱা শ্ৰমিকৰ অভাৱ দূৰ কৰিবলৈ বৃটিছসকলে ৰাজ্যৰ বাহিৰৰ পৰা শ্ৰমিক আমদানি কৰি আনিবলগীয়া হৈছিল। কিয়নো, স্থানীয় লোকসকলে বৃটিছৰ দ্বাৰা স্থাপিত চাহ বাগিছাত কাম কৰিবলৈ সন্মত হোৱা নাছিল। অসমলৈ বৃটিছ শাসন কালচোৱাত প্ৰব্ৰজনৰ প্ৰধান কাৰণ হ'ল চাহ বাগিছাত শ্ৰমিকৰ চাহিদা। চাহ বাগিছাৰ শ্ৰমিক হিচাপে চণ্ডাল, মুণ্ডা, ওৰাং, কাৰী, গণ্ড আৰু অন্যান্য আদিবাসী লোকসকলক উৰিষ্যা, বিহাৰৰ পৰা অনা হৈছিল। যদিও তেওঁলোক স্বেচ্ছামূলক ভাৱে অহা নাছিল, বৰং বলপূৰ্বক ভাৱে এক নিৰ্ধাৰিত সময়ৰ বাবেহে বৃটিছ শাসকসকলে তেওঁলোকক লৈ আহিছিল। অৱশ্যে, নিৰ্ধাৰিত সময়সীমা উকলি যোৱাৰ পিছতও এই শ্ৰমিকসকলে চাহবাগিচাৰ শ্ৰমিক হিচাপে থাকিবলৈ বাধ্য হৈছিল, কিয়নো গৃহলৈ উভতি যাব পৰাকৈ এই শ্ৰমিকসকলৰ কোনো অৰ্থ সম্বল নাছিল। বৰ্তমান সময়ত এই লোকসকলক চাহ জনজাতি বা আদিবাসী বুলি জনা যায়।

হিন্দু বঙালী লোকসকলক, যাক সাধাৰণতে 'বাবু' উপাধিৰে সম্বোধন কৰা হয়, এই লোকসকলও অসমলৈ পশ্চিম বংগৰ পৰা অহা পূৰ্ব-প্ৰব্ৰজনকাৰী। তেওঁলোক শিক্ষিত আছিল আৰু ইংৰাজী ভাষাৰ জ্ঞান এওঁলোকৰ আছিল। ব্যৱসায় সংক্ৰান্ত কামত তেওঁলোক অসমলৈ আহিছিল। কেৰাণী, পৰিদৰ্শক আদি পদত চৰকাৰী কাৰ্য্যালয়ত আৰু পিছলৈ চাহবাগিচাত এই লোকসকলে কাম কৰিছিল।

ইয়ালৈ অহা অন্য এটা গোট হ'ল ৰাজস্থানৰ এক ব্যৱসায়ী জাতি মাৰোৱাৰীসকল। বৃটিছসকলে অসমলৈ অহাৰ আগতেই মাৰোৱাৰীসকলে পশ্চিম অসম অঞ্চলৰ ব্যৱসায়িক উদ্যোগ আৰম্ভ কৰিছিল আৰু একচেতীয়া ভাৱে ব্যৱসায় ক্ষেত্ৰত একাধিকাৰ প্ৰতিষ্ঠা কৰিছিল যিহেতু তেওঁলোকৰ সমকক্ষ প্ৰতিযোগী ব্যৱসায়িক গোষ্ঠী সেই সময়ত নাছিল। পাছত চাহ উদ্যোগৰ প্ৰতিষ্ঠা আৰু আগ্ৰাসনে এই অঞ্চললৈ তেওঁলোকে পদাৰ্পনক অধিক উৎসাহ দিছিল। চাহ প্ৰতিষ্ঠানৰ নিকটৱৰ্তী অঞ্চলত এই লোকসকলে খাদ্য-সামগ্ৰীৰ দোকান আৰম্ভ কৰিছিল। খাদ্য সামগ্ৰী আৰু অন্যান্য দৈনন্দিন যাৱতীয় সামগ্ৰীত দোকানৰ উপৰিও স্থানীয় বাসিন্দাসকলক

সুতৰ বাবদ টকা ঋণ দিয়াৰ ব্যৱসায়ৰ সৈতেও এই লোকসকল জড়িত হৈ পৰে। মাৰোৱাৰীসকলৰ ব্যৱসায়িক ক্ষেত্ৰত একাধিপত্য বৰ্তমান সময়তো বাহাল আছে আৰু বৰ্তমান সময়তো এই অঞ্চলত মাৰোৱাৰী লোকসকলেই অগ্ৰণী ব্যৱসায়িক গোষ্ঠীৰ ক্ষমতা হস্তগত কৰি পাৰিছে।

নেপালীসকলে অসমলৈ কুৰি শতিকাত প্ৰব্ৰজন কৰিছিল আৰু আৰম্ভণি কালচোৱাৰ পৰাই গাখীৰ উৎপাদন আৰু ইয়াৰ ব্যৱসায়ৰ লগত জড়িত হৈ পৰে। নেপালী আৰু অসমীয়া লোকসকলে পৰস্পৰৰ মাজত এক সৌহাৰ্দ্যপূৰ্ণ সম্বন্ধ ৰক্ষা কৰে। 1950 চনৰ ইণ্ডো নেপালী শান্তি আৰু বন্ধুত্ব চুক্তি (Indo Nepalese Treaty of Peace and Friendship, 1950) অনুসৰি ভাৰতত বাস কৰা নেপালীসকলে ইয়াৰ অধিবাসী ভাৰতীয় সকলৰ সমপৰ্য্যায়ৰ আইনসঙ্গত অধিকাৰ ভোগ (Legal Rights) কৰিব পাৰে। এই লোকসকলে অসমত বসবাস কৰি ইয়াৰ সংস্কৃতিৰ লগত সুন্দৰভাৱে খাপ খাই পৰে আৰু ইয়াৰ ৰীতি-নীতিকো নিজৰ জীৱনৰ লগত সম্বন্ধিত কৰে। ইয়াৰ লগে লগে নেপালী লোকসকলেও অসমীয়া সমাজ আৰু সংস্কৃতিলৈ উল্লেখযোগ্য অৱদান আগবঢ়ায়।

ইয়াৰ পিছৰ কালচোৱাত "বৰ্জিত ভূমি ব্যৱস্থাপনা" নীতি (Wasteland setlement rule) ৰ অধীনত বা নীতিৰ কাৰ্য্যকৰী ক�ৰণৰ উদ্দেশ্যে বাহিৰৰ লোকক প্ৰব্ৰজনৰ বাবে উৎসাহিত কৰা হয়। বাণিজ্যিক কৃষি (Commercial agriculture) ত বিশেষ পাৰদৰ্শী পূৰ্ব বঙ্গৰ পৰা বহু লোকক এই উদ্দেশ্যে অসমৰ অব্যৱহৃত ভূমি প্ৰত্যাশী তথা ভূমিহীন মুছলিম খেতিয়কে বৃহৎ পৰিমাণত অসম ভূমিত প্ৰৱেশ কৰিছিল আৰু ৰাজ্যৰ এক বৃহৎ অঞ্চল এই লোকসকলৰ অধীন হয় আৰু ক্ৰমন্বয়ে এই দৰেই বিভিন্ন ঠাইৰ পৰা অহা প্ৰব্ৰজনকাৰীৰে অসম উভৈনদী হৈ পৰে।

ঔপনিৱেশিক শাসনৰ সময়ত প্ৰব্ৰজন প্ৰধানকৈ অসমৰ সমতল ভূমিতেই আৱদ্ধ আছিল, যিহেতু, এই অঞ্চলসমূহ প্ৰধানকৈ ব্যৱসায় কেন্দ্ৰিক আছিল। উত্তৰ-পূবৰ অন্য অঞ্চল, যেনে- মণিপুৰ, মেঘালয়, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ কিছু অংশ আৰু আনকি অসমৰ পাহাৰ অঞ্চল প্ৰব্ৰজনকাৰীসকলৰ বাবে আগ্ৰহৰ কাৰক আছিল। কিছু সংখ্যক নেপালী পশুপালকহে জীৱিকা নিৰ্বাহৰ বাবে এই ঠাইসমূহলৈ প্ৰব্ৰজন কৰিছিল। ত্ৰিপুৰা ৰাজ্য পিছে এই ক্ষেত্ৰত কিছু পৃথক আছিল। পূৰ্বৰ পূৰ্ব বংগৰ এক বুজন পৰিমাণৰ লোক স্বাধীনতাৰ বহু পূৰ্বে এই ৰাজ্যলৈ প্ৰব্ৰজন কৰিছিল। এই প্ৰব্ৰজনৰ হাৰ ইমানেই প্ৰবল যে 1931 চনত ৰাজ্যৰ মুঠ জনসংখ্যাৰ 29.8 শতাংশই প্ৰব্ৰজনকাৰী লোক হিচাপে চিহ্নিত হৈছিল।

ওপৰোক্ত আলোচনাৰ পৰা আমি বুজিব পাৰিলো যে চাহ, তেল আৰু কয়লা আদিৰ দৰে প্ৰাকৃতিক সম্পদসমূহৰ অতিৰিক্ত শোষণৰ জৰিয়তে বৃটিছসকলে এই অঞ্চল এক ভৌগোলিক অস্থিৰতাত উপনীত কৰাইছিল। বৃটিছ শাসকসকলে প্ৰব্ৰজনৰ সোঁতত অৰিহণা যোগাইছিল। ইয়াৰ দ্বাৰা তেওঁলোকৰ অৰ্থনীতি আৰু ব্যৱসায় ক্ষেত্ৰখন লাভান্বিত হৈছিল, বৃটিছ ৰাজকোষৰ ৰাজহ বৃদ্ধি হৈছিল। ৰে'ল আৰু মটৰ গাড়ীৰ পথ নিৰ্মাণৰ দ্বাৰা অৰ্থনৈতিক কেন্দ্ৰ (Economic Hub) সমূহক নিকতৱৰ্তী বন্দৰ (Port) ৰ লগত সংযোগ কৰা হৈছিল। অসমৰ ক্ষেত্ৰত ইয়াৰ

সমতলভূমিসমূহ ঔপনিৱেশকাৰীসকলৰ কাৰণে আটাইতকৈ সুবিধাজনক অঞ্চল হিচাপে চিহ্নিত হৈছিল। সম্পদশালী এই অঞ্চলসমূহ ঔপনিৱেশকাৰীসকলৰ দ্বাৰা সৰ্বাধিক ক্ষতিগ্ৰস্ত অঞ্চল আছিল। প্ৰব্ৰজনৰ হাৰ ইমানেই উচ্চ আছিল যে পৰৱৰ্তী সময়ত অসমৰ বৰপেটা আৰু অবিভাজ্য নগাৱত ইয়াৰ থলুৱা বাসিন্দা সকলৰ সংবিধানিক অধিকাৰ ৰক্ষাৰ বাবে কিছুমান পন্থা (যেনে- Line System Policy) গ্ৰহণ কৰিব লগীয়া হয়। এই অঞ্চলসমূহত প্ৰব্ৰজনৰ প্ৰচণ্ড হেঁচাৰ উদ্বেগৰ কাৰণ হিচাপে দেখা দিয়ে। বৃটিছ শাসনকৰ্তাৰ দ্বাৰা প্ৰতিষ্ঠিত আৰু পৰিচালিত ঔদ্যোগীকৰণে এই অঞ্চললৈ গম্ভীৰ ৰূপত সাংস্কৃতিক, অৰ্থনৈতিক আৰু সামাজিক পৰিৱৰ্তনৰ সূচনা কৰে। ইয়াৰ জনসাংখ্যিক ধাৰা (Demographic) ৰ ওপৰত পৰিৱৰ্তন সাধিত হয়। এই পৰিৱৰ্তনে ইয়াৰ স্থায়ী বাসিন্দা আৰু বহিৰাগতসকলৰ মাজত এক বিৰোধ ভাবৰ সূচনা কৰে, যিটো এই অঞ্চলত বৰ্তমান সময়তো প্ৰতিস্থাপিত হোৱা দেখা যায়।

জানি থওঁ ঃ



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন-1 অসম কেতিয়া বৃটিছ শাসনৰ অধীনলৈ আহিছিল?

প্ৰশ্ন-2 অসমৰ চাহখেতিত শ্ৰমিক হিচাপে কাম কৰা বাহিৰৰ ৰাজ্যৰ দুটা জনগোষ্ঠীৰ নাম উল্লেখ কৰক।

প্ৰশ্ন-3 হিন্দু-বেংগলী লোকসকলে অসমলৈ আহি জীৱিকাৰ বাবে কি বৃত্তি গ্ৰহণ কৰিছিল?

প্ৰশ্ন-4 ইণ্ডো-নেপালী শান্তি আৰু বন্ধুত্বৰ চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল?

৬.৪ উত্তৰ ঔপনিৱেশিক সময়ছোৱাৰ প্ৰব্ৰজন

স্বাধীনতাৰ পিছতো প্ৰব্ৰজনৰ গতি অক্ষুণ্ণ আছিল। স্বাধীনতাৰ প্ৰথম দশক কেইটামানত প্ৰব্ৰজনৰ গতি যথেষ্ট উদ্বেগজনক হাৰত বৃদ্ধি পাইছিল। বেছি ভাগ প্ৰব্ৰজনকাৰীয়েই পূৰ্ব-বংগ অঞ্চলৰ আছিল। অন্য কিছু সংখ্যক যেনে- বিহাৰ ৰাজ্যৰ দেছুৱালী আৰু উত্তৰ প্ৰদেশৰ পূব দিশৰ পৰা অহা লোক অসমলৈ প্ৰব্ৰজন কৰিছিল। এই লোকসকলে নিৰ্মাণ শ্ৰমিক (Construction Workers), ঠেলা-ৰিক্সা চালক, নাপিত, মুচী আদি বৃত্তি গ্ৰহণ কৰি আহিছে। প্ৰব্ৰজনৰ সোঁত পিছলৈ মাত্ৰ অসমৰ সমতল ভূমিতে আৱদ্ধ নাথাকি ই উত্তৰ-পূবৰ অন্য অঞ্চলৈকো বিয়পি পৰে।

স্বাধীনতাৰ পিছৰ কালছোৱাত অতীতৰ পূব পাকিস্তান অঞ্চলৰ পৰা চাকমা আৰু হাজং জনগোষ্ঠীৰ বৃহৎ সংখ্যক লোক উত্তৰ-পূব অঞ্চললৈ প্ৰব্ৰজন কৰে। 1960 চনৰ আগভাগত তেওঁলোকে নিজৰ গৃহভূমি ত্যাগ কৰি অসমৰ পূৰ্বৰ লুচাই পাহাৰ (বৰ্তমানৰ মিজোৰাম) জিলাৰে প্ৰৱেশ কৰে। কিছু সংখ্যক লোকে লুচাই পাহাৰ অঞ্চলত বসতি স্থাপন কৰে আৰু কিছু সংখ্যক লোকক ভাৰত চৰকাৰে নেফা (NEFA), বৰ্তমানৰ অৰুণাচল প্ৰদেশত সংস্থাপিত কৰে। তেতিয়া অৰুণাচল প্ৰদেশৰ জনসংখ্যা অতি কম আছিল। এই লোকসকলে নিজাববীয়া আশ্ৰয়স্থল লাভ

কৰে। ইয়াৰ ফলত পৰৱৰ্তী কালছোৱাত অৰুণাচল প্ৰদেশৰলৈ জনসংখ্যা তীব্ৰ গতিত বৃদ্ধি পায় আৰু প্ৰব্ৰজনকাৰী লোকৰ সংখ্যা আৰু এটা দশকৰ ভিতৰতেই দুগুণলৈ বৃদ্ধি পায়।

উত্তৰ-পূবৰ বাকী ৰাজ্য সমূহৰ তুলনাত মণিপুৰত প্ৰব্ৰজনৰ হাৰ কম, অৱশ্যে ই সম্পূৰ্ণভাৱে প্ৰব্ৰজনমুক্ত নহয়। গৃহ বিতাড়িত তামিল প্ৰব্ৰজনকাৰীসকলে মণিপুৰৰ মোৰে অঞ্চলত নিজৰ বসতি স্থাপন কৰে। এই লোকসকলৰ আগমণে 1971 চনত মুঠ প্ৰব্ৰজনকাৰীৰ সংখ্যা বৃদ্ধি কৰে।

মিজোৰাম ৰাজ্যত আকৌ চীন গোষ্ঠীৰ প্ৰব্ৰজনকাৰীয়ে আশ্ৰয় গ্ৰহণ কৰে। বাৰ্মিজ সামৰিক বাহিনী আগ্ৰাসনত অনিয়ন্ত্ৰিত ভাৱে নৃ-গোষ্ঠীক, ৰাজনৈতিক আৰু ধৰ্মীয় উৎপীড়নৰ সন্মুখীন হৈ এই লোকসকলে নিজ ভূমি ত্যাগ কৰি মিজোৰামত পদাৰ্পন কৰিবলৈ বাধ্য হয়। নিজ গৃহ-ভূমিৰ পৰা 1988–1990 চনত পলায়ন কৰি এই লোকসকলে উত্তৰ-পূবৰ নতুন অঞ্চলকেই নিজৰ বসতি স্থাপনৰ বাবে গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল।

অন্য এক প্ৰব্ৰজনকাৰী গোট হ'ল তিব্বতীয়সকল। নিজৰ গৃহভূমি ত্যাগ কৰি এই লোকসকলেও উত্তৰ-পূবত বসতি স্থাপন কৰিবলৈ লৈছিল। এই প্ৰব্ৰজনৰ আঁৰতো আছিল নিপীড়ণ।

দেশৰ বাহিৰৰ ঠাইসমূহৰ বাদেও, ভাৰতৰ অন্য ৰাজ্যৰ পৰা অহা লোকসকলেৰ দ্বাৰাও উত্তৰ-পূব অঞ্চল পৰিপূৰ্ণ হৈছিল। বিহাৰ, উৰিষ্যা, পশ্চিম বংগ, উত্তৰ প্ৰদেশ আৰু ৰাজস্থানৰ পৰা অবিৰতভাৱে মানুহৰ সোঁত উত্তৰ-পূবৰ ৰাজ্যসমূহলৈ বৈয়েই আছে। এই লোকসকলৰ সংখ্যাগত বৃদ্ধিৰ অবিৰত হাৰে উত্তৰ-পূবৰ জনসাংখ্যিক দৃশ্যপটত আমূল পৰিৱৰ্তন আনিছে। এই পৰিৱৰ্তনে স্থানীয় নিবাসীসকল, বিশেষকৈ অসমবাসীৰ মনত এক অনিশ্চয়তা আৰু দুৰ্ভাৱনাৰ সৃষ্টি কৰিছে। ইয়েই বহুত সময়ত সংঘাতৰ সৃষ্টি কৰি বহিৰাগত আৰু স্থানীয় সকলৰ মাজত বিৰোধ ভাৱৰ জন্ম দিছে। স্বাধীনতাৰ পিছৰে পৰা বৰ্তমান সময়লৈ বাংলাদেশী প্ৰব্ৰজনৰ সমস্যা এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে স্থান পাই আহিছে। অসমৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত এই প্ৰব্ৰজনৰ প্ৰচণ্ড হেচা আৰু প্ৰভাৱেই ইয়াৰ মূল কাৰণ। বাংলাদেশী অনুপ্ৰৱেশৰ বৃহৎ সমস্যাই ঐতিহাসিক অসম আন্দোলনৰ জন্মৰ মূল কাৰণ।

৬.৫ প্ৰব্ৰজনৰ পৰিণতি

ওপৰৰ আলোচনাৰ পৰা আমি গম পালো যে বিভিন্ন সময়ত, বিভিন্ন আৰ্থ-সামাজিক পটভূমি বিশিষ্ট অঞ্চলৰ পৰা, বিভিন্ন গোষ্ঠীৰ লোক এই অঞ্চললৈ আহিছিল। এতিয়াও আহি আছে। এই গোষ্ঠীসমূহৰ মাজত পাৰস্পৰিক সম্বন্ধ, মিলামিচা, সমন্বয় বা সামঞ্জস্যকৰণো ঘটিছে। সেয়েহে এই উত্তৰ-পূব অঞ্চলক এক সাংস্কৃতিক মিলন থলী (Cultural Hub) বুলিও অভিহিত কৰা হৈছে। এই মিলন থলীত প্ৰতিটো জনগোষ্ঠীয়ে নিজৰ সাংস্কৃতিক সম্পদ বিলাই দিয়াৰ লগতে নিজেও নতুনক আদৰি লৈছে। বহু ক্ষেত্ৰত এই প্ৰব্ৰজনকাৰীসকলে অঞ্চলটোৰ

অৰ্থ-ব্যৱস্থালৈও বিভিন্ন ধৰণে বৰঙণি আগবঢ়াই আহিছে। উদাহৰণস্বৰূপে- কিছু সংখ্যক প্ৰব্ৰজনকাৰী লোকে চাহ উদ্যোগত শ্ৰমদান দিয়াৰ লগতে অন্য এচামে ৰাজ্যৰ চাকৰি খণ্ডত আত্মনিয়োগ কৰিছে আৰু এই ব্যৱস্থাৰে ৰাজ্যৰ অৰ্থনীতিলৈ বৰঙণি যোগাইছে। অৰ্থনীতিৰ কিছু খণ্ড আনকি এই প্ৰব্ৰজনকাৰীৰ গোট এটাৰ দ্বাৰা একচেতীয়াভাৱে পৰিচালিত হৈও আহিছে। উদাহৰণস্বৰূপে- অসমৰ ব্যৱসায়িক খণ্ডটোৰ বেছিভাগেই মাৰোৱাৰী সকলৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ আহিছে। মুচী আৰু নাপিতসকল হ'ল আকৌ মূলতেই বিহাৰ অঞ্চলৰ লোক। এনেদৰে দেখা যায় যে প্ৰব্ৰজনকাৰী গোটৰ কিছুমান গোটে সম্পূৰ্ণভাৱে অসমৰ অৰ্থনীতিৰ এটা অংশ নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছে। ইয়েই স্থানীয় লোকৰ মনত অৰ্থনৈতিক নিৰাপত্তাহীনতা ভাৱৰ সৃষ্টি কৰে।

স্বাধীনতাৰ আগৰ আৰু পিছৰ কালছোৱাত বিভিন্ন গোটৰ বা সম্প্ৰদায়ৰ লোক এই অঞ্চলত প্ৰব্ৰজন কৰিছে। কিন্তু বাংলাদেশৰ পৰা প্ৰব্ৰজন কৰা মুছলিম লোকসকলৰ অবিৰত প্ৰব্ৰজন আৰু সংখ্যা গৰিষ্ঠতাই মুঠ প্ৰব্ৰজনকাৰীৰ পৰ্বত-প্ৰমাণ সংখ্যা গঠন কৰিছে। তেনেদৰে ভাৰতৰ অন্যান্য প্ৰান্তৰ পৰা চকৰি সংক্ৰান্তত বিভিন্ন জনে এই অঞ্চলত পদাৰ্পন কৰা দেখা গৈছে।

তদুপৰি যিহেতু অবিৰত গতিত স্বাধীনতাৰ পিছত এই উত্তৰ-পূবৰ অঞ্চল, বিশেষকৈ অসমত প্ৰব্ৰজন, বিশেষকৈ মুছমিল বাংলাদেশীসকলৰ দ্বাৰা সংঘটিত হৈ আহিছে, সেয়েহে অসমৰ স্থানীয় লোকে এই প্ৰব্ৰজনকাৰীয়ে স্থানীয় লোকৰ সংখ্য অতিক্ৰম কৰাৰ দুৰ্ভাৱনা অনুভৱ কৰে। নিৰ্দিষ্ট কিছুমান ৰাজনৈতিক সংৰক্ষণত এই বাংলাদেশী সকলে বাধাহীনভাৱে অবিৰাম গতিত এই অঞ্চললৈ প্ৰব্ৰজন কৰিয়েই আছে আৰু অসমৰ ভূমিও দখল কৰি মালিকীস্বত্ব লাভ কৰিবলৈ সক্ষম হৈছে। চৰকাৰী ভাৱে সংৰক্ষিত, বনাঞ্চল, কৃষিভূমি বা ৰাজহুৱা সম্পত্তি সকলো ক্ষেত্ৰতে বাংলাদেশী প্ৰব্ৰজনকাৰীয়ে মালিকীস্বত্ব লাভ কৰিবলৈ সক্ষম হৈছে। ইয়েই থলুৱা বাসিন্দাসকলৰ অন্তৰত অৰ্থনৈতিক আৰু সাংস্কৃতিক প্ৰভাৱহীনতা (Marginalisation) ৰ অংশই দেখা দিয়ে। এনেকুৱা পৰিস্থিতিত প্ৰব্ৰজনকাৰী আৰু স্থানীয় লোকৰ মাজত সংঘৰ্ষ আৰু শত্ৰুতা অৱশ্যম্ভাৱী। তেনেদৰে স্থানীয় আদিবাসী আৰু প্ৰব্ৰজনকাৰীসকলৰ মাজতো এনে সংঘৰ্ষ সংঘটিত হৈ আহিছে। উদাহৰণস্বৰূপে, প্ৰব্ৰজনকাৰী গোটৰ সঘন অনুপ্ৰৱেশ আৰু ভূমি দখলৰ পৰিণতিয়ে হ'ল কোকৰাঝাৰ জিলাত কিছু বছৰ আগতে সংঘটিত সাম্প্ৰদায়িক হিংসাকাণ্ড।

এই প্ৰব্ৰজনকাৰীসকলে আকৌ ৰাজ্যৰ ৰাজনৈতিক ক্ষেত্ৰতো উল্লেখযোগ্য ভূমিকা লোৱা দেখা গৈছে। স্থানীয় অধিবাসীসকলৰ কাৰণে ইও এক শংকাৰ কাৰণ কিয়নো প্ৰব্ৰজনকাৰীসকলৰ ৰাজনৈতিক ভূমিকা স্থানীয় বাসিন্দাসকলৰ আগ্ৰহ আৰু স্বাৰ্থৰ পৰিপন্থী হোৱাৰ সম্ভাৱনাই বেছি।

গতিকে দেখা গ'ল যে, প্ৰব্ৰজনৰ ফলত ৰাজ্যত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন সংঘটন হয়। জনসাংখ্যিক সংৰচনাই প্ৰায় প্ৰতি দশকতেই নতুন দিশ নিৰ্ণয় কৰে। যিহেতু ইতিমধ্যে সংস্থাপিত গোটসমূহৰ পৰা নতুন গোটৰ জন্ম হয় আৰু ৰাজ্যত এক নতুন জনসাংখ্যিক নক্সাৰ আবিৰ্ভাৱ হয়। স্থানীয় লোকসকলৰ ক্ষেত্ৰত দেখা যায় যে, প্ৰব্ৰজনকাৰীসকলৰ প্ৰতি সহনশীলতা আৰু গ্ৰহণযোগ্যতাও সকলো ক্ষেত্ৰতে একে নহয়। প্ৰথম অৱস্থাত পূৰ্ব বংগৰ পৰা প্ৰব্ৰজন কৰা হিন্দু-

বঙালী সকলৰ প্ৰতি ৰাজ্যবাসীৰ মনোভাৱ আছিল কঠোৰ। স্বাধীনতাৰ পিছত বাংলাদেশৰ পৰা অহা মুছলিম প্ৰব্ৰজনকাৰীসকলৰ সংখ্যাধিক্যই ৰাজ্যত সংঘাত আৰু শংকাৰ জন্ম দিছে।

অৱশেষত এই কথাও স্বীকাৰ্য্য যে, প্ৰব্ৰজন বহু সমস্যাৰ কাৰণ হ'লেও, এই অসমভূমি এই গৃহহীন প্ৰব্ৰজনকাৰী গোটসমূহৰ আশ্ৰয় গৃহৰ ভূমিকা পালন কৰি আহিছে। এই আশ্ৰয় গ্ৰহণকাৰী জাতি-উপজাতিসমূহেও নিজৰ কৃষ্টি-সংস্কৃতি বিলাই দি অসমভূমিৰ গৰিমা বৃদ্ধি কৰিছে।



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উত্তৰ-পব ভাৰত হ'ল বিভিন্ন জাতি-উপজাতিৰ নিবাসস্থান। দেশৰ বিভিন্ন অঞ্চলৰ, বিভিন্ন গোটৰ মানুহ ভিন্ ভিন্ সময়ত এই অঞ্চলত প্ৰৱেশ কৰিছে আৰু ইয়েই অঞ্চলটোৰ সাংস্কৃতিক বিভিন্নতাত অৰিহণা যোগাইছে।
- বাংলাদেশ, ম্যানমাৰ, চীন, ভূটান আৰু নেপালৰ আন্তৰ্জাতিক পৰিসীমাত অৱস্থিত উত্তৰ-পূব, ইয়াৰ ভৌগোলিক অৱস্থানৰ বাবে প্ৰব্ৰজনৰ বাবে কেন্দ্ৰীয় স্থল হৈ পৰিছে।
- অসম আৰু ত্ৰিপুৰা ৰাজ্য প্ৰব্ৰজনৰ ক্ষেত্ৰত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত ৰাজ্য।
- বৃটিছ শাসন ব্যৱস্থাই উত্তৰ-পূব ৰাজ্যসমূহলৈও প্ৰভূত পৰিৱৰ্তন আনিছিল। যেনে- প্ৰশাসনৰ আধুনিক পদ্ধতিৰ প্ৰৱৰ্তন, ভূমি ৰাজহ ব্যৱস্থাৰ নতুন পদ্ধতি আৰু কৰ ব্যৱস্থাৰ আধুনিকীকৰণ আদি। ঔপনিৱেশিক শাসন ব্যৱস্থাই অঞ্চলৰ বাহিৰৰ লোকৰ প্ৰব্ৰজনৰ পথ মুকলি কৰি আৰু সংস্থাপনৰ সুবিধা প্ৰদান কৰিছিল। ইয়েই এই অঞ্চলৰ আৰ্থ-সামাজিক ব্যৱস্থা আৰু জনসংখ্যিক অৱস্থানত বৃহৎ পৰিৱৰ্তন।
- অৱশ্যে, বৃটিছ শাসন ব্যৱস্থাই যে মাথো প্ৰব্ৰজনৰ সুবিধা প্ৰদান কৰিছিল এনে নহয়। ঐতিহাসিক সময়ৰে পৰাই বিভিন্ন সময়ত ভিন্ ভিন্ অঞ্চলৰ পৰা লোক আহি এই অঞ্চলত বাস কৰা আৰম্ভ কৰিছিল। অৱশ্যে সেই সময়ত প্ৰব্ৰজনৰ হাৰ অতি নিম্ন আছিল। বৃটিছ উপনিৱেশকাৰীসকলৰ আগমন আৰু উচ্চহাৰৰ ৰাজহ সংগ্ৰহৰ লক্ষ্যই এই অঞ্চলত অনুপ্ৰৱেশকাৰীৰ সংখ্যা বৃদ্ধিত অৰিহণা যোগাইছিল।
- ঔপনিৱেশিৰ কালছোৱাত বিভিন্ন জাতি-গোষ্ঠীৰ লোক ৰাজ্যৰ বাহিৰৰ পৰা এই অঞ্চলৰ চাহ-বাগিছা, প্ৰশাসন, কৃষি আৰু অন্য খণ্ডত জীৱিকা-নিৰ্বাহৰ বাবে আহিছিল। প্ৰৱল হাৰত সংঘটিত প্ৰব্ৰজনে অঞ্চলটোৰ জনসাংখ্যিক গাঠনিৰ লগতে ইয়াৰ আৰ্থ-সামাজিক ব্যৱস্থাতো প্ৰভুত পৰিৱৰ্তন আনিছিল।
- প্ৰব্ৰজন প্ৰক্ৰিয়া অৱশ্যে কেৱল বৃটিছ শাসন কালছোৱাত সংঘটিত হৈছিল যে এনে নহয়। স্বাধীনতাৰ পিছত আনকি বৰ্তমান সময়তো প্ৰব্ৰজনৰ হাৰ অক্ষুণ্ণ আছে।

- আমি জানো যে বৃটিছ শাসনৰ পৰৱৰ্তী সময়তো বাংলাদেশৰ পৰা অহৰহ গতিত প্ৰব্ৰজনকাৰী অসমলৈ আহি আছে আৰু ইয়েই এই অঞ্চলৰ স্থানীয় নিবাসী সকললৈ সংঘাত আৰু শংকা কঢ়িয়াই আনিছে।
- বৃটিছ শাসনৰ সময়ছোৱাত প্ৰব্ৰজন অসমৰ সমতল ভূমিতেই আৱদ্ধ আছিল কিয়নো এই অঞ্চলেই বৃটিছসকলৰ ব্যৱসায়ৰ মূল কেন্দ্ৰ আছিল।
- উত্তৰ-পূবৰ অন্য অঞ্চলসমূহ যেনে- মণিপুৰ, মেঘালয়, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ কিছু অঞ্চল আৰু অসমৰ পাৰ্বত্য অঞ্চল বহুদিনলৈ প্ৰব্ৰজনৰ ক্ষেত্ৰত গুৰুত্বহীন আছিল। নেপালী পশুপালক কিছু সংখ্যকে মাথো জীৱন নিৰ্বাহৰ বাবে এই ঠাইসমূহ নিৰ্বাচন কৰিছিল।
- ত্ৰিপুৰা ৰাজ্যত প্ৰব্ৰজনৰ সোঁত প্ৰৱলভাৱে দেখা হৈছিল। পূব-বঙ্গৰ পৰা অহা ব্যাপক হাৰৰ লোকে স্বাধীনতাৰ আগৰে পৰাই ইয়াত খোপনি পুতিছিল।
- বৃটিছ উপনিৱেশৰ পিছৰ কালছোৱাতো প্ৰব্ৰজন এক বিৰাহহীন প্ৰক্ৰিয়া হিচাপে উত্তৰ-পূব অঞ্চলত সংঘটিত হৈছিল। বিশেষভাৱে, বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ সংখ্যাধিক্যই স্থানীয় নিবাসীসকলৰ অন্তৰত আৰ্থ-সামাজিক-ধাৰ্মিক ক্ষতিৰ সম্ভাৱনা জগাই তুলিছিল। ই বৰ্তমানো বাহাল আছে।
- নিৰ্দিষ্ট কিছুমান ৰাজনৈতিক দলৰ সংৰক্ষণত এই বাংলাদেশীসকলে বাধাহীনভাৱে অবিৰাম গতিত অসমলৈ প্ৰব্ৰজন কৰিয়েই আছে আৰু অসমৰ ভূমি দখল কৰি মালিকীস্বত্ব লাভ কৰিবলৈ সক্ষম হৈছে। চৰকাৰীভাৱে সংৰক্ষিত ভূমি, বনাঞ্চল, কৃষিভূমি বা ৰাজহুৱা সম্পত্তি সকলো ক্ষেত্ৰতে বাংলাদেশী প্ৰব্ৰজনকাৰীয়ে মালিকীস্বত্ব লাভ কৰিবলৈ সক্ষম হৈছে। ইয়েই স্থানীয় লোক সকলৰ অন্তৰত অৰ্থনৈতিক আৰু সাংস্কৃতিক গুৰুত্বহীনতা সৃষ্টিৰ শংকা জগাই তুলিছে। ইয়াৰ ফলত স্থানীয় অধিবাসী আৰু বাহিৰা লোক সকলৰ মাজত বিৰোধ আৰু সংঘৰ্ষৰ সৃষ্টি হৈ আহিছে। স্থানীয় আদিবাসী লোক সকলেও প্ৰব্ৰজনকাৰীৰ লগত সংঘৰ্ষত লিপ্ত হোৱা দেখা গৈছে।
- অসমৰ জনসাংখ্যিক গাঁথনি প্ৰতিটো দশকতেই পৰিৱৰ্তন হৈ আহিছে, যিহেতু নতুন প্ৰব্ৰজনকাৰী গোট বা ইতিমধ্যে বসতি কৰা গোটৰ নতুন সদস্যই এই অঞ্চলত প্ৰব্ৰজনকাৰীৰ গোটৰ লগত চামিল হৈছে।



৬.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Barua Sanjib, 'India Against Itself', Oxford University Press, New Delhi, 1999.

2. Barua, Sanjib "Territoriality, Indigeneity and Rights in the North-east India" Economic Political Weekly, March 22, 2008.
3. Gait Edward, "A History of Assam" : Surjeet Publications, New Delhi, 2008.
4. Karna, M.N, 'Agrarian Structure and land reforms in Assam', Regency Publications, New Delhi.
5. Sharma, Chandan Kumar 'The State and the Ethnicisation of Space in Northeast India, in Mahanta N.G & Gogoi Dilip (ed) 'Shifting Terrain- Conflict Dynamics in North East India', DVS Publishers, Guwahati, 2012



৬.৮ অগ্ৰগতিৰ খতিয়ান

1 নং প্ৰশ্নৰ উত্তৰ ঃ 1828 চনত।

2 নং প্ৰশ্নৰ উত্তৰ ঃ ওৰাং আৰু কাৰী

3 নং প্ৰশ্নৰ উত্তৰ ঃ হিন্দু-বেংগলী লোকসকলে আগত কেৰাণী, পৰিদৰ্শক আদি পদত চৰকাৰী কাৰ্যালয়ত আৰু পিছলৈ চাহ বাগিচাৰ কাৰ্যালয়ত কাম কৰিছিল।

4 নং প্ৰশ্নৰ উত্তৰ ঃ 1950 চনত।



৬.৯ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (উত্তৰ সমূহ 150 শব্দৰ ভিতৰত) ঃ

(1) উত্তৰ-পূব প্ৰব্ৰজনৰ আৰম্ভণি বৃটিছ শাসনৰ সময়ৰ পৰাই হৈছিল নে ?

(2) বৃটিছ শাসনৰ সময়ছোৱাত প্ৰব্ৰজন ঘাইকৈ অসমতে কিয় আবদ্ধ হৈছিল ?

(3) উপনিৱেশৰ কালছোৱাত অসমত থিতাপি লোৱা প্ৰব্ৰজনকাৰী গোটসমূহৰ বিষয়ে চমুকৈ লিখক।

খ) দীঘলীয়া প্ৰশ্ন (উত্তৰ সমূহ 300–500 শব্দৰ ভিতৰত) ঃ

(1) উত্তৰ-পূব বিভিন্ন প্ৰব্ৰজনকাৰী গোট আৰু সম্প্ৰদায়সমূহৰ বাবে আশ্ৰয় গৃহ সদৃশ ব্যাখ্যা কৰক।

(2) বৃটিছ উপনিৱেশ আৰু তাৰ পিছৰ কালছোৱাত সংঘটিত উপনিৱেশ প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰক।

(3) প্ৰব্ৰজনৰ পৰিণতিত অসমত সংঘটিত পৰিৱৰ্তনসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ উত্তৰ-পূব ভাৰতৰ নৃগোষ্ঠীয় পৰিচয়

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ নৃগোষ্ঠীবাদ

৭.৩.১ নৃগোষ্ঠীয় গোট আৰু নৃগোষ্ঠীবাদ

৭.৩.২ নৃগোষ্ঠীয় গোটৰ অর্থ আৰু বৈশিষ্ট্য

৭.৩.৩ নৃগোষ্ঠীবাদ অধ্যয়নৰ পন্থা ঃ সামাজিক নির্মাণৰূপে নৃগোষ্ঠীবাদ

৭.৩.৪ নৃগোষ্ঠীয় পৰিচয়

৭.৪ ভাৰতৰ উত্তৰ-পূর্বাঞ্চলৰ বাসিন্দাৰ মাজৰ আন্তঃ সাম্প্রদায়িক সম্পর্ক

৭.৪.১ প্রাক্ বৃটিছ যুগ

৭.৪.১.১ জনজাতীয় আৰু বৈদেশিক সম্পর্ক

৭.৪.২ বৃটিছ যুগ

৭.৪.২.১ বহিৰাগত সম্প্রদায়ৰ সৈতে সম্পর্ক

৭.৪.২.২ নগা আৰু কুকিৰ মাজৰ সম্পর্ক

৭.৪.৩ উত্তৰ-ঔপনিৱেশিক যুগ

৭.৪.৩.১ নগা আৰু কুকিৰ মাজৰ সম্পর্ক

৭.৫ ভাৰতৰ উত্তৰ-পূর্বাঞ্চলবাসীৰ মাজৰ আন্তঃসাম্প্রদায়িক সম্পর্কবোৰৰ পৰিৱর্তনশীল প্রকৃতি

৭.৬ উত্তৰ-পূব ভাৰতৰ নৃগোষ্ঠীয় সংঘাত

৭.৬.১ চৰকাৰৰ আঁচনিসমূহ

৭.৬.২ উল্লেখযোগ্য বৈদেশিক নীতি

৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৮ অধিক জানিবলৈ

৭.৯ অগ্রগতিৰ খতিয়ান

৭.১০ আর্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- নৃগোষ্ঠীবাদৰ অর্থ আৰু বৈশিষ্ট্যৰ বিষয়ে জানিব পাৰিব
- উত্তৰ-পূব ভাৰতৰ আন্তঃসাম্প্রদায়িক সম্পর্কবোৰৰ প্রকৃতিৰ উমান পাব

- উত্তৰ-পূব ভাৰতৰ নৃগোষ্ঠীয় গোটবোৰৰ মাজৰ আন্তঃসাম্প্রদায়িক সম্পর্কৰ পৰিৱর্তনশীল প্রকৃতিৰ আঁৰৰ কাৰণবোৰ বুজি পাব
- উত্তৰ-পূব ভাৰতত চলা নৃগোষ্ঠীয় সংঘাতৰ মূল কাৰণবোৰ জানিব পাৰিব।

৭.২ পৰিচয়

ভাৰতৰ উত্তৰ-পূর্বাঞ্চল হ'ল বহুভাষিক, বহুসাংস্কৃতিক, বহুনৃগোষ্ঠীয় আৰু বহুধর্মীয় গোটেৰে ভৰা সবাতোকৈ জটিল অঞ্চলবোৰৰ এটা। একে সময়তে এই অঞ্চলটো হ'ল মনোমোহা অৰণ্য, গছ-গছনি, ফলমূলৰ বাগান আৰু নির্জনতাৰে ভৰা অপৰূপ সৌন্দর্যৰ ভাণ্ডাৰ। উত্তৰ-পূব ভাৰত হ'ল এক প্রচুৰ সমৃদ্ধিশালী প্রাণৰন্ত অঞ্চল। উপ-হিমালয় মণ্ডলৰ পূব দিশত এই অঞ্চলটো অৱস্থিত। বিশাল পর্বতীয়া অঞ্চল, মধ্যমীয়া ওখ পাহাৰ আৰু নদী উপত্যকাবোৰে অঞ্চলটোক এক বৈচিত্র্যময় ৰূপ দিছে। এই মূহুর্তত অসম, অৰুণাচল প্রদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্রিপুৰা, মেঘালয় আৰু চিকিম হ'ল উত্তৰ-পূব ভাৰতৰ অন্তর্গত ৰাজ্য। পাঁচখন দেশে আবৰা এই আঠখন ৰাজ্য সম্বলিত অঞ্চলটোক পশ্চিম বংগৰ উত্তৰ দিশে থকা ৩০ কিলোমিটাৰ দৈর্ঘ্যৰ ঠেক স্থলপথ এটাই ভাৰতৰ বাকী অংশৰ সৈতে সংলগ্ন কৰি ৰাখিছে। এই অঞ্চলটোত বসবাস কৰি থকা বিভিন্ন নৃগোষ্ঠীয় সম্প্রদায়ে ভাষিক- সাংস্কৃতিক পৰিচয় আধাৰত পৃথক ৰাজ্য গঠনৰ দাবী জনাই আহিছে নাইবা সংশ্লিষ্ট পৰিচয়ক সুৰক্ষা প্রদান কৰাৰ অর্থে বিশেষ সাংবিধানিক সুবিধাৰ দাবী জনাই আহিছে।

আপোনাৰ নৃগোষ্ঠীয় পৰিচয় কি? বর্তমান এই প্রশ্নটো বিশ্বৰ বিভিন্ন অংশৰ বাসিন্দাৰ বাবে যথেষ্ট গুৰুত্বপূর্ণ হৈ উঠিছে। বহুতো দেশৰ দৰে আমেৰিকা যুক্তৰাষ্ট্রয়ো এই প্রশ্নটোৰ গুৰুত্ব অনুধাৱন কৰি ইয়াক ৰাষ্ট্রীয় লোকপিয়ল তথ্যৰ অন্তর্গত কৰিছে। আমি সকলোৱে এই প্রশ্নটোৰ বিষয়ে জানো। কিন্তু প্রশ্নটোৰ সাৰমর্ম বহুতৰে অজ্ঞাত। এটা নৃগোষ্ঠীয় গোট হ'ল এনে এক জনসমষ্টি যিটোৱে আনুবংশীয় আৰু সাংস্কৃতিক ঐতিহ্য ভাগ-বাটোৰাৰা কৰে। এই বৈশিষ্ট্যবোৰে তেওঁলোকক অন্য জনসমষ্টিৰ পৰা পৃথক কৰে। কথাটো যদি বুজিবলৈ অস্পষ্ট যেন বোধ কৰিছে। আপোনাৰ অনুভৱ ভুল হোৱা নাই। নৃগোষ্ঠীবাদ আমাৰ সকলোৰে বাবে গুৰুত্বপূর্ণ। কিন্তু নৃগোষ্ঠীবাদৰ কোনো সৰল সংজ্ঞা নাই।

৭.৩ নৃগোষ্ঠীয় গোট আৰু নৃগোষ্ঠীবাদ

৭.৩.১ নৃগোষ্ঠীয় গোটৰ অর্থ আৰু বৈশিষ্ট্য

একে ধৰণৰ তলত উল্লেখ কৰা অথবা আটাইবোৰ বৈশিষ্ট্য মানি চলা মানৱ গোটবোৰকে নৃগোষ্ঠীয় গোট বোলে।

- এক উমৈহতীয়া অধিকাৰবোধ ভাগ-বাটোৰাৰা কৰে

- এক উমৈহতীয়া আৰু সুকীয়া ইতিহাস আৰু ভাগ্যৰ অধিকাৰী বুলি দাবী কৰে
- সামূহিক সাংস্কৃতিক স্বকীয়তাৰ এটা অথবা একাধিক মাত্ৰাৰ গৰাকী হয়।
- এক ধৰণৰ বিশেষ ভ্ৰাতৃত্ববোধ অনুভৱ কৰে।

অর্থাৎ, 'ভাগ-বাটোৱাৰা কৰা প্ৰমূল্য সমষ্টি, একে ধৰণৰ জীৱন শৈলী, পৰিচয়সূচক প্ৰতীক আৰু সগোত্ৰৰ সচেতনতা থকা যিকোনো বংশানুক্ৰমিক মানৰ গোটকে নৃগোষ্ঠীয় গোট বোলে।

নৃগোষ্ঠী বুজোৱা ইংৰাজী শব্দ 'Ethnic'- এ ১৯৬০ আৰু ১৯৭০ ৰ দশকত জনপ্ৰিয়তা অর্জন কৰে। কাৰণ, এই সময়ছোৱাত পশ্চিম ইউৰোপত চলা আঞ্চলিকতাবাদী আন্দোলন (Regionalism Movement) আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত চলা কৃষ্ণাংগ আন্দোলন (Black Movement) এ একোটা শক্তিশালী ৰূপ ধাৰণ কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰত আধিপত্য বিস্তাৰ কৰি থকা সংখ্যাগৰিষ্ঠ শ্ৰেণীটোতকৈ সাংস্কৃতিকভাৱে পৃথক গোটবোৰৰ ক্ৰমবৰ্ধিত দাবীৰ পৰিপ্ৰেক্ষিতত এই গোটবোৰক এক বিশ্লেষণাত্মক শিতানত ৰখাৰ উদ্দেশ্যেৰে 'নৃগোষ্ঠীবাদ' অভিধাটোৰ প্ৰচলন ঘটিছিল।

নৃগোষ্ঠী বুজোৱা ইংৰাজী অভিধা 'ethnic' ৰ ব্যৱহাৰ মধযুগৰ পৰাই আহিছে। ধর্মগ্ৰন্থ বাইবেলৰ 'নিউ টেষ্টামেণ্ট' খণ্ডত ইয়াক ' Gentile'শব্দটোৰ সমার্থক হিচাপে ব্যৱহাৰ কৰা হৈছিল. 'জেণ্টাইল' শব্দটোৰে খৃষ্টান ধর্মত দীক্ষা নোলোৱা আৰু অনা-ইহুদী জড়োপাসক সকলক বুজোৱা হৈছিল। বিভিন্ন পণ্ডিতে এই অভিধাটো 'একে ধৰণৰ বৈশিষ্ট্য ভাগ-বাটোৱাৰা কৰা মানৰ গোটঁ বুজাবলৈ ব্যৱহাৰ কৰিছিল। কিন্তু আধুনিক সময়ত অভিধাটোৰে বিভিন্ন ধৰণৰ অর্থ বুজোৱা হয়। কিছুমানৰ মতে ই অপ্ৰবাসী সম্প্ৰদায়ৰ কথা বুজায়। এক বৃহত্তৰ সামাজিক সংৰচনাৰ ভিতৰত থকা সংখ্যালঘূ সম্প্ৰদায়বোৰকো এই অভিধাটোৰে সামৰি লোৱা হ'ব পাৰে। আন এচামৰ মতে আকৌ এটা উমৈহতীয়া সংস্কৃতি আৰু ইতিহাস থকা সকলো সম্প্ৰদায়কে নৃগোষ্ঠী অভিধাটোৰে সামৰি লোৱা হয়। এভাৰেট চি. হুগৰ মতে, "আমি সকলো নৃগোষ্ঠী"।

নৃগোষ্ঠী বুজোৱা ইংৰাজী শব্দ 'ethnic' ৰ মূল হ'ল গ্ৰীক শব্দ 'ethnos' । ধ্ৰুপদী গ্ৰীক সাহিত্যত 'ethnos' শব্দটোৰে জন্তু আৰু যোদ্ধাৰ অপৃথকীকৃত দলবোৰৰ কথা বুজাইছিল। দার্শনিক এৰিষ্ট'টলে আকৌ বিদেশী আৰু বর্বৰ জাতিবোৰক বুজাবলৈ শব্দটো ব্যৱহাৰ কৰিছিল। ধ্ৰুপদী গ্ৰীক ৰচনাবোৰত এই শব্দটোৰে বিশেষভাৱে 'অনা-সংগঠিত, জনজাতি আৰু প্ৰান্তীয় অঞ্চলত বাস কৰা লোক' সকলক বুজোৱা হৈছিল যদিও মধ্যযুগত ইয়াক বিশেষভাৱে অনা-খৃষ্টান আৰু অনা-ইহুদী লোকক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। ইয়াক 'ধর্মীয় অন্যতা' (religious otherness) বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। কিন্তু অর্থ একে থাকিলেও ইয়াৰ প্ৰয়োগে সলনি হৈছিল। ওটোমান সাম্ৰাজ্যৰ অস্তিত্ব থকাৰ সময়ত গোড়া খৃষ্টান ধর্মটোৱে আধিপত্য বিস্তাৰ কৰিছিল। সেই সময়ছোৱাত গ্ৰীকসকলে নিজকে বুজাবলৈ 'ethnos' শব্দটো ব্যৱহাৰ কৰিছিল। পৰৱর্তী সময়ত, আধুনিক

জাতীয়তাবাদৰ উত্থান ঘটাৰ সময়ত ঊনবিংশ শতিকাৰ আৰম্ভণিৰ কালছোৱাত গ্ৰীকসকলে 'ethnos' শব্দটোৰে এটা 'নিগূঢ়ভাৱে আত্মজ্ঞ, স্ব-সংজ্ঞবোধক সত্তা' বুজাবলৈ ব্যৱহাৰ কৰিছিল। 'ethnos' ৰ ইংৰাজী অপভ্রংশ 'ethnic' ৰ ব্যৱহাৰো সমকালীনভাৱে সলনি হৈ আহিছে। বিগত শতিকাটোত সমাজ বিজ্ঞানে জনপ্ৰিয়তা অৰ্জন কৰাৰ লগে লগে এই শব্দটোৰ এক বহল প্ৰয়োগ ঘটিল। বৰ্তমান সদৃশ সংস্কৃতি আৰু ইতিহাসৰ গৰাকী সকলোবোৰ মানৰ গোষ্ঠীক বুজাবলৈ 'ethnic' শব্দটো ব্যৱহাৰ কৰা হয়।

1996 চনত হাট্‌চ্ছিচন আৰু স্মিথৰ দ্বাৰা ৰাচিত গ্ৰন্থ ' *Ethnicity*' ত এটা নৃগোষ্ঠীয় গোটবোৰৰ চাৰিটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰিছে। নৃগোষ্ঠী এটাত এই ছয়োটা বৈশিষ্ট্য অথবা বিভিন্ন মাত্ৰাত কেইটামান বৈশিষ্ট্য থাকিব পাৰে।

- এটা উমৈহতীয়া নাম। সম্প্ৰদায়ৰ 'সত্তা'টো চিনাক্ত আৰু প্ৰকাশ কৰিলৈ এই নাম ব্যৱহাৰ কৰা হয়।
- উমৈহতীয়া পূৰ্বপুৰুষ সম্পৰ্কীয় জনশ্ৰুতি। সত্যতাতকৈ এই ক্ষেত্ৰত জনশ্ৰুতিৰ গুৰুত্ব অধিক। জনশ্ৰুতি ধাৰণাৰ ভিত্তিত প্ৰতিষ্ঠিত। একে সময় আৰু একে স্থান উমৈহতীয়া উৎপত্তি উৎস বুলি গ্ৰহম নৃগোষ্ঠী গোটৰ মাজত এক প্ৰকাৰৰ কল্পনাশীল স্বজনতাবোধ গঢ়ি উঠে (' Ethnicie' বোলা ফৰাছী অভিধাটোৰ সমাৰ্থক হ'ল 'নৃগোষ্ঠীয় গোট দল')।
- ভাগ-বাটোৱাৰ কৰা একে ধৰণৰ ঐতিহাসিক স্মৃতি। নৃগোষ্ঠীবোৰে এটা উমৈহতীয়া অতীতৰ সৈতে জড়িত স্মৃতি ভাগ- বাটোৱাবা কৰে। তেওঁলোকৰ আদৰণীয় বীৰ-নায়ক, ঘটনা আৰু সেইবোৰৰ পুনঃস্মৰণ পদ্ধতিৰ মাজত মিল দেখা যায়।
- উমৈহতীয়া সংস্কৃতিৰ এক অথবা একাধিক উপাদানৰ মিল। এইবোৰ সুনিৰ্দিষ্ট ৰূপত চিনাক্ত কৰিব নোৱাৰি যদিও সাধাৰণভাৱে ধৰ্ম, প্ৰথা অথবা ভাষাৰ ক্ষেত্ৰত এই মিল দেখা যায়।
- এক উমৈহতীয়া গৃহভূমিৰ সৈতে থকা সম্পৰ্ক। নৃগোষ্ঠীবোৰে এনে গৃহভূমি কায়িকভাৱে দখল কৰি নাথাকিবও পাৰে। কিন্তু তেওঁলোকে সিঁচৰতি হৈ থকা অন্য নৃগোষ্ঠীয় লোকৰ সৈতে ৰখাৰ দৰে পূৰ্বপুৰুষে বাস কৰা স্থান এডোখৰৰ সৈতে এক প্ৰতীকি টান অনুভৱ কৰে।
- ভাতৃত্ববোধ। সকলোৰে সৈতে নহ'লেও নৃগোষ্ঠীয় জনসমষ্টিৰ কিছুমান শাখাৰ সৈতে এনে ভ্ৰাতৃত্ববোধ বৰ্তি থাকে।

কিছুমান গৱেষক-পণ্ডিতে 'জাতি' (Race) ৰ বৈষম্যমূলক বৈশিষ্ট্য বুজাবলৈ 'নৃগোষ্ঠীয় গোট' অভিধাটো ব্যৱহাৰ কৰিছিল। জাতিক প্ৰায়েই জৈৱিক দিশেৰে বিশ্লেষণ কৰি চোৱা হয়। এটা নৃগোষ্ঠীয় সম্প্ৰদায়ৰ সদস্যসকলক জাতিগত বৈশিষ্ট্যৰ দিশেৰে চিনাক্ত কৰাৰ উপৰি ধৰ্ম, বৃত্তি, ভাষা অথবা ৰাজনীতি আদিৰ দৰে অন্য উমৈহতীয়াভাৱে অনুসৰণ কৰা সাংস্কৃতিক বৈশিষ্ট্যৰ আধাৰতো পৃথক কৰিব পাৰি। নৃগোষ্ঠীয় সম্প্ৰদায়বোৰক সামাজিক

শ্ৰেণীৰ পৰাও পৃথক কৰি চোৱা উচিত। এইবোৰ বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰাখি ক'ব পৰা যায় যে নৃগোষ্ঠীয় সম্প্ৰদায়বোৰৰ সংৰচনা পৰিৱৰ্তনশীল আৰু ইয়াৰ সংজ্ঞা বিভিন্ন পৰিস্থিতিত সলনি হ'ব পাৰে। জনসমষ্টিবোৰে বিভিন্ন ৰাষ্ট্ৰলৈ অহা-যোৱা কৰিবলৈ লোৱাৰে পৰা অবিৰতভাৱে নতুন নতুন নৃগোষ্ঠীয় সম্প্ৰদায়ৰ জন্ম হ'বলৈ ধৰিছে। উদাহৰণ স্বৰূপে বৃটেইনত বসবাস কৰিবলৈ লোৱা ভাৰতীয়সকলৰ কথাই চোৱা যাওক। বৰ্ণ আৰু ভাষাৰ ফালৰ পৰা ভাৰতত তেওঁলোক বিভিন্ন গোটৰ সদস্য হ'লেও বৃটেইনত তেওঁলোকে এটা ভাৰতীয় নৃগোষ্ঠী সৃষ্টি কৰিছে। সামাজিক বৈষম্যৰ আধাৰ হিচাপে পৰিগণিত হ'লে নৃগোষ্ঠীবাদৰ ধাৰণাটোৰ আলোচনাই বিশেষ গুৰুত্ব লাভ কৰে।

৭.৩.২ নৃগোষ্ঠীবাদৰ অৰ্থ আৰু বৈশিষ্ট্য

- 1953 চনত পোন প্ৰথমবাৰৰ বাবে ইংৰাজী ভাষাত নৃগোষ্ঠীবাদ বুজোৱা 'Ethnicity' অভিধাটোৰ পৰা বুৎপন্ন হোৱা শব্দ। ৰাষ্ট্ৰৰ আধিপত্য বিস্তাৰকাৰী সংখ্যাগৰিষ্ঠ জনসমষ্টিতকৈ সাংস্কৃতিকভাৱে পৃথক দল /গোটবোৰৰ ক্ৰমে বৃদ্ধি পোৱা দাবীৰ পৰিপ্ৰেক্ষিতত এটা বিশ্লেষণাত্মক জনসমষ্টি শাখা বুজাবলৈ 'Ethnicity' অভিধাটোৰ ব্যৱহাৰ আৰম্ভ হৈছিল।

  অভিধাটোৰ সাম্প্ৰতিক প্ৰয়োগলৈ লক্ষ্য ৰাখি ক'ব পাৰি যে ভাৰতত ১৯৫০ আৰু ১৯৬০ বিংশ শতিকাৰ পঞ্চম ষষ্ঠ দশকত দেখা দিয়া পৰিঘটনা কেইটামান 'নৃগোষ্ঠীয়' শিতানৰ অন্তৰ্ভুক্ত আছিল। ইয়াৰ সবাতোকৈ স্পষ্ট উদাহৰণটো হ'ল সেই সময়ছোৱাত কেইবাখনো ৰাজ্যত চলা ভাষিক আন্দোলন। উৰ্মিলা ফাড্নিচৰ মতে ভাষিক নৃগোষ্ঠীবাদৰ মূলতঃ তিনিটা কথাক কেন্দ্ৰ কৰি উত্থান ঘটিছিল। কথাকেইটা হ'ল-

- ৰাজ্যৰ চাৰিসীমা পুনৰ বিতৰণৰ আধাৰ ভাষা হোৱা উচিত
- চৰকাৰী ভাষা অথবা ৰাজ্যৰ কাম-কাজ তথা প্ৰশাসন আগবঢ়াই নিয়া ভাষা কি হোৱা উচিত তাক লৈ দেখা দিয়া সমস্যা
- শিক্ষা নিৰ্দেশনা প্ৰদানৰ মাধ্যম ৰূপে কি ভাষা ব্যৱহৃত হ'ব তাৰ সমস্যা

  নৃগোষ্ঠীবাদ এটা জটিল পৰিঘটনা। তাত্ত্বিকসকলৰ কাম হ'ল এই পৰিঘটনাৰ অপৰিহাৰ্য মাত্ৰা বুলি ক'ব পৰা কথাবোৰৰ ৰূপৰেখা যুগুত কৰা আৰু সেইবোৰৰ সম্ভাব্য তাৰতম্যৰ দিশ আঙুলিয়াই দেখুওৱা।

  নৃগোষ্ঠীবাদৰ অৰ্থ আন কেইবাটাও ধাৰণাই বহন কৰা অৰ্থৰ ওপৰত নিৰ্ভৰশীল। বিশেষকৈ নৃগোষ্ঠীয় দল আৰু নৃগোষ্ঠীয় পৰিচয়ৰ ওপৰত নৃগোষ্ঠীবাদৰ অৰ্থ নিৰ্ভৰশীল। অৰ্থাৎ, নৃগোষ্ঠীবাদ হ'ল এক সামূহিক পৰিঘটনা।

  নৃগোষ্ঠীবাদ সামাজিক ভাৱে নিৰ্মিত হয়। বিষয়নিষ্ঠভাৱে ইয়াৰ সংজ্ঞ দাঙি ধৰাৰ সময়ত

ইয়াক এটা দলৰ বংশ (ancestry), সাংস্কৃতিক ৰীতি-নীতি (Cultural Customs), ভাষা, ধর্ম, জাতীয় পৰিচয়, স্বজনৰ নেটৰ'ৰ্ক (Kinship network) আৰু শাৰীৰিক অৱয়বৰ সৈতে জড়িত দিশবোৰৰ এক সংমিশ্রণ বুলি কোৱা হয়। নৃগোষ্ঠীবাদৰ এই অস্থিৰ প্রকৃতিয়ে ইয়াক সামাজিক, চিকিৎসা বিজ্ঞানভিত্তিক আৰু জৈৱবৈজ্ঞানিক গৱেষণাৰ বাবে এটা সুনির্দিষ্ট ধাৰণা আৰু মাপন ব্যৱস্থাৰ মাজত সীমাবদ্ধ কৰিব নোৱাৰা সবাতোকৈ সুন্দৰ চলকত পৰিণত কৰিছে।

৭.৩.৩ নৃগোষ্ঠীবাদ অধ্যয়নৰ পন্থা

এক পৰিঘটনা ৰূপে 'নৃগোষ্ঠীবাদ' হ'ল বৈচিত্র্যময় আৰু জটিল। বিভিন্ন পণ্ডিতে এই পৰিঘটনাৰ প্রক্রিয়াটো বুজিবলৈ বিভিন্ন পন্থা গ্রহণ কৰি আহিছে। ইয়াৰ মাজতে নৃগোষ্ঠীবাদ অধ্যয়নৰ দুটা প্রধান পন্থাৰ উত্থান ঘটিছে। প্রথম পন্থাটোক 'মৌলিকতাবাদী পন্থা' (Primordialist Approach), দ্বিতীয়টোক 'কার্যকাৰণিকতাবাদী পন্থা' (Instrumentalist Approach) আৰু তৃতীয়টোক'ৰচনাত্মকতাবাদী পন্থা' (Constructivist Approach) বোলে।

মৌলিকতাবাদী পন্থাৰ সমর্থক সবাতোকৈ গুৰুত্বপূর্ণ পণ্ডিতগৰাকী হ'ল ক্লিফ'র্ড গীর্টৰ্ (Clifford Geertz) তেওঁৰ যুক্তি অনুসৰি এটা নৃগোষ্ঠীয় সম্প্রদায়ত নিহিত হৈ থকা আৰু কেতিয়াবা অতি প্রভাৱশালীভাৱে প্রকট হোৱা শক্তি হ'ল তেজৰ সম্পর্ক, ধর্মীয় সাদৃশ্য, ভাষা আৰু পৰম্পৰাৰ প্রতি থকা টান। অংশগ্রহণকাৰীসকলে এই বলক বাহ্যিক, বলপূর্বক ভাৱে জাপি দিয়া আৰু 'প্রদত্ত' (given) বুলি অনুমান কৰি লয়। তেওঁৰ মতে এইবোৰ মৌলিক টান হোৱা উচিত। মৌলিকতাবাদ হ'ল এনে এক গুণ যিটোক মানুহে এনে ধৰণৰ বান্ধোনৰ সৈতে আৰোপিত কৰিব পাৰে। গীর্টঝে কৈছিল যে এখন ফলপ্রসূ, গতিশীল আৰু আধুনিক ৰাষ্ট্র গঠনৰ তাড়নাই ব্যক্তিগত পৰিচয়ৰ দৰে অন্য বৃহৎ তাড়নাৰ সৈতে আন্তঃক্রিয়া সম্পন্ন কৰে। এই ব্যক্তিগত পৰিচয় 'মৌলিক বান্ধোন'ৰ ভিত্তিত গঢ় লৈ উঠে। অৱশ্যে নৃগোষ্ঠীয় চালন শক্তিবোৰৰ বিশ্লেষণ কৰিব পৰাকৈ ব্যাখ্যাকাৰী শক্তিৰ নাটনিৰ দোষত মৌলিকতাবাদী পন্থাটোক সমালোচনা কৰা হয়। তথাপিও, এই পন্থাটোৱে কোনো এটা নৃগোষ্ঠীয় দল গোটে পৰস্পৰৰ প্রতি অথবা সমূহটোৰ প্রতি প্রদর্শন কৰা টানৰ প্রকৃতি বুজাত সহায় কৰে।

আনহাতে, কার্যকাৰণিকাবাদীসকলে নৃগোষ্ঠীবাদক বিভিন্ন স্বার্থজড়িত আৰু প্রস্থিতিযুক্ত গোটৰ এক সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক সম্পদ বুলি অভিহিত কৰিছে। ইয়াৰে একাংশ পণ্ডিতে সম্পদৰ শ্রেষ্ঠাংশ সংৰচনা (elite composition) ৰ অধ্যয়নত মনোনিৱেশ কৰাৰ অন্তত এই পৰামর্শ আগবঢ়াইছে যে জনসাধাৰণৰ সমর্থন আদায় কৰিবলৈ আৰু ৰাজনৈতিক লক্ষ্যত উপনীত হ'বলৈ প্রতীক চিহ্নবোৰৰ হেৰফেৰকৰণ অতি গুৰুত্বপূর্ণ।

আন একাংশ পণ্ডিতে কোনো এক প্ৰদত্ত পৰিস্থিতি মানুহে ব্যক্তিগতভাৱে যুক্তিসংগত বিকল্প উপায় বাছনিৰ দিশেৰে নিজৰ পাৰদৰ্শিতাৰ উৎকৰ্ষ সাধনৰ শ্ৰেষ্ঠ কৌশলবোৰ অধ্যয়ন কৰিছিল।

'ৰচনাত্মকতাবাদী পন্থা'ই নৃগোষ্ঠীয় সম্প্ৰদায়বোৰৰ ঐতিহাসিক চালন শক্তি আৰু পৰিৱৰ্তনশীলতাৰ অধ্যয়ন কৰে। এই পন্থাৰ সমৰ্থকসকলে নৃগোষ্ঠীয় সম্প্ৰদায়বোৰৰ উত্থান আৰু ইয়াৰ কাৰকবোৰ অন্বেষণ তথা ব্যাখ্যা কৰাৰ চেষ্টা চলায়। এটা গোটৰ এক উমৈহতীয়া ইতিহাসৰ কেনেদৰে কোনো এটা বিশেষ পৃষ্ঠভূমিত উত্থান ঘটে আৰু এনে গোটৰ সদস্যসকলে কেনেদৰে কালক্ৰমত একেটা নৃগোষ্ঠীয় সম্প্ৰদায়ৰে সদস্য বুলি দাবী কৰে নাইবা অন্যই কেনেদৰে তেওঁলোকক এটা সুনিৰ্দিষ্ট নৃগোষ্ঠীয় গোট বুলি স্বীকৃতি দিয়ে তাৰ ওপৰত ৰচনাত্মকতাবাদীসকলে আলোকপাত কৰে। ৰচনাত্মকতাবাদী দৃষ্টিভংগীয়ে মনোনিৱেশ কৰা দিশবোৰ হ'ল নৃগোষ্ঠীয় দল গোটৰ উত্থান, বিভাজন আৰু বিলুপ্তভৱনৰ প্ৰক্ৰিয়াত অৱিহণা যোগোৱা মানৱীয় সামূহিকতাবাদৰ সংযোজনকাৰী আৰু বিচ্ছিন্নতাবাদী প্ৰৱণতাসমূহ। এই পন্থা অনুসৰি এটা গাঁথনিমূলক আৰু গতিশীল পৃষ্ঠভূমিত মানৱীয় অভিকৰণবোৰে সামাজিক সংৰচনা নিৰ্মাণ কৰে। এই পন্থাৰে কৰা বিশ্লেষণৰ কেন্দ্ৰীয় বিষয়বস্তুবোৰ হ'ল ক্ষমতাৰ ভূমিকা, চাৰিসীমা নিৰ্ধাৰণ, নিৰ্দিষ্ট নামকৰণ, নৃগোষ্ঠীয় বিশেষত্ববোৰ নিৰ্ণয় কৰাৰ সময়ত অগ্ৰাধিকাৰ দিয়া 'পছন্দ' ইত্যাদি। নৃগোষ্ঠীয় সম্পৰ্ক আৰু নৃগোষ্ঠীয় প্ৰতিষ্ঠা ব্যাখ্যা কৰিবলৈ এই পন্থাটো বহুলভাৱে ব্যৱহাৰ কৰা হয়।

৭.৩.৪ নৃগোষ্ঠীয় পৰিচয়

বিভিন্ন দলৰ মাজত নৃগোষ্ঠীবাদী স্পৃহা বৃদ্ধি পোৱা কথাটোৱে তেওঁলোকৰ মনত এক সুকীয়া পৰিচয় গঢ়াৰ আকাংক্ষাৰ জন্ম দিছে। সাধাৰণ ভাষাত, কম জনসংখ্যাৰ নৃগোষ্ঠীয় দলবোৰে বৃহৎ দলবোৰৰ সৈতে সহঃ অস্তিত্ব বৰ্তাই ৰখাৰ প্ৰতিযোগিতাত লিপ্ত হ'বলগীয়া হোৱাটোত এনে দলবোৰ পৰিচয় সংকটত ভূগিছে। এই সংকটে তেওঁলোকক বিভিন্ন ধৰণৰ নৃগোষ্ঠীয় আন্দোলন আৰম্ভ কৰিবলৈ বাধ্য কৰাইছে। তেওঁলোকে হয়তো স্ব-নিয়ন্ত্ৰণৰ সুবিধা বিচাৰিছে নাইবা বৃহত্তৰ মানৱ গোটবোৰৰ পৰা বিচ্ছিন্ন হৈ যাবলৈ বিচাৰিছে। ইয়াৰ আঁৰৰ অভিপ্ৰায় হ'ল তেওঁলোকৰ সুকীয়া পৰিচয় সংৰক্ষণ কৰিব পাৰে। বৃহত্তৰ মানৱ দলবোৰৰ হস্তক্ষেপ অবিহনে নিজৰ সমস্যাবোৰ নিজে সমাধান কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ Ethnicity নামৰ গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

৭.৪ ভাৰতৰ উত্তৰ-পূর্বাঞ্চলৰ বাসিন্দাসকলৰ মাজৰ আন্তঃসাম্প্রদায়িক সম্পর্ক

ভাৰত বহুতো নৃগোষ্ঠীয় দলৰ বাসভূমি। এই দলবোৰে বিভিন্ন ধর্ম উপাসনা কৰে, বেলেগ বেলেগ ভাষাত কথা কয়, বিভিন্ন ধৰণৰ খাদ্য খায়, পৰস্পৰৰ পৰা সুকীয়া ৰীতি-নীতি আৰু পৰম্পৰা মানি চলে। উত্তৰ-পূব ভাৰতে সদৌ ভাৰতৰ নৃগোষ্ঠীয় পৰিচয়বোৰ অধিক বাৰে-ৰহণীয়া কৰি তোলাত গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছে। বৃটিছে অসমত পদার্পন কৰাৰ আগৰেপৰা উত্তৰ-পূব অঞ্চলৰ নৃগোষ্ঠীয় বাসিন্দাসকলে শান্তিপূর্ণভাৱে সহাৱস্থান কৰি আছিল আৰু কালক্রমত সম্প্রদায়বোৰৰ পৰস্পৰৰ মাজত লীনভৱন ঘটিছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাচত কিন্তু এই নৃগোষ্ঠীয় দলবোৰে ভাৰত ৰাষ্ট্রৰ নীতিবোৰক সন্দেহৰ দৃষ্টিৰে চাবলৈ ধৰিছে। ইয়াৰ ফলস্বৰূপে ৰাষ্ট্র নির্মাণ প্রক্রিয়াটো ব্যাহত হৈছে। এনে বহু নৃগোষ্ঠী আছে যিবোৰে প্রায়েই নিজৰ পৰম্পৰাগত স্ব-শাসিত অনুষ্ঠানবোৰ বর্তাই ৰখাৰ স্বার্থত, ভাষা-সংস্কৃতি-ৰাজনৈতিক অনুষ্ঠান জীয়াই ৰখাৰ স্বার্থত আৰু অভ্যন্তৰীণ চাৰিসীমা নির্ধাৰণৰ দাবীত যুঁজি আহিছে। এইবোৰ উদ্দেশ্যত ফলৱতী হ'বলৈ এই দলবোৰে পৃথক ৰাজ্যৰ ৰূপত স্বায়ত্ব- শাসনৰ দাবী তুলিছে। ভাৰত ৰাষ্ট্রৰ সৈতে সংঘর্ষত লিপ্ত হোৱাৰ উপৰি এই নৃগোষ্ঠীয় দলবোৰে আনকি পৰস্পৰৰ প্রতিও হিংসাত্মক মনোভাৰ গঢ়ি তুলিছে।

৭.৪.১ প্রাক্ বৃটিছ যুগত অসম

সময় বাগৰি যোৱাৰ লগে লগে আহোমসকলে তেওঁলোকৰ জনজাতীয় দোৱান বাদ দি অসমীয়া ভাষা গ্রহণ কৰিছিল। তেওঁলোকৰ আদর্শকে অনুসৰণ কৰি ৰাভা আৰু কছাৰীকে ধৰি আন বহুকেইটা জনজাতিয়ে নিজৰ দোৱান বাদ দিছিল। লাহে লাহে আহোমসকল হিন্দু ধর্মৰ প্রতি আগ্রহী হ'ল আৰু ধর্মটোৱে তেওঁলোকক গভীৰভাৱে প্রভাৱিত কৰিলে। ১৩৯৭ চনত চুডাংফা অথবা বামুণী কোঁৱৰৰ শাসন কালত হিন্দুধর্মৰ প্রতিনিধি ব্রাহ্মণ সমাজ আৰু হিন্দু ধর্মই আহোম ৰাজপ্রাসাদত স্থান পালে। তেওঁ আহোম ৰাজসভাত ব্রাহ্মণ উপদেষ্টা নিয়োগ কৰিছিল। ইমানেই নহয়, তেওঁৰ 'ৰাজ-অভিষেক' অথবা 'শিঙৰীঘৰ উঠা' প্রক্রিয়াটোতো চুডাং ফাই আহোম ৰীতি-নীতিৰ লগতে ব্রাহ্মণ্য ৰীতি-নীতিও অনুসৰণ কৰিছিল।এই কথাটোৱে আহোমসকলক ব্রহ্মপুত্র উপত্যকাত তেওঁলোকৰ শাসনক বৈধ ৰূপ দিয়াত সহায় কৰিছিল। ইয়াৰ পাচত আহোম ৰাজ্যৰ চাৰিসীমাৰ ভিতৰত হিন্দু মন্দিৰ নির্মাণৰ কাম আৰম্ভ হৈছিল। আৰু এনেকৈয়ে হিন্দুত্বভৱন প্রক্রিয়াটোৱে দ্রুত ৰূপ ধাৰণ কৰিছিল। এই প্রক্রিয়াটোৰ সহায়ত আহোম শাসকসকলে ব্রহ্মপুত্র উপত্যকাৰ জনজাতি আৰু অজনজাতি সম্প্রদায়বোৰৰ মাজত সংহতি স্থাপন কৰিছিল। হিন্দুত্বভৱনৰ ফলত সৃষ্টি হোৱা আন এটা প্রক্রিয়া হ'ল অন্তর্ভুক্তকৰণ। ত্রয়োদশ শতিকাৰ আৰম্ভণিতে আহোম শাসনকালত অসমলৈ অহা মুছলমানসকল আৰু তাৰ পাচত বিভিন্ন কাৰণত অহা

প্ৰব্ৰজনকাৰীসকলে অসমতে নিগাজীকৈ বসবাস কৰিবলৈ ল'লে। বিভিন্ন উৎসৰ পৰা প্ৰব্ৰজন কৰা এই লোকসকলৰ এটা সম্প্ৰদায় হিচাপে উত্থান ঘটিছিল। 1532 চনত গৌড়ৰ ৰজাই অসম আক্ৰমণ কৰিছিল। সেই বছৰতে হাটবৰ ৰণ আৰু শিলঘাটৰ দুইমুনিশিলা ৰণত আহোমসকলে গৌড় বাহিনীক পৰাস্ত কৰিছিল আৰু তেওঁলোকৰ সেনাধিনায়ক তুৰ্বকৰ মৃত্যু হৈছিল। ৰণত আহোমসকলে 900 মুছলমান সৈনিকক গ্ৰেপ্তাৰ কৰিছিল। পাচত এই যুদ্ধবন্দীসকলে অসমীয়া হিন্দু ছোৱালীক বিয়া কৰাই অসমৰ বিভিন্ন স্থানত থিতাপি লৈছিল। এনেকৈয়ে তেওঁলোকে বৃহত্তৰ অসমীয়া সমাজৰ এক অবিচ্ছেদ্য অংগত পৰিণত হৈছিল। কালক্ৰমত তেওঁলোক 'মৰিয়া' নামৰ এটা সুকীয়া সম্প্ৰদায়ৰ ৰূপ লৈছিল। মৰিয়াসকলে কাঁহ-পিতলৰ সামগ্ৰী তৈয়াৰ কৰাটোক পৰম্পৰাগত বৃত্তিৰূপে গ্ৰহণ কৰিছিল। হিন্দু ধৰ্মই আহোম ৰজাসকলৰ ওপৰত পেলোৱা প্ৰভাৱৰ ফলশ্ৰুতিত ৰাজ্যখনৰ বিভিন্ন স্থানত হিন্দু মন্দিৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ল। এই প্ৰক্ৰিয়াৰ জৰিয়তে আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰা জনজাতি তথা উভয় প্ৰকাৰৰে বাসিন্দাৰ মাজত সংহতি স্থাপন কৰিছিল। কালক্ৰমত বৌদ্ধিক দিশেৰে আগবঢ়া হিন্দু জনসমষ্টিটো একত্ৰিত হৈছিল। 'অন্তৰ্ভুক্তিকৰণ' নামৰ আন এক প্ৰক্ৰিয়াৰ আঁৰত অঞ্চলটোৰ বাসিন্দাৰ 'হিন্দুভৱন' ঘটোৱা হৈছিল। এই প্ৰক্ৰিয়াৰ ফলত এসময়ত আহোম ৰাজ্যৰ অধীনস্থ কছাৰী ৰাজ্যৰ দৰে 'হিন্দুভৱন' ঘটা বহুকেইখন ৰাজ্য আহোম ৰাজ্যৰ পৰা আঁতৰি গৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ কোন চনত গৌড়ৰ ৰজাই অসম আক্ৰমণ কৰিছিল?

প্ৰশ্ন নং ৩ ঃ কাৰ শাসন কালত হিন্দু ধৰ্মই ৰাজপ্ৰাসাদত স্থান পাইছিল?

৭.৪.২ জনজাতীয় আৰু বৈদেশিক সম্পৰ্ক

ৰাজনৈতিক অৱস্থাৰ অত্যাৱশ্যকতা অনুসৰি আহোম শাসকসকলে সীমান্তৱৰ্তী জনজাতিসকলৰ বাবে সময়সাপেক্ষ নীতি গ্ৰহণ কৰিছে। এনে নীতিৰ প্ৰচলন ঘটোৱাৰ প্ৰাৰম্ভিক সময়খিনিত এই 'গৰ্বিত বিজয়ী' জাতিটোৱে খুব মন্থৰ গতিত কিন্তু স্থিৰ উপায়েৰে নিৰ্দিষ্ট জনজাতিটোৰ অভ্যন্তৰত প্ৰৱেশ কৰিছিল। মাজে মাজে অৱশ্যে তেওঁলোকে বিভিন্ন ধৰণৰ বিদ্ৰোহাত্মক হিংসাৰ মুখামুখি হ'বলগীয়া হৈছিল। নগাসকলক ভীতিগ্ৰস্ত কৰিবলৈ চুকাফাই বহুতো নগাক হত্যা আৰু অগ্নিদগ্ধ কৰোৱাইছিল। কেৱল এয়াই নহয়, তেওঁ মৃতকৰ আত্মীয়সকলক মৃতকজনৰ মাংস খাবলৈ বাধ্য কৰাইছিল। বিদেশী আক্ৰমণবোৰৰ সময়ত চুবুৰীয়া জনজাতি তথা এনে সমাজৰ দলপতিসকলৰ

মাজত সহায়-সহযোগিতা বৃদ্ধি পোৱাৰ অথবা চুবুৰীয়াৰ স্বার্থত নিৰপেক্ষতা অৱলম্বন কৰাৰ প্রয়োজন আছিল। প্রাৰম্ভিক কালছোৱাৰ আগ্রাসী নীতিৰ স্থানত সমিল-মিলৰ নীতিৰ প্রচলন ঘটা উচিত আছিল।

কিন্তু এই একেগৰাকী ৰজাই দক্ষিণ দিশে থকা ডফলাসকলক অসমৰ দৰং জিলাৰ কেইটামান নির্দিষ্ট অঞ্চলৰ পৰা 'পোচা' নামৰ শুল্ক সংগ্রহৰ অধিকাৰ দিছিল। 'বহতীয়া' নামেৰে জনাজাত এই অসমীয়া পাইকসকলে পাহাৰীয়া জনজাতিটোক ব্যক্তিগত সেৱা-সামগ্রীৰ প্রয়োজন অনুসৰি সেৱা আগবঢ়াব লাগিছিল। কিন্তু আহোম ৰজা প্রতাপ সিংহই তেজপুৰৰ উত্তৰ দিশে ডফলাগড় নির্মাণ কৰি পাহাৰীয়া জনজাতিটোৰে অসমীয়া ৰায়তৰ ওপৰত চলোৱা দমনমূলক কার্য প্রতিহত কৰাৰ চেষ্টা চলাইছিল।

ৰুদ্রসিংহৰ শাসনকালত কছাৰী আৰু জয়ন্তীয়া ৰাজ্য পুনৰ আহোম ৰাজ্যৰ তলতীয়া হৈছিল। তেওঁ খাইৰাম আৰু খিৰিমৰ দৰে গুৰুত্বপূর্ণ খাচী ৰাজ্যৰ সৈতেও বাণিজ্যিক সম্পর্ক গঢ়ি তুলিছিল। ৰজা ৰুদ্রসিংহই ত্রিপুৰা ৰাজ্যৰ সৈতেও পোন প্রথমবাৰৰ বাবে কূটনৈতিক সম্পর্ক স্থাপন কৰিছিল। এয়া আছিল তেওঁৰ সমগ্র বংগ আৰু পূর্ব ভাৰতত তেওঁৰ প্রভাৱ বৃদ্ধি কৰাৰ মানসেৰে আৰম্ভ কৰা অভিযানৰ আৰম্ভণি। ৰুদ্র সিংহৰ বহল আঁচনিৰ অংশ আছিল মোগল আক্রমণকাৰীৰ বিৰুদ্ধে যুঁজা। কিন্তু ৰুদ্রসিংহ আছিল এগৰাকী চতুৰ কূটনীতিবিদ। তেওঁ এনেদৰে ত্রিপুৰাৰ সৈতে বন্ধুত্ব স্থাপন কৰিছিল যে সমগ্র পৰিস্থিতিটোৰে ৰুদ্রসিংহৰ বন্ধুত্ব স্থাপনৰ আগ্রহ লুপ্ত কৰি ৰাখিছিল।

৭.৪.৩ বৃটিছ যুগ

আহোম ৰাজত্বৰ শেষৰ ফালে মোৱামৰীয়া বিদ্রোহ আৰু মানৰ আক্রমণৰ দৰে অভ্যন্তৰীণ সংঘাত কিছুমান আৰম্ভ হ'ল। এই সংঘাতবোৰে আহোমৰ ৰাজনৈতিক ক্ষমতা বহু পৰিমাণে দুর্বল কৰি তুলিলে। ইয়াৰে সুবিধা লৈ বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমত প্রৱেশ কৰিছিল। ১৮২৬ চনৰ ২৬ ফেব্রুৱাৰীত ইয়াণ্ডাবু সন্ধিত স্বাক্ষৰ কৰাৰ পাচত বৃটিছৰ অসম দখলে আনুষ্ঠানিক ৰূপ লয় আৰু অসম বংগ প্রেচিডেন্সীৰ অংশ হৈ পৰে। বৃটিছৰ শাসনকালক অসমত আধুনিক যুগৰ আৰম্ভণি বুলি কোৱা হয়। এই সন্ধিয়ে আহোম ৰাজ্যৰ ৰাজনৈতিক ক্ষমতাৰ ওৰ পেলাইছিল। আহোম ৰজাসকল সার্বভৌম ক্ষমতা আৰু গৰিমাৰ পতন ঘটিছিল। সন্ধিৰ পাছত উত্তৰ-পূব ভাৰতৰ সকলোবোৰ জনজাতি তথা অ-জনজাতি দল বৃটিছ প্রশাসনৰ এক্তিয়াৰত অন্তর্ভুক্ত হৈছিল।

এই সময়ছোৱাত উত্তৰ-পূব ভাৰতৰ জনজাতি আৰু অ-জনজাতি দলবোৰৰ মাজত এক যান্ত্রিক আৰু আনুষ্ঠানিক প্রকৃতিৰ সম্পর্ক গঢ়ি উঠিছিল। আমি বৃটিছ শাসনে অসমৰ জনসংখ্যা গাঁথনিৰ পৰিৱর্তন সাধন কৰিছিল। বৃটিছসকলে ভাৰতৰ বিভিন্ন অংশৰ পৰা অঞ্চলটোলৈ বৃহৎ সংখ্যক বহিৰাগত লোকক আনিছিল। বৃটিছসকলে অসমত

চাহখেতি আৰম্ভ কৰিছিল। চাহ উদ্যোগৰ বিকাশৰ লগে লগে তেওঁলোকে ওড়িশা, ঝাৰখণ্ড, পশ্চিম বংগ আদিৰ পৰা শ্রমিক আনিছিল। বৃটিছসকলেই অসমলৈ ভাৰতৰ অন্য ৰাজ্যৰ পৰা সহযোগীৰ দল, মাৰোৱাৰী ব্যৱসায়ী, ইংৰাজী শিক্ষাৰে শিক্ষিত বাংলা কেৰাণী, চিকিৎসক আৰু উকীল লৈ আহিছিল। এই লোকসকলে অসমৰ ভৈয়াম এলেকাবোৰৰ লগতে নগা পাহাৰ, লুচাই পাহাৰ, গাৰো পাহাৰ, খাচী পাহাৰ আৰু জয়ন্তীয়া পাহাৰ অঞ্চলত থিতাপি লৈছিল। এনেকৈয়ে নতুনকৈ প্রব্রজন কৰা দলবোৰৰ বাবে অসমৰ জনসংখ্যাৰ সংৰচনা তথা সাম্প্রদায়িক সম্পর্কৰ ৰূপ সলনি হৈছিল।

৭.৪.৪ বহিৰাগত সম্প্রদায়ৰ সৈতে সম্পর্ক

বহিৰাগত সম্প্রদায় বুজোৱা ইংৰাজী শব্দ 'Immigrant Community' হ'ল এটা সমস্যা সৃষ্টিকাৰী অভিধা। কাৰণ, অন্য স্থানলৈ বসতিৰ বাবে অহা কোনো এক জনসমষ্টিৰ মাত্র প্রথম প্রজন্মটোকহে বহিৰাগত বুলি ক'ব পৰা যায়। উত্তৰ-পূব ভাৰতৰ প্রধান বহিৰাগত সম্প্রদায়বোৰ হ'ল বাংলা মুছলমান, হিন্দু বাংলা, মাৰোৱাৰী, নেপালী আৰু চাহশ্রমিক সম্প্রদায়। একেখিনি সময়তে পঞ্জাবী শিখ সম্প্রদায়ৰ কিছু সংখ্যক লোকেও অসমলৈ প্রব্রজন কৰিছিল। পৰৱর্তী সময়ত এটা সম্প্রদায়ৰ ৰূপ লোৱা শিখসকল বর্তমান নগাওঁ আৰু গুৱাহাটী অঞ্চলৰ বাসিন্দা।


চাহ শ্রমিক সম্প্রদায়টো হ'ল অসমত থকা সর্ববৃহৎ আৰু সবাতোকৈ প্রথমে অহা আধুনিক যুগৰ বাহিৰাগত সম্প্রদায়। ঊনবিংশ শতিকাত অসমৰ চাহ বাগিচাবোৰত কাম কৰাৰ বাবে শ্রমিক সংগ্রহৰ কাম আৰম্ভ হৈছিল। এই প্রক্রিয়াটো ১৯৬০ চনলৈকে চলি আছিল। এই শ্রমিকসকলক মূলতঃ চন্থাল, মুণ্ডা, ওৰাং, খাৰিয়া, গোণ্ড, খোণ্ড আৰু কিচাং জনজাতিৰ পৰা সংগ্রহ কৰা হয়। এনেদৰে চাহ শ্রমিক হিচাপে অহা বহুতেই কালক্রমত অসমতে নিগাজিকৈ থাকিবলৈ ল'লে। চুক্তিৰ ম্যাদ শেষ হোৱাৰ পাচতো তেওঁলোক উভতি নগ'ল। চাহ শ্রমিকৰ কাম এৰি দিয়া একাংশই বাগানৰ ওচৰ-পাজৰে থকা মাটিত খেতি কৰিবলৈ আৰম্ভ কৰিলে। তেওঁলোকৰ শ্রমিক চুক্তিৰ শোষণ আৰম্ভ নোহোৱা পর্যন্ত এই ব্যৱস্থাটো চলি আছিল। অসমৰ চাহ শ্রমিক সম্প্রদায়ৰ মাজত বিভিন্ন ধৰণৰ ভাষিক উপাদান আছে। বর্তমান মাত্র এমুঠিমান মানুহেহে নিজৰ পূর্বজসকলৰ ভাষা আৰু দোৱানত কথা পাতে। অধিকাংশ চাহ শ্রমিক সম্প্রদায়ৰ লোকে 'চাদ্রী' নাইবা 'বাগানীয়া ভাষা'ত কথা পাতে। তেওঁলোকৰ সম্প্রদায়টোত অসবর্ণ বিবাহৰ উদাহৰণ পোৱা যায়। সম্প্রদায়টোৰ কেইগৰাকীমান লোকে অসমীয়া সাহিত্য তথা সাংস্কৃতিক জগতলৈও উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে।

ঔপনিৱেশিক শাসন আৰম্ভ হোৱাৰ লগে লগে অসমলৈ হিন্দু বাংলাসকলৰ প্রব্রজন ঘটিছিল। ঐতিহাসিক তথ্যৰ পৰা গম পোৱা গৈছে যে হিন্দু বাংলা বহিৰাগতসকলে

প্ৰধানকৈ নগৰ অঞ্চলত বসতি স্থাপন কৰিছিল আৰু চাকৰিয়ালৰ বৃত্তি গ্ৰহণ কৰিছিল। পূৰ্ব বংগৰ পৰা অহা মুছলমান কৃষক প্ৰব্ৰজনকাৰীৰ সমস্যাটোতকৈও আধুনিক সময়ছোৱাৰ সবাতোকৈ দীৰ্ঘদিনীয়া উদ্বেগজনক বিষয়টো হ'ল কৰ্মসংস্থাপনৰ নাটনি। ঊনবিংশ আৰু বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত বহিৰাগতৰ উপস্থিতি অসমৰ কাৰণে চিন্তাৰ উৎস হৈ পৰা নাছিল। বৃটিছ শাসিত ভাৰতৰ ৰাজধানী হিচাপে কলিকতা (ক'লকাতা) আছিল আধুনিকতাৰে প্ৰোজ্বল এক গতিশীলতাৰ কেন্দ্ৰ অসমীয়াসকলে লাহে লাহে বাংলা ভাষা, সংস্কৃতি আৰু জাক-জমক পোছাক পৰিচ্ছদৰ পৰিধান অনুসৰণ কৰিবলৈ ল'লে। অসমীয়া শিক্ষাৰ্থীয়ে কলিকতা অধ্যয়ন কৰিলে।

অসমত নিজৰ অস্তিত্ব প্ৰতীয়মান কৰা আন এটা বহিৰাগত সম্প্ৰদায় হ'ল 'মাৰোৱাৰী'সকল। ৰাজস্থানৰ এটা ব্যৱসায়ী সম্প্ৰদায়ক মাৰোৱাৰী বোলা হয়। তেওঁলোকে ঊনবিংশ শতিকাতে অসমৰ অৰ্থনীতিৰ অৱস্থান্তৰ ঘটোৱাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁলোকৰ বাবেই অসমৰ মুদ্ৰা প্ৰচলনহীন অৰ্থনীতিয়ে এক বজাৰ অৰ্থনীতিৰ ৰূপ ধাৰণ কৰিছিল। বৃটিছৰ সৈতে অসমলৈ অহা ব্যৱসায়ী সম্প্ৰদায়টোৱে অসমৰ থলুৱা বেপাৰী শ্ৰেণীটোৰ সৈতে কোনো ধৰণৰ প্ৰতিযোগিতাত নামিবলগীয়া হোৱা নাছিল। সেয়েহে তেওঁলোকে অতি সোনকালেই ৰাজ্যখনৰ ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰখনত আধিপত্য প্ৰতিষ্ঠা কৰিছিল।

এইদৰেই বাহিৰাগত আগমন ঔপনিৱেশিক আগ্ৰাসনৰ এক ফলাফল হৈ পৰিছিল। বৃটিছ শাসিত ভাৰতৰ অংশ হোৱাৰ লগে লগে অসমক সৰ্ব-ভাৰতীয় অৰ্থনৈতিক পৰিসৰৰ অংশ হৈ পৰিল। ঔপনিৱেশিক নীতি নিৰ্ধাৰকসকলে অসমক এক ভূ-সীমা বুলি গণ্য কৰিছিল। তেওঁলোকে অসমত বহিৰাগতৰ আগমনক উৎসাহিত কৰিবলৈ অধিক পমুৰা বসতি স্থাপন আৰু বহিৰাগতৰ সুবিধা হোৱা কাৰ্যকলাপ আৰম্ভ কৰাটো প্ৰয়োজনীয় বুলি ভাবিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ মাৰোৱাৰীসকলে কোন শতিকাত অসমত প্ৰবেশ কৰিছিল?

৭.৪.৫ নগা আৰু কুকিৰ মাজৰ সম্পৰ্ক ঃ বৃটিছ যুগ

নগা-কুকি সম্পৰ্কৰ বিষয়ে জনাৰ উৎস যথেষ্ট সীমিত। বৃটিছ শাসক আৰু খ্ৰীষ্টিয়ান মিশ্যনেৰীসকলৰ বাবেহে এই সম্প্ৰদায় দুটাৰ মাজৰ সম্পৰ্ক প্ৰকাশ কৰা বিভিন্ন উৎসৰ বিষয়ে জানিব পৰা গৈছে। নগা আৰু কুকিসকলে যেতিয়াই পৰস্পৰৰ বসতিবোৰৰ কথা গম পাইছিল তেতিয়াৰে পৰাই পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰিছিল। বৃটিছৰ শাসন

আৰু ধর্ম প্রচাৰৰ নামত খ্রীষ্টিয়ান যাজকসকলৰ নগা-কুকি অধ্যুষিত অঞ্চলবোৰলৈ অহা-যোৱা আৰম্ভ হোৱাৰ পাচত এই সম্পর্কৰ কথা পোহৰলৈ আহিছিল। বৃটিছ ঔপনিৱেশিক শাসন আৰম্ভ হোৱাৰ আগতে মণিপুৰৰ ৰাজ ইতিহাস, আহোম বুৰঞ্জী আৰু টেপেৰাহৰ ৰাজ ইতিহাসত নগা-কুকিৰ সম্বন্ধৰ উল্লেখ পঢ়িবলৈ পোৱা যায়। এই দুয়োটা নৃগোষ্ঠীয় দল মানুহৰ মূৰ চিকাৰ কৰাৰ অভ্যাস আৰু যুযুৎসু কার্যকলাপৰ বাবে জনাজাত আছিল। তেওঁলোকে যুদ্ধৰ অনুশীলনতে সীমাবদ্ধ নাথাকি বহিৰাগত, আন্তঃআঞ্চলিক, আন্তঃ জনজাতি আৰু আন্তঃগাওঁ ভিত্তিক যুঁজ-বাগৰত লিপ্ত আছিল। অৱশ্যে সম্প্রদায় দুটাৰ মাজত যে শান্তিৰ বাতাবৰণ নাছিল সেয়াও নহয়।

বৃটিছ শাসনৰ আৰম্ভণি আৰু খ্রীষ্টিয়ান ধর্মৰ প্রসাৰ ঘটাৰ লগে লগে এনে ধৰণৰ হিংসা লাহে লাহে নাইকিয়া হৈছিল। সম্প্রদায় দুটাই নিজে হিংসাত্মক কার্যকলাপ কঠোৰভাৱে নিষিদ্ধ কৰিছিল। নিয়ম উলংঘাকাৰীক শাসন বিধি অনুসৰি কঠোৰ শাস্তি বিহা হৈছিল। এ.কে. ৰে'ৰ ভাষাত, ''দুয়োটা সম্প্রদায়ৰ মাজৰ পৰম্পৰাগত প্রতিদ্বন্দ্বিতামূলক সম্পর্কটো বৃটিছসকলে কাৰ্চাজি কৰি সলনি কৰিছিল। কথাটো তেওঁলোকে শান্তি স্থাপনৰ সীমান্ত কেন্দ্রিক নীতিৰ অধীনত সাঙুৰি লৈছিল। শান্তি স্থাপনৰ নামত তেওঁলোকে কুকিসকলক নগা আৰ লুচাইসকলৰ বিৰুদ্ধে ব্যৱহাৰ কৰিছিল।'' এনেবোৰ বর্ণনাৰ পৰা অনুমান কৰিব পৰা যায় যে মণিপুৰৰ ৰজা আৰু বৃটিছ শাসক উভয়েই এই জনজাতি সম্প্রদায়বোৰক পৰস্পৰ বিৰোধী কৰি তুলি নিজ স্বার্থ সিদ্ধি কৰিছিল। বৃটিছসকলৰ বাবে এই নীতি আছিল 'বিভাজিত কৰা আৰু শাসন কৰা''। বিংশ শতিকাৰ প্রথমার্দ্ধত নগা আৰু কুকিসকলে ঔপনিৱেশিক ক্ষমতাৰ বিৰুদ্ধে মাত মাতিছিল। এই বিদ্রোহ অধ্যয়ন কৰিয়েই নগা আৰু কুকিৰ মাজৰ সম্পর্ক অনুমান কৰিব পৰা যায়।

প্রাচীন কালত আঁৰিয়া-আঁৰিত লিপ্ত দুখন গাওঁ অথবা দুটা সম্প্রদায়ৰ মাজত শান্তি চুক্তি স্থাপন হৈছিল। জগৰীয়া গাওঁখন অথবা সম্প্রদায়টো অদৃশ্য শক্তিৰ ৰোষত পৰাৰ অথবা মান-মর্যাদা হেৰুওৱাৰ ভয়ত এনে চুক্তি স্থাপিত হৈছিল। পি.কে. থেখোই তেনি-ইমিয়া (নগা) সকলে কেনেদৰে শান্তি চুক্তি কৰিছিল সেয়া বর্ণনা কৰি লিখিছে-

- যুদ্ধ দীঘলীয়া হ'লে আৰু দুয়োটা পক্ষ ভাগৰুৱা হৈ পৰিলে শান্তি চুক্তিৰ প্রস্তাৱ আগবঢ়োৱা হৈছিল।
- দুখন গাওঁ নাইবা দুটা সম্প্রদায়ৰ মাজত চলা সংঘর্ষৰ ওৰ পৰাৰ পাচত পৰাজিত গাওঁ নাইবা সম্প্রদায়টোৱে শান্তিৰ প্রস্তাৱ আগবঢ়াইছিল। দুর্বল পক্ষটোৱে সবল পক্ষটোক যাঠি, সুৰা আৰু মাংস আগবঢ়াইছিল। যদি শক্তিশালী পক্ষটোৱে দুর্বল পক্ষৰ কোনো সদস্যক হত্যা কৰে, তেন্তে শক্তিশালী গাওঁখনক ধ্বংস কৰা হৈছিল।
- যুদ্ধত লিপ্ত গাওঁ নাইবা সম্প্রদায় দুটাৰ যদি শক্তি সমান হয়, তেন্তে শান্তি চুক্তি স্থাপন

হোৱাৰ পাচত দুয়ো পক্ষই যাঠি, সুৰা আৰু মাংস বিনিয়ম কৰিছিল। তেওঁলোকে সমূহীয়াকৈ ভোজ-ভাত খাই শত্রুতাৰ অৱসান ঘটাইছিল।

এইবাৰ আমি নগা নেশ্যনেল কাউন্সিল মুভমেণ্ট ৰ সৈতে থকা সম্পৰ্কৰ ভিত্তিত নগা আৰু কুকিসকলৰ মাজৰ সম্পৰ্কটো বুজাৰ প্ৰয়াস কৰোঁ আহকচোন। ১৯১৮ চনত নগা পাহাৰত অৱস্থিত নগা ক্লাবত এই সংগঠনটোৰ বীজ অংকুৰিত হৈছিল। ই আছিল নগাসকলৰ প্ৰথমটো আনুষ্ঠানিক সংগঠন। ইয়াৰ জৰিয়তে নগা আৰু কুকিসকলে পোন প্ৰথমবাৰৰ বাবে ঔপনিৱেশিক শক্তিৰ বিৰুদ্ধে মাত মাতিছিল। নগা পাহাৰ এলেকাত বসবাস কৰি থকা বিভিন্ন নগা জনজাতি সম্প্ৰদায়ৰ লগতে কুকি প্ৰতিনিধি এই নগা ক্লাবৰ সদস্য আছিল। ইয়াৰ দ্বাৰাই বুজিব পাৰি যে সংগঠনটোৰ উত্থান আৰু বিকাশত কুকিসকলৰো যথেষ্ট অৱদান আছে। ১৯২৯ চনৰ ১০ জানুৱাৰীত নগা ক্লাবৰ সঁজাতি দল এটাই 'চাইমন কমিছন'ৰ নেতা ছাৰ জ'ন চাইমনৰ হাতত এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল। স্মাৰক পত্ৰত নাগাসকলক ঔপনিৱেশিক শাসনৰ পৰা বাদ দি নিজৰ ভৱিষ্যৎ নিজে নিৰ্ণয় কৰাৰ সুযোগ দিয়াৰ কথা কোৱা হৈছিল। ২০ জনীয় সঁজাতি দলটোৰ এগৰাকী সদস্য আছিল শ্বিৰ লেংজাং কুকি। এই প্ৰথমটো নগা ৰাজনৈতিক সংগঠনৰ প্ৰথম কুকি সদস্য দুগৰাকী আছিল শ্বেইখোহেন কুকি আৰু জাংখোচেই কুকি। তেওঁলোক সংগঠনটোৰ পূৰ্ণকালীন সদস্য আছিল। পৰৱৰ্তী সময়ত কুকি নেশ্যনেল এচেম্ব্লী (KNA)ৰ জন্ম হ'ল আৰু বিভিন্ন দাবীক কেন্দ্ৰ কৰি নগা আৰু একাংশ কুকিৰ মাজত মনোমালিন্যৰ সৃষ্টি হ'ল। তথাপিও আন একাংশ কুকিয়ে নগা সাৰ্বভৌমত্বৰ বাবে সদায় নগাসকলৰ সৈতে কাম কৰি গ'ল। কুকিসকলে আত্মগোপনকাৰী নগা সংগঠনৰ লগ লাগিছিল। এসময়ত NNC-এ ইয়াৰ সশস্ত্ৰ খাখা ফেডাৰেল গভৰ্মেণ্ট অৱ নাগালেণ্ড (FGN)ৰ জন্ম দিছিল।

৭.৪.৬ উত্তৰ-ঔপনিৱেশিক যুগ

ভাৰতে ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনাখন দেশ বিভাজনৰ বিনিময়ত বৃটিছৰ পৰা স্বাধীনতা লাভ কৰিছিল। দেশ বিভাজনৰ বাবে ভাৰতৰ চাৰিসীমা আৰু অঞ্চলবোৰৰ নতুন মানচিত্ৰ তৈয়াৰ কৰিবলগীয়া হৈছিল। স্বাধীনতাৰ পাচত অসমত আধুনিকীকৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। ৰাজ্যখনৰ নগৰ আৰু গ্ৰামাঞ্চলবোৰত বিভিন্ন ধৰণৰ সামূহিক উন্নয়ন কাৰ্যসূচী, পঞ্চায়তী ৰাজ অনুষ্ঠান, শিক্ষা কেন্দ্ৰ নিৰ্মাণ আদি কাম আৰম্ভ হৈছিল। উত্তৰ-পূবৰ বাসিন্দাসকলৰ ভাৰতৰ অন্য অঞ্চলৰ লোকৰ সৈতে সম্পৰ্ক স্থাপন হৈছিল। উত্তৰ-পূৰ্বাঞ্চলৰ লোকে ৰাজনীতিত অংশগ্ৰহণ কৰাৰ সুযোগো লাভ কৰিছিল। উত্তৰ-পূব ভাৰতত নগৰীকৰণ প্ৰক্ৰিয়াৰো আৰম্ভণি হৈছিল। এই প্ৰক্ৰিয়াই কালক্ৰমত অঞ্চলটোৰ সামাজিক সংৰচনা, জীৱন শৈলী আৰু জীৱন যাপনৰ পন্থা সলনি কৰিছিল।

ঔপনিৱেশিক শাসনৰ ওৰ পৰাৰ ঠিক পাচতেই হোৱা দেশ বিভাজনৰ ফলত ভাৰতৰ চিলেট জিলাখন পাকিস্তানৰ অংশ হৈ পৰিছিল। লগে লগে পূর্ব বংগৰ হিন্দু বাঙালীসকলে অসমলৈ ঢাপলি মেলিছিল। এইছ শ্রীকান্তৰ মতে, "অসমে দেশ বিভাজনৰ অভিঘাত (Trauma) সহিবলগীয়া হৈছিল। অসমীয়া নেতাসকলে দেশ বিভাজনক এক আশীর্বাদ বুলি গণ্য কৰিছিল আৰু ভাবিছিল যে বিভাজনৰ পাচত এই বহিৰাগতৰ প্রব্রজন বন্ধ হ'ব।

৭.৫ ভাৰতৰ উত্তৰ-পূর্বাঞ্চলবাসীৰ মাজৰ আন্তঃসাম্প্রদায়িক সম্পর্কবোৰৰ পৰিৱর্তনশীল প্রকৃতি

উত্তৰ-পূব ভাৰতৰ খিলঞ্জীয়া জনজাতিবোৰৰ মূলতঃ তিব্বত-বর্মীয় আৰু মংগোলীয় জাতিৰ সৈতে ঐতিহাসিক সম্পর্ক আছে। অঞ্চলটোৰ জনজাতি সম্প্রদায়বোৰৰ দক্ষিণ এচিয়াৰ দেশবোৰতকৈ দক্ষিণ-পূব এচিয়াৰ দেশবোৰৰ সৈতে যথেষ্ট সাদৃশ্য আছে। ভাষিক,সাংস্কৃতিক আৰু নৃগোষ্ঠীয় দিশেৰে ভাৰতৰ অন্য ৰাজ্যবোৰতকৈ উত্তৰ-পূর্বাঞ্চল পৃথক। এই অঞ্চলটোৰ বাসিন্দাসকলৰ মাজৰ পৰিৱর্তনশীল আন্তঃ সাম্প্রদায়িক সম্পর্কবোৰৰ প্রকৃতি বুজিবলৈ আমি নৃগোষ্ঠীয় দিশেৰে গুৰুত্বপূর্ণ বহুকেইটা উপাদানৰ বিষয়ে আলোচনা কৰিব লাগিব। পৰিচয়ৰ সংকট, ভাষিক সংঘাত, কর্মসংস্থাপন লাভৰ সুবিধা, জাতীয় সমস্যা, অসমীয়া ভাষী লোকসকল (General Assamese)ৰ মনোভাব, অধিক উন্নত প্রসাসনীয় প্রক্রিয়া আদি উপাদানৰ দিশেৰে চালিজাৰি চালে এই পৰিৱর্তন ধৰা পেলাব পৰা যাব।

উত্তৰ-পূব ভাৰতৰ নৃগোষ্ঠীয় সম্প্রদায়বোৰৰ মাজৰ সম্পর্ক সলনি হোৱাৰ এটা প্রধান কাৰণ হ'ল নৃগোষ্ঠীয় পৰিচয়। প্রধানতঃ নৃগোষ্ঠীয় পৰিচয় আধাৰতে বহুতো জনজাতি সম্প্রদায়ে পৃথক ৰাজ্যৰ বাবে দাবী জনাই আহিছে। বিভিন্ন নৃগোষ্ঠীয় দিশ বিবেচনা কৰি তাৰ ভিত্তিত গঠন কৰা ৰাজ্যখনত নৃগোষ্ঠীয় পৰিচয়ক লৈ কোনো শংকা নাথাকিব। এই ধাৰণাৰ আধাৰতে মিজোসকলৰ বাবে মিজোৰাম; খাচী, জয়ন্তীয়া আৰু গাৰোসকলৰ বাবে মেঘালয়; নগাসকলৰ বাবে নাগালেণ্ড ৰাজ্য গঠন কৰা হৈছিল।

ভাৰতৰ উত্তৰ-পূর্বাঞ্চলৰ আন এটা জটিল আৰু সংবেদনশীল সমস্যা হ'ল ভাষা। স্বাধীনতাৰ পচত অসমীয়া ভাষী লোকসকলে অসমীয়াক অসমৰ ৰাজ্যভাষা কৰিব বিচাৰিছিল। এই কথাটোক অঞ্চলটোৰ বহুতো নৃগোষ্ঠীয় সম্প্রদায়ে এক বলপূর্বকভাৱে জাপি দিয়া কথা বুলি গণ্য কৰিছিল। খিলঞ্জীয়া জনজাতি সম্প্রদায়বোৰৰ লগতে অন্য অনা-অসমীয়া ভাষী সম্প্রদায়বোৰে এই কথাৰ বিৰোধিতা কৰিছিল। ইয়াৰ ফলস্বৰূপে অসমীয়া ভাষী লোকসকলৰ সৈতে এই সম্প্রদায়বোৰৰ তিক্ত সংঘাত আৰম্ভ হৈছিল। উত্তৰ-পূব ভাৰতৰ নৃগোষ্ঠীয় সম্প্রদায়বোৰৰ মাজত অতীজৰে পৰা বর্তি থকা সুসম্পর্কৰ ৰূপান্তৰ ঘটাত অসমীয়া ভাষী লোকৰ এই আধিপত্যবাদী ভাষিক হেঁচাই এক প্রধান ভূমিকা লৈছিল।

স্বাধীনতাৰ পাচত অঞ্চলটোত দেখা দিয়া নৃগোষ্ঠীয় সম্প্রদায়বোৰৰ সংঘাতৰ ফলতেই কেইবাখনো পৃথক ৰাজ্যৰ দাবীত নানা আন্দোলনৰ সূচনা হৈছিল। নাগালেণ্ডৰ NSCN সংগঠনে পৃথক নাগালিম ৰাজ্য বিচাৰিছে, অসমৰ ULFA-ই পৃথক স্বাধীন দেশ বিচাৰিছে, AKRASU-ই পৃথক কমতাপুৰ ৰাজ্য বিচাৰিছে, ABSU আৰু NDFB-এ পৃথক বড়োলেণ্ড ৰাজ্য বিচাৰিছে, KLNLF (পুৰ্বৰ UPDA) এ পৃথক কৰ্বি আংলং আৰু ডিমালেণ্ড বিচাৰিছে। আনকি মেঘালয়তো পৃথক গাৰোলেণ্ডৰ দাবী উত্থাপিত হৈছে। অৱশ্যে এই দাবীবোৰ বৰ্তমান মূহুৰ্তলৈকে বাস্তৱত পৰিণত হোৱা নাই। নতুন চৰকাৰ ক্ষমতাসীন হ'লেই অধিক স্ব-নিয়ন্ত্রণ বিচৰা দল- সংগঠনবোৰে তেওঁলোকৰ ধৰ্ণা, আন্দোলন, ধৰ্মঘট আদিৰ দৰে কার্যসূচীবোৰ সক্রিয় কৰি তুলি চৰকাৰৰ ওপৰত হেঁচা প্রয়োগ কৰে।

৭.৬ উত্তৰ-পূৰ্ব ভাৰতৰ নৃগোষ্ঠীয় সংঘাত

সংঘৰাষ্ট্রীয় গাঁথনি নীতি অনুসৰণ কৰা দেশ এখনৰ ৰাজ্যবোৰৰ আধাৰ হ'ল ক্ষমতাৰ বিকেন্দ্রীকৰণ। ভাৰত এখন সংঘৰাষ্ট্রীয় গাঁথনি থকা কিন্তু অখণ্ড সত্তাৰ দেশ। স্বাধীনতাৰ পাচত ভাৰতীয় সংবিধান প্রণেতাসকল ভাৰতৰ অখণ্ডতাক প্রভাৱিত কৰিব পৰা কাৰকবোৰক লৈ উদ্বিগ্ন হৈ পৰিছিল। সেয়েহে সংবিধানত দেশৰ অখণ্ড অৱস্থা অক্ষুণ্ণ ৰখাৰ এনে কিছুমান বৈশিষ্ট্য সন্নিৱিষ্ট কৰা হৈছে- যিবোৰৰ ভিত্তিত বিচ্ছিন্নতাবাদী প্রৱণতা ৰোধ কৰিব পৰা যায়। ইয়াৰ ফলত কেন্দ্র আৰু ৰাজ্য চৰকাৰৰ মাজত ক্ষমতাৰ ভাগ-বটোৱাৰা কৰাৰ এক মিশ্রিত আৰ্হিৰ উত্থান ঘটিছিল। এই এটা কাৰণতে ক্ষমতাৰ ভাগ-বটোৱাৰাক লৈ ভাৰততে প্রায়েই এক উদ্বেগ বিৰাজমান হৈ থাকে। উত্তৰ-পূব ভাৰততে সাংস্কৃতিক আৰু ভৌগোলিক ভিন্নতাৰ বাবেও সাম্প্রদায়িক সংঘাতৰ সৃষ্টি হয়। ক্ষুদ্র ৰাজ্য গঠনৰ দাবীটো ভাৰতীয় ৰাজনীতিৰ এক এৰাব নোৱাৰা সমস্যা হৈ পৰিছে। কেৱল অসম প্রদেশ বুলি স্বীকৃতিপ্রাপ্ত তথা চিহ্নিত এই উত্তৰ-পূৰ্বাঞ্চলক ৰাজ্য পুনৰগঠন প্রক্রিয়াৰ নামত সাতখন ৰাজ্যত বিভক্ত কৰা হৈছে। ১৯১২ চনলৈকে অঞ্চলটোত পূৰ্বতে মাত্র চাৰিটা সংমণ্ডল আছিল- অসম প্রদেশ, ৰজা শাসিত মণিপুৰ, ৰজাশাসিত ত্রিপুৰা আৰু নৰ্থ ইষ্ট ফ্রণ্টিয়াৰ অঞ্চল (NEFA)

উত্তৰ-পূব ভাৰতৰ হিংসাত্মক সংঘাত হ'ল এক সৰ্বাত্মক পৰিঘটনা। ই ভাৰতৰ চাৰিসীমা আৰু সাৰ্বভৌমত্বক প্রভাৱিত কৰাৰ লগতে অঞ্চলটোত বাস কৰা বিভিন্ন লোকৰ জীৱনো বিপদাপন্ন কৰি তুলিছে।

৭.৬.১ চৰকাৰৰ আঁচনিসমূহ

ভাৰত চৰকাৰে অতীতৰ পৰা এতিয়ালৈকে চলাই থকা ৰাষ্ট্রীয় সংহতি, ৰাষ্ট্র নির্মাণ আৰু গণতান্ত্রিক সুদৃঢ়কৰণ প্রক্রিয়াবোৰে উত্তৰ-পূব ভাৰতৰ সংঘাতময় পৰিস্থিতিৰ অৱনতিহে ঘটাইছে। উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যত প্রায় চল্লিশ নিযুত লোকে বাস

কৰে। ভাষা, জাতি, জনগোষ্ঠী, জীৱিকা ভিত্তিক উপ-জাতি, ধর্ম আৰু আঞ্চলিক ঐতিহ্যৰ দিশেৰে অঞ্চলটোৰ লোকসকলৰ সুকীয়া সুকীয়া বৈশিষ্ট্য আছে। সেয়েহে এই আটাইকেইখন ৰাজ্যকে 'উত্তৰ-পূব' ভাৰত বুলি অভিহিত কৰা কার্যটোক প্রায়েই গোটেই অঞ্চলটোত 'সমগোত্রীয়কৰণ' প্রক্রিয়া চলোৱাৰ প্রৱণতা বুলি ভবা হয়। সকলো অঞ্চলৰ বাবে একেই নীতি যুগুত তথা প্রণয়ন কৰাটোকো এক ধৰণৰ সমস্যা বুলিব পাৰি। কেন্দ্রীয় চৰকাৰেও অঞ্চলটোৰ বাবে উপযুক্ত ৰাজনৈতিক তথা প্রশাসনীয় ব্যৱস্থাপনা যুগুত কৰাত সদিচ্ছাৰ অভাৱ প্রদর্শন কৰি আহিছে। অঞ্চলটোত সক্রিয় হৈ থকা AFSPA (সশস্ত্র বাহিনী বিশেষ ক্ষমতা আইন) খনেও সংঘাত নির্মূলৰ বাবে যথোপযুক্ত ৰাজনৈতিক ব্যৱস্থা গ্রহণৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ অসমর্থতা আৰু আগ্রহহীনতাক লৈ বিভিন্ন মহলৰ মাজত সময়ে সময়ে বিতর্ক চলি আহিছে। ১৯৫৮ চনৰ ১৮ আগষ্টত নগা পাহাৰত আৰম্ভ হোৱা বিচ্ছিন্নতাবাদী সশস্ত্র আন্দোলন প্রতিহত কৰাৰ উদ্দেশ্যেৰে অঞ্চলটোত ভাৰতীয় সামৰিক বাহিনীৰ ঘাটি স্থাপনত সহায়ক হোৱাকৈ হ্রস্বম্যাদী ব্যৱস্থা হিচাপে AFSPA গৃহিত কৰা হৈছিল। ই আছিল নগা নেশ্যনেলিষ্ট কাউন্সিলে স্ব-নিয়ন্ত্রণৰ অধিকাৰ বিচৰা নগা অধ্যুষিত এলেকাবোৰক নিয়ন্ত্রণাধীন কৰি ৰখাৰ উদ্দেশ্যেৰে কেন্দ্রীয় চৰকাৰে গৃহিত কৰা আইন-বিধি সমষ্টিটোৰ এটা অংশ। এই আইনখনে আন্তর্জাতিক মানৰ অধিকাৰ আইনৰ বহুকেইটা অধিকাৰ উলংঘন কৰে। ইয়াৰ ভিতৰত আছে জীৱনৰ অধিকাৰ, বলপূর্বক গ্রেপ্তাৰ আৰু বন্দীত্বৰ পৰা নিজকে সুৰক্ষিত ৰখাৰ অধিকাৰ, শাৰীৰিক অত্যাচাৰ আৰু নিষ্ঠুৰ আচৰণৰ পৰা মুক্ত হোৱাৰ অধিকাৰ ইত্যাদি।

অঞ্চলটোত চলি থকা বিভিন্ন সংঘাতৰ আকৌ জটিল ৰাজনৈতিক আৰু অর্থনৈতিক সমস্যাৰ সৈতে মিলন ঘটিছে। এনে সমস্যা কেইটামান হ'ল প্রাকৃতিক সম্পদক লৈ চলা সংঘর্ষ, অবৈধ প্রব্রজনকাৰীৰ সমস্যা, বসতি উচ্ছেদকৰণৰ পিছত উদ্ভৱ হোৱা স্থানান্তৰৰ সমস্যা, সামাজিক বহিষ্কাৰ ইত্যাদি। ড^{0} ক্লিমেন্স স্পাইচৰ ভাষাত, " উত্তৰ-পূব ভাৰতৰ পৰিচয়ৰ ৰাজনীতিটো অঞ্চলটোৰ সাম্প্রতিক সংঘাত সমষ্টিটোৰ সর্ববৃহৎ অংশটোৰ কেন্দ্রবিন্দু।"

৭.৬.২ উল্লেখযোগ্য বৈদেশিক নীতি

১৯৯১ চনত ভাৰতত আৰম্ভ হোৱা অর্থনৈতিক উদাৰীকৰণৰ এক অংশ হিচাপে 'পূবলৈ চাওক নীতি' (Look East Policy) যুগুত কৰা হৈছিল। ই আছিল দক্ষিণ-পূব এচিয়াৰ দিশত আৰম্ভ কৰা এটা বৈদেশিক অর্থনৈতিক নীতি। উত্তৰ-পূব ভাৰত ভৌগোলিক অৱস্থানৰ দিশেৰে ভাৰতৰ মূল ভূ-খণ্ড আৰু দক্ষিণ এচিয়াৰ মাজত অৱস্থিত। এই অঞ্চলটো বৈচিত্র্যময় প্রাকৃতিক সম্পদ, জৈৱ-বৈচিত্র্য আৰু প্রচুৰ জলবিদ্যুৎ উৎপাদনৰ সম্ভাৱনাৰে চহকী। এইবোৰক কামত লগাব পাৰিলে অঞ্চলটোৰ

বাসিন্দাসকলৰ মনত থকা অনগ্রসৰতাৰ ভাৱনাটো আঁতৰাব পৰা যাব। কিন্তু উত্তৰ-পূব ভাৰতৰ পৰম্পৰাগত সমাজবোৰত বজাৰ ব্যৱস্থাৰ প্রচলন বৃদ্ধি পালে সংস্কৃতি আৰু জীৱন সংকটাপন্ন হ'ব বুলি এচামে প্রদর্শন কৰা যুক্তিৰ শক্তি বৃদ্ধি পাইছে। এই ব্যৱস্থাই অঞ্চলটোত নানা ধৰণৰ বিৰূপ প্রভাৱ পেলোৱাৰ লগতে মূল ভাৰত ভূ-খণ্ডৰ পৰা উত্তৰ-পূব ভাৰতলৈ বসতি স্থাপন কৰিবলৈ অহা মানুহৰ সংখ্যা যথেষ্ট বঢ়াৰ ফলত অন্য সমস্যায়ো মূৰ দাঙি উঠিব।



৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এটা বিশ্লেষণাত্মক শিতানত অন্তর্ভুক্ত কৰি এক বিশেষ জনসমষ্টিৰ অধ্যয়ন কৰাৰ কামটো আগুৱাই নিবলৈ 'নৃগোষ্ঠীবাদ' অভিধাটোৰ প্রচলন ঘটিছিল। কোনো এখন ৰাষ্ট্র বা ৰাজ্যৰ আধিপত্য থকা সংখ্যাগৰিষ্ঠ জনসমষ্টিটোতকৈ সাংস্কৃতিকভাৱে পৃথক মানৱ গোটবোৰৰ দাবী ক্রমে বৃদ্ধি পোৱা বাবেই অভিধাটোৰ গুৰুত্বও বাঢ়ি গৈছে।
- নৃগোষ্ঠীবাদ সামাজিকভাৱে নির্মিত হয়। বিষয়নিষ্ঠভাৱে ইয়াৰ সংজ্ঞা দাঙি ধৰাৰ সময়ত ইয়াক এটা দলৰ বংশ, সাংস্কৃতিক ৰীতি-নীতি, ভাষা, ধর্ম, জাতীয় পৰিচয়, স্বজনৰ নেটৱর্'ক আৰু শাৰীৰিক অবয়বৰ সৈতে জড়িত দিশবোৰৰ এক সংমিশ্রণ বুলি কোৱা হয়।
- উত্তৰ-পূব ভাৰতে সদৌ ভাৰতৰ নৃগোষ্ঠীয় পৰিচয়বোৰ অধিক বাৰে-ৰহণীয়া কৰি তোলাত গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছে। বৃটিছে অসমত পদার্পন কৰাৰ আগৰে পৰা উত্তৰ-পূব অঞ্চলৰ নৃগোষ্ঠীয় বাসিন্দাসকলে শান্তিপূর্ণভাৱে সহাৱস্থান কৰি আছিল আৰু কালক্রমত সম্প্রদায়বোৰৰ পৰস্পৰৰ মাজত লীনভৱন ঘটিছিল।
- বৃটিছ শাসন আৰু খ্রীষ্টিয়ান ধর্মৰ প্রচাৰ আৰম্ভ হোৱাৰ পাচতহে নগা আৰু কুকি সম্প্রদায়ৰ মাজৰ সম্পর্কৰ বিষয়ে জানিব পৰা গৈছিল।
- উত্তৰ-পূব ভাৰতত সাংস্কৃতিক তথা ভৌগোলিক ভিন্নতাৰ বাবে সাম্প্রদায়িক সংঘাতৰ সৃষ্টি হৈ আহিছে। ক্ষুদ্র ৰাজ্য গঠনৰ দাবীটোৱে সেয়েহে ভাৰতীয় ৰাজনীতিত এটা গুৰুতৰ সমস্যাৰ ৰূপ ধাৰণ কৰিছে।



৭.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

Barpujari H.K. (1992) The Comprehensive History of Assam, Publication Board Assam, Vol.2; Guwahati.

Baruah Sanjib (1999) Indian Against Itself, Oxford University Press, New Delhi.

Fenton, Steve (2003) Ethnicity, Polity; Cambridge.

Gohain U.N. (1942) Assam Under the Ahoms, D.K. fine Art Press; Delhi.

Sengupta Sarthak (ed.2002) Tribal Studies in North East India, Mittal publications; New Delhi.



৭.৯ অগ্রগতিৰ খতিয়ান

উত্তৰসমূহ ঃ

1 নং প্ৰশ্নৰ উত্তৰ ঃ ইট্‌চ্ছিচন আৰু স্মিথ।

2 নং প্ৰশ্নৰ উত্তৰ ঃ 1532

3 নং প্ৰশ্নৰ উত্তৰ ঃ চুডাংফাৰ শাসন কালত।

4 নং প্ৰশ্নৰ উত্তৰ ঃ ঊনবিংশ শতিকাত।



৭.১০ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখিব)

প্ৰশ্ন নং ১ ঃ- নৃগোষ্ঠীবাদৰ অৰ্থ কি ?

প্ৰশ্ন নং ২ ঃ- নৃগোষ্ঠীয় দল /গোট বুলিলে কি বুজে ?

প্ৰশ্ন নং ৩ ঃ- নৃগোষ্ঠীয় পৰিচয় মানে কি ?

প্ৰশ্ন নং ৪ ঃ- আহোম যুগত আন্তঃসম্প্ৰদায় সম্পৰ্কবোৰ কেনে ধৰণৰ আছিল ?

প্ৰশ্ন নং ৫ ঃ- বৃটিছৰ যুগত আন্তঃসম্প্ৰদায় সম্পৰ্কবোৰ কেনে ধৰণৰ আছিল ?

খ) দীঘল প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখিব)

প্ৰশ্ন নং ৬ ঃ- স্বাধীনতাৰ পাচত উত্তৰ-পূব ভাৰতৰ আন্তঃসম্প্ৰদায় সম্পৰ্কবোৰে কেনে ৰূপ ধাৰণ কৰিছিল ?

প্ৰশ্ন নং ৭ ঃ- অসমৰ নৃগোষ্ঠীয় সংঘাতৰ সমস্যাটো আলোচনা কৰক।

****

অধ্যায় ৮ ঃ উত্তৰ-পূব ভাৰতত বিদ্রোহৰস্থা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ উত্তৰ-পূব ভাৰতত বিদ্রোহাৰস্থাঃ উৎপত্তি আৰু বিকাশ
৮.৪ উত্তৰ-পূব ভাৰতত বিদ্রোহাৰস্থা আৰু প্রাক্ -ঔপনিৱেশিক ৰাজনীতি
৮.৫ উত্তৰ -পূব ভাৰতৰ প্রধান বিদ্রোহী দলসমূহ
৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৭ অধিক জানিবলৈ
৮.৮ অগ্রগতিৰ খতিয়ান
৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- উত্তৰ-পূব ভাৰতত বিদ্রোহাৰস্থাৰ উৎপত্তি আৰু বিকাশ সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- উত্তৰ-পূব ভাৰতত সক্রিয় হৈ থকা ৰাজনৈতিক প্রক্রিয়াসমূহ বুজিব পাৰিব
- উত্তৰ -পূব ভাৰতৰ প্রধান বিদ্রোহী দলসমূহ চিনাক্ত কৰিব পাৰিব।
- ৰাজ্য আৰু নৃগোষ্ঠীয় ভূমিকাৰ লগতে নাগৰিক সৈন্যবাহিনী সম্পর্কে ধাৰণা কৰিব পাৰিব।

৮.২ পৰিচয়

এই অধ্যায়টিৰ মাজেদি আমি উত্তৰ-পূব ভাৰতত বিদ্রোহাৰস্থাৰ সমস্যাটোৰ সৈতে পৰিচিত হ'ম। ভাৰতৰ স্বাধীনতাৰ সাত দশক পাচতো দেশৰ এই প্রান্তত বিদ্রোহাৰস্থা এক চিৰদিনীয়া সমস্যা হিচাপে বর্তি আছে। বিকাশৰ আৰ্হিটোৰ প্রসাৰৰ লগে লগে আৰু দেশৰ নিৰাপত্তা স্বার্থৰ পৰিধিৰ বাহিৰত অঞ্চলটোৰ বর্দ্ধিত ৰাজনৈতিক দৃশ্যমানতাই উত্তৰ-পূব ভাৰত এক পৰিৱর্তনশীল তথা অস্থিৰ অঞ্চল বুলি থকা জনপ্রিয় ধাৰণাটো কিছু পৰিমাণে নাইকিয়া কৰিছে। কিন্তু মনোভাৰৰ সামান্য পৰিৱর্তনে এই সত্যটো সলনি নকৰে যে এনে ধাৰণাসমূহৰ বেছিভাগেই পু�ৰণিকলীয়া তথা গতানুগতিক। উত্তৰ-পূর্বাঞ্চলৰ বাসিন্দাসকলক এক সমগোত্রীয় বিভাগত বিভক্ত কৰাৰ ফলস্বৰূপে সৃষ্টি হোৱা জাতিগত উপমাটো এনে পুৰণিকলীয়া তথা গতানুগতিক ধাৰণাসমূহৰে প্রমাণ। উত্তৰ-পূব ভাৰতৰ প্রতি থকা নেতিবাচক ধাৰণা আৰু ভুল আকলনৰ এক প্রধান কাৰণ হ'ল অঞ্চলটোত পুনৰাবৃত্তি হৈ থকা কন্দল সৃষ্টিকাৰী সশস্ত্র সংঘাতসমূহ। এই অধ্যায়টিত আপুনি

উত্তৰ-পূব ভাৰতত বিদ্রোহাৰস্থাৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে অৱগত হ'ব, ৰাজ্য-গঠনৰ ৰাজনীতি আৰু বিদ্রোহাৰস্থা বৃদ্ধিৰ সৈতে থকা ইয়াৰ সম্পৰ্ক কথা জানিব আৰু বিদ্রোহী দলৰ বিষয়ে জানিব পাৰিব।



জানি থোৱা ভাল

ৰাজ্য-গঠন (State-making)ঃ সীমান্তৱৰ্তী এলেকাসমূহৰ বিভিন্ন অঞ্চলৰ বিধিবদ্ধ ভাৱে আনুষ্ঠানিকীকৰণ ঘটাই কেন্দ্রীয়ভাৱে চৰকাৰৰ ৰাজনৈতিক প্রসাৰ বৃদ্ধি কৰা।

৮.৩ উত্তৰ-পূব ভাৰতত বিদ্রোহৰস্থা ঃ উৎপত্তি আৰু বিকাশ

প্রথমতে, 'বিদ্রোহাৰস্থা' (insurgency) অভিধাটোৰ ওপৰত আলোকপাত কৰোঁ আহক। বার্ড ই অ' নীলে (Bard E O' Neill) দিয়া সংজ্ঞা মতে বিদ্রোহাৰস্থা হ'ল "কোনো এক অ-শাসনাধিস্থ দলৰ আৰু শাসনাধিস্থ কর্তৃপক্ষৰ মাজত হোৱা এক সংঘাত য'ত অ-শাসনাধিস্থ দলটোৱে ৰাজনীতিৰ এক নাইবা ততোধিক দিশৰ বৈধতাৰ আধাৰ ধ্বংস, পুনঃ নিৰ্দ্ধাৰণ বৰ্তাই ৰাখিবলৈ বিভিন্ন ৰাজনৈতিক সমল, যেনেঃ সাংগঠনিক নৈপুণ্য, উদ্দেশ্যধৰ্মী প্রচাৰ, বিক্ষোভ প্রদর্শন ইত্যাদিৰ লগতে হিংসাত্মক পন্থা হাতত লয়।"। এই সংজ্ঞাটোৰ মূলশব্দ হ'ল 'বৈধতা' (legitimacy)। বিদ্রোহাৰস্থাৰ সহায়ত, এক শাসনাধিস্থ দলৰ বৈধতাক প্রশ্ন কৰা হয় আৰু ইয়াৰ অৱমূল্যায়ন কৰা হয়। ইয়াৰ পৰিৱর্তে অ-শাসনাধিস্থ দল এটাৰ বৈধতা বৃদ্ধি হয় তথা দলটো আগতকৈ অধিক শক্তিশালী হয়। ৰাজনৈতিক হিংসা সম্পৰ্কে অধ্যয়ন কৰা সকলৰ মাজত সন্ত্রাসবাদৰ সংজ্ঞা আৰু বিদ্রোহাৰস্থাৰ সৈতে ইয়াৰ সম্পৰ্কক লৈ এক সাধাৰণ মতভেদ আছে। এৰিয়েল মেৰাৰি (১৯৯৩] য়ে ইয়াৰ এক বিশ্লেষণামূলক পার্থক্য আগবঢ়াইছিল। এই পার্থক্যই আমাক সন্ত্রাসবাদ আৰু বিদ্রোহাৰস্থাৰ মাজৰ সম্পৰ্কৰ বুজাত সহায় কৰে। মেৰাৰিৰ ভাষ্য অনুসৰি সকলো বিদ্রোহাৰস্থাই স্বাভাৱিকতে সন্ত্রাসবাদৰ সমকক্ষীয় নহ'বও পাৰে; কিন্তু, বিদ্রোহাৰস্থাই ৰাজনৈতিকভাৱে অনুপ্রেৰিত লক্ষ্য তথা উপ-জাতীয়তাবাদী দাবীৰ স্বার্থত সন্ত্রাসবাদক এক 'কৌশলগত আহিলা' হিচাপে ব্যৱহাৰ কৰিব পাৰে।" এই ধাৰণাটোৱে উত্তৰ-পূব ভাৰতৰ সন্ত্রাসবাদ আৰু বিদ্রোহাৰস্থাৰ মাজত থকা সম্পৰ্কটো বুজাত গুৰুত্বপূর্ণ সহায় আগবঢ়ায়।



জানি থোৱা ভাল

উপ-জাতীয়তাবাদ (Sub-nationalism) ঃ সামগ্রিকভাৱে দেশ এখনৰ পৰা পৃথকভাৱে এক উপৰাষ্ট্র অথবা উপৰাষ্ট্রৰ সমষ্টি গঠনৰ স্বার্থৰ প্রতি দেখুওৱা সমর্থন অথবা পোষকতা।

উত্তৰ-পূব ভাৰতত বিদ্রোহাৰস্থাৰ উৎপত্তি বিষয়টোৰ অঞ্চলটোৰ ইতিহাস আৰু ভূগোলৰ সৈতে বহুমুখী সম্পৰ্ক আছে। ঔপনিৱেশিক প্রশাসনিক ব্যৱস্থাই অঞ্চলটোত অতিক্রমণৰ সূচনা কৰাৰ আগতে ইয়াৰ লোকসকলৰ মাজত বন্ধুত্ব আৰু মিলা-প্রীতিৰ এক স্বাভাৱিক সম্পৰ্ক বৰ্তি আছিল। ভৌগোলিক পৰিসীমাসমূহৰ ইপাৰে -সিপাৰে চলা তথা নিৰৱচ্ছিন্ন ব্যাপক পৰিৱহনে মানুহৰ মাজত স্থাপন হোৱা বহুতো সম্পৰ্কৰ মৌখিক কাহিনীৰ সৃষ্টি কৰিছিল। এনেদৰে, নৃগোষ্ঠীয় জোঁট (ties) সমূহে ব্রিটিছ শাসনে 'পশ্চাৎভূমি' (hinterland) বুলি গণ্য কৰা ভূ-খণ্ডৰ ওপৰত আৰোপ কৰা ৰাজনৈতিক পৰিসীমাৰ উৰ্দ্ধলৈ গতি কৰিছিল। ব্রিটিছসকলৰ সংজ্ঞা মতে, 'হিণ্টাৰলেণ্ড' হ'ল সভ্যতাৰ ধাৰণাই ঢুকি নোপোৱা দূৰত্বত থকা আৰু কোনেও আগতে সন্ধান নোপোৱা জনবসতিপূর্ণ ভূখণ্ড। পৰৱর্তী বিকাশ, যেনে- পাহাৰ, ভৈয়াম, আন্তঃ ৰেখা, বহিঃ ৰেখা, সীমান্ত অঞ্চল, আন্তঃ-সীমান্ত অঞ্চল, সংৰক্ষিত অঞ্চল ইত্যাদি প্রশাসনিক বিভাজনৰ সহায়ত পৰিসীমা নির্ধাৰণ কৰাৰ ফলতো নৃগোষ্ঠীয় সমস্যা বৃদ্ধি পাইছিল। আগতে বিভিন্ন নৃগোষ্ঠীয় সম্প্রদায়ৰ মাজৰ সংঘাত মূলতঃ স্থানিক দখলৰ অভিচ্ছাদনলৈকেহে সীমিত আছিল। পৰিসীমা প্রস্তুতকৰণৰ অনুশীলন আৰম্ভ হোৱাৰ পাচত নৃগোষ্ঠীয় বন্ধুত্বৰ বান্ধোনবোৰ দুর্বল হৈ বেয়াৰ ফালে ঢাল খালে। এনেদৰেই, স্বকীয়তা স্থাপনৰ ৰাজনীতিৰ প্রথম বীজ সিচাঁ হৈছিল। এক অখণ্ড ভৌগোলিক অঞ্চলক সীমান্তৱর্তী অঞ্চললৈ ৰূপান্তৰ কৰিবলৈ যাদৃচ্ছিকভাৱে সীমাৰেখাবোৰ টনা হৈছিল। ব্রিটিছসকলৰ বাবে আঞ্চলিক সীমা বিভাজন কৰি এক বিস্তৃত ভৌগোলিক অঞ্চলত নিজৰ উপস্থিতি তথা বৈধ্যতা প্রতিপন্ন কৰাতকৈ গুৰুত্বপূর্ণ কাম আন একোৱেই নাছিল। ভাৰতৰ উত্তৰ-পূব অঞ্চলত তেওঁলোকে প্রচুৰ অর্থনৈতিক সম্ভাৱনাৰ উমান পাইছিল। যিহেতু অঞ্চলটোৱে এক আন্তর্জাতিক পথৰ সংযোগস্থল হিচাপে কাম কৰিছিল, সেয়েহে অইনে উমান পোৱাৰ আগতে ব্রিটিছসকলে অঞ্চলটো অধিগ্রহণ কৰাৰ সিদ্ধান্ত লৈছিল। এই উদ্দেশ্যেৰেই তেওঁলোকে পৰৱর্তী সময়ত এই পথ সংযোগস্থলটো এক ঔপনিৱেশিক 'সমল'ৰ সীমান্ত অঞ্চললৈ ৰূপান্তৰিত কৰিবলৈ এলানি সুচিন্তিত পৰিকল্পনা কার্যৰূপায়ণৰ অনুশীলন আৰম্ভ কৰিছিল। খিলঞ্জীয়া সম্প্রদায়সমূহৰ ওপৰত নজৰ ৰাখিবলৈ পৰম্পৰাগত পথসমূহ ধ্বংস কৰি নতুন পথ নির্মাণ কৰা হৈছিল। ৰাজনৈতিক বিষয়া অথবা প্রতিনিধিৰ তত্ত্বাৱধানত অঞ্চলটোৰ ভিতৰুৱা এলেকাসমূহৰ মানচিত্র প্রস্তুতিৰ বিজ্ঞানভিত্তিক অভিযান চলোৱা হৈছিল। এনেকুৱা দৃষ্টান্তও আছে য'ত এই অভিযানসমূহত ভাগ লোৱা বিষয়াসকলে নগা লোকসকলক বন্দুক টোঁৱাই তেওঁলোকৰ টালি-টোপোলা আৰু বস্তু-বাহিনীসমূহ কঢ়িয়াই নিবলৈ আদেশ দিছিল। যেতিয়া কৃষিভূমিবোৰ মুকলি কৰা হ'ল আৰু সেইবোৰক পর্যায়ক্রমে পাদদেশলৈ সম্প্রসাৰিত কৰা হ'ল, তেতিয়া ব্রিটিছসকলে পৰম্পৰাগত পথসমূহ তেওঁলোকৰ আইন ব্যৱস্থাৰ অধীনতলৈ নিছিল। ইয়াৰ ফলস্বৰূপে স্থানীয় লোকসকলৰ চলাচলত বাধা আহি পৰিছিল। ব্রিটিছসকলে অঞ্চলটো নিজ স্বার্থৰ উপযোগীকৈ গঢ় দিবলৈ আৰু নীতিসমূহ তেওঁলোকৰ লাভালাভৰ বাবে প্রণয়ন কৰিবলৈ হাতত লোৱা পন্থাসমূহৰ এয়া মাত্র এটাহে উদাহৰণ। ঔপনিৱেশিক লোকসকলৰ বিৰুদ্ধে স্থানীয় অধিবাসীসকলৰ মনত দাসত্বৰ এক অন্তর্নিহিত অনুভৱে গা কৰি উঠিছিল। কিয়নো

ব্রিটিছসকলে অঞ্চলটোৰ ভূখণ্ডৰ প্রতিটো ইঞ্চি তেওঁলোকৰ সাম্রাজ্যত চামিলকৰণৰ পণ লৈছিল। ইয়াৰ পৰা আনকি জনজাতীয় লোকসকলৰ পৰম্পৰাগত চিকাৰ ক্ষেত্রসমূহো বাদ দিয়া নাছিল। একে সময়তে, জনজাতীয় লোকসকলক সুসভ্য কৰাৰ প্রক্রিয়া হিচাপে খ্রীষ্টান ধর্মটোৰ প্রসাৰ আৰম্ভ হৈছিল। উত্তৰ-পূব ভাৰতৰ বাবে ব্রিটিছসকলে হাতত লোৱা ঔপনিৱেশিক গঠনটোৰ আৰ্হি সহজাতভাৱে পুঁজিবাদী আৰু শোষণকামী প্রকৃতিৰ আছিল। উত্তৰ-পূব ভাৰতত সামৰিক সংঘাতৰ সূত্রপাত ঔপনিৱেশিক সময়ছোৱাতে হৈছিল। ঔপনিৱেশিক বনুৱা বাহিনীৰ কুকি জনজাতিৰ লোকসকলক বলপূর্বকভাৱে অন্তর্ভুক্ত কৰাৰ প্রতিবাদত ১৯১৭ চনত কুকি বিদ্রোহৰ দৰে ঘটনা সংঘটিত হৈছিল। লাহে লাহে সমগ্র অঞ্চলটো ক্ষোভে ছানি ধৰিছিল আৰু স্থানীয় সম্প্রদায়সমূহৰ মাজত ব্রিটিছসকলৰ প্রতি বিদ্বেষৰ ভাব জাগি উঠিছিল। ফলস্বৰূপে, কোহিমা আৰু খনমাত সংঘটিত হোৱাৰ লেখীয়াকৈ বৃটিছসকলৰ বিৰুদ্ধে ঔপনিৱেশিক-বিৰোধী আক্রমণ আৰম্ভ হৈছিল। এনে আক্রমণৰ চুড়ান্ত ফলাফল ব্রিটিছসকলৰ পক্ষে গৈছিল যদিও, বৃটিছৰ তথাকথিত 'বর্বৰতা'ৰ বিৰুদ্ধে স্থানীয় লোকসকলে দেখুওৱা অসন্তুষ্টি আৰু ক্ষোভৰ প্রকাশকো কিন্তু নুই কৰিব নোৱাৰি।

যেতিয়া ক্ষমতাৰ হস্তান্তৰ হৈছিল, স্থানীয় লোকসকলৰ মনত খোপনি পোতা এক ঔপনিৱেশিক অতীতৰ উপস্থিতিয়ে তেওঁলোকক এখন ভাৰতীয় জাতীয়-ৰাষ্ট্রৰ সৈতে চামিল হোৱাৰ আৰু সমগ্র দেশখনক আঁকোৱালি লোৱাৰ মনোভাৱ গঢ়াত বাধা দিছিল। ভাৰতীয় মূল ভূখণ্ডৰ পৰা নির্বাচিত ৰাজনৈতিক প্রতিনিধিসকলক উত্তৰ-পূর্বাঞ্চলীয় লোকসকলে ব্রিটিছৰ নতুন অৱতাৰ যেন জ্ঞান কৰিছিল। যদিও ৰাজনৈতিক প্রতিনিধিসকল সলনি হৈছিল, উত্তৰ ঔপনিৱেশিক অৱস্থাটোৱেও একেই ঔপনিৱেশিক ঐতিহ্য বহন কৰা বুলি জনসাধাৰণে গণ্য কৰিছিল। উত্তৰ-পূব অঞ্চলটোলৈ আৰু অঞ্চলটোৰ মাজেৰে ৰে'লপথৰ প্রসাৰ কৰাৰ সময়ছোৱাত কর্মশক্তিৰ যোগান ধৰিবলৈ তথা অসাৰুৱা মাটিসমূহ চহাবলৈ এক অগতানুগতিক বনুৱা বাহিনী হিচাপে বর্তমান বাংলাদেশৰ অন্তর্গত মৈমনসিং, চিলেট, ৰংপুৰ আদি ঠাইৰ পৰা জাকে জাকে শ্রমিকৰ দল অনা হৈছিল। চোটা নাগপুৰ বলয়ৰ পৰা প্রব্রজন কৰা লোকসকলক চাহ বাগিছাত কাম কৰাৰ বাবে নিয়োগ কৰা হৈছিল। এইবোৰ কাৰণত স্থানীয় লোকসকলৰ মাজত বহিৰাগতসকলৰ হাতত নিজৰ মাটি বাসস্থান আৰু মুকলি স্থান আদি হেৰুওৱাৰ এক মনোভাৱে গা কৰি উঠিছিল। এই একেই কথা প্রাক্-ঔপনিৱেশিক কালছোৱাতো প্রযোজ্য আছিল বুলি ক'ব পাৰি। গৱেষকসকলে যুক্তি দর্শাইছে যে বর্তমানেও ঔপনিৱেশিক কালৰ সীমান্ত অঞ্চলটোক মুখ্যতঃ এক প্রাক্-ঔপনিৱেশিক 'সীমান্ত অঞ্চল' বুলি ধাৰণা কৰা হয়। 'হিংসাৰ বিৰুদ্ধে হিংসা'ৰ যুক্তিটো অঞ্চলটোৰ প্রাক্-ঔপনিৱেশিক ৰাজনীতিৰ মূখ্য বৈশিষ্ট্য। শত্রু ৰাষ্ট্রসমূহৰ সৈতে মিত্রজোঁট বন্ধাৰ আশংকাৰ ভিত্তিত অঞ্চলটোত বাস কৰা লোকসকলৰ নিষ্ঠাক লৈ বাৰে বাৰে প্রশ্ন তোলা হয়। সামৰিক বাহিনী (বিশেষ ক্ষমতা) আইন, চমুকৈ আফছ্পা (AFSPA) হ'ল ভাৰতীয় জাতীয়-ৰাষ্ট্রৰ হাতত এক বিদ্রোহাৱস্থা প্রতিৰোধকাৰী উপায়। এই আইনে ইয়াৰ ভাগীদাৰ (Stakeholders) সকলক ৰাজনৈতিকভাৱে বৈধ শাস্তিহীনতাৰ সুবিধা প্রদান কৰে আৰু তেওঁলোকক নাগৰিকসকলৰ

নিষ্ঠাক লৈ জন্মা সন্দেহ ভাব নিয়ন্ত্রণ কৰিবলৈ নিযুক্তি দিয়া হয়। অৰুণাচল প্রদেশৰ দৰে ৰাজ্যৰ অঞ্চলসমূহৰ নামৰ 'ভাৰতীয়কৰণ' অথবা 'সংস্কৃতকৰণ'এ স্থানীয় সম্প্রদায়সমূহৰ বৈচিত্র্যক 'উত্তৰ-পূব ভাৰত' নামৰ এটা একক বিভাগত সামৰি থৈছে। বেছিভাগ বিদ্রোহী আন্দোলনেই এনে ধৰণৰ নেতিবাচক প্রক্রিয়া সৃষ্টিকাৰী অনুশীলনৰ দ্বাৰা অনুপ্রাণিত হোৱাৰ ফল। অন্যহাতে, উত্তৰ-পূব ভাৰতত উন্নয়ন প্রকল্পসমূহে সাম্প্রতিক সময়তহে গতি লাভ কৰিছে। সমগ্র অঞ্চলটো চৰম দৰিদ্রতা আৰু নিবনুৱা সমস্যাই বিধ্বস্ত কৰিছে। তাৰ উপৰি, ভাৰতৰ মূল খণ্ডৰ সৈতে অঞ্চলটোৰ মানসিক বিচ্ছিন্নতা আছে। দেশখনে এই অঞ্চলটোৰ বিকাশ আৰু উন্নতিৰ প্রতি অৱহেলা দেখুওৱা বুলি অভিযোগো আছে। নাগৰিকসকলৰ মাজৰ যিসকলে ৰাজনৈতিক ষড়যন্ত্রবোৰত বিভ্রান্ত হৈছিল, তেওঁলোকে 'ভূমি পুত্র' সকলৰ স্বার্থ ৰক্ষা কৰিবলৈ আৰু অ-স্থানীয় সকলক খেদি পঠিয়াবলৈ হাতত অস্ত্র তুলি লৈছিল। এইবোৰেই চমুকৈ উল্লেখ কৰিব পৰা কিছুমান সাধাৰণ কাৰক যিবোৰে উত্তৰ-পূব ভাৰতত বিদ্রোহাৰস্থা বৃদ্ধিত অৰিহণা যোগাই আহিছে। আন্তর্জাতিক খ্যাতিসম্পন্ন সাংবাদিক সুবিৰ ভৌমিকে উত্তৰ-পূব ভাৰতৰ বিদ্রোহাৰস্থাৰ প্রকাৰসমূহ তলত দিয়া ধৰণে শ্রেণীবিভক্ত কৰিছে ঃ

- কিছুমান বিদ্রোহাৰস্থাৰ অভিপ্রায় বিভাজনকামী।
- কিছুমান বিদ্রোহাৰস্থাই বিচ্ছিন্নতাবাদৰ কথা কয় কিন্তু প্রকৃততে স্বায়ত্বশাসনৰ অভিপ্রায় পোষণ কৰে। এনে বিদ্রোহ নিয়ন্ত্রণ কৰিব পাৰে।
- কিছুমান বিদ্রোহাৰস্থাৰ বিচ্ছিন্নতাবাদী সুৰ (overtone) থাকে, যদিও আলাপ-আলোচনাৰ দ্বাৰা ভাৰত ৰাষ্ট্রই এনে বিদ্রোহ নিয়ন্ত্রণ কৰে।
- কিছুমান বিদ্রোহাৰস্থাৰ আন্তঃ-আঞ্চলিক বিস্তৃতি থাকে যাৰ দ্বাৰা ই ভাৰতৰ মূলখণ্ডৰ সম-মনোভাৱাপন্ন দলৰ সৈতে মিত্রতা কৰিব বিচাৰে অথবা মিত্রতা স্বপন কৰে।
- কিছুমান বিদ্রোহাৰস্থাৰ জনজাতীয় আৰু জাতিগত স্বার্থৰ সৈতে সম্পর্ক থকা সুস্পষ্ট স্বায়ত্তশাসনমুখী অভিপ্রায় থাকে।
- কিছুমান বিদ্রোহাৰস্থাই অধিক শক্তিশালী গোটৰ কার্যপ্রতিনিধি হিচাপে কাম কৰে।



চিন্ত-চর্চা কৰক-১

১। উত্তৰ-পূব ভাৰতত বিদ্রোহাৰস্থাৰ উৎপত্তি উৎসৰ সন্ধান কৰক।

.....

২। উত্তৰ-পূব ভাৰতত বিদ্রোহাৰস্থা বৃদ্ধিৰ বাবে দায়ী সাধাৰণ কাৰকসমূহ নির্ধাৰণ কৰক।

.....

৮.৪ উত্তৰ-পূব ভাৰতত বিদ্রোহাৰস্থা আৰু উত্তৰ ঔপনিৱেশিক ৰাজনীতি

১৯৪৭ চনৰ পৰা বিংশ শতিকাৰ ষাঠিৰ দশকলৈ কেন্দ্রত থকা চৰকাৰখনে প্রশাসন আৰু নিয়ন্ত্রণৰ উদ্দেশ্যেৰে উত্তৰ-পূর্বাঞ্চলৰ ভৌগোলিক পুনর্বিন্যাস কৰিবলৈ এক প্রচেষ্টা হাতত লৈছিল। সেই মর্মে, অসমৰ পৰা চাৰিখন ৰাজ্য, ক্রমে- অৰুণাচল প্রদেশ, মেঘালয়, নাগালেণ্ড আৰু মিজোৰামক আঁতৰাই নি পৃথক ৰাজ্য গঠন কৰা হৈছিল। আনহাতে, মণিপুৰ আৰু ত্রিপুৰাৰ ৰাজকীয় প্রদেশ দুখনকো উত্তৰ-পূব ভাৰতৰ অংশ কৰা হৈছিল। কোৱা হয় যে জনজাতীয় বলয়ৰ অধিবাসীসকলক বিশেষ সুবিধা প্রদান কৰিবলৈ ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীটো প্রণয়ন কৰা হৈছিল। ভৈয়ামৰ লোকসকলৰ সৈতে পাহাৰৰ লোকসকলক ঐক্যবদ্ধ কৰাৰ বাবে এই অঞ্চলসমূহত ৰাজনৈতিক স্বায়ত্ব-শাসন ব্যৱস্থাৰ প্রচলন এক প্রয়োজনীয় ভাৰসাম্য ৰক্ষাকাৰী উপায় আছিল। ষষ্ঠ অনুসূচীটো বলবৎ কৰাৰ এয়া আটাইতকৈ উল্লেখযোগ্য কাৰণ আছিল। এই অঞ্চলসমূহত বাস কৰা লোকসকলৰ মৌলিক আনুগত্য সঠিক কৰাৰ উপায় হিচাপে তেওঁলোকক ‘মংগোলীয় গৌণ সম্প্রদায়’ শ্রেণীত সংঘবদ্ধ কৰা হৈছিল। এই কথাই তেওঁলোকক সদৌ-ভাৰতীয় বৈশিষ্ট্যমূলক আচৰণৰ সৈতে একত্রকৰণৰ প্রক্রিয়াটোক ন্যায্যতা দিছিল। এই আটাইবোৰ অনুশীলন উত্তৰ-পূর্বাঞ্চলত এক ৰাষ্ট্রীয়কৃত ক্ষেত্র গঠন কৰাৰ উদ্দেশ্যেৰে চলোৱা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল অঞ্চলটোক দেশৰ অন্য প্রান্তৰ সৈতে ৰাজনৈতিক আৰু অর্থনৈতিক সংহতি স্থাপন কৰিব পৰা কৰি তোলা। সীমান্তৰ্তী অঞ্চলসমূহত ৰাষ্ট্রৰ উপস্থিতি কটকটীয়া কৰাটো প্রয়োজনীয় আছিল কিয়নো উত্তৰ-পূৰ ভাৰতৰ ভৌগোলিক ভূ-খণ্ডই চীন, ভূটান, ম্যানমাৰ আৰু বাংলাদেশৰ সৈতে সীমা ভাগ কৰে। এই প্রসংগত নিৰাপত্তা আৰ্হিটোৰ আৱির্ভাৰ হয়। সঞ্জীৰ বৰুৱাই এনে ধৰণৰ এক আঞ্চলিক বিন্যাসক ৰক্ষণাবেক্ষণক সৌন্দর্যবর্দ্ধক সংহতিবাদ’ আখ্যা দিছে। তেনেকুৰা এটা আর্হিৰ অধীনত নিৰাপত্তা আৰু উন্নয়ন পৰস্পৰে পৰস্পৰৰ পৰিপূৰক। উত্তৰ-পূর্বাঞ্চলীয় ৰাজ্যসমূহৰ ওপৰত কেন্দ্রৰ প্রভুত্ব সর্বাত্মক আছিল আৰু মূল সিদ্ধান্তসমূহ সদায় কেন্দ্রই গ্রহণ কৰিছিল। সেয়েহে, ইয়াক সংহতিবাদৰ এক মৌলিক প্রকাৰ বুলি ক’ব পৰা নাযায়। ই ভাৰতীয় ৰাজ্যসমূহক অঞ্চলটোলৈ অনধিকাৰ প্রৱেশ কৰাৰ সুবিধা দিছিল। এই কথাটো কেন্দ্রীভূত শাসনকার্যৰ প্রভাৱ ক্ষেত্রৰ বাহিৰত চলিছিল। স্থানীয় সম্প্রদায়সমূহে বহিৰাগত আৰু আভ্যন্তৰীণ উভয় ধৰণৰ প্রব্রজনকে উত্তৰ-পূব ভাৰতৰ নৃগোষ্ঠীয় গাঁথনিৰ বাবে এক ভাবুকি ৰূপে চাবলৈ লৈছিল। এই প্রব্রজনকাৰীসকলৰ অনধিকাৰ প্রৱেশৰ পৰা সৃষ্টি হ’ব পৰা ভাবুকি নাইকিয়া কৰিবলৈ স্থানীয় বাসিন্দাসকলৰ সাংবিধানিক নিৰাপত্তা আৰু ভূমি স্বত্ব নিশ্চিত কৰাৰ উদ্দেশ্যেৰে অসমক এখন জনজাতীয় ৰাজ্যৰূপে গঢ় দিবলৈ বাৰম্বাৰ দাবী উত্থাপিত হৈছিল। এনেকুৰা এক পটভূমিত, সার্বজনীন অসন্তুষ্টিৰ পৰা বিভিন্ন বিদ্রোহাৰস্থাৰ উদ্ভৱ হৈছিল। অংশগ্রহণকাৰী বেছিভাগ দলেই নৃগোষ্ঠীয় নাগৰিক বাহিনীৰ দ্বাৰা গঠন হৈছিল। উত্তৰ-পূব ভাৰতৰ লোকসকল নাগৰিকত্ব আৰু চৰকাৰী শাসনৰ বাধ্যবাধকতা জাপি দিয়া প্রকৃতিৰ ভুক্তভোগী হৈছিল। নাগৰিক-কেন্দ্রিক নীতিসমূহ পশ্চাদ পদত ৰখা হৈছিল আৰু সামৰিক কর্মকর্তাসকলক অসামৰিক জীৱনৰ নেতাৰ স্থানত নিযুক্ত

কৰা হৈছিল। পৰিচয়ৰ বাবে উত্থাপিত দাবীসমূহ আৰু স্বকীয় পৰিচয় প্রতিষ্ঠাৰ হকে সৃষ্টি হোৱা আন্দোলনসমূহ দমন কৰিবলৈ সামৰিক সেনাধ্যক্ষসকলক ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছিল। তেওঁলোকে শান্তি আৰু সাম্যাৱস্থা বর্তাই ৰখাৰ বাবে এক বিকল্প পথ বাছি উলিয়াবলৈ নিজকে বিভিন্ন পাণ্ডিত্যপূর্ণ কার্যত নিয়োগ কৰিছিল। তেওঁলোকৰ কার্যসূচীবোৰ বিদ্রোহসমূহ প্রতিহত কৰাৰ উদ্দেশ্যেৰে প্রস্তুত কৰা হৈছিল। যি কি নহওক, এনে ধৰণৰ কার্য সম্পাদন প্রক্রিয়াবোৰে জীৱন-যাপনৰ শোচনীয় অৱস্থাৰ পৰিৱর্তন সাধনত ব্যর্থ হৈছিল। কিছুমান ক্ষেত্রত সাধাৰণ ক্ষমতাৰ সহায়েৰে তেওঁলোক নাগৰিক সৈন্যবাহিনীৰ সৈতে একোটা সম্পর্ক স্থাপন কৰিছিল। বিদ্রোহাৱস্থা সৃষ্টিকাৰী সমস্যাৰ সমাধানৰ অভিপ্রেত উদ্দেশ্যৰ বিপৰীতে, উগ্রপন্থা প্রতিহতকাৰী কৌশলসমূহ অৱলম্বন কৰা কার্যই বিদ্রোহাৱস্থা বৃদ্ধিতহে অৰিহণা যোগাইছিল। আনহাতে দৰিদ্রতা আৰু নিবনুৱা সমস্যাৰে ভাৰাক্রান্ত সাধাৰণ পৰিস্থিতিয়ে উগ্রপন্থা প্রতিহতকাৰী অভিযানসমূহক সর্বতোপ্রকাৰে বিফল কৰাৰ প্রয়াস চলাইছিল। বলপূর্বক ধন দাবীৰ সহায়ত গোটোৱা ধনৰ সম্ভাৱনা দেখি বহুতো যুবকে এই নাগৰিক সৈন্যবাহিনীসমূহত যোগদান কৰিছিল। মুঠৰ ওপৰত, উত্তৰ-পূব ভাৰতৰ বিদ্রোহাৱস্থা আৰু ৰাজ্যই অনুশীলন কৰা কাম-কাজবোৰৰৰ গভীৰ সম্পর্ক আছে। এই কাম-কাজবোৰ সু-সংজ্ঞাবদ্ধ তথা বহনক্ষম হোৱাৰ পৰিৱর্তে হস্তক্ষেপকাৰী আৰু হ্রস্বম্যাদী প্রকৃতিৰ।



চিন্তা-চর্চা কৰক-২

১। ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীটো প্রণয়ন কৰা মূল কাৰণটো কি আছিল?

.....

২। 'সৌন্দর্যবর্দ্ধক সংহতিবাদ' সংজ্ঞাটোৰ অর্থ কি?

.....

৮.৫ উত্তৰ-পূব ভাৰতৰ প্রধান বিদ্রোহী দলসমূহ

- **নাগালেণ্ডঃ** নাগালেণ্ডত চলি থকা বিদ্রোহাৱস্থাটো বিশ্বৰ আটাইতকৈ দীর্ঘকাল জুৰি চলি থকা বিদ্রোহাৱস্থাসমূহৰ অন্যতম। ইয়াক বর্তমান দ্বিমুখী বিভেদকামী ভাগত দ্বিখণ্ডিত কৰা হৈছে। ভাৰতৰ সৈতে ৰাজ্যখনৰ ভৌগোলিক, সাংস্কৃতিক আৰু আবেগিক ব্যৱধান তথা নগা জীৱনশৈলীৰ প্রতি নেহেৰুৰ উপেক্ষাৰ কাৰণ দর্শাই ভাৰতীয় যুক্তৰাজ্যৰ পৰা নাগালেণ্ডক পৃথক কৰাৰ বাবে এক দীর্ঘদিনীয়া দাবী উত্থাপিত হৈ আহিছিল। এই সম্পর্কীয় আবেদন পত্র আৰু ৰাজহুৱা মতামতসমূহ খাৰিজ হোৱাৰ পাচত নাগা নেশ্যনেল কাউন্সিল (এন এন চি) এ ১৯৫৪ চনত ৰাজ্যখনত এখন সমান্তৰাল চৰকাৰ গঠন কৰিছিল আৰু ভাৰত ৰাষ্ট্রৰ বিৰুদ্ধে সামৰিক আক্রমণ চলাবলৈ লৈছিল। এই বিদ্রোহী অভ্যুত্থানটোৰ আঁৰৰ আদর্শ ব্যক্তি আছিল জাপু ফিজো নামৰ আংগামি নগা লোক এজন। এন এন চি হ'ল এটা স্বাধীনোত্তৰ কালত জন্মা সংগঠন। ই

নগা লোকসকলৰ বাবে সার্বভৌমত্বৰ দাবী কৰিছিল। সংগঠনটোৱে প্রধানতঃ গেৰিলা যুদ্ধনীতি গ্রহণ কৰিছিল আৰু তাৰ বাবে পূর্বৰ পূব পাকিস্তানৰ বিভিন্ন দল-সংগঠনৰ পৰা প্রশিক্ষণ লৈছিল। সত্তৰৰ দশকত এন এন চিৰ বিৰুদ্ধে যেতিয়া উপগ্রপন্থা প্রতিহতকাৰী ব্যৱস্থাবোৰ কটকটীয়া কৰি তোলা হয়, তেতিয়া সংগঠনটোত এক আভ্যন্তৰীণ কন্দলৰ সৃষ্টি হয়। বার্মাত আশ্রয় লোৱা এন এন চি পক্ষটোৱে সূলসূঁতিৰ সমর্থক এন এন চি দলটোক ৰাষ্ট্রই পোহপাল দি ৰখা বিশ্বাসঘাতকৰ দল বুলি ধৰি লৈছিল। (ক্লাইন, ২০০৬)। ১৯৮০ চনত,আইজাক চু (Isak Cure) আৰু থুৱেংগালিং মুইভাৰ (Thuengaling Muivah) নেতৃত্বত নেশ্যনেল ছোচিয়েলিষ্ট কাউন্সিল অৰ, নাগালেণ্ড (চমুকৈ এন এছ চি অন) গঠন কৰা হৈছিল। পৰৱর্তী সময়ত, এই দলটো জাতিভিত্তিক বৈশিষ্ট্যধাৰী দুটা বিপৰীতমুখী গোটত ভাগ হৈ যায়। ইয়াৰে এটা হ'ল আইজাক আৰু মুইভৰ নেতৃত্বধীন এন এছ চি এন (আই এন) আৰু আনটো হৈছে এছ এছ খাপলাঙৰ নেতৃত্বাধীন এন এছ চি এন (কে)। এই বিভেদকামী দল দুটাই স্বাধীনতা হেৰুওৱাৰ সলনি 'নাগালিম' নাম দি এখন বৃহত্তৰ নাগালেণ্ড গঠনৰ দাবী উত্থাপনৰ স্বার্থত আপোচ কৰাৰ বাবে সন্মত হৈছিল। উভয় দলে বর্তমান ভাৰত চৰকাৰৰ সৈতে এক যুদ্ধবিৰতি চুক্তিত স্বাক্ষৰ কৰিছে।

- **অসম**

অসমৰ আটাইতকৈ দুর্ধর্ষ বিদ্রোহী শক্তিটো হ'ল সংযুক্ত মুক্তি বাহিনী, অসম (চমুকৈ আলফা)। অসম আন্দোলনৰ সময়ত উত্থাপিত অবৈধ অনুপ্রৱেশৰ সমস্যাটোৰ পটভূমিত ইয়াৰ জন্ম হৈছিল। ১৯৭৯ চনৰ 7 এপ্রিল তাৰিখে আলফাই আত্মপ্রকাশ কৰিছিল। অবৈধ অনুপ্রৱেশকাৰীৰ সমস্যাটোৰ ভিত্তিত আলফাই অসমৰ স্বাধীনতাৰ দাবী উত্থাপন কৰিছিল। প্রথম অৱস্থাত ব্যৱসায়ী, চাহ বাগিচাৰ মালিক আৰু এগৰাকী ছোভিয়েট দেশৰ অভিযন্তাৰ অপহৰণকে ধৰি এলানি উচ্চ-স্তৰীয় (high-profile) অপৰহণ কার্যত আলফা জড়িত হৈ লোকচক্ষুত ধৰা দিছিল। আলফাৰ উত্থান অসমীয়া উগ্র-জাতীয়তাবাদৰ এক প্রকাৰ। ইয়াৰ আৰম্ভণি হৈছিল এক ৰাজনৈতিক শক্তি হিচাপে। কিন্তু শীঘ্রেই উগ্রপন্থা গ্রহণ কৰিবলৈ ই ৰাজনৈতিক মূলৰ পৰা ফালৰি কাটি যায়। আলফাই সামূহিক অসমীয়া কল্পনাৰ সমর্থন লাভ কৰিছিল। ইয়াৰ প্রমাণ স্বৰূপে এটা নির্দিষ্ট বর্ষত আলফা সদস্যৰ বিৰুদ্ধে চলোৱা সামৰিক অভিযানৰ প্রতিবাদত অসমত মাঘ বিহু অনুষ্ঠুপীয়াকৈ উদ্‌যাপন কৰা হৈছিল। ২০০৪ চনৰ ধেমাজী বিস্ফোৰণত বহুতো নিৰীহ শিশু আৰু মহিলাৰ মৃত্যু হোৱাৰ পাচৰ পৰাহে আলফাৰ প্রতি থকা ৰাজহুৱা সমর্থন ক্রমাৎ হ্রাস পাবলৈ ধৰিছিল। আলফাৰ হকে কেন্দ্রীয় চৰকাৰৰ সৈতে শান্তি-আলোচনা কৰিবলৈ পীপলচ্ কনচালটেটিভ গ্রুপ (চমুকৈ পি চি জি) নামেৰে দল এটা গঠন কৰা হৈছিল। পৰৱর্তী সময়ত, শান্তি আলোচনাসমূহ পৰিচালনা কৰিবলৈ আলফাৰ ২৮ নং বেটেলিয়নৰ পৰা এটা আলোচনা পন্থী গোটৰ উদ্ভৱ হৈছিল।

অসমৰ অন্য এক প্রধান বিদ্রোহী দল হ'ল নেশ্যনেল ডেম'ক্রেটিক ফ্রণ্ট অৰ বড়োলেণ্ড (চমুকৈ এন ডি এফ বি)। ১৯৮৬ চনৰ ৩ অক্টোবৰত বড়ো চিকিউৰিটি ফ'র্ছ (চমুকৈ বি এছ এফ) নামৰ সংগঠনটোৰ পৰা পৃথক হৈ এন ডি এফ বি গঠিত হৈছিল। দলটোৰ দাবীসমূহ আছিল

বড়োলেণ্ডৰ ৰূপত এখন সার্বভৌম গৃহভূমি গঢ়ি তোলা, এখন গণতান্ত্রিক সমাজ গঠন কৰা আৰু বড়ো ভাষাৰ বাবে দেৱনাগিৰী লিপিৰ পৰিৱর্তে ৰোমান লিপি ব্যৱহাৰ আৰম্ভ কৰা ।বড়ো লিবাৰেশ্বন টাইগাৰ্ছ (চমুকৈ বি এল টি) নামৰ অধীনত পৰিচালিত অন্য এটা বড়ো বিদ্রোহী দল আছিল। অৱশ্যে ইয়াৰ আয়ূস কম আছিল আৰু বড়োলেণ্ড আঞ্চলিক পৰিষদ (চমুকৈ বিটিচি) গঠনৰ লগে লগে বি এল টি প্রভাৱহীন হৈ পৰিছিল। এন ডি এফ বি -এ অন্য জনগোষ্ঠী আৰু সম্প্রদায়সমূহৰ ওপৰত বহুতো আক্রমণ চলাইছিল। ইয়াৰ ফলত ৰাজ্যজুৰি আন্তঃ জাতিগত সংঘর্ষৰ সূত্রপাত হৈছিল। ২০০৮ চনৰ ৩০ অক্টোবৰত গণেশগুৰি ফ্লাইঅ'ভাৰক লক্ষ্য কৰি সংঘটিত কৰা বোমা বিস্ফোৰণৰ পাচত সমাজৰ সকলো স্তৰৰ মানুহে এন ডি এফ বিৰ এনে কূটাঘাতমূলক কার্যসমূহক তীব্র গৰিহণা দিছিল।

- **মিজোৰাম**

১৯৬১ চনত সংগঠিত মিজো নেশ্যনেল ফ্র'ণ্ট (চমুকৈ এম এন এফ) আছিল মিজোৰামৰ মুখ্য বিদ্রোহী দল। এম এন এফৰ দাবীসমূহ অসমৰ এন ডি এফ বিৰ দাবীসমূহৰ সৈতে প্রায় একেই আছিল। যি নহওক, এম এন এফ-ৰ সৈতে শান্তি আলোচনাসমূহ সোনকালেই আৰম্ভ হৈছিল আৰু সংগঠনটোৱে কোনো গুৰুতৰ ক্ষতিসাধন কৰাৰ আগতেই মিজো বিপ্লৱ দমন কৰা হৈছিল। ১৯৮৬ চনত এম এন এফ আৰু চৰকাৰৰ মাজত এখন চুক্তি স্বাক্ষৰিত হৈছিল আৰু এম এন এফে ৰাজহুৱা ভাৱে মিজোৰামৰ সার্বভৌমত্বৰ দাবী প্রত্যাহাৰ কৰিছিল। বহুতো আত্মসমর্পন কৰা উগ্রপন্থীক চৰকাৰৰ বিভিন্ন বিভাগত কর্মত নিয়োগ কৰা লগতে ভাল পদবী দিছিল।

- **মণিপুৰ**

মণিপুৰ বহুতো বিদ্রোহী দলৰ আশ্রয়স্থলী। তাৰ ভিতৰত উল্লেখযোগ্য কেইটামান হ'লঃ ইউনাইটেড নেশ্যনেল লিবাৰেশ্যন ফ্র'ণ্ট (চমুকৈ ইউ এন এল এফ), ৰিভল্যুশ্যনেৰী পিপ'লচ্ পাটী (চমুকৈ পি এল এ), আৰু পিপ'লচ্ ৰিভল্যুশ্যনেৰী পাটী অৰ কাংলেইপাক (চমুকৈ প্রিপাক্)। এই বিদ্রোহী দলকেইটাই চুবুৰীয়া ৰাজ্য নাগালেণ্ড আৰু মিজোৰামৰ বিদ্রোহী দলসমূহৰ সৈতে একগোট হৈ কাম কৰিছিল আৰু ভাৰতৰ বিৰুদ্ধে আক্রমণাত্মক ঘটনা সংঘটিত কৰিছিল। মণিপুৰৰ এটা বৈশিষ্ট্য হ'ল ইয়াৰ পাহাৰ-ভৈয়াম অঞ্চলৰ বিস্তৃতি আৰু এই সুবিধাটোৰ বাবেই ৰাজ্যখনৰ পাহাৰীয়া অঞ্চলৰ পৰা কুকি নেশ্যনেল আর্মি (চমুকৈ কে এন এ)ৰ দৰে নৃগোষ্ঠীয় নাগৰিক সৈন্যবাহিনীৰ উদ্ভৱ হৈছিল। পাহাৰীয়া এলেকাসমূহত এন এছ চি এন (আই এম)ৰ আগ্রাসনৰ বিৰুদ্ধে থিয় দি কে এন এ ই সংগঠনটোৰ সৈতে বিভিন্ন সময়ত সংঘর্ষত লিপ্ত হৈ আহিছে।

- **ত্রিপুৰা**

ত্রিপুৰাৰ স্থানীয় সম্প্রদায়সমূহ ৰাজ্যখনত বসতি স্থাপনৰ উদ্দেশ্যেৰে অহা বৃহৎ সংখ্যক প্রব্রজনকাৰীৰ কৃপাত বর্তি আছে। বহিৰাগতই 1981 চনলৈ মূল ত্রিপুৰী নাগৰিকৰ সংখ্যা মুঠ জনসংখ্যাৰ মাত্র ২৮.৫ শতাংশলৈ হ্রাস কৰিছে। নিজ গৃহভূমিতে সংখ্যালঘূত পৰিণত হোৱাৰ পাচত ত্রিপুৰী স্বেচ্ছাসেৱক বাহিনী (চমুকৈ টি ভি এফ) নামৰ সংগঠনটোৱে পাচত ত্রিপুৰা নেশ্যনেল

ভলুণ্টিয়ার্চ ফ'র্চ (চমুকৈ এন এল এফ টি) নামৰ উগ্রপন্থী সংগঠনৰ ৰূপ ধাৰণ কৰি হাজাৰ হাজাৰ বাংলা লোকৰ গণ হত্যাত লিপ্ত হৈছিল। বিজয় হ্রাংখাউলৰ নেতৃত্বাধীন এই দলটোৱে পাচত চৰকাৰৰ সৈতে এখন যুদ্ধবিৰতি চুক্তিত স্বাক্ষৰ কৰে। আত্মসমর্পণ কৰিবলৈ মান্তি নোহোৱা সদস্যসকলে নেশ্যনেল লিবাৰেশ্যন ফ্রণ্ট অৱ ত্রিপুৰা (চমুকৈ এন এল এফ টি) আৰু অ'ল ত্রিপুৰা টাইগাৰ ফ'র্চ (চমুকৈ এ টি টি এফ) নামৰ উগ্রপন্থী সংগঠন দুটা গঠন কৰে। অৱশ্যে এ টি টি এফ-এ অঞ্চলটোলৈ স্থায়ী সুস্থিৰতা ঘূৰাই আনিবলৈ তেওঁলোকৰ বিদ্রোহী কার্যকলাপ কিছু পৰিমাণে দমাই ৰাখিছিল। যাৰ কাৰণে দলটোৱে পৰৱর্তী সময়ত বাওঁপন্থী চৰকাৰখনৰ সৈতে সামঞ্জস্য বর্তাই ৰাখি নিজৰ কার্যকলাপ আগবঢ়াই নিছিল।

- **মেঘালয় আৰু অৰুণাচল প্রদেশ**

মেঘালয় আৰু অৰুণাচল প্রদেশত তুলনামূলকভাবে বিদ্রোহাত্মক দল-সংগঠনৰ প্রকোপ কম আছিল। ৰাজ্য দুখনৰ উল্লেখযোগ্য বিদ্রোহী গোটকেইটা হ'ল ঃ মেঘালয়ৰ হাইনিউট্রেপ নেশ্যনেল লিবাৰেশ্যন কাউন্সিল (চমুকৈ এইচ্ এন এল চি) , অৰুণাচল প্রদেশৰ অৰুণাচল ড্রেগ'ন ফ'র্চ (চমুকৈ এ ডি এফ) আৰু অৰুণাচল পিপ'লচ্ লিবাৰেশ্যন আর্মি (চমুকৈ এ পি এল এ)



অগ্রগতি নিৰীক্ষণ

(১) আলোচনাপন্থী আলফা গোটটো ইয়াৰ ২৮ নং বেটেলিয়নৰ এটা পৰা উদ্ভৱ হৈছিল। (শুদ্ধ / অশুদ্ধ)

(২) কে এন এ এটা সেইতেই বিদ্রোহী দল। (শুদ্ধ /অশুদ্ধ)



চিন্তা-চর্চা কৰক-৩

সামৰিক বাহিনী (বিশেষ ক্ষমতা) আইনখনৰ বিষয়ে পঢ়ক।



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি পঢ়ি আমি, উত্তৰ-পূব ভাৰতত কেনেদৰে বিদ্রোহাৰস্থাৰ উৎপত্তি হ'ল আৰু সময়ৰ লগে লগে কেনেদৰে ইয়াৰ বিকাশ ঘটিল সেই বিষয়ে অৱগত হ'লো। উত্তৰ-পূব ভাৰতৰ কেইটামান প্রধান বিদ্রোহী দলৰ বিষয়েও অধ্যায়টি পঢ়ি জানিব পাৰিলোঁ।
- ব্রিটিছসকলে উত্তৰ-পূর্বাঞ্চলক এক 'সম্পদ উৎস সীমান্ত অঞ্চল'লৈ ৰূপান্তৰিত কৰিবলৈ অঞ্চলটোত যাদৃচ্ছিকভাৱে পৰিসীমা নির্ধাৰণৰ প্রচেষ্টা চলাইছিল।

- ভাৰতীয় জাতি-ৰাষ্ট্রই এইটো কথা নিশ্চিত কৰিব খুজিছিল যে নৃগোষ্ঠীয় জোঁটসমূহে ৰাজনৈতিক পৰিসীমাৰ ভিতৰত কার্যকলাপ সম্পাদন কৰিব কিন্তু এই পৰিসীমা কৰিব নোৱাৰিব।
- উত্তৰ-পূব ভাৰতৰ উত্তৰ ঔপনিৰেশিক ৰাজনীতি হ'ল উন্নয়ন, নিৰাপত্তা আৰু উগ্রপন্থা প্রতিহতকাৰী ব্যৱস্থাৰ এটা সমষ্টি।
- উত্তৰ-পূব ভাৰতৰ প্রায় সকলো প্রধান বিদ্রোহী দলৰ অঞ্চলটোৰ প্রান্তভৱন আৰু ৰাজনৈতিক অদৃশ্যমানতাৰ দৰে একেই সামাজিক-ৰাজনৈতিক পৰিৱেশৰ ফলত উত্থান ঘটিছিল।
- অঞ্চলটোৰ বিভিন্ন বিদ্রোহী দলে কৰা শান্তি আলোচনাসমূহ কম-বেছি পৰিমাণে সফল হৈছে।



৮.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

Baruah, S. (2007). *Durable Disorder: Understanding the Politics of Northeast India*. New Delhi: Oxford University Press.

Bhaumik, S. (2009). *Troubled Periphery: The Crisis of India's North East*. New Delhi: SAGE.

Cline, L. E. (2006). The Insurgency Environment in Northeast India. *Small Wars & Insurgencies, 17*(2), 126-147. doi:10.1080/09592310600562894

Hazarika, S. (2011). *Strangers of the Mist: Tales of War and Peace from India's Northeast*. New Delhi: Penguin Books.

Reid, R. (2013). *History of the Frontier Areas Bordering on Assam: From 1883-1941*. Guwahati: Bhabani.

Saikia, Y., &Baishya, A. R. (2017). *Northeast India: A Place of Relations*. New Delhi: Cambridge University Press.

Sanjay Barbora. (2006). Rethinking India's Counter-Insurgency Campaign in North-East. *Economic and Political Weekly, 41*(35), 3805-3812. Retrieved from http://www.jstor.org/stable/4418651



৮.৮ অগ্রগতিৰ খতিয়ান

<u>উত্তৰসমূহ</u> ঃ

১ নং প্রশ্নৰ উত্তৰ ঃ - শুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ - অশুদ্ধ

৩ নং প্রশ্নৰ উত্তৰ ঃ - শুদ্ধ

৪ নং প্রশ্নৰ উত্তৰ ঃ - মেক্স ৰেবাৰ আৰু গ্যেটেন' ম'স্কা।



৮.৯ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ- উত্তৰ-পূব ভাৰতৰ বিদ্রোহাৱস্থাৰ প্রকাৰবোৰ কি কি ?

প্রশ্ন নং ২ ঃ- উত্তৰ-পূব ভাৰতৰ উত্তৰ ঔপনিৱেশিক ৰাজনীতিৰ ভিত্তিত 'সৌন্দর্যবদ্ধক সংহতিবাদ' ধাৰণাটো ব্যাখ্যা কৰক।

প্রশ্ন নং ৩ ঃ- উত্তৰ-পূব ভাৰতৰ শান্তি-শৃংখলা ঘূৰাই আনিবলৈ ভাৰত চৰকাৰে গ্রহণ কৰা উগ্রপন্থা প্রতিহতকাৰী উপায়সমূহ কিয় বেছি সফল হ'ব পৰা নাই ?

****

অধ্যায় ৯ঃ উত্তৰ-পূব ভাৰতত ভূমি সম্বন্ধ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ ভূমি অধিকাৰ
৯.৪ ভূমি অধিকাৰৰ শ্ৰেণী বিভাগ
৯.৫ উত্তৰ-পূব ভাৰতৰ ভূমি সম্বন্ধ প্ৰক্ৰিয়া
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্ৰগতিৰ খতিয়ান
৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- ভূমি সম্বন্ধীয় অৱধাৰণাৰ বিষয়ে অৱগত হ'ব
- উত্তৰ-পূব ভাৰতৰ ভূমি সম্বন্ধৰ বিষয়ে অৱগত হ'ব
- ভূমি অধিগ্ৰহণ নমুনা (Pattern) আৰু কৃষি ক্ষেত্ৰৰ গঠনৰ ব্যাখ্যা কৰিব পাৰিব।

৯.২ পৰিচয়

আৰম্ভণিতে এটা কথা উনুকিয়াই থোৱা প্ৰয়োজন যে কৃষিভূমিৰ মালিকীস্বত্ব স্থায়ী বা এক নিৰ্দিষ্ট সময়ৰ বাবে প্ৰযোজ্য হ'ব পাৰে। সেয়েহে, ভূমি সম্বন্ধত মালিকীস্বত্বৰ বিভিন্নতা অনুসৰি নিৰ্ধাৰিত হয়। এইবোৰক স্থায়ী স্বত্ব বা অধিকাৰ, নিৰ্দিষ্ট সময়-সীমাগত অধিকাৰ (tenancy for a fixed period of time) বা ইচ্ছাগত স্বত্ব (tenancy at will) হিচাপেও ভাগ কৰিব পাৰি।

এইখিনিতে এইটো বিশেষ মনোযোগ দিয়া উচিত যে ভূমি সম্বন্ধীয় বিভিন্নতাই কৃষিৰ প্ৰকাৰৰ (type) ৰ লগত ঘনিষ্ঠভাৱে সংযুক্ত হয়। সেয়েহে কৃষিগত গঠনৰ বিষয়ে জ্ঞান লাভ কৰা অপৰিহাৰ্য্য। কৃষিগত গঠন উক্তি (term) টোৱে এক সামাজিক সংঘবদ্ধতাৰ ৰূপৰেখা (frame work) নিৰ্দেশ কৰে য'ত কৃষিগত সকলো প্ৰক্ৰিয়া যেনে উৎপাদন, বিপণন আৰু ক্ৰয় কাৰ্য্যান্বিত হয়। এই সংঘ (organization) বা সামাজিক সংযুক্তাকাৰ গঠনে কৃষিকৰ্ম কেনেদৰে বা কাৰ দ্বাৰা নিয়ন্ত্ৰিত হৈছে, কি ধৰণৰ শস্য আৰু কি উদ্দেশ্যত উৎপাদন কৰা হৈছে, কেনেদৰে খাদ্য আৰু কৃষিগত আয় বিস্তাৰ কৰিব পাৰি আৰু কি উপায়ে বা কি ধৰণে কৃষিখণ্ডক সমাজ

এখনক অর্থনীতিৰ বাকী শাখাসমূহৰ লগত সংযোজিত কৰিব পাৰি তাক নিয়ন্ত্রণ (regulate) কৰে। মন কৰিবলগীয়া যে ভাৰতৰ দৰে এখন কৃষিপ্রধান দেশত, য'ত জনসংখ্যাৰ বেছিভাগেই গাওঁ অঞ্চলত বাস কৰে আৰু প্রত্যক্ষ আৰু পৰোক্ষভাৱে কৃষিকেই জীৱন-নির্বাহৰ বুনিয়াদী আধাৰ হিচাপে গ্রহণ কৰে, ইয়াত ভূমিৰ মালিকী স্বত্ব আৰু অন্য গ্রাম্য সম্পদসমূহ জাতিগত বৈষম্য (caste-based discrimination) আৰু দমনৰ দ্বাৰাহে নিয়ন্ত্রিত হয়। ভূমিৰ পৰিচালনা আৰু স্বত্ব, ভূমিৰ পৰা উৎপন্ন আয় আৰু ইয়াৰ বিপণন (market) সমাজৰ এচাম ব্যক্তিৰ হাতত কেন্দ্রীভূত হয়। ইয়াৰ ফলত সামাজিক উন্নয়নো ভূমি আৰু ভূমি সম্বন্ধই শ্রেণীবদ্ধ কৰা ধৰণে বিভাজিত হয়। তদুপৰি ভাৰতবর্ষত কৃষি সম্বন্ধই ইয়াৰ পিছপৰা, পীড়িত শ্রেণীৰ সংঘর্ষৰ কৰুণ গাঁথা থকাতো দৃষ্টিগোচৰ হয়।

৯.৩ ভূমি অধিকাৰ

ভূমি অধিকাৰ প্রায়েই আইনগত বা প্রথাগতভাৱে কোনো নির্দিষ্ট ব্যক্তি বা গোটৰ ওচৰত ন্যস্ত কৰা হয়। সেয়েহে এইটো ব্যক্ত কৰা উচিত যে ভূমি ইয়াত অন্য প্রাকৃতিক সম্পদ যেনে পানী আৰু গছ গছনিৰ দৰেই অন্তর্ভুক্ত কৰা হৈছে। ভূমি অধিকাৰ হ'ল এক সংস্থাপনা (establishment) অর্থাৎ, সমাজৰ দ্বাৰা নির্ধাৰিত নিয়ম য'ত ব্যক্তিৰ ব্যৱহাৰ আৰু ক্রিয়া আচৰণক নিয়ন্ত্রণ কৰে। ভূমি অধিকাৰ আইনে এক সীমা নির্ধাৰক ৰেখা স্বৰূপ (outline) যিয়ে সমাজত ভূমি সম্পত্তিৰ অধিকাৰ বা স্বত্বৰ বিভক্তকৰণ কৰে। এই নিয়মে ভূমিৰ ব্যৱহাৰ, পৰিচালনা, হস্তান্তৰকৰণৰ লগতে ভূমিৰ দায়িত্বভাৰ আৰু সীমাবদ্ধতাৰ প্রৱেশাধিকাৰ মঞ্জুৰ কৰে। সহজ ভাষাত, ভূমি অধিকাৰ আইনে ভূমি কোনে ব্যৱহাৰ কৰিব পাৰিব, কিমান দিনলৈ এই ব্যৱহাৰ অধিকাৰ থাকিব আৰু কেনেকুৱা পৰিস্থিতিত ই প্রযোজ্য হ'ব তাক নিয়ন্ত্রণ কৰে।

ভূমি অধিকাৰ সমাজ, ৰাজনীতি আৰু অর্থনীতি সংৰচনাৰ এক গুৰুত্বপূর্ণ অংশ। ই বহুমুখী প্রকৃতিৰ। ইয়াৰ সামাজিক, কাৰিকৰী, অর্থনৈতিক, অনুষ্ঠানগত, আইনী আৰু ৰাজনৈতিক দিশ বা স্থিতিসমূহ বিশেষ গুৰুত্বপূর্ণ যদিও প্রায়েই এইবোৰক গুৰুত্ব দিয়া নহয়। ভূমি অধিকাৰ আইনসমূহ আৰু ইয়াৰ ব্যৱহাৰিক সম্বন্ধ স্পষ্টভাৱে নির্ধাৰিত আৰু আইনগতভাৱে সম্পাদিত বা প্রথাগত ভাৱে এখন সমাজত স্বীকৃত হয়। অৱশ্যে বহু সময়ত ই দুর্বল, অস্পষ্টভাৱে নির্ধাৰিত হয় আৰু শোষণ অন্যায়ৰ পথ মুকলি কৰে।

ভূমি অধিকাৰ সেয়েহে এক পাৰস্পৰিক অন্তর্বিভাজক সম্বন্ধ বা অধিকাৰ বুলিব পাৰি। তলত কেইটামান ভূমি অধিকাৰ প্রকাৰ উল্লেখ কৰা হ'ল।

- **অধিভাৱী অধিকাৰ** (overriding interest) ঃ ই এক একচেতীয়া বা স্বাধীন ক্ষমতা নির্দেশ কৰে। উদাহৰণ স্বৰূপে এখন দেশ বা জাতি এটাৰ ভূমি হস্তগতকৰণৰ স্বত্ব।
- **অতি আচ্ছাদিত অধিকাৰ** ঃ বিভিন্ন দলে একে সময়তে এক নির্দিষ্ট ভূখণ্ডতেই বেলেগ বেলেগ অধিকাৰ আবণ্টিত কৰিলে অতি আচ্ছাদিত (overlapping interest)

অধিকাৰ বুলিব পাৰি। উদাহৰণ স্বৰূপে এটা দলে হয়তো লীজ বা পট্টা অধিকাৰ প্ৰণয়ন কৰিছে অন্য এটা দলে।

- **পৰিপূৰক অধিকাৰ** (complementary interest) ঃ এই ক্ষেত্ৰত বিভিন্ন দলে উমৈহতীয়া ৰুচি বা ধাৰণাৰে একেখণ্ড ভূমিতে স্বাৰ্থ থাকে। যেনে— যেতিয়া এটা গোটৰ সদস্যসকলে চৰণীয়া পথাৰ এখনৰ পৰা উমৈহতীয়া সুবিধা বা সুযোগ লাভ কৰে।
- **প্ৰতিযোগিতামূলক** ঃ এনে ক্ষেত্ৰত বিভিন্ন গোটে একেখণ্ড ভূমিৰ পৰা একে মুনাফা লাভৰ দাবী তোলে। উদাহৰণ স্বৰূপে ইয়াত দুটা গোটে স্বতন্ত্ৰীয়ভাৱে একেডোখৰ কৃষি ভূমিৰ ব্যক্তিগত ব্যৱহাৰৰ সুবিধা লাভৰ দাবীতোলাৰ কথাকেই ক'ব পাৰি।

৯.৪ ভূমি অধিকাৰৰ শ্ৰেণীবিভাগ

ভূমি অধিকাৰ পদ্ধতি অনুসৰি ইয়াক তলৰ শ্ৰেণীসমূহত বিভক্ত কৰিব পাৰি—

- **ব্যক্তিগত** (Private)ঃ এটা ব্যক্তিগত গোট যেনে — এজন ব্যক্তি বা এহাল বিবাহিত লোক, এটা মানুহৰ গোট, এটা যৌথ নিগম যাৰ উদ্দেশ্য লাভদায়ক ব্যৱসায় বা এটা লাভ-নিৰপেক্ষ সংগঠন- এই সকলে ব্যক্তিগতভাৱে এটা সম্পত্তিৰ আবণ্টন লাভ কৰিব পাৰে। উদাহৰণ স্বৰূপে, এটা সম্প্ৰদায়ৰ অন্তৰ্গত বিভিন্ন পৰিয়ালে এটা বাসগৃহ বা কৃষিভূমি এডোখৰ বা উদ্যান এখনৰ ব্যক্তিগত ব্যৱহাৰৰ সুবিধা লাভ কৰিব পাৰে। এই প্ৰক্ৰিয়াত সম্প্ৰদায়টোৰ অন্য সদস্যসকলে এই সম্পত্তিৰ ব্যৱহাৰৰ সুযোগৰ পৰা বঞ্চিত হ'ব যদিহে, সম্পত্তি লাভৰ সুযোগ প্ৰাপ্ত সদস্যসকলে অনুমোদন নকৰে।
- **সাম্প্ৰদায়িক** (Communal)ঃ এই ব্যৱস্থাত এটা সম্প্ৰদায় (Communal) ৰ সকলো সদস্যই স্বতন্ত্ৰভাৱে সম্প্ৰদায়টোৰ উমৈহতীয়া সম্পত্তিৰ অধিকাৰ ভোগ কৰিব পাৰে। উদাহৰণ স্বৰূপে, উমৈহতীয়া চৰণীয়া ভূমি (pasture) এখনত সম্প্ৰদায় এটাৰ সকলো সদস্যই পশু-চৰা (grazing) ৰ অধিকাৰ ভোগ কৰিব পাৰে।
- **মুক্ত অধিগতকৰণ বা উপলব্ধতা** (Open access)ঃ নিৰ্দিষ্ট কিছুমান অধিকাৰ ব্যক্তিগতভাৱে কাকোৱেই আৰোপিত কৰিব নোৱাৰি। আকৌ, কোনো ব্যক্তিকেই এইবোৰ অধিকাৰ ভোগৰ পৰা বঞ্চিত কৰিবও নোৱাৰি। এইবোৰৰ ভিতৰত সন্নিৱিষ্ট কৰিব পাৰি —সামুদ্ৰিক গুণাধিকাৰ, য'ত গভীৰ সমুদ্ৰ (high sea) সাধাৰণতে সকলোৰে বাবে উন্মুক্ত। সমতল ভূমি, অৰণ্য আদিও এনে সম্পত্তিৰ উদাহৰণ, য'ত সকলোৰে বাবে প্ৰৱেশ কৰাৰ সম অধিকাৰ আছে। (মুক্ত উপলব্ধতা আৰু সাম্প্ৰদায়িক উপলব্ধতাৰ পাৰ্থক্য এয়ে যে এটা সাম্প্ৰদায়িক পদ্ধতিত অনা-সম্প্ৰদায়ৰ কোনো সদস্যই উমৈহতীয়া সম্পত্তি যিটো সম্প্ৰদায়টোৰ অধীন তাক ভোগ কৰিব নোৱাৰে।

- **ৰাষ্ট্ৰ** (State)ঃ ৰাষ্ট্ৰৰ অধীন বা নির্দিষ্ট প্রশাসনৰ অধীন কিছুমান সম্পত্তি ইয়াৰ অন্তর্গত। উদাহৰণ স্বৰূপে, নির্দিষ্ট কিছুমান দেশত বনাঞ্চলসমূহ প্রশাসনৰ অধীনত থাকে। এই প্রশাসন কেন্দ্রীয় পর্য্যায়ৰ হ'ব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভূমি অধিকাৰ বুলিলে কি বুজা যায়?

প্রশ্ন নং ২ ঃ কৃষি সম্বন্ধী সমাজ ব্যৱস্থা বুলিলে কি বুজা যায়?

প্রশ্ন নং ৩ ঃ ভূমি অধিকাৰ পদ্ধতিৰ বিভিন্ন শ্রেণী বিভাগ কি কি?

প্রশ্ন নং ৪ ঃ ভূমি প্রশাসন (land administration) বুলিলে কি বুজা যায়?

প্রশ্ন নং ৫ ঃ ভূমি অধিকাৰ সুৰক্ষাৰ সংজ্ঞা লিখক।

ভূমি সম্বন্ধৰ বিষয়ে সাধাৰণভাৱে সার্বজনিক স্তৰত আলোচনা কৰাৰ পিচত, এতিয়া এই আলোচনা উত্তৰ-পূব ভাৰতৰ ওপৰত কেন্দ্রীভূত কৰা যাওক।

৯.৫ উত্তৰ-পূব ভাৰতৰ ভূমি সম্বন্ধ প্রক্রিয়া (Land relation in North-east India) ঃ

ভাৰতৰ উত্তৰ-পূব অঞ্চল প্রধানকৈ দটা প্রধান গোটৰ লোকেৰে গঠিত ঃ

- মংগোলীয় মূলৰ জনজাতিসকল, প্রধানকৈ এইসকল লোক অঞ্চলটোৰ পার্বত্য অঞ্চলত বাস কৰে।
- ইণ্ডো-আর্য্য গোটৰ লোকসকল উপত্যকাসমূহত বাস কৰে।এই অঞ্চলটো সার্বজনীন মনোভাৱাপন্ন (Cosmopolitan temperament) ঐতিহাসিক সময়ৰে পৰাই এই অঞ্চলটোলৈ বসতি স্থাপনৰ উদ্দেশ্য লৈ অহা লোকসকললৈ এই অঞ্চলটোৱে প্রদর্শন কৰি আহিছে সহযোগী মনোভাব। বহিৰাগত সকলৰ লগত স্থানীয় বাসিন্দাসকলে ভাব আৰু সংস্কৃতিৰ বিনিময় কৰিছে আৰু সময়ৰ সোতত এক সমন্বয়পূর্ণ সংস্কৃতিয়ে মূৰ দাঙি উঠিছে।

এইখিনিতে ভূমি সম্বন্ধৰ বিষয়ে আলোচনা কৰোতে এইটোও মনত ৰখা উচিত, ১৮২৬ চনত বৃটিছসকলে এই অঞ্চলটো অধিগ্রহণ কৰাৰ লগে লগে ইয়াৰ ৰাজনৈতিক পৰিচালনাতো এক আধাৰ বা খোপনি লাভ কৰে। পৰিমাণস্বৰূপে, অঞ্চলটোৰ ৰাজনৈতিক ক্ষেত্রৰ অধিকাৰ লাভৰ পিছত, বৃটিছ প্রশাসনে বৰ সুচতুৰতাৰে অঞ্চলটোৰ প্রশাসন ব্যৱস্থাক দুটা ভাগত বিভক্ত কৰে —

- পার্বত্য আৰু,
- সমভূমি অঞ্চল

পার্বত্য অঞ্চল আকৌ উন্নয়ন আৰু ইয়াৰ প্রৱেশযোগ্যতাৰ ওপৰত নির্ভৰ কৰি দুভাগত

বিভক্ত কৰা হৈছিল। সেই কেইটা হ'ল — বর্জিত ক্ষেত্র (Excluded areas) আৰু আংশিক বর্জিত ক্ষেত্র (Semi excluded areas) সমভূমি অঞ্চলৰ লোকক উল্লেখ কৰি অহা পার্বত্য অঞ্চলসমূহত প্ৰৱেশ কৰাত আৰু সেই অঞ্চলৰ ভূমি ক্রয় আৰু মালিকীস্বত্ব লাভৰ নিষেধাজ্ঞা বা প্রতিবন্ধকতা আৰোপ কৰিছিল।

ভাৰতৰ স্বাধীনোত্তৰ কালত, পার্বত্য অঞ্চলসমূহৰ জনজাতীয় নেতাসকলে ৰাষ্ট্রৰ ওচৰত তেওঁলোকৰ সংস্কৃতি, জাতীয়তা আৰু অন্য ব্যৱস্থাপনাৰ ৰক্ষাৰ বাবে দাবী জনায়। ভাৰতীয় সংবিধানৰ প্রণেতা গৰাকীয়ে এই জনজাতীয় লোকসকলৰ কল্যাণার্থে বিভিন্ন পন্থা গ্রহণ কৰাৰ লগতে এওঁলোকৰ উপযোগী নীতিৰ অন্তর্ভুক্তি কৰে। ফলস্বৰূপে, এই অঞ্চল প্রশাসনীয় গঠনৰ ক্ষেত্রত ৰাজনৈতিকভাৱে বিভিন্নতাৰ সন্মুখীন হৈ আহিছে। ইয়াৰ উপৰি অঞ্চলটোৰ প্রশাসনীয় গঠন উল্লেখনীয় ধৰণে পৰিৱর্তনশীল হয় যিটো দেশৰ বাকী অংশৰ পৰা পৃথক। ভাৰতীয় সংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুচ্ছেদত এই অনুসূচীত জনজাতীয় জনসাধাৰণৰ কাৰণে বিশেষ ব্যৱস্থাৰ সংযোজন কৰা হৈছে। ষষ্ঠ অনুচ্ছেদসূচী অসম, মেঘালয়, ত্রিপুৰাৰ পার্বত্য অঞ্চলৰ জনজাতি লোকৰ ক্ষেত্রত প্রযোজ্য। তেনেদৰে পঞ্চম অনুচ্ছেদ দেশৰ অন্য অনুসূচিত (schedule) অঞ্চলৰ ক্ষেত্রত প্রযোজ্য। কিন্তু মণিপুৰৰ পার্বত্য অঞ্চলত থকা জনজাতিসকল আৰু অসমৰ সমভূমি অঞ্চলৰ জনজাতিসকল- এই দুয়োটা সাংবিধানিক অনুচ্ছেদতেই অন্তর্ভুক্ত হোৱা নাই। মনকৰিবলগীয়া যে নাগালেণ্ডৰ প্রশাসনৰ বাবে সংবিধানৰ ৩৭১A উল্লেখ আছে, "সংবিধানত এই বিষয়ত বিৰোধিতা নাই সদনত এই বিষয়ত কোনো আইন নীতি নাই - (১) নাগাসকলৰ ধর্মীয় আৰু সামাজিক অনুষ্ঠানসমূহ , (২) নগাসকলৰ প্রথাগত আইনী ব্যৱস্থা, (৩) নাগৰিক আৰু অপৰাধীৰ ন্যায় ব্যৱস্থাৰ শাসন আৰু, (৪) মাটিৰ আৰু ইয়াৰ সম্পদসমূহৰ মালিকীস্বত্ব নগালেণ্ডৰ সীমাৰ ভিতৰতে প্রযোজ্য। ইয়াৰ উপৰিও সংবিধানৰ ধাৰা ৩৭১G মতে মিজোৰাম আৰু ৩৭১C মতে মণিপুৰ ৰাজ্যই বিশেষ সুবিধা লাভ কৰিব। সংবিধানৰ ষষ্ঠ অনুচ্ছেদসূচী মতে অৰুণাচল প্রদেশে কিছুমান সুৰক্ষা সুবিধা লাভ কৰিব পাৰে।

- **অসম** ঃ এইখিনিতে এইটো উল্লেখ কৰা সমীচিন যে ভাৰতৰ অন্য অঞ্চলৰ তুলনাত বহুক্ষেত্রত ১৯ শতিকাৰ সময়ছোৱাত অসমে জনজাতীয় অর্থনীতিৰ বহুতো উপাদান বহন কৰিছিল। বৃটিছ শাসনৰ পিছৰ কালছোৱাত এই পৰিৱেশৰ বহু পৰিৱর্তন ঘটিছিল। কুৰি শতিকাত বৃটিছ শাসকসকলৰ ৰাজহ বৃদ্ধিৰ লক্ষ্যৰ লগত স্থানীয় জমিদাৰ আৰু ধনী ব্যৱসায়ীসকলৰ সূত আৰু লাভৰ চূড়ান্ত প্রত্যাশাই অর্থনীতিলৈ গুৰুত্বপূর্ণ পৰিৱর্তন আনিছিল। প্রব্রজনৰ দ্বাৰা বর্ধিত শ্রমিকৰ চাহিদা পূৰণৰ প্রক্রিয়া হাতত লোৱা হৈছিল। উৎপাদনৰ নতুন পদ্ধতিয়ে অৱশ্যে মূলধন উৎপাদনৰ হাৰ বা ধাৰা বর্ধনৰ কাৰণে কৃষিক্ষেত্র সম্প্রসাৰণত গুৰুত্ব দিয়া হৈছিল। ভূমিৰ ওপৰত অত্যাধিক হেচাই ভূমিহীন আৰু দখলদাৰী বা পট্টাদাৰী (tenant) শ্রমিক, কৃষকৰ হাৰ বৃদ্ধি কৰিছিল। তদুপৰি, মধ্য-সামন্তবাদী পন্থাৰ প্রতীকস্বৰূপ অর্থ ঋণ, ভিতৰুৱা বা মধ্যৱর্তী লেনদেন আৰু বজাৰৰ সীমাবদ্ধতা আদি প্রচুৰভাৱে প্রচলিত আছিল। ফলস্বৰূপে, অঞ্চলটোৰ উৎপাদন বিধিয়ে অচিৰেই ভাৰতীয় বৃটিছ শাসিত অন্য অঞ্চলৰ লগত এক ধৰণৰ হৈ পৰিছিল।

- **মেঘালয়** ঃ মেঘালয় ৰাজ্যৰ অধিকাৰ ব্যৱস্থা আৰু ভূমিৰ মালিকীস্বত্ব বিধি বহুমূখী প্ৰকৃতিৰ। এই ব্যৱস্থাই দুই ধৰণৰ কৰ্তৃপক্ষৰ অন্তৰ্ভুক্তি কৰে।
  - ঐতিহ্যগত বা চিৰাচৰিত, আৰু
  - অ-প্ৰথাগত প্ৰতিষ্ঠান।

  ঐতিহ্যগত বা প্ৰথাগত অনুষ্ঠানসমূহ দেশীয় ৰীতিমতে পৰিচালিত হয় আৰু পুৰণি কালত প্ৰচলিত চুক্তি বা দেশীয় বিধিৰ ওপৰত ইবোৰ প্ৰতিষ্ঠিত। সময়ৰ লগে-লগে, ভাৰতীয় সংবিধানৰ প্ৰচলনৰ লগে-লগে ইয়াৰ ষষ্ঠ অনুচ্ছেদ সূচীত স্বায়ত্ব জিলা পৰিষদ (Autonomous District Council) জনজাতি অধ্যুষিত ভাৰতৰ অঞ্চলসমূহৰ বাবে গঠন কৰা হয়। ফলস্বৰূপে, মেঘালয় ৰাজ্যতো স্বায়ত্বশাসিত জিলা পৰিষদ গঠন কৰা হয়। এই পৰিষদৰ সমান্তৰালকৈ ৰাজ্যসমূহত ভূ-সম্বন্ধীয় বিষয়ৰ পৰিচালনাৰ বাবে অ-জনজাতি (non-tribal) অনুষ্ঠান কিছুমান প্ৰতিষ্ঠা হয়। এইটো মন কৰিবলগীয়া যে, বৰ্তমান সময়তো প্ৰথাগত, পুৰণি নীতি-নিয়মসমূহ মানুহৰ মাজত আজিও প্ৰচলিত হৈ আহিছে আৰু চিৰাচৰিত প্ৰথা আৰু নেতৃত্বৰ আদৰ কমা নাই। ঐতিহ্যপ্ৰীতি আৰু সংস্কৃতিৰ সংৰক্ষণেই ইয়াৰ মূল কাৰণ। আনহাতে, ভূমি ব্যৱহাৰ প্ৰণালীতো উল্লেখযোগ্য পৰিৱৰ্তন আহিছে আৰু মানুহে অধিক লাভদায়ক কৃষি ব্যৱস্থাৰ প্ৰতি আগ্ৰহী হৈছে। তেওঁলোকে ঝুম (Jhum) কৃষি পদ্ধতিৰ সলনি স্থায়ী কৃষি পদ্ধতি আদৰি লোৱা দেখা গৈছে।
- **অৰুণাচল প্ৰদেশ** ঃ মাৰ্চ, ১২-২০১৮ত অৰুণাচল প্ৰদেশত Land Settlement and Record অধ্যাদেশ সংশোধনী মতেএখন আইন বলৱৎ কৰা হয়। এই আইনৰ আধাৰত প্ৰথমবাৰৰ বাবে ৰাজ্যৰ নাগৰিকসকলক মাটিৰ মালিকীস্বত্ব প্ৰদান কৰা হয়। Land Settlement and Record Act, 2000 মতে প্ৰথমতে, ৰাজ্যৰ অধিবাসীসকলক ভূমিৰ স্বত্বৰ অধিকাৰ দিয়া হোৱা নাছিল। স্থানীয় অধিবাসীসকলক একোডোখৰ মাটিৰ বাবে মাথো ''মাটি অধিগ্ৰহণ প্ৰমাণপত্ৰ' (Land Possession Certificate) দিয়া হৈছিল আৰু নাগৰিকজনক সংশ্লিষ্ট জিলাৰ মুখ্য উপায়ুক্তই এই প্ৰমাণপত্ৰ প্ৰদান কৰিছিল। এই ভূমি আবণ্টন আকৌ ৰাজ্যৰ বন বিভাগৰ দ্বাৰা অনুমোদিত বা গাওঁ পঞ্চায়তৰ দ্বাৰা অনুমোদিত হয়। অৱশ্যে প্ৰকৃত মালিকীস্বত্ব ৰাজ্যৰ অধীনত থাকে। এই সংশোধনী (2018) য়ে শেষত এখন প্ৰকৃত আইনৰ অধীনত ভূ-স্বত্বৰ প্ৰমাণপত্ৰ লাভ কৰি ৩৩ বছৰ পৰ্য্যন্ত মাটিৰ পট্টা লাভ কৰে আৰু এই সময়সীমাৰ অন্তত পুনৰ ৩৩ বছৰৰ বাবে মাটিৰ পট্টা লাভ কৰিব পাৰে। অৰুণাচল প্ৰদেশৰ ভূমি অধিকাৰ পদ্ধতি বৰ্তমান অৱস্থালৈ প্ৰায় অস্থিৰ বা কিছু সঙ্গতিহীনভাৱেই প্ৰকাশিত হৈ আহিছে। উত্তৰ-পূবৰ অন্য ৰাজ্যসমূহৰ নিচিনাকৈ অৰুণাচল প্ৰদেশও বিভিন্ন অনুসূচীত জনজাতিৰ বসতিস্থল। প্ৰতিটো জনজাতিৰ নিজস্ব প্ৰথাগত আইন আছে আৰু এই আইনৰ সহায়তেই দৈনন্দিন ব্যৱসায় আনকি ভূমি লেন-দেন সংক্ৰান্তীয় প্ৰক্ৰিয়াও পৰিচালিত হয়। উত্তৰ-

পূবৰ অন্য জনজাতি ৰাজ্যসমূহৰ বিপৰীতে, সংবিধানে অৰুণাচল প্ৰদেশৰ এই প্ৰথাগত বা ৰীতিগত ব্যৱস্থাৰ ওপৰত কোনো আইনী বিশুদ্ধতা বা প্ৰযোজ্যতা আৰোপ কৰা নাছিল। তথাপিও অৰুণাচল প্ৰদেশৰ জনজাতীয় লোকসকলে এই প্ৰথাগত ৰীতিসমূহক প্ৰাধান্য দিছিল। বেছিভাগ ক্ষেত্ৰতে ৰাজ্য চৰকাৰেও জনজাতীয় জনসাধাৰণৰ ভাৱৰ বিপৰীত ব্যৱস্থা লোৱা নাছিল। সমাজবিজ্ঞানী Walter Fernandes ৰ মতে, "নিয়মানুসাৰে ঔপচাৰিক (formal) নিয়ম ব্যৱস্থাৰ কৰা উচিত যদিও কাৰ্য্যতঃ প্ৰথাগত ৰীতিয়ে এইবোৰ আতৰাই ৰাখে"।

- **মণিপুৰ** ঃ ১৯৬০ চনত Land Reform and Land Revenue Act বলৱৎ হোৱাৰ লগে-লগে ই সমগ্ৰ উপত্যকাটোৰ কাৰণে প্ৰযোজ্য হয়। সময়ৰ লগে লগে মণিপুৰৰ ৰাজ্য চৰকাৰে বিভিন্ন ভূ আইন বিধিবদ্ধ কৰে আৰু "নতুন ভূ-ব্যৱহাৰ আইন" (New Land Use Policy 2014), প্ৰণয়ন কৰে। সেয়েহে এইটো উল্লেখ কৰা উচিত যে চৰকাৰে প্ৰাথমিক বা প্ৰথাগত আইনৰ সলনি প্ৰৱৰ্তন কৰা নতুন ভূ আইনৰ ফলত অসন্তুষ্টিৰ সৃষ্টি হৈছিল। পাৰ্বত্য অঞ্চলত প্ৰণয়ন কৰা যিকোনো ভূ আইনে জনসাধাৰণৰ মনত অসন্তোষ আৰু অবিশ্বাসৰ সৃষ্টি কৰিছিল, কিয়নো জনজাতি ভূ-অধিকাৰ আইনৰ ইয়াৰ দ্বাৰা উপেক্ষিত হ'ব বুলি মনোভাৰ গঢ়ি উঠিছিল। তদুপৰি সামাজিক ধাৰণা এটা গঢ় লৈ উঠিছিল যে চৰকাৰে প্ৰণয়ন কৰা আইনসমূহে পুৰণি, প্ৰথাগত ৰীতি-নীতি ক্ষয়িষ্ণু কৰাৰ উপৰিও জনজাতিসকলৰ মৰ্যাদা হ্ৰাস কৰাব লগতে নিজ ভূ-অধিকাৰ আৰু দখলদাৰী অধিকাৰৰ পৰা বঞ্চিত হ'ব।
- **ত্ৰিপুৰা** ঃ ত্ৰিপুৰাৰ জনজাতিসমূহে আকৌ এখন পৃথক ছবি দাঙি ধৰে। গৱেষণাই দেখুৱাই যে ৰাজ্যৰ জনজাতিসকল ভূমিহীনতাৰ সমস্যাত গভীৰভাৱে আক্ৰান্ত। এই সমস্যাৰ কাৰণ উদ্‌ঘাটনত দেখা গ'ল যে, অন্তৰ্ৱৰ্তী অনুষ্ঠান আৰু ১৯৪৭ ৰ পৰা১৯৭১ লৈ পূব পাকিস্তান (বৰ্তমান বাংলাদেশ) ৰ পৰা অহা প্ৰব্ৰজনকাৰী জনসংখ্যা ইয়াৰ মূল কাৰণ। পূৰ্ব কালছোৱাত, জনজাতি গাওসমূহত ভূমিৰ অংশীদাৰীত্ব মালিকীস্বত্বৰ প্ৰচলন আছিল আৰু ত্ৰিপুৰাৰ ৰজাৰ দ্বাৰা অনুমোদিত আছিল। প্ৰতি গাওঁতেই এজন মুখীয়া (Chief) আছিল আৰু তেওঁৰ ওপৰত গাওঁ আৰু গাওঁবাসীৰ ৰীতিগত গৰাকীৰ ভাৰ ন্যস্ত আছিল। জনসাধাৰণে ৰজাৰ ওচৰত কৰ (Tax) অৰ্পণ কৰিছিল আৰু এই কৰ গাওঁৰ মুখীয়ালৰ জৰিয়তে প্ৰদান কৰিছিল। ১৮৮৬ চনত "জমিদাৰ আৰু দখলদাৰী" (Landlord and Tenant) আইন স্বায়িত্ব শাসিত ত্ৰিপুৰা ৰাজ্যৰ অধীনত অনুমোদিত হৈছিল। এই আইনৰ অধীনত প্ৰাৰম্ভিকতেই সাৰ্বজনিক ভূমিসমূহ ব্যক্তিগত মালিকাধীনলৈ পৰিৱৰ্তন কৰি ব্যক্তিগত ভূমি অধিকাৰ সূচিত কৰে। এই আইনৰ অধীনত বাংলা বসবাসকাৰী আৰু জনজাতীয় নেতাসকল বিশেষভাৱে লাভবান হয়। ত্ৰিপুৰা চৰকাৰে গ্ৰহণ কৰা পুনৰ্নিবাস সূচি (Scheme) ৰ উদ্দেশ্যে মাটি অধিগ্ৰহণ কৰি ২৬,১০১

হেক্টৰ ভূমি বাংলাদেশী প্ৰব্ৰজনকাৰীসকলৰ মাজত ভগাই দিছিল। "এটা সময়ত বাংলাদেশী প্ৰব্ৰজনকাৰীসকলে ভূমি হস্তগতকৰণ প্ৰক্ৰিয়াক ঊৰ্দ্ধগতি প্ৰদান কৰি আদিবাসী কৃষকসকলৰ ভূমি হস্তগত কৰে।

- **নাগালেণ্ড** ঃ পশ্চিমীয়া ধাৰণা অনুসৰি ভূমিক মানৱ কল্যাণ আৰু প্ৰগতিৰ আধাৰ বুলি গণ্য কৰা হয় যদিও, নগাসকলে ভূমিক উপযোগিতাৰ আধাৰ বস্তুৰ সলনি জীৱন (life) ৰ আধাৰ বুলি গণ্য কৰে। নগাসকলে ভূমিক প্ৰকৃতি দত্ত উপহাৰ বুলি গণ্য কৰে আৰু সকলোকে ইয়াৰ অংশীদাৰ বুলি বিশ্বাস কৰে। তেওঁলোকৰ কাৰণে ভূমিৰ মাজতেই ঈশ্বৰ বিৰাজমান। সেয়েহে ভূমিৰ লগত নগাসকলে এক ঐশ্বৰিক, আধ্যাত্মিক আৰু পাৰিবাৰিক সম্বন্ধ অনুভৱ কৰে। সেয়েহে নগাসকলে নিজৰ স্ব-ভূমি বা অঞ্চলটোতেই সামাজিক -সংস্কৃতিক আৰু অৰ্থনৈতিক জীৱনৰ প্ৰতিচ্ছবি দেখা পায়। সেয়েহে সকলো নগাই সন্মিলিতভাৱে সহমত আগবঢ়ায় যে ভূমি কেবল ব্যক্তিগত সম্পত্তি হোৱাৰ সলনি ই সামূহিক সম্পদ। সেয়েহে, নাগালেণ্ডৰ সৰহ সংখ্যক ভূমিয়েই সামূহিক। কোনো ব্যক্তিগত বা পৈতৃক ভূমি বিক্ৰয় আৰু হস্তান্তৰকৰণ এটা সম্প্ৰদায়, বংশ, পৰিয়াল বা ব্যক্তিৰ কাৰণে নিন্দনীয় আৰু অপমানজনক। ভূমি অধিকাৰ নাগালেণ্ডত এনে ধৰণে শ্ৰেণীবিভাগ কৰিব পাৰি —
  - **উমৈহতীয়া গাওঁৰ ভূমি** ঃ প্ৰত্যেক নগা গাওঁৰ এক নিৰ্দিষ্ট পৰিসীমা থাকে সমগ্ৰ গাওঁখনে এখন উমৈহতীয়া গ্ৰাম্য ভূমিৰ ভোগ দখল কৰে। এই কাৰ্য্য গ্ৰাম্য কৰ্তৃপক্ষৰ পৰিচালনাত থাকে।
  - (Clan Land) **বংশগত ভূমি** ঃ এই ক্ষেত্ৰত ভূমিখণ্ড পৈতৃক সম্পত্তি হিচাপে ব্যক্তিয়ে পুৰুষানুক্ৰমে এক নিৰ্দিষ্ট পৰিসীমাৰ ভিতৰত লাভ কৰে।
  - **ব্যক্তিগত ভূমি** ঃ এই ক্ষেত্ৰত গ্ৰাম্য কৰ্তৃপক্ষৰ মঞ্জুৰীত এজন ব্যক্তিয়ে অন্য এজন ব্যক্তিক বা এটা বংশই আন এটা বংশৰ ওচৰত ভূমি বিক্ৰী বা পুনঃ আবণ্টিত কৰিব পাৰে। আনহাতে, গাওঁৰ বাহিৰত ব্যক্তিক ভূমি বিক্ৰীৰ ক্ষেত্ৰত কঠোৰ নিবাৰণবিধি আছে।
  - **মিজোৰাম** ঃ মিজোৰামৰ ভূমি প্ৰশাসনীয় পদ্ধতি প্ৰথাগতভাৱে গাওঁৰ অন্তৰ্ৱৰ্তী এলেকাত প্ৰচলন হৈছিল আৰু সাম্প্ৰদায়িক ভূমি ৰীতিৰে পৰিচালিত হয়। গাঁৱৰ মূখীয়াল ব্যক্তি গৰাকী ৰীতিগতভাৱে গাওঁৰ সমূহ ভূ-সম্পদৰ অধিপতি বুলি গণ্য কৰা হয়। গাঁৱৰ ভিতৰত ভূমি সম্পদৰ আৱণ্টন আৰু ভূমি সম্পৰ্কীয় সকলো নিয়ন্ত্ৰণ এই মূখীয়াল গৰাকীৰ ওপৰত ন্যস্ত থাকে। মিজোৰামত স্থানান্তৰণ কৃষি (shifting cultivation) (স্থানীয়ভাৱে ইয়াক ঝুম খেতি বোলা হয়) পদ্ধতিতেই সাধাৰণতে কৃষিকৰ্ম কৰা হয়। ১৯৫০ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত সংঘটিত বিপুল ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক ৰূপান্তৰে মিজোৰামক জিলাৰ পৰা ৰাজ্যলৈ পৰ্য্যবসিত কৰে। সময়ত ই কেন্দ্ৰীয় শাসিত প্ৰদেশলৈ ৰূপান্তৰিত

হয়। এই সময়ত ৰাজ্যখনত কোনো সুস্পষ্ট ভূমি নীতি গ্ৰহণ কৰা হোৱা নাছিল। ২০১৩ চনত এক সুস্থ ভূমি নীতিৰ লক্ষ্যৰে মিজোৰাম ৰাজ্যই, Mizoram (Land Revenue) Act, 2013 ৰ আৰু Mizoram (Land Revenue) Rules, 2013 ৰ আৰম্ভ কৰে। এই আইনৰ প্ৰচলনে সকলো পূৰ্বৰতী ভূমি আইন বন্ধ কৰি ভূমিৰ আৱণ্টন, পৰিচালনা আৰু ভূমি কৰৰ বাবে নতুন আইনৰ প্ৰচলনৰ বাট মুকলি কৰে।

- **চিকিম** ঃ ১৯৭৫ চনত চিকিমে ভাৰতীয় ৰাজ্যৰ মৰ্যাদা লাভ কৰে আৰু লগে লগে ৰাজ্য চৰকাৰে মধ্যভোগী বা দালাল (Mediator) শ্ৰেণী দুৰ বা বন্ধ কৰে। ফলস্বৰূপে ই ভূমিহীনসকলৰ ভূমিৰ অধিকাৰৰ ব্যৱস্থা ভূমি ধাৰণা (land holding) ৰ বাবে চিলিং আইনৰ প্ৰচলন, অতিৰিক্ত ভূমিৰ বিতৰণ, ভূমি অধিকাৰ আইনৰ সুদৃঢ়ীকৰণৰ বাবে Sikkim Cultivators Protection Act (1975), the Sikkim Agricultural Land Ceiling and Reform Act, (1978) আদিৰ প্ৰচলন কৰে। ইয়াৰ উপৰিও স্থানীয় লেপ্চা আৰু ভূটীয়াসকলৰ বাবে ভূমি অধিকাৰ আইন (১৯১৭) চলিতকৰণ ব্যৱস্থা অন্যতম।



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পাঠটিৰ অধ্যয়নৰ অন্তত আমি মুঠতে বুজিব পাৰিলো যে, ভূমি বিশেকৈ আদিবাসী অঞ্চলৰ ভূমি দীৰ্ঘস্থায়ী ভাৱে এই বিশেষ গোটটোৰ মাজতে অকল মালিকীস্বত্বৰ বাবে সংৰক্ষিত হৈ আহিছে।
- "ভূমিয়ে সাংস্কৃতিক আৰু জাতিগত পৰিচয় বহনকাৰী হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- জীৱন নিৰ্বাহৰ এই সাধনৰ জৰিয়তে ব্যক্তিয়ে প্ৰকৃতি পৰিবেশৰ লগত সহজীৱি (Symbiotic) সম্বন্ধ গঢ়ি তোলে। গঢ় লৈ উঠে ব্যক্তিৰ সংস্কৃতি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু সামাজিক নিয়ন্ত্ৰণ তন্ত্ৰ"।



৯.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

- Basole, Amit. 2010. "Agrarian Change in North India: Evidence from Haryana and Uttar Pradesh."

- Binswanger-Mkhize, Hans P. 2013. "The Stunted Structural Transformation of the Indian Economy: Agriculture, Manufacturing and the Rural Non-Farm Sector." Economic and Political Weekly XLVIII (26 and 27) (29 June): 5–13.
- CSD. 2004. Endangered Symbiosis: Evictions and India's Forest Communities. New Delhi: Campaign for Survival and Dignity. CSE. 2011. "Forest clearance." Centre for Science and Environment. http://www.cseindia.org
- Kar, Bodhisattva. 2004. What is in a Name? Politics of Spatial Imagination in Colonial Assam, CENISEAS Papers 5; Guwahati: Centre for Northeast India, South and Southeast Asia.
- Karna (ed.). Land Relations on North-east India. New Delhi: Peoples Publishing House. pp. 167-171. Kumar, Nikhlesh. 2005. "Identity Politics in the Hill Tribal Communities in the North-Eastern Region of India," Sociological Bulletin, 54 (n. 2), pp. 195-217.
- Kohli, Atul. 1989. The State and Poverty in India. Cambridge University Press.
- Shah, Alpa, and Barbara Harriss-White. 2011. "Resurrecting Scholarship on Agrarian Transformations." Economic and Political Weekly XLVI (39) (24 September): 13–18.
- Xaxa, V. 2001. "Empowerment of Tribes," in Debal L. Singharoy (ed). Social Development and the Empowernment of Marginalised Groups. New Delhi: Sage Publications, pp. 202-222.

৯.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ভূমি অধিকাৰ হ'ল এক সংস্থা, য'ত আইনগত আৰু প্রথাগত ভাৱে জনসাধাৰণ, ব্যক্তি বা গোটৰ লগত ভূ-সম্বন্ধৰ সীমাংকন নির্ধাৰিত হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ সকলো সভ্যতাতে গ্রাম্য সমাজ এখনৰ অর্থনীতি শস্য উৎপাদন। ইয়াৰ পোষণৰ ওপৰতে আধাৰিত হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভূমি ব্যৱহাৰ সাধাৰণতে ব্যক্তিগত, সাম্প্ৰদায়িক, মুক্ত আৰু ৰাষ্ট্ৰ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ভূমি ব্যৱহাৰৰ আইন বা নীতি নিৰ্ধাৰণ আৰু ইয়াৰ ৰূপায়ণকেই ভূমি প্ৰশাসনৰ সংজ্ঞা বুলিব পাৰি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ভূমি স্বত্ব সুৰক্ষাৰ অৰ্থ অনুসৰি ব্যক্তিৰ অধীন ভূখণ্ডক স্বীকৃতি প্ৰদান আৰু ভূমি কেন্দ্ৰিক সমাজত সহায়তা প্ৰদান।



৯.৯ আৰ্হি প্ৰশ্ন

(১) চমু প্ৰশ্ন ঃ (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখিব)

(ক) ভূমি সম্বন্ধ আৰু কৃষি পদ্ধতিৰ প্ৰকাৰৰ মাজত থকা সম্বন্ধ বৰ্ণনা কৰি এটা টোকা লিখক।

(খ) আদিবাসী সমাজত ভূমিৰ মহত্ব আলোচনা কৰক।

(২) দীঘল প্ৰশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখিব)

(ক) উত্তৰ-পূব ভাৰতত কৃষি অধিকাৰ পদ্ধতিৰ উৎপত্তি আৰু ইয়াৰ ক্ৰমবিকাশ সম্বন্ধে বৰ্ণনা কৰক।

(খ) উদাহৰণৰ সহায়ত ভূমি অধিকাৰ পদ্ধতিৰ অৰ্থনৈতিক তাৎপৰ্য্য বৰ্ণনা কৰক।

****

অধ্যায় ১০ ঃ উত্তৰ-পূব ভাৰতৰ অর্থনৈতিক সমস্যা

অধ্যায় গাঁথনি

10.1 উদ্দেশ্য

10.2 পৰিচয়

10.3 উত্তৰ-পূব ভাৰতৰ অর্থনৈতিক সমস্যা

10.3.1 নিবনুৱা সমস্যা

10.3.2 আন্তঃ গাঁথনি

10.3.3 ঔদ্যোগিকীকৰণ

10.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

10.5 অধিক জানিবলৈ

10.6 আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- উত্তৰ-পূব ভাৰতৰ অর্থনৈতিক সমস্যাসমূহৰ বিষয়ে অৱগত হ'ব
- অর্থনৈতিক সমস্যাসমূহৰ কাৰণবোৰ বুজি পাব
- উত্তৰ-পূব ভাৰতৰ নিবনুৱা সমস্যা সৃষ্টিকাৰী বিভিন্ন কাৰকৰ বিষয়ে জানিব পাৰিব
- উত্তৰ-পূব ভাৰতৰ আন্তঃ গাঁথনিমূলক বৃদ্ধি আৰু বিকাশ সম্পর্কে গম পাব
- ঔদ্যোগিক অর্ধবিকাশৰ (underdevelopment) কাৰণ আৰু ইয়াৰ প্ৰভাৱ অৱগত হ'ব।

১০.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনাক উত্তৰ-পূব ভাৰতৰ অর্থনৈতিক সমস্যাসমূহৰ সৈতে পৰিচয় কৰাই দিব। উত্তৰ-পূর্বাঞ্চল মুঠ আঠখন ৰাজ্যৰ সমষ্টি। যদিও আঠোখন ৰাজ্যৰে সাংস্কৃতিক আৰু ভাষিক দিশত পার্থক্য আছে, তথাপিও ক'ব পাৰি যে ঔপনিৱেশিক ইতিহাস আৰু বাসিন্দাসকলৰ মাজৰ সামাজিক আন্তঃক্ৰিয়াশীলতাই এই অঞ্চলত এক সাধাৰণত্বৰ জন্ম দিছে. সেয়েহে অঞ্চটোৰ অর্থনীতি, উন্নয়ন, শোষণ আদিৰ লগতে জড়িত সমস্যাবোৰ এক সাধাৰণ ভিত্তিৰে বিশ্লেষণ কৰি চাব পাৰি।

১০.৩ উত্তৰ-পূব ভাৰতৰ অর্থনৈতিক সমস্যা

অর্থনৈতিক সমস্যাসমূহৰ ঐতিহাসিক ভেঁটি আছে বুলি যুক্তি দর্শোৱা হয় । ইয়াৰ অর্থনৈতিক আন্তঃ গাঁথনিৰ ওপৰত ঔপনিৱেশিক ইতিহাস আৰু শোষণৰ দীর্ঘদিনীয়া প্ৰভাৱ

পৰিলক্ষিত হয়। ঔপনিৱেশিক শাসনৰ পৰা স্বাধীন হোৱাৰ পাচতো , ঔপনিৱেশিক ইতিহাসৰ ছাঁয়াই এই অঞ্চলৰ অর্থনৈতিক খণ্ডবোৰৰ পিছ এৰা নাই। প্ৰাকৃতিক উৎসমূহ থকা সত্বেও এই অঞ্চলটোৰ অর্থনৈতিক উন্নয়নৰ হাৰ দেশৰ সর্বাত্মক উন্নয়নৰ হাৰতকৈ পিছ কৰি আছে। এই অঞ্চলটোৰ অর্থনৈতিক অর্ধবিকাশৰ বহুতো দিশ তথা কাৰক আছে। এই সকলোবোৰ কথা তলত উল্লিখিত অর্থনৈতিক সমস্যাৰ তিনিটা মাত্রাৰ ভিত্তিত আলোচনা কৰা হ'ল।

১০.৩.১ নিবনুৱা সমস্যা

নিবনুৱা সমস্যাৰ সংজ্ঞাই এনে এক পৰিস্থিতি বুজায় য'ত ব্যক্তি এগৰাকী বর্তমানে (currently) কর্মহীন হৈ আছে আৰু সক্ৰিয়ভাৱে কর্মৰ সন্ধান কৰি আছে। নিবনুৱা সমস্যটোক এক বৃহৎ অর্থনৈতিক সমস্যা হিচাপে গণ্য কৰিব পাৰি। ইয়াক এক গুৰুতৰ সামাজিক সমস্যা ৰূপেও গণ্য কৰিব পাৰি। কাৰণ, ইয়াৰ ফলস্বৰূপে অন্যান্য সামাজিক ব্যাধিৰ সূচনা হ'ব পাৰে। প্ৰত্যেক ৰাজ্যতে এগৰাকী ব্যক্তিয়ে তেওঁৰ অর্হতা তথা যোগ্যতা অনুযায়ী কর্ম সংস্থাপন লাভৰ সুবিধা পাব লাগে। ব্যক্তি এগৰাকীৰ যোগ্যতা অনুসৰি এটা যথোচিত চাকৰি নিশ্চিত কৰাটো যিকোনো ৰাজ্যৰে দায়িত্ব। কিন্তু প্ৰতিখন ৰাজ্যতে নিবনুৱা সমস্যাটোৱে এক দৃশ্যমান সমস্যাৰূপে দেখা দিছে। এই ক্ষেত্রত উত্তৰ-পূব ভাৰতো পৃথক নহয়। শ্রম আৰু নিয়োগ মন্ত্রালয়ে 2012-13 বর্ষত চলোৱা নিয়োগ আৰু নিবনুৱা বিষয়ক এক সমীক্ষা অনুসৰি উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যসমূহৰ এহেজাৰ গৰাকী লোকৰ মাজত নিবনুৱাৰ হাৰ ৰাষ্ট্রীয় গঢ় হাৰতকৈ অধিক। উত্তৰ-পূর্বাঞ্চলৰ কেইখনমান ৰাজ্য, যেনে- অসম, মণিপুৰ আৰু অৰুণাচল ভয়াবহ নিবনুৱা সমস্যাৰ সন্মুখীন হৈছে। ইয়াৰ ফলস্বৰূপে কিছুমান অন্যান্য সামাজিক ব্যাধি, যেনে- সন্ত্রাসবাদ, অপৰাধ আৰু আত্মহত্যা আদিৰ উদ্ভৱ হৈছে। এইবোৰৰ বিষয়ে আমি পৰৱর্তী সময়ত আলোচনা কৰিম। নিবনুৱা সমস্যাৰ বাবে উদ্ভৱ হোৱা সামাজিক পৰিঘটনাসমূহৰ বিষয়ে বুজ লোৱাৰ আগতে আমি ইয়াৰ কাৰকসমূহ জনা উচিত।

- **নিবনুৱা সমস্যাৰ কাৰক ঃ**

উত্তৰ-পূর্বাঞ্চল উন্নয়ন মন্ত্রালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যসমূহৰ সর্বমুঠ নিবনুৱাৰ হাৰ 12 শতাংশ। এই ক্ষেত্রত উত্তৰ-পূর্বাঞ্চলীয় ৰাজ্য ত্রিপুৰা 25.2 শতাংশ নিবনুৱা সহ ভাৰতৰ ভিতৰতে শীর্ষস্থানত আছে। অঞ্চলটোৰ নিবনুৱা সমস্যাটোক দেশৰ সর্বাত্মক অর্থনৈতিৰ বিকাশৰ ক্ষেত্রত এক অন্যতম উদ্বেগ সৃষ্টিকাৰী আশংকা হিচাপে গণ্য কৰিব পাৰি।

উত্তৰ -পূব ভাৰতত নিবনুৱা সমস্যা সৃষ্টিৰ আঁৰত বহুতো কাৰকৰ সক্ৰিয় ভূমিকা আছে। সেইবোৰ তলত আলোচনা কৰা হ'ল-

➢ **ঔপনিৱেশিক শোষণ ঃ**

উত্তৰ-পূব ভাৰত প্রায় 150 বছৰ ধৰি ব্রিটিছ-ঔপনিৱেশিক শাসনৰ অধীনত আছিল। যদিও ব্রিটিছসকলে বিভিন্ন উন্নয়নমূলক কার্যসূচী হাতত লৈছিল তথাপিও সময়ত এয়া পোহৰলৈ আহিছিল যে তেওঁলোকৰ প্রধান অভিপ্রায় আছিল অঞ্চলটোত পোৱা বিভিন্ন কেঁচামাল ৰপ্তানি কৰাটোহৈ। ব্রিটিছ প্রশাসনৰ দ্বাৰা প্রাকৃতিক উৎসৰ শোষণে অঞ্চলটোৰ প্রাক্-স্বাধীন কালৰ অর্থনৈতিক উন্নয়নত বাধা প্রদান কৰিছিল।

➢ **দুর্গমতা ঃ**

ভাৰতৰ মূল ভূখণ্ডৰ সৈতে থকা ভৌগোলিক দুর্গমতা উত্তৰ-পূব ভাৰতৰ নিবনুৱা সমস্যাৰ অন্য এক কাৰণ। বিভিন্ন গৱেষকে যুক্তি দর্শাইছে যে ভৌগোলিক দূর্গমতাৰ কাৰণে মূল ভাৰত ভূ-খণ্ডৰ আঁচনি প্রস্তুতকর্তাসকলে এই অঞ্চলটোৰ অর্থনৈতিক উন্নয়নৰ প্রসংগটো আওকাণ কৰিছিল। প্রাকৃতিক উৎসৰ ভঁৰাল আৰু অনুকূল পৰিৱেশ থকা সত্বেও এই অঞ্চলটোক বৃহৎ উদ্যোগৰ বিকাশ ঘটোৱা নহ'ল। তৈল আৰু চাহ খণ্ডত সম্ভাৱনা থকা সত্বেও এই খণ্ডসমূহত যুৱসমাজক নিয়োজিত কৰাৰ বাবে চৰকাৰৰ দ্বাৰা সঠিক আঁচনি গ্রহণ কৰা হোৱা নাই।

➢ **দুর্নীতি ঃ**

দুর্নীতি, আত্মীয়-স্বজনৰ পৃষ্ঠপোষকতা (nepotism) আৰু আমোলাতন্ত্রৰ জটিল বাধা নিষেধ (red-tapism) আদি হ'ল উত্তৰ-পূব ভাৰতত নিবনুৱা সমস্যা সৃষ্টিৰ অন্য কেইটামান প্রধান কাৰণ। বিভিন্ন গৱেষকৰ মতে আমোলা, বিষয়া আৰু ৰাজনৈতিক নেতাসকলৰ দুর্নীতি তথা আত্মীয়-স্বজনক পৃষ্ঠপোষকতা কৰাৰ মানসিকতাই উত্তৰ-পূৱ ভাৰতৰ অর্থনৈতিক উন্নয়নৰ প্রক্রিয়াটোক নিয়ন্ত্রণ কৰি ৰাখিছে। কেন্দ্রই আৱণ্টন দিয়া পুঁজিৰ ধনৰাশি ৰাজ্যসমূহৰ মাজত সমপৰিমাণে বিতৰণ কৰা নহয়। আনহাতে, ৰাজহুৱা খণ্ডৰ চাকৰিসমূহত দেখা দিয়া দুর্নীতিয়ে চৰকাৰী চাকৰিৰ ক্ষেত্রত যোগ্য লোকৰ অন্তর্ভুক্তিত বাধা আৰোপ কৰিছে। অসমৰ ক্ষেত্রত শেহতীয়া এ পি এছ চি কেলেংকাৰী হ'ল এনে এক উদাহৰণ। ই দেখুৱাই দিছে কেনেদৰে দূনীতিয়ে সামর্থৱান আৰু যোগ্য লোকক কর্মসংস্থাপন লাভৰ পৰা বঞ্চিত কৰিব পাৰে।

➢ **সন্ত্রাসবাদ ঃ**

উত্তৰ-পূর্বাঞ্চলক সন্ত্রাসবাদী দলসমূহৰ কার্যকলাপৰ কেন্দ্র হিচাপে গণ্য কৰিব পাৰি। দশকজোৱা অর্থনৈতিক আৰু ৰাজনৈতিক শোষণৰ কু-প্রভাৱ ভিন্ন বিসম্বাদী গোট তথা সন্ত্রাসবাদী দলসমূহৰ উত্থানৰ জৰিসতে প্রকট হৈ পৰিছে। দৈনন্দিন সংঘর্ষ, অপহৰণ, বলপূর্বক ধন দাবী আদি ঘটনাই অঞ্চলটোত নতুন উদ্যোগ স্থাপনৰ সম্ভাৱনা হ্রাস কৰিছে। সন্ত্রাসবাদী দলসমূহ, যেনে- আলফা (ULFA), এন ডি এফ বি (NDFB), এন এছ চি এন (NSCN), পি এল এ (PLA) ইত্যাদিয়ে সংগটিত কৰা কূটাঘাটমূলক

কার্য কলাপে অঞ্চলটোত নতুন উদ্যোগ স্থাপনৰ ক্ষেত্রত বাধা প্রদান কৰিছে। এয়া উল্লেখযোগ্য যে সন্ত্রাসবাদ আৰু নিবনুৱা সমস্যাৰ পাৰস্পৰিক সম্পর্ক আছে। সন্ত্রাসবাদক নিবনুৱা সমস্যাৰ পৰিণতি হিচাপে গণ্য কৰিব পাৰি। সন্ত্রাসবাদে এসময়ত নিবনুৱা সমস্যাৰ সৃষ্টিত অৰিহণা যোগায়। আইন -শৃংখলাৰ (law and order) সঠিক উন্নয়ন অবিহনে অর্থনৈতিক উন্নয়ন আৰু ঔদ্যোগিকীকৰণ সম্ভৱ নহয়। উত্তৰ-পূর্বাঞ্চলত, সন্ত্রাসবাদী কার্য-কলাপসমূহে অঞ্চলটোৰ আইন-শৃংখলাজনিত পৰিস্থিতি প্রায় বিকল কৰি পেলাইছে। ইয়াৰ ফলস্বৰূপে বিনিয়োগকাৰীসকলে এই অঞ্চলটোত বিনিয়োগ কৰাৰ বাবে ভয় কৰে।

➢ **পৰিবহন ঃ**

অঞ্চলটোৰ ভৌগোলিক দুর্গমতাক শোচনীয় সংযোগ ব্যৱস্থাই অধিক দুর্গম ৰূপ দিছে। শেহতীয়া সময়ত যদিও কিছুমান উদ্যোগ গ্রহণ কৰা হৈছে, তথাপিও উত্তৰ-পূব ভাৰতৰ দুর্বল পথ সংযোগ তথা যোগাযোগ ব্যৱস্থাক ঔদ্যোগিকীকৰণ আৰু অর্থনৈতিক উন্নয়নৰ অন্তৰায় হিচাপে গণ্য কৰিব পাৰি। এই সকলোবোৰে নিবনুৱাৰ হাৰ বৃদ্ধি কৰাত উদগনি যোগায়।

6। কর্ম সংস্থানৰ পুনৰ সৃষ্টিকৰণ (Employment regeneration)ঃ স্বাধীনতাৰ প্রায় 70 বছৰৰ পাচতো নতুন খণ্ড আৰু নতুন অর্হতাৰ পৰিচয়ৰ জৰিয়তে কর্ম সংস্থান পুনৰ সৃষ্টিকৰণৰ বাবে সঠিক ব্যৱস্থা লোৱা হোৱা নাই। ৰাজ্যিক আঁচনিসমূহ পৰম্পৰাগত তথা প্রচলিত খণ্ডসমূহক কেন্দ্র কৰি প্রস্তুত কৰা হয়। এনে সীমিত সংখ্যক চৰকাৰী খণ্ডই উত্তৰ-পূর্বাঞ্চলৰ বর্দ্ধিত হাৰৰ নিবনুৱা সমস্যাক নিয়ন্ত্রণ কৰিব নোৱাৰে।

➢ **উদ্যমী দক্ষতাৰ অভাৱ** (Etrepreneurial skills)ঃ

বিশ্বায়নৰ যুগত চৰকাৰী খণ্ডৰ চাকৰিৰ ওপৰত অত্যধিক নির্ভৰশীলতাক এক সুস্থ অনুশীলন বুলি মানি ল'ব নোৱাৰি। উদ্যমী দক্ষতাৰ ভিত্তিত গঢ় ল'ব পৰা ষ্টার্ট আপ (start ups) সংস্থাপনৰ পৰিকল্পনাসমূহক নিবনুৱা সমস্যাৰ সমাধানৰ এক বিকল্প হিচাপে বিবেচনা কৰিব পাৰি। উত্তৰ- পূব ভাৰতত ষ্টার্ট আপ ব্যৱসায় চলোৱা অথবা উদ্যমী দক্ষতাৰ বিকাশ সম্পর্কীয় গণ সচেতনতা বৃদ্ধি হোৱা নাই। ইয়াৰ ফলস্বৰূপে অঞ্চলটোৰ অধিকাংশ বাসিন্দা এতিয়াও কেৱল ৰাজহুৱা খণ্ডৰ চাকৰিৰ ওপৰতে অধিক নির্ভৰশীল হৈ আছে।



চিন্তা-চর্চা কৰক-১

নিবনুৱা সমস্যা নিয়ন্ত্রণৰ ক্ষেত্রত চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা হাতত ল'ব লাগে সেই বিষয়ে আলোচনা কৰক।

➢ **নিবনুৱা সমস্যাৰ পৰিণাম ঃ**

নিবনুৱা সমস্যাই বিভিন্ন পৰিণাম কঢ়িয়াই আনে। বিভিন্ন সামাজিক অশুত কর্ম নিবনুৱা সমস্যাৰ ফলত নিবনুৱা সমস্যাৰ বিভিন্ন অর্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক পৰিণাম আছে। সেই পৰিণাম সমূহ তলত আলোচনা কৰা হ'লঃ

➢ **সন্ত্রাসবাদ ঃ**

ইতিমধ্যে উল্লেখ কৰা হৈছে যে নিবনুৱা সমস্যাৰ সন্ত্রাসবাদৰ সৈতে পাৰস্পৰিক সম্পর্ক আছে। ক'ব পাৰি যে সন্ত্রাসবাদী কার্য-কলাপসমূহ নিবনুৱ সমস্যাৰে পৰিণাম। মণিপুৰ, নাগালেণ্ড মেঘালয় আৰু অসমৰ দৰে ৰাজ্যসমূহত নিবনুৱাৰ বর্দ্ধিত হাৰৰ বাবে সন্ত্রাসবাদী কার্য-কলাপৰ হাৰো বৃদ্ধি হোৱাটো পৰিলক্ষিত হৈছে। এই অঞ্চলটোৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকল সন্ত্রাসবাদী কার্য-কলাপৰ প্রতি ক্রমান্বয়ে আকর্ষিত হয়। কিয়নো তেওঁলোকে চৰকাৰী চাকৰি পোৱাৰ সম্ভাৱনা ক্ষীণ। চৰকাৰী চাকৰিৰ ক্ষেত্রত দেখা দিয়া দুর্নীতি তথা আত্মীয়-স্বজনক পৃষ্ঠপোষকতা কৰাৰ মনোভাৰে যোগ্যসকলক নিৰাশ কৰি তোলে। আনহাতে আন্তঃগাঁথনি আৰু ঔদ্যোগিকীকৰণৰ অভাৱে ব্যক্তিগত খণ্ডত চাকৰিৰ পুনৰ সৃষ্টিকৰণৰ দিশত এক বৃহৎ বাধাৰ সৃষ্টি কৰিছে। সেইবাবে নিবনুৱা যুৱক-যুৱতীয়ে ভাবিবলৈ লয় যে এক সুন্দৰ জীৱন যাপনৰ বাবে সন্ত্রাসবাদেৰে অপহৰণ, বলপূর্বক ধন দাবী ইত্যাদি কাম কৰিব পাৰিলে ই এক লাভজনক ব্যৱসায়ৰ ৰূপ ল'ব পাৰে। দেখা গৈছে যে 1980 ৰ দশকৰ পাছত উত্তৰ-পূর্বাঞ্চলত সন্ত্রাসবাদে এক লাভজনক উদ্যোগৰ ৰূপ লৈছে।

➢ **দৰিদ্রতা ঃ**

দৰিদ্রতাক নিবনুৱা সমস্যাৰ অন্য পৰিণাম বুলি গণ্য কৰিব পাৰি। যেতিয়া ব্যক্তিগত অথবা চৰকাৰী চাকৰি পোৱাৰ সম্ভাৱনা কমি যায় তেতিয়া ভয়াৱহ অর্থনৈতিক সংকটৰ উদ্ভৱ হয়।

➢ **অপৰাধ ঃ**

নিবনুৱা সমস্যাৰ ফলত বিভিন্ন অপৰাধমূলক কার্য-কলাপ সংঘটিত হ'ব পাৰে। নিবনুৱা সমস্যাই মানুহক অপৰাধমূলক কার্য-কলাপত লিপ্ত হোৱাৰ বাবে প্ররোচিত কৰিব পাৰে। তাৰোপৰি, নিবনুৱা সমস্যাই কঢ়িয়াই অনা সামাজিক নিৰাপত্তাহীনতা আৰু হতাশায়ো মানুহক অপৰাধমূলক কার্য-কলাপত লিপ্ত হ'বলৈ প্ররোচিত কৰে। বিভিন্ন পণ্ডিতৰ মতে বর্দ্ধিত অপৰাধ যেনে- লুণ্ঠন, মাদক দ্রব্যৰ ব্যৱসায়, শিশু সৰবৰাহ দেহ ব্যৱসায় ইত্যাদিৰ নিবনুৱা সমস্যাৰ সৈতে প্রত্যক্ষ সম্পক আছে।

➢ **সামাজিক নিৰাপত্তাহীনতা, আত্মহত্যা ঃ**

এয়া পৰিলক্ষিত হৈছে যে নিবনুৱা সমস্যাই সামাজিক নিৰাপত্তাহীনতা গঢ়াৰ লগতে মানসিক যন্ত্রণাৰো সৃষ্টি কৰিব পাৰে। যেতিয়া কোনো ব্যক্তিয়ে নিজকে অর্হতাসম্পন্ন বুলি গণ্য কৰে, উপযুক্ত চাকৰি কৰাৰ সামর্থ আছে বুলি ভাবে, কিন্তু

দুনীতি অথবা আমোলাতন্ত্ৰৰ জটিল বাধা নিষেধ তথা সংশ্লিষ্টসকলৰ আত্মীয়-স্বজনৰ পৃষ্ঠপোষকতাকাৰী মনোভাৱৰ বাবে প্ৰাপ্যৰ পৰা বঞ্চিত হয়, তেতিয়া তেনে ব্যক্তিৰ মনত ক্ৰমে এক হতাশা আৰু সামাজিক নিৰাপত্তাহীনতাৰ উদ্ভৱ হ'ব পাৰে। এনে মানসিক স্থিতিয়ে ব্যক্তিক অস্বাভাৱিক সামাজিক ব্যৱহাৰ, অপৰাধ অথবা আত্মহত্যা আদি সংঘটিত কৰিবলৈ উদগনি যোগায়।

➢ **প্ৰব্ৰজন ঃ**

উত্তৰ-পূব ভাৰতৰ যুৱ প্ৰজন্মই অন্য প্ৰান্তলৈ বহিঃ প্ৰব্ৰজন কৰাৰ ঘটনা গুৰুতৰ হাৰত বৃদ্ধি পাইছে। সঠিক আন্তঃগাঁথনিৰ অভাৱ, নিবনুৱা সমস্যাই সৃষ্টি কৰা হতাশাজনক পৰিস্থিতি আৰু অঞ্চলটোৰ সামাজিক ৰাজনৈতিক পৰিস্থিতিয়ে যুৱ-সমাজৰ মাজত এইটো ধাৰণাৰ সঞ্চাৰ কৰিছে যে এই অঞ্চলটোৰ অর্থনৈতিক গতানুগতিকতাৰ কেতিয়াও পৰিৱর্তন নহয়। এই বিশ্বাসে বহিঃ প্ৰব্ৰজন কৰা যুৱকসকলৰ সংখ্যা বৃদ্ধিত অৰিহণা যোগাইছে। এই অঞ্চলটোৰ যুৱ-সমাজৰ এক বৃহৎ অংশই ব্যক্তিগত ফার্মসমূহত (private farms) চাকৰি কৰাৰ বাবে দিল্লী, মুম্বাই আৰু বাংগালুৰুৰ দৰে নগৰ-চহৰলৈ প্ৰব্ৰজন কৰিছে।



চিন্তা-চৰ্চা কৰক-২

উত্তৰ-পূব ভাৰতত সন্ত্ৰাসবাদী কার্য-কলাপ বৃদ্ধিৰ মূল কাৰণসমূহ বিচাৰি উলিয়াওক।

.....



চিন্তা-চৰ্চা কৰক-৩

নিবনুৱা সমস্যাটোক আপনি এক অর্থনৈতিক সমস্যা বুলি বিবেচনা কৰেণে? যদি কৰে, কিয়?

.....

১০.৩.২ আন্তঃগাঁথনি

পুৰুষোত্তম নায়কে তেওঁৰ "ইনফ্ৰাষ্ট্ৰাক্ছাৰ ঃ ইট্ছ ডেভেলপমেণ্ট এণ্ড ইম্পেক্ট অন এগ্ৰিকাল্চাৰ্ ইন্ নর্থ-ইষ্ট ইণ্ডিয়া" শীর্ষক গৱেষণা-পত্ৰখনত উল্লেখ কৰা মতে, আন্তঃগাঁথনিৰ সর্বাত্মক সংজ্ঞাটো হ'ল- সমাজে প্ৰদান কৰা নিদির্ষ্ট কিছুমান সা-সুবিধা তথা সেৱা যাৰ ওপৰত অর্থনীতিৰ গঠনটো বহুলভাৱে নির্ভৰশীল। যিহেতু ই বহুঅক্ষীয় (multidimensional) আৰু চৰিত্ৰত বহুমুখী সেয়েহে ইয়াক এক পৰিপূৰক খণ্ড হিচাপে আৰু বাহ্যিক অর্থনৈতিক অৱস্থাৰ সৃষ্টি কৰি অর্থনীতিৰ অন্য খণ্ডসমূহৰ দ্ৰুত বিকাশ সাধনকাৰী খণ্ড হিচাপে গ্ৰহণ কৰা হয়। আন্তঃ গাঁথনিসমূহ ধাৰণাৰ পৰা মূর্ত ৰূপ পোৱালৈকে প্ৰয়োজন হোৱা সুদীর্ঘ সময় আৰু সংস্থাপন তথা ৰক্ষণাবেক্ষণৰ বাবে

প্ৰয়োজন হোৱা বৃহৎ ব্যৱয়ৰ বাবে সাধাৰণতে চৰকাৰে কোনো ধৰণৰ লাভৰ উদ্দেশ্য নৰখাকৈ এই ক্ষেত্ৰত বিত্তৰ যোগান ধৰে।

এটা অঞ্চলৰ বিকাশ যথেষ্ট পৰিমাণে ইয়াৰ আন্তঃগাঁথনিমূলক সা-সুবিধাসমূহৰ সহজলভ্যতাৰ ওপৰত নিৰ্ভৰ কৰে। কৃষিকাৰ্য আৰু উদ্যোগৰ বিকাশ প্ৰধানতঃ অঞ্চলটোৰ আন্তঃগাঁথনিৰ ওপৰত নিৰ্ভৰশীল। এক শক্তিশালী আন্তঃ গাঁথনিমূলক ভেটি অবিহনে দেশ এখনৰ এটা অঞ্চলে ইয়াৰ অৰ্থনৈতিক উন্নয়ন সাধিব নোৱাৰে। অসমৰ এগৰাকী প্ৰখ্যাত অৰ্থনীতিবিদ পি কে ধৰৰ মতে দেশৰ উন্নয়ন প্ৰক্ৰিয়াত অন্য ক্ষেত্ৰতকৈ অধিক গুৰুত্বপূৰ্ণ আৰু কঠিন কামটো হ'ল সাধাৰণ আন্তঃগাঁথনিমূলক সা-সুবিধাসমূহৰ যোগান ধৰাটো। এই আন্তঃগাঁথনিমূলক সা-সুবিধাসমূহৰ ভিতৰত বিভিন্ন অৰ্থনৈতিক আৰু সামাজিক অতিৰিক্ত ব্যয়, যেনে-শক্তি (কয়লা, তেল আৰু বিদ্যুৎ), জলসিঞ্চন, পৰিবহন আৰু যোগাযোগ, বেংক ব্যৱস্থা, বিত্ত, বীমা, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা তথা অন্যান্য সামাজিক অতিৰিক্ত ব্যয়, যেনে- শিক্ষা, স্বাস্থ্য আৰু পৰিস্কাৰ-পৰিচ্ছন্নতা (hygiene) ইত্যাদিক সামৰি লোৱা হয়।

কৃষিকাৰ্যই অঞ্চলটোৰ জনসংখ্যাৰ 70 শতাংশক জীৱিকা প্ৰদান কৰে। মিজোৰামত প্ৰায় 50 শতাংশ বাসিন্দাই গ্ৰাম্য অঞ্চলত বাস কৰে আৰু কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষিকাৰ্যৰ ওপৰত নিৰ্ভৰশীলতাৰ এই হাৰ ছিকিমত সৰ্বোচ্চ 89 শতাংশ। যি নহওক, কৃষিভিত্তিক বিকাশৰ আৰ্হি অঞ্চলভেদে অসমান। তৎসত্বেও ৰাজ্যসমূহে নিজৰ উপভোগৰ বাবেও বিভিন্ন খাদ্য শস্য আমদানি কৰা ৰাজ্যবোৰৰ শীৰ্ষত আছে। যদিও কৃষিকাৰ্য অঞ্চলটোৰ লোকসকলৰ জীৱিকা অৰ্জনৰ মূল উৎস, তথাপিও দেখা গৈছে যে কৃষিকাৰ্য কৰিবৰ বাবে এক সীমিত পৰিমাণৰ ভূমিহে সহজলভ্য হৈ আছে। ৰাষ্ট্ৰীয় গড় 21.1 শতাংশৰ বিপৰীতে অঞ্চলটোৰ 66.1 শতাংশ (অসমৰ 35.3 শতাংশৰ পৰা আৰম্ভ কৰি মিজোৰামৰ 90.7 শতাংশলৈ) তকৈও অধিক ভূমি বনাঞ্চলে আৱৰি আছে। ধানৰ বাহিৰে অঞ্চলটোত ৰবৰ কুঁহিয়াৰ, চাহপাত ইত্যাদিৰ খেতি কৰা হয়।

ত্ৰিপুৰা ৰবৰ উৎপাদনৰ মুখ্য কেন্দ্ৰ। ভাৰতীয় ৰবৰ ব'ৰ্ডৰ দ্বাৰা ইয়াক কেৰালাৰ পাচতেই 'ভাৰতৰ দ্বিতীয় ৰবৰ উৎপাদনকাৰ কেন্দ্ৰ' বুলি ঘোষণা কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্যসমূহে প্ৰচুৰ পৰিমাণে বাঁহো উৎপাদন কৰে। এই অঞ্চলটো মুঠ উৎপাদনৰ 65 শতাংশ আৰু মুঠ গোলকীয় উৎপাদনৰ 20 শতাংশ বাঁহ। উৎপাদনকাৰী অঞ্চল। মিজোৰামে অকলেই দেশৰ মুঠ বাঁহ উৎপাদন 40 শতাংশৰ বৰঙণি আগবঢ়ায়।

কৃষিভিত্তিক খণ্ডসমূহত বিভিন্ন ধৰণৰ সমস্যাই দেখা দিব পাৰে। ক্ষুদ্ৰ তথা উপান্ত খেতিয়কসকলে অধিগ্ৰহণ কৰি ৰখা ক্ষুদ্ৰ ভূ-খণ্ডবোৰৰ যি উত্তৰ-পূৰ্বাঞ্চলৰ ভূস্বত্বৰ আৰ্হিটোত আধিপত্য বিস্তাৰ কৰি আছে। ই এক খৰচী ব্যৱস্থা। অঞ্চলটোৰ জলসিঞ্চন ব্যৱস্থা থকা মাটিৰ অনুপাত কম আৰু জলসিঞ্চনৰ দ্বাৰা উৎপাদন শক্তি বৃদ্ধি কৰাৰ বাবে বিত্তীয় যোগান পৰ্যাপ্ত নহয়। দেশৰ অন্য প্ৰান্তৰ তুলনাত উত্তৰ-পূব ভাৰতত কৃষিভিত্তিক বিনিয়োগৰ ব্যৱহাৰো কম। অঞ্চলটোত 2010-11 বৰ্ষত প্ৰতি হেক্টৰ মাটিত

সাৰৰ প্ৰয়োগ তেনেই নগণ্য আছিল। ৰাষ্ট্ৰীয় গড় প্ৰতি হেক্টৰত 135.27 কিল'গ্ৰামৰ তুলনাত নাগালেণ্ডত এই হাৰ আছিল প্ৰতি হেক্টৰত 2.35 কিলো'গ্ৰাম, অৰুণাচল প্ৰদেশত 3.01 কিলো'গ্ৰাম, মেঘালয়ত 13 কিলো'গ্ৰাম আৰু অসমত 63 কিলো'গ্ৰাম, ইয়াৰ উপৰি ত্ৰিপুৰা (7.41 শতাংশ)ক বাদ দি উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যসমূহৰ কৃষিখণ্ডত বিদ্যুৎ শক্তিৰ ব্যৱহাৰ ৰাষ্ট্ৰীয় গড় 20.43 শতাংশৰ বিপৰীতে মাত্ৰ 1 শতাংশ।

পথ আৰু ৰেলপথ সংযোগৰ সঠিক বিকাশে অর্থনৈতিক উন্নয়নৰ সম্ভাৱনা বৃদ্ধি কৰিব পাৰে। অঞ্চলটোত সর্বমুঠ 2578 কিলো'মিটাৰ দৈর্ঘ্যৰ ৰেলপথ আৰু 1.74 লাখ কিলোমিটাৰ দৈর্ঘ্যৰ স্থলপথ আছে যদিও দেশৰ ৰেলপথ আৰু পথ সংযোগ উন্নয়নৰ গঢ়ৰ তুলনাত এই ইয়াৰ পৰিমাণ যথেষ্ট কম। উত্তৰ-পূব ভাৰতত ৰেলপথ সংযোগ ব্যৱস্থা বেছি উৎসাহজনক নহয়। ৰেলপথ সংযোগৰ অর্ধবিকাশৰ এটা কাৰণ হ'ল অঞ্চলটোৰ পাহাৰীয়া ভূ-ভাগ (terrain)। ৰেলপথ সংযোগৰ এই অর্ধবিকাশে অঞ্চলটোৰ ঔদ্যোগিকীকৰণ আৰু অর্থনৈতিক উন্নয়নত বিৰূপ প্ৰভাৱ পেলাইছে। দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনাত 4500 কোটি টকাৰ বার্ষিক অনুদান আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। তেনে ধৰণৰ পুঁজিৰ আবণ্টনে অঞ্চলটোৰ ৰেলপথ সংযোগৰ উন্নয়নৰ ক্ষেত্ৰত কোনো বৃহৎ পৰিৱর্তন সাধন কৰিব নোৱাৰে। উত্তৰ-পূর্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলৰ সন্মিলনৰ তথ্য অনুসৰি দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনাত উত্তৰ-পূর্বাঞ্চলৰ বাবে 13 টা ৰাষ্ট্ৰীয় ৰেলপথ প্ৰকল্পত সন্মতি জনোৱা হৈছিল। ই ৰেল পথ সংযোগৰ ক্ষেত্ৰত কিছু পৰিৱর্তন আনিবলৈ সক্ষম হ'ল। ইয়াৰ প্ৰভাৱ অঞ্চলটোৰ সাম্প্ৰতিক ঔদ্যোগিক কার্য কলাপৰ উন্নয়নত পৰিলক্ষিত হৈছে। আকাশীপথৰ সংযোগৰ ক্ষেত্ৰত উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যসমূহ বর্তমান দেশৰ সকলো বৃহৎ চহৰৰ সৈতে দৈনন্দিন বিমান সেৱাৰ দ্বাৰা সংযোজিত হৈছে। সামৰিক আৰু ৰাজহুৱা উদ্দেশ্যৰ বাবে ব্যৱহাৰৰ বাবে ৰাজ্যবোৰত বহুতো ক্ষুদ্ৰ এয়াৰষ্ট্ৰীপ আছে। অঞ্চলটোত বর্তমান দুটা আন্তর্জাতিক বিমান বন্দৰ আছে। সেই দুটা হ'ল ঃ (1) লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তর্জাতিক বিমান বন্দৰ আৰু (2) বীৰ আন্তর্জাতিক বিমান বন্দৰ। অৰুণাচল আৰু ছিকিমত বিমান বন্দৰ নির্মাণ কৰি থকা হৈছে। ইয়াৰ উপৰি অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু মিজোৰাম কেইবাটাও স্থায়ী বিমান বন্দৰ আছে। যদিও ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীত জলপথ সংযোগ আছে তথাপিতো অঞ্চলটোত জল পৰিৱহণৰ আন্তঃগাঁথনিৰ বিকাশ ঘটা নাই। পর্যটনৰ ক্ষেত্ৰত জলপথ সংযোগ পৰিৱর্তনৰ এক প্ৰভাৱশালী কাৰক হ'ব পাৰে। কিন্তু জলপথ সংযোগ তথা পৰিৱহনৰ ক্ষেত্ৰত দেখা দিয়া অৱহেলাই অঞ্চলটোত এক উদ্যোগ হিচাপে পর্যটনৰ বিকাশত বাধা প্ৰদান কৰিছে। যিকোনো ধৰণৰ ঔদ্যোগিক আৰু অর্থনৈতিক উন্নয়নৰ বাবে শক্তি আৰু বিদ্যুতৰ দৰে আন্তঃগাঁথনিসমূহ যথেষ্ট গুৰুত্বপূর্ণ। আগতে শক্তি আৰু বিদ্যুতৰ ক্ষেত্ৰত, উত্তৰ-পূর্বাঞ্চলত কিবা সুবিধা আছে বুলি ক'ব পৰা নগৈছিল। কিন্তু জলবিদ্যুৎ প্ৰকল্প (hydropower projects) সমূহৰ সাম্প্ৰতিক উন্নয়নে অঞ্চলটোলৈ

উল্লেখযোগ্য পৰিৱর্তন আনিছে। উত্তৰ-পূব উন্নয়ন পৰিষদ মন্ত্রালয়ে (DONER Ministry) প্রকাশ কৰা তথ্য অনুসৰি উত্তৰ-পূর্বাঞ্চলৰ তিনিখন ৰাজ্য, ছিকিম, ত্রিপুৰা আৰু মিজোৰাম শক্তি-উদবৃত্ত (Power surplus) ৰাজ্য হিচাপে ঘোষিত হৈছে। এই তথ্য অনুসৰি জলবিদ্যুৎ প্রকল্পসমূহ সম্পূর্ণ হৈ উঠাৰ পাচত 5676 মেগাৱাটৰ শক্তিযোগান নিশ্চিত হ'ব। যদিও সম্ভাব্য ঔদ্যোগিক বিকাশৰ ক্ষেত্রত ইয়াৰ উল্লেখযোগ্য ভূমিকা আছে তথাপিও এক ভূমিকম্পপ্রৱণ অঞ্চল হোৱা বাবে এই প্রকল্পবোৰে অঞ্চলটোত বৃহত্তৰ পৰিৱেশজনিত সমস্যাৰো সৃষ্টি কৰিব পাৰে।

ঔদ্যোগিক বিকাশৰ কাৰণে শিক্ষাৰ আন্তঃগাঁথনি আৰু অর্হতাৰ বিকাশ অপৰিহার্য। উত্তৰ-পূর্বাঞ্চলত বহুতো কেন্দ্রীয় আৰু ৰাজ্যিক বিশ্ববিদ্যালয়, আভিযান্ত্রিক তথা চিকিৎসা প্রতিষ্ঠান স্থাপন কৰা হৈছে আৰু এইবোৰৰ উন্নিতকৰণৰ প্রক্রিয়া অব্যাহত আছে। কিন্তু কাৰিকৰী প্রতিষ্ঠান, উচ্চতৰ শিক্ষা আৰু দক্ষতা বৃদ্ধিকাৰী প্রতিষ্ঠান আদিৰ উন্নয়ন আশানুৰূপে নহয়। অঞ্চলটোত আই আই টি এছ (IITS) আই আই এম এছ (IIMS), এন আই টি এছ (NITS) আদিৰ উন্নয়ন চকুত পৰা বিধৰ নহয়। অর্হতা আৰু উদ্যমী দক্ষতাৰ সঠিক বিকাশ অবিহনে সঠিক ঔদ্যোগিক বিকাশ সম্ভৰ নহয়।



অগ্রগতি নিৰীক্ষণ

1¼ উত্তৰ-পূব ভাৰতৰ দুটা আন্তর্জাতিক বিমান বন্দৰৰ নাম উল্লেখ কৰক।

2¼ উত্তৰ-পূব কোন ৰাজ্যক শক্তি-উদবৃত্ত ৰাজ্য হিচাপে বিবেচনা কৰা হয়?



চিন্তা-চর্চা কৰক-৪

উত্তৰ-পূর্বাঞ্চলত নির্মাণ কার্য সম্পূর্ণ হোৱা বৃহৎ জলবিদ্যুৎ প্রকল্পসমূহৰ নাম বিচাৰি উলিয়াওক।

.....



চিন্তা-চর্চা কৰক-৫

পৰিৱেশৰ ওপৰত জলবিদ্যুৎ প্রকল্পসমূহে পেলাব পৰা প্রভাৱ সম্পর্কে আলোচনা কৰক।

.....



চিন্তা-চর্চা কৰক-৬

উত্তৰ-পূর্বাঞ্চলৰ আন্তঃগাঁথনিমূলক উন্নয়ন প্রত্যয়জনক বুলি আপুনি ভাবেনে?

.....



চিন্তা-চর্চা কৰক-৭

ঔদ্যোগিক আৰু অর্থনৈতিক উন্নয়নৰ ওপৰত অবৈধ প্রব্রজনে পেলোৱা প্রভাৱ সম্পর্কে আলোচনা কৰক।

.....



জানি থোৱা ভাল

ড'নাৰ (Doner) মানে হ'ল উত্তৰ-পূব উন্নয়ন পৰিষদ মন্ত্রালয়। ই হ'ল উত্তৰ-পূর্বাঞ্চলীয় ৰাজ্যসমূহৰ সামাজিক-অর্থনৈতিক উন্নয়নৰ সৈতে জড়িত দিশসমূহ চোৱা-চিতা কৰিবৰ বাবে কেন্দ্রীয় চৰকাৰে গঠন কৰা মন্ত্রালয়। 2001 চনত এই বিভাগটো গঠন কৰা হৈছিল।

১০.৩.৩ ঔদ্যোগীকৰণ

এনচাইক্লু' পেডিয়া ব্রিটানিকাত (Encycolpedia Britannica) উল্লেখ থকা অনুসৰি ঔদ্যোগীকৰণ মানে হ'ল সামাজিক-অর্থনৈতিক ক্রম পৰিৱর্তন কৰা এনে এক প্রক্রিয়া য'ত উদ্যোগে প্রাধান্য লাভ কৰে। উত্তৰ-পূব ভাৰতত যদিও ঔদ্যোগিক উন্নয়নৰ যথেষ্ট সম্ভাৱনা আছে, তথাপিও কিছুমান কাৰণ বশতঃ অঞ্চলটোত তেনে কোনো ধৰণৰ উন্নয়নমূলক কাম-কাজ আগবঢ়া নাই। চাহ পাত আৰু তেলক উত্তৰ-পূর্বাঞ্চলৰ দুটা গুৰুত্বপূর্ণ উদ্যোগ হিচাপে গণ্য কৰিব পাৰি। অসমৰ চাহ উদ্যোগে ভাৰতৰ মুঠ উৎপাদনলৈ প্রায় 53 শতাংশ অৰিহণা যোগায়। আনহাতে, অসমৰ তৈল উদ্যোগৰ এক ঐতিহাসিক পটভূমি আছে। অসমৰ ডিগবৈত এছিয়াৰ সর্ববৃহৎ তেল শোধানাগাৰটো অৱস্থিত । এই সকলোবোৰ সমল থকা সত্বেও উত্তৰ-পূর্বাঞ্চলৰ ঔদ্যোগিক বিকাশ সন্তোষজনক নহয়। চাহ খণ্ডসমূহৰ ক্ষুদ্র চাহ খেতিয়ক আৰু মধ্যমীয়া চাহ খেতিয়কসকলৰ সমস্যাসমূহক চৰকাৰে সঠিক গুৰুত্ব আৰোপ কৰা নাই। উত্তৰ-পূর্বাঞ্চল উৎপাদিত চাহপাতৰ মানক কেন্দ্র কৰি এটা ডাঙৰ বিতর্ক চলি আছে। অসমৰ তৈল ক্ষেত্রসমূহৰ অনুমোদিত ব্যক্তিগত নিলামীয়ে অ'এন জি চি (ONGC) আৰু অসম পেট্র' কেমিকেলছ্ লিমিটেডলৈ বৃহৎ লোকচান কঢ়িয়াই আনিছে। বস্ত্র উদ্যোগৰ ক্ষেত্রত কুটীৰ উদ্যোগৰ কেন্দ্রৰূপে অসমৰ শুৰালকুছি বিখ্যাত হৈ পৰিছে। ইয়াক অসমৰ মানচেষ্টাৰ আখ্যা দিয়া হৈছে। মেঘালয়ত চূণশিল আৰু গ্রেণাইটৰ এক সমৃদ্ধ ভাণ্ডাৰ

আছে। ই চিমেণ্ট উদ্যোগৰ এক সম্ভাৱনীয় উৎস হ'ব পাৰে। বাঁহ উদ্যোগ আৰু হস্তশিল্পৰ ক্ষেত্ৰত মণিপুৰ আৰু ত্ৰিপুৰাৰ প্ৰচুৰ সম্ভাৱনা আছে। ইতিমধ্যে আলোচনা কৰা হৈছে যে ৰবৰ উৎপাদন উত্তৰ-পূৰ্বাঞ্চলৰ বাবে অন্য এক সম্ভাৱনাপূৰ্ণ উদ্যোগ। ছিকিমৰ বাঁহ উৎপাদনকো ঔদ্যোগিক বিকাশৰ এক সম্ভাৱনা হিচাপে ধৰিব পাৰি। দেখা গৈছে যে মেঘালয়, অৰুণাচল প্ৰদেশৰ আৰু ছিকিমৰ বিভিন্ন ঠাইৰ সৌন্দৰ্যই বিভিন্ন দেশৰ পৰ্যটকক আকৰ্ষণ কৰিছে। বিশেষকৈ হ'ৰ্ণ বীল উৎসৱ, টাৱাভ উৎসৱ, অম্বুবাচি মেলা আদি উৎসৱসমূহ দেশী-বিদেশী পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু।ব্ৰহ্মপুত্ৰ, বৰাক, কালদান ইত্যাদি নদীৰ অৱস্থিতি, পৃথিৱীৰ বৃহত্তম আৰু ক্ষুদ্ৰতম নদীদ্বীপৰ অৱস্থিতি, পৃথিৱীৰ আটাইতকৈ বেছি বৰষুণ হোৱা ঠাই আৰু এছিয়াৰ আটাইতকৈ পৰিষ্কাৰ গাওঁ আদিৰ অৱস্থিতিয়ে উত্তৰ-পূৰ্বাঞ্চলক পৰ্যটকসকলৰ বাবে এক অন্যতম গুৰুত্বপূৰ্ণ গন্তব্যস্থানত পৰিণত কৰিছে। এই সকলোবোৰ সা-সুবিধা থকা সত্বেও অঞ্চলটোত কিন্তু পৰ্যটন উদ্যোগৰ বিকাশ আশানুৰূপ নহয়। অন্যান্য উদ্যোগ সমূহৰ ক্ষেত্ৰতো একেই কথাই ক'ব পাৰি। এই অৰ্ধবিকাশৰ মুখ্য কাৰণসমূহ তলত উল্লেখ কৰা হ'লঃ

- ঔপনিৱেশিক দমন আৰু শোষণ।
- প্ৰাক্-স্বাধীনতাৰ কালত সন্মুখীন হোৱা অৱজ্ঞা তথা অৱহেলা আৰু তাৰ ফলস্বৰূপে সমল বিতৰণত দেখা দিয়া অসমতা।
- দুৰ্নীতি
- আন্তঃগাঁথনিৰ অৰ্ধবিকাশ
- বিসম্বাদ আৰু কূটাঘাট
- উত্তৰ-পূৰ্বাঞ্চলৰ বাবে সঠিক ঔদ্যোগিক নীতিৰ অভাৱ।
- বাসিন্দাসকলৰ উদ্যমী দক্ষতাৰ অভাৱ।
- আলস্যতা, জনসাধাৰণ তথা চৰকাৰৰ দৃঢ় সংকল্পবদ্ধতাৰ অভাৱ।
- অবৈধ প্ৰব্ৰজন আৰু অৰ্থনীতিৰ ওপৰত ইয়াৰ চাপ।

যুক্তি দৰ্শাব পাৰি যে সঠিক ঔদ্যোগিক নীতিৰ প্ৰৱৰ্তন, আন্তঃগাঁথনিৰ উন্নয়ন, উদ্যমী দক্ষতাৰ বিকাশ, বৃহৎ পুঁজিৰ আবণ্টন, বিসম্বাদী গোটসমূহৰ সৈতে শান্তি আলোচনাৰ আয়োজন আদি কাৰ্যই উত্তৰ-পূৰ্বাঞ্চলক এক ঔদ্যোগিক মণ্ডল হিচাপে গঢ় দিয়াৰ সম্ভাৱনা দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

3¼ এছিয়াৰ সৰ্ববৃহৎ তেল শোধনাগাৰটো ক'ত অৱস্থিত?

.....

4¼ অসমৰ মানচেষ্টাৰ বুলি কোন ঠাইক কোৱা হয়?

.....



১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

উত্তৰ-পূব উন্নয়ন পৰিষদ মন্ত্ৰালয় আৰু ভাৰত চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ ঔদ্যোগিক পৰিস্থিতিৰ উন্নয়নৰ বাবে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে।

- চৰকাৰে কৃষিকাৰ্য, পথ আৰু ৰে'লপথৰ আন্তঃগাঁথনিৰ উন্নয়ন, বিমান সংযোগ বৃদ্ধি, দক্ষতা বিকাশৰ আঁচনি আদিত মনোনিৱেশ কৰিছে।
- শেহতীয়াভাৱে বিনিয়োগকাৰীসকলক আকৰ্ষিত কৰিবলৈ অসমত "এডভাণ্টেজ আছাম" (Advantage Assam) নামৰ কাৰ্যসূচী এটাৰ কাম চলি আছে। এই কাৰ্যসূচীৰ অধীনত এক লাখ কৌটি টকা মূল্যৰ দুশতকৈ অধিক 'বুজাবুজিৰ চুক্তি' স্বাক্ষৰিত হৈছে। তাৰ অংশস্বৰূপে টাটা (TATA) গ্ৰুপে অসমত এখন কৰ্কট ৰোগৰ চিকিৎসালয় স্থাপনৰ বাবে আগবাঢ়ি আহিছে।
- স্মাৰ্ট চিটি প্ৰকল্পৰ তালিকাত 100 খন নগৰ-চহৰৰ ভিতৰত গুৱাহাটী আৰু শ্বিলঙৰ নাম সন্নিৱিষ্ট কৰি ঔদ্যোগিক উন্নয়নৰ সম্ভাৱনা নিশ্চিত কৰা হৈছে।
- আল্‌ফা, এন এছ চি এন, এন এন চি, কে এল এফ, এন ডি এফ বি (আৰ) ইত্যাদি সংগঠনৰ সৈতে অনুষ্ঠিত হোৱা শান্তি আলোচনাসমূহ এক শান্তিৰ পৰিৱেশ সৃষ্টিত গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াইছে। ই পৰৱৰ্তী সময়ত অঞ্চলটোৰ ঔদ্যোগিক বিকাশতো অৰিহণা যোগাব।



১০.৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

- 1) Ahmed U Joynal;2007; *Industrialization in North-Eastern region*; Mittal publication; New Delhi.
- 2) Dhar, pk; 1993; *Indian Economy its growing Dimensions*; Kalyani publishers; New Delhi.
- 3) Singh, Ramesh; 2016; *Indian Economy*; Mc Graw hill, New Delhi.
- 4) Nayak, purosottam; 1999; Infrastructure: its development and impact on agriculture in north-east India*; Assam university journal;* Vol. IV (1), pp. 59-65*l*.
- 5) Presentation on infrastructure development in north-east Indian states, presentation submitted in conference of chief ministers of north eastern region.

- 6) North eastern council news letter, vol, 1. Issue.1.December, 2017.
- 7) Baruah, Sanjib. (2007). *Durable Disorder: Understanding the Politics of Northeast India.* Oxford India Paperbacks.
- 8) Nayak, Purusottam. (2008)." Human Development in Northeast India*." Growth and Human Development in North East India*. Oxford University Press New Delhi.



১০.৬ অগ্রগতি নিৰীক্ষণ

1 নং প্রশ্নৰ উত্তৰ ঃ লোকপ্রিয় গোপীনাথ বৰদলৈ আন্তর্জাতিক বিমান বন্দৰ আৰু বীৰ আন্তর্জাতিক বিমান বন্দৰ।

2 নং প্রশ্নৰ উত্তৰ ঃ ছিকিম, ত্রিপুৰা আৰু মিজোৰাম।

3 নং প্রশ্নৰ উত্তৰ ঃ ডিগবৈত।

4 নং প্রশ্নৰ উত্তৰ ঃ শুৱালকুছিক।



১০.৭ আৰ্হি প্রশ্ন

প্রশ্ন নং 1 ঃ- উত্তৰ-পূব ভাৰতৰ নিবনুৱা সমস্যাৰ মূখ্য কাৰকসমূহ আলোচনা কৰক।(200 টা শব্দৰ ভিতৰত লিখক)-

প্রশ্ন নং 2 ঃ- উত্তৰ-পূব ভাৰতৰ আন্তঃ গাঁথনিমূলক উন্নয়ন অঞ্চলটোৰ ঔদ্যোগিক উন্নয়নৰ কাৰণে পর্যাপ্ত বুলি আপুনি ভাবেনে? (150 টা শব্দৰ ভিতৰতউত্তৰ দিয়ক)-

প্রশ্ন নং 3 ঃ- উত্তৰ-পূব ভাৰতৰ নিবনুৱা সমস্যাৰ পৰিণামসমূহ কি কি?

প্রশ্ন নং 4 ঃ- নিবনুৱা সমস্যা আৰু ঔদ্যোগিক অর্ধবিকাশৰ সৈতে যুঁজ দিবলৈ চৰকাৰে কেনে ধৰণৰ উপায় অৱলম্বন কৰিব লাগিব? (250 টা শব্দৰ ভিতৰত লিখক)-

প্রশ্ন নং 5 ঃ- উত্তৰ-পূর্বাঞ্চলীয় ৰাজ্যসমূহৰ আন্তঃ গাঁথনিমূলক উন্নয়নৰ বিষয়ে এটা সমালোচনামূলক টোকা লিখক। (200 টা শব্দৰ ভিতৰত লিখক)-

****

অধ্যায়- ১১ ঃ উত্তৰ-পূব ভাৰতত উন্নয়ন

অধ্যায় গাঁথনি ঃ

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ উত্তৰ-পূব ভাৰতত উন্নয়ন

১১.৪ উত্তৰ-পূব পৰিষদ আৰু ইয়াৰ গুৰুত্ব

১১.৫ উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্রণালয়

১১.৬ পূবলৈ চাওক নীতি (Look East Policy) আৰু উত্তৰ-পূব ভাৰত

১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

11.8 অধিক জানিবলৈ

11.9 অগ্রগতি খতিয়ান

11.10 আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উত্তৰ-পূব ভাৰতৰ প্রেক্ষাপটত উন্নয়নৰ ধাৰণা বুজিবলৈ সমর্থ হ'ব
- উত্তৰ-পূব পৰিষদৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব
- উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্রণালয়ৰ পৰিচয় আগবঢ়াব পাৰিব
- পূবলৈ চাওক নীতি (Look East Policy) ৰ ধাৰণা আৰু উত্তৰ-পূব ভাৰতত ইয়াৰ যুক্তিযুক্ততাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

এই অধ্যায়টিত উত্তৰ-পূব পৰিষদ আৰু উত্তৰ-পূব অঞ্চল উন্নয়ন মন্ত্রালয় আদিৰ দৰে বিভিন্ন অভিকৰণৰ লগতে অঞ্চলটোৰ উন্নয়ন প্রক্রিয়া ত্বৰান্বিত কৰিবলৈ চৰকাৰে গ্রহণ কৰা 'পূবলৈ চাওক নীতি' আদিৰ দৰে কার্যকলাপৰ বিষয়ে আলোচনা কৰা হৈছে।

১১.৩ উত্তৰ-পূব ভাৰতত উন্নয়ন ঃ এটি পৰিচয়

উত্তৰ-পূব ভাৰতত উন্নয়ন প্রধানত সুৰক্ষাজনিত উদ্বিগ্নতাৰ ওপৰত নির্ভৰশীল আৰু সেইবাবে কেন্দ্রৰ ৰাজ্যকেন্দ্রিক দৃষ্টিয়ে গোটেই অঞ্চলটোক বেছিভাগ ক্ষেত্রত অনুন্নত আৰু অকলশৰীয়া কৰি ৰাখিছে। ইয়াত উন্নয়নৰ কার্যই সীমান্ত অঞ্চল এটাক জাতীয়কৰণ

কৰাৰ আকাৰ লৈছে। ধাৰণাগত শ্রেণীৰ পৰা উত্তৰ-পূব ভাৰতক বেছিভাগ ক্ষেত্রতে সীমান্ত অঞ্চলৰ দৰে দেখা যায়। সুৰক্ষাজনিত চিন্তা আৰু উদ্বেগৰ বাবে ক্ষুদ্র তথা নির্ভৰশীল ৰাজ্যবোৰৰ উত্থান ঘটিছে যিবোৰে ভাৰতীয় যুক্তৰাষ্ট্রীয় ৰাজনীতি ব্যৱস্থাত স্বায়ত্বশাসিত গোটৰ সৃষ্টি কৰিছে। ইয়াতেই "উন্নয়নবাদৰ যুক্তি"ৰ ধাৰণাটো আহি পৰে যিটো ভাৰতৰ বিভিন্ন প্রতিষ্ঠান(বিভাগত)ত গভীৰভাৱে শিপাই আছে বুলি বিশ্বাস কৰা হয়। ইয়াৰ আঁৰত সীমান্তৰ অঞ্চলক জাতীয়কৰণ কৰাৰ লক্ষ্য নিহিত হৈ আছে। কেন্দ্রৰ এই অঞ্চলৰ উন্নয়নৰ পদক্ষেপক সেয়ে সীমান্ত অঞ্চলৰ দৈনন্দিন নিয়ন্ত্রন হিচাপেহে পৰিলক্ষিত হোৱা দেখা যায়। ভাৰতীয় ৰাজ্য চৰকাৰবোৰৰ ক্ষেত্রত বিহিত আনুষ্ঠানিক আহিলা প্রয়োগ কৰি এই অঞ্চলটোৰ চৰকাৰী আন্তঃগাঁথনিবোৰৰ গুৰুত্বপূর্ণ পুনর্গঠন কৰা আৰু পুনৰ-অভিবিন্যাস ঘটোৱা হৈছে। উত্তৰ-পূব ভাৰতৰ প্রসংগত উন্নয়নৰ ধাৰণা একেবাৰেই সাধাৰণ কাৰণ ইয়াৰ মাজেৰে এই অঞ্চলৰ উন্নয়নৰ প্রয়োজনীয়তা স্পষ্টহৈ পৰে। এনেকুৱা মন্তব্যবোৰ নিঃসন্দেহে সঁচা যে উন্নয়ন কেৱলমাত্র আর্থ-সামাজিক প্রচেষ্টাতকৈ বেছি অর্থ বহন কৰে আৰু ই এনে এটা ধাৰণা যিয়ে সমাজৰ মংগলৰ কাৰণে বাস্তৱ আৰু বিশ্বাসৰ এক অনন্য আর্হি প্রস্তুত কৰে।

যি কি নহওঁক, এই অঞ্চলৰ নতুন আঞ্চলিক শৃংঙ্খলাতউন্নয়নক কেৱলমাত্র যুক্তৰাষ্ট্রীয় বুলি ওপৰে ওপৰে ভবা যায় কাৰণ কেন্দ্রীয় চৰকাৰে এতিয়াও অঞ্চলটোৰ সিদ্ধান্ত গঠনৰ লগতে উন্নয়নৰ বাটত সম্পূর্ণৰূপে নিয়ন্ত্রণ ভোগ কৰে। এই অঞ্চলৰ ৰাজনৈতিক অগ্রগতিক নির্ধাৰণ কৰিবলৈ কেন্দ্রৰ যিহেতু ক্ষমতা আৰু কর্তৃত্ব আছে সেয়ে অঞ্চলটোৰ দুর্গম আৰু পিছপৰা অঞ্চলবিলাকত সোমাব পৰাটো সম্ভৱপৰ হৈছে। কেন্দ্রীয় চৰকাৰৰ নিয়ন্ত্রণ পৰিদর্শন কৰা হৈছে অঞ্চলটোৰ উন্নয়নমূলক প্রকল্পসমূহৰ পৰিকল্পনা কৰা, আঁচনি প্রস্তুত কৰা আৰু বিত্তৰ যোগান ধৰা কামসমূহত। এনেকুৱা প্রভাৱশালী প্রচেষ্টাৰ প্রদর্শন হৈছে উত্তৰ-পূব উন্নয়ন মন্ত্রণালয় (ডনাৰ, DONER)। দেশৰ আন কোনো অঞ্চলৰ ওপৰত নতুন দিল্লীৰ এনে আধিপত্য দেখা পোৱা নাযায়।

যেতিয়া উত্তৰ-পূব ভাৰতৰ উন্নয়নৰ কথা আলোচনা কৰা হয় তেতিয়া এই অঞ্চলৰ মানৱ কল্যাণৰ দিশটোও আলোচনা কৰাটো অত্যাৱশ্যকীয়। এইটো উল্লেখ কৰাটো বৰ প্রয়োজনীয় যে গোটেই দেশখনতকৈ ই বেছি পৃথক নহয়। যদিওবা এই অঞ্চলটো বিংশ শতিকাৰ শেষৰ দশকত উন্নতি লাভ কৰিছে ই বহুতো ক্ষেত্রত পিছ পৰি আছে। উদাহৰণস্বৰূপে স্বাক্ষৰতা আৰু স্বাস্থ্য। ইয়াৰ উপৰি, জনপ্রিয় ধাৰণাৰ বিপৰীতে, এই অঞ্চলৰ মহিলাসকলৰ অৱস্থা সন্তোষজনক নহয় কাৰণ ইয়াত বহুল পৰিমাণে লিঙ্গ অসমতা দেখা যায়। এফালৰ পৰা চাবলৈ গ'লে এই লিংগ বৈষম্য ত্রিপুৰা আৰু অসমত অধিক।



অনুশীলনী-১

তলৰ প্ৰশ্নসমূহৰ উত্তৰ কৰক-

[1] উন্নয়নবাদৰ যুক্তি কিহৰ লগত জড়িত হৈ আছে?

.....

.....

.....

[2] কছমেটিক যুক্তৰাষ্টবাদ কি?

.....

.....

.....

১১.৪ উত্তৰ-পূব পৰিষদ আৰু ইয়াৰ গুৰুত্ব

উত্তৰ-পূব পৰিষদ হৈছে উত্তৰ-পূব অঞ্চলৰ আৰ্থ-সামাজিক উন্নয়নৰ কাৰণে এটা সংবিধিবদ্ধ গোট আৰু সংযোগকাৰী সংস্থা। ভাৰতৰ ৰাষ্ট্ৰপতিৰ দ্বাৰা মনোনীত তিনিজন সদস্য আৰু সভাপতিৰ বাহিৰেও উত্তৰ-পূব ভাৰতৰ আটাইকেইখন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু ৰাজ্যপালৰ দ্বাৰা ই গঠিত। 1971 চনত এখন সংসদীয় আইনৰ দ্বাৰা গঠিত হোৱাৰ পিছত এই পৰিষদে এই অঞ্চলৰ প্ৰগতিশীল আৰু তীব্ৰতৰ উন্নয়নৰ যাত্ৰাৰম্ভ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্ৰণালয়ৰ সহযোগী সংস্থাসমূহৰ মাজৰ এটা হিচাপে উত্তৰ-পূব পৰিষদ সূচীভুক্ত হৈছে। ইয়াৰ মুখ্য কাৰ্য্যালয় মেঘালয়ৰ শ্বিলঙত অৱস্থিত। ইয়াৰ যুগ্ম উদ্দেশ্য হিচাপে ভাৰসাম্যযুক্ত উন্নয়ন আৰু সুৰক্ষা দুয়োটাকে চলাই আছে। উত্তৰ-পূব অঞ্চলৰ লক্ষ্য 2020 যি প্ৰধানত লক্ষ্যভিত্তিক আঁচনি আৰু কাৰ্যকলাপক বাস্তৱায়িত কৰাৰ এই উপায় যাক প্ৰস্তুতকৰণত এন. ই. চি.য়ে সহযোগকাৰীৰ ভূমিকা পালন কৰি আছে। ই ইয়াৰ প্ৰকল্পসমূহ ৰাজ্যিক আৰু কেন্দ্ৰীয় পৰ্যায়ৰ সংস্থাসমূহৰ দ্বাৰা সম্পাদন কৰে।

সকলো প্ৰকাৰৰ প্ৰধান অৰ্থনৈতিক কাৰ্যকলাপসমূহৰ সুবিধা প্ৰদান কৰাৰ কাৰণে যিহেতু উত্তৰ-পূব ভাৰত এটা কৌশলগত অৱস্থানত আছে, পৰিষদে ইয়াৰ উত্তৰণৰ কাৰণে সক্ৰিয়ভাৱে সহায় কৰিছে। উদাহৰণস্বৰূপে, এই অঞ্চলত আন্তঃৰাজ্যিক যোগাযোগ ব্যৱস্থাক উন্নত কৰি ই অঞ্চলটোৰ সকলো ধৰণৰ আন্তঃআঞ্চলিক বাধাসমূহ নিৰ্মূল কৰিছে আৰু ই অঞ্চলটোৰ উন্নয়নৰ বাট মুকলি কৰি দিছে। ই অঞ্চলটোৰ ভাৰসাম্যযুক্ত উন্নয়ন সুৰক্ষাৰ কাৰণে আৰু অঞ্চলটোৰ সাদৃশ্য থকা বিষয়বিলাকৰ ক্ষেত্ৰত প্ৰস্তাৱ গঠন কৰিছে।

ইয়াৰ এক উল্লেখনীয় সফলতাৰ উদাহৰণ হৈছে পৰিষদৰ উদ্যোগত প্ৰস্তুত কৰা পৰি প্ৰেক্ষণ পৰিকল্পনা 2001 (Perspective Plan 2001) এই পৰিকল্পনাটোৱে পথ পৰিবহন আৰু এই অঞ্চলৰ ৰাস্তাৰ উন্নয়নৰ কামত পৰ্যাপ্ত বৰঙনি যোগাই আহিছে। ই অবিৰতভাৱে বিমান বন্দৰসমূহৰ আন্তঃগাঁথনিৰ একত্ৰীকৰণৰ কামতো বৰঙনি যোগাই আহিছে যাৰ কাৰণে অঞ্চলটোৰ প্ৰধান বিমান বন্দৰসমূহ পৰিষদে ভাৰতীয় বিমানবন্দৰ কৰ্তৃপক্ষৰ সহযোগিতাত উন্নতি সাধনৰ চেষ্টা কৰি আছে। পৰিষদক 2002 চনত এই অঞ্চলৰ কাৰণে আঞ্চলিক পৰিকল্পনাৰ বাবে গঠন কৰা হয় আৰু তাৰ আগলৈকে ই কেৱল উপদেশকাৰী গোট হিচাপে কাম কৰি আছিল। এন. ই. চি.য়ে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বহুলভাৱে বিত্তৰ সহায় লাভ কৰা।

2008 চনৰ 13 মে'ত হোৱা 55 নং অধিবেশনত উত্তৰ-পূব অঞ্চলৰ লক্ষ্য 2020 (NER Vision 2020) উত্তৰ-পূব পৰিষদৰ সকলো সদস্যৰ দ্বাৰা গৃহীত আৰু স্বাক্ষৰিত কৰা হৈছিল। 13 জুন, 2018 চনত গৃহমন্ত্ৰীক উত্তৰ-পূব পৰিষদৰ সভাপতি আৰু ৰজ্যৰ মন্ত্ৰীক পৰিষদৰ উপ-সভাপতি হিচাপে কৰা মনোনয়ন পত্ৰত কেন্দ্ৰীয় মন্ত্ৰীসভাই অনুমোদন জনাইছিল। এইটো কৰা হৈছিল কাৰণ কেন্দ্ৰই উত্তৰ-পূব পৰিষদক পোনপটীয়াকৈ গৃহ মন্ত্ৰণালয়ৰ নিয়ন্ত্ৰণলৈ অনাৰ সিদ্ধান্ত লৈছিল যিটোৱে তেতিয়ালৈকে উত্তৰ-পূব অঞ্চলৰ উন্নয়নৰ মন্ত্ৰীয়ে সভাপতিত্ব কৰি আছিল।



অগ্ৰগতি নিৰীক্ষণ

[1] উত্তৰ-পূব পৰিষদ চিকিমকে ধৰি উত্তৰ-পূব ভাৰতৰ আটাইকেইখন আঠটা ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু ৰাজ্যপালৰ দ্বাৰা গঠিত। (সঁচা/মিছা)

[2] উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্ৰণালয়ৰ সহযোগী সংস্থাসমূহৰ মাজৰ এটা হিচাপে উত্তৰ-পূব পৰিষদ সূচীভুক্ত হৈছে। (সঁচা/মিছা)

[3] এই বছৰৰ 13 জুন মাহত, গৃহমন্ত্ৰীক উত্তৰ-পূব পৰিষদৰ সভাপতি আৰু ৰাজ্যৰ মন্ত্ৰীক পৰিষদৰ উপ-সভাপতি হিচাপে কৰা মনোনয়ন পত্ৰত কেন্দ্ৰীয় মন্ত্ৰীসভাই অনুমোদন জনাইছিল। (সঁচা/মিছা)

১১.৫ উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্ৰণালয়

ডনাৰৰ বিভাগ (Department of DoNER, Development of North Eastern region) হিচাপে 2001 চনত স্থাপিত হোৱাৰ পিছত 2004 চনত উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্ৰণালয় হিচাপে ই ভাৰত যুক্তৰাষ্টৰ মন্ত্ৰণালয়লৈ উন্নীত হৈছিল যাক ডনাৰ (DoNER) হিচাপে জনা বেছিকৈ জনা যায়। কেন্দ্ৰীয় চৰকাৰৰ তলত এইটো সেই

সংযোগকাৰী সংস্থা যি প্ৰধানতঃ উত্তৰ-পূব ভাৰতৰ আঠখন ৰাজ্যৰ আৰ্থ-সামাজিক সংক্ৰান্তীয় পৰিমাপৰ লগত জড়িত গুৰুত্বপূৰ্ণ বিষয়সমূহ আৰু উন্নয়নৰ দিশসমূহ চোৱা-চিতা কৰে। ই পৰিকল্পনা; কাৰ্যকাৰিতা আৰু উত্তৰ-পূব ভাৰতৰ উন্নয়নমূলক আঁচনি আৰু প্ৰকল্পসমূহৰ চোৱা-চিতাৰ লগত জড়িত বিষয়সমূহৰ দায়িত্ব বহন কৰে। ই 2004 চনতহে এটা সম্পূৰ্ণ মন্ত্ৰণালয় হিচাপে স্বীকৃতি লাভ কৰে। ডনাৰৰ মন্ত্ৰীসভাই কেন্দ্ৰীয় সচিব আৰু আন সহযোগী সচিবসমূহৰ দ্বাৰা সহায় লাভ কৰে। যিহেতু উত্তৰ-পূব পৰিষদ প্ৰধানকৈ পৰিকাঠামোৰ উন্নতিসাধন আৰু উত্তৰ-পূব ভাৰতৰ উন্নয়নৰ লগত জড়িত, গতিকে ই ধাৰণ ক্ষমতা নিৰ্মাণ প্ৰক্ৰিয়াৰ সুযোগ প্ৰদানকাৰী, উকালতি আৰু কেন্দ্ৰীয় মন্ত্ৰণালয় আৰু উত্তৰ-পূব ভাৰতৰ ৰাজ্যিক চৰকাৰসমূহৰ সৈতে সমন্বয়কাৰী হিচাপে কাৰ্যনিৰ্বাহ কৰে। তেনে কৰি, ই অৰ্থনৈতিক উন্নয়নৰ কাৰণে কেন্দ্ৰীয় বিভাগসমূহ আৰু উত্তৰ-পূব অঞ্চলৰ ৰাজ্যিক চৰকাৰসমূহৰ মাজত মধ্যস্থতাকাৰী হিচাপে কাৰ্যনিৰ্বাহ কৰে। কমপক্ষেও নিম্নমানৰ সেৱা প্ৰদান কৰা, বজাৰত অৰ্থনৈতিক প্ৰতিযোগিতাক উদ্‌গনি দিয়া যাতে ব্যক্তিগত বিনিয়োগৰ এটা পৰিবেশ গঢ় লৈ উঠে আৰু অঞ্চলটোত শান্তি আৰু সম্প্ৰীতি নিশ্চিত হয় ইত্যাদি বিষয়সমূহ পৰিষদৰ চিন্তাৰ ভিতৰত পৰে। ৰাজ্যৰ মন্ত্ৰী শ্ৰী জিতেন্দ্ৰ সিঙৰ নেতৃত্বত বৰ্তমান মন্ত্ৰণালয়টোৱে অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত এক সক্ৰিয় ভূমিকা পালন কৰিছে। মন্ত্ৰণালয়টোৰ বিভিন্ন পৃথক পৃথক বিভাগ আছে যি ইয়াৰ তলত কাৰ্যনিৰ্বাহ কৰে-

[1] উত্তৰ-পূব পৰিষদ
[2] উত্তৰ-পূব উন্নয়ন বিত্ত নিগম লিমিটেড
[3] চিকিম খনন নিগম লিমিটেড
[4] উত্তৰ-পূব আঞ্চলিক কৃষি ব্যৱসায় নিগম লিমিটেড
[5] উত্তৰ-পূব হস্ততাঁত আৰু হস্তশিল্প উন্নয়ন নিগম ।



অনুশীলনী-২

উত্তৰ কৰক-

[1] ডনাৰ (DoNER) মন্ত্ৰণালয়ৰ দ্বাৰা সম্পন্ন কৰা কিছুমান গুৰুত্বপূৰ্ণ প্ৰকল্প বিচাৰি উলিয়াওক।

.....

.....

.....

১১.৬ পূবলৈ চাওক নীতি (Look East Policy) আৰু উত্তৰ-পূব ভাৰত

দেশখনৰ ঐতিহাসিক বিভাজনে উত্তৰ-পূব ভাৰতৰ অঞ্চলখনক প্ৰান্তবৰ্তী বিচ্ছিন্নতাৰ মাজত পেলাই ৰাখিছে। প্ৰকৃতাৰ্থত বি.জি. ভাগীছে অঞ্চলটোক ভূটান আৰু নেপালৰ সৈতে দক্ষিণ এছিয়াৰ তৃতীয় স্থলবেষ্টিত 'অঞ্চল' বুলি বৰ্ণনা কৰিছে। অনুৰূপভাৱে, ইয়াৰ অৰ্থনৈতিক অৱস্থাও বিভাজনৰ পিছত সংযোগবিচ্ছিন্নতা আৰু বজাৰৰ অভাৱৰ কাৰণে বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে আৰু পিছুৱাই গৈছে। অঞ্চলটোক বৃটিছৰ আধিপত্য আৰু ম্যানমাৰক সীমান্তবৰ্তী হিচাপে গণ্য কৰাৰ কাৰণে আৰু আন্তঃআঞ্চলিক বাণিজ্যিক বাধা আৰোপ কৰাৰ কাৰণে ইয়াৰ পাৰ্বত্য আৰু সমতল অঞ্চলত বিভাজনৰ ৰেখা টনাৰ সিদ্ধান্ত ইত্যাদিয়ে জ্বলা জুইত ঘিউ ঢলাৰ দৰে কাম কৰিছে। আঞ্চলিক সহযোগিতা আৰু আঞ্চলিক গোটবন্ধনৰ ধাৰণা ঐতিহাসিকভাৱে শীতল যুদ্ধৰ সমাপ্তি আৰু ছোভিয়েট যুক্তৰাষ্ট্ৰৰ পতনৰ মাজতদৃশ্যমান হৈছে। ফলত দেশসমূহৰ মাজত পৰস্পৰ নিৰ্ভৰশীলতা স্থাপন কৰাৰ লগতে ৰাজনৈতিক আৰু সৈনিক সম্পৰ্কীয় বিষয়ৰ তুলনাত অৰ্থনৈতিক আৰু বাণিজ্যিক বিষয়সমূহৰ গুৰুত্ব বাঢ়ি অহা দেখা পোৱা গৈছে। তাৰ মাজতে বহুতো ৰাষ্ট্ৰৰ মাজত এইটো উপলব্ধি বৃদ্ধি পাইছে যে কাৰোবাৰ নিজৰ কল্যাণ সেই দেশৰ অৱস্থিত থকা অঞ্চলৰ কল্যাণৰ দ্বাৰা অধিকভাৱে প্ৰভাৱান্বিত হৈছে।

1991 চনত পি.ভি. নৰসিংহ ৰাওৰ নেতৃত্বত চলি থকা চৰকাৰৰ সময়ছোৱাত ভাৰতৰপূবলৈ চাওক নীতি (Look East Policy) ৰ আৰম্ভণি কৰা হৈছিল। ইয়াৰ লক্ষ্য আছিল ভাৰতক এটা আঞ্চলিক শক্তি হিচাপে সুদৃঢ় অধিকাৰ নিশ্চিত কৰাৰ উদ্দেশ্যে দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ সৈতে গুৰুত্বপূৰ্ণ অৰ্থনৈতিক আৰু কৌশলগত সম্পৰ্ক স্থাপন কৰাৰ। ইয়াৰ পিছৰ সকলো চৰকাৰেই ইয়াৰ সমৰ্থন ব্যক্ত কৰিছিল। ইয়াত এইটো উল্লেখ কৰাটো প্ৰয়োজনীয় যে ভাৰতৰ সদায় দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ সৈতে বন্ধুত্বপূৰ্ণ আৰু সহায়ক সম্পৰ্ক আছে। উদাহৰণস্বৰূপে, কম্বোডিয়া, ছিংগাপুৰ, ভিয়েটনাম আদি দেশসমূহৰ সৈতে ভাৰতে এক উল্লেখযোগ্য সাংস্কৃতিক সম্পৰ্ক ৰক্ষা কৰিছে। পূবলৈ চোৱা নীতিয়ে 'আছিয়ান' (ASEAN) সদস্য ৰাষ্ট্ৰসমূহৰ সৈতে ৰাজনৈতিক বুজাপৰা নবীকৰণত লক্ষ্য দিয়ে। ইয়াৰ আওতাৰ মাজত বিভিন্ন ক্ষেত্ৰ যেনে, বিজ্ঞান, প্ৰযুক্তি, পৰ্যটন, বাণিজ্য, সংস্কৃতি ইত্যাদিক অন্তৰ্ভুক্ত কৰি ই উন্নত আৰু প্ৰগতিশীল অৰ্থনৈতিক লেন-দেনক সমৰ্থবান কৰি তোলে। আমি দেখিব পাৰো যে আছিয়ান (ASEAN) আৰু এপেক (APEC) অঞ্চলৰ ঠাইবিলাকৰ বাণিজ্যিক ক্ষেত্ৰত সোমাবলৈ ভাৰতে কেনেকুৱা গম্ভীৰ প্ৰচেষ্টা চলাই আছে। ভাৰতৰ দক্ষিণ পূব এছিয়াৰ লগত ভৌগোলিকভাৱে থকা নিকটবৰ্তীতাৰ ফলত এই প্ৰচেষ্টাসমূহ অধিকভাৱে ফলপ্ৰসু হৈ আছে। এইটোও বিশ্বাস কৰা হয় যে আঞ্চলিক সহযোগিতাৰ মাজেৰে বিদ্ৰোহ, অনুপ্ৰবেশ আৰু নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহৰ সমস্যাও সমাধান কৰাৰ থল আছে। নীতিটোৱে ফল দিবলৈ ধৰিছিল 2002

চনৰ পৰা আছিয়ান চৰকাৰসমূহৰ নেতৃত্ব আৰু ভাৰতৰ প্ৰধান মন্ত্ৰীৰ সৈতে কম্বোডিয়াত হোৱা এটা চূড়ান্ত অধিবেশনৰ দ্বাৰা। তাত বহুতো দ্বিপাক্ষিক আৰু বহুপাক্ষিক চুক্তি স্বাক্ষৰিত হয় যি দক্ষিণ পূব এছিয়াৰ লগত ভাৰতৰ বৰ্দ্ধিত সম্পৰ্কৰ ভিত্তি প্ৰদান কৰিছে। উদাহৰণস্বৰূপে আমি বিমছটেকৰ (BIMSTEC) কথাই ক'ব পাৰো। (বাংলাদেশ, ভাৰত, ম্যানমাৰ, শ্ৰীলংকা, থাইলেণ্ড অৰ্থনৈতিক নিগম) কথা ক'ব পাৰো।

ভাৰতৰ উত্তৰ-পূব অঞ্চল প্ৰচুৰ প্ৰাকৃতিক সম্পদৰ ভাণ্ডাৰ যাক উন্নীতকৰণ কৰাৰ প্ৰচুৰ সম্ভাৱনাও আছে। যি কি নহওঁক, ইয়াক এতিয়াও কামত লগোৱা হোৱা নাই আৰু স্বাধীনতাৰ ফলস্বৰূপে সীমাহীন অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিবৰ্তনৰ ফলত। এটা অস্বস্তিৰ ভাব বৃদ্ধি পাইছে। যি কি নহওঁক, সম্প্ৰতি জাতীয় উন্নয়নৰ প্ৰশ্নৰ মাজত এই অঞ্চলৰ উন্নয়নৰ প্ৰশ্নক অন্তৰ্ভুক্ত কৰা হৈছে। এনেকুৱা উন্নয়নে আন দেশৰ সৈতে ভাৰতৰ সম্পৰ্ক স্বচ্ছ ল কৰিব বুলি বিশ্বাস কৰা হয়। এই প্ৰসঙ্গত পূবলৈ চাওক নীতি (Look East Policy) বৰ গুৰুত্বপূৰ্ণ হৈ পৰে কাৰণ আছিয়ান দেশসমূহৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ় দি ভাৰতে ইয়াক এটা নতুন দিশ প্ৰদান কৰিছে ভাৰতৰ অৰ্থনৈতিক আৰু সুৰক্ষাজনিত স্বাৰ্থক চিন্তাৰ মাজত ৰাখি। ভাৰতৰ দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে বাণিজ্যিক লেন-দেনৰ ওপৰত নিৰ্ভৰ কৰিয়ে উত্তৰ-পূব ভাৰতৰ উন্নয়ন আৰু বিকাশ আৰম্ভ হৈছিল বুলি দেখা যায়।

মোদী চৰকাৰে এই ধাৰণাটোকে আগুৱাই লৈ গৈছে আৰু নিজা সূত্ৰ পূবলৈ কাৰ্য কৰা নীতি প্ৰয়োগ কৰিছিল আছিয়ান আৰু পূব এছিয়াৰ দেশসমূহৰ সৈতে ভাৰতৰ সম্পৰ্ক স্থাপন আৰু উন্নত কৰিবলৈ। উত্তৰ-পূব ভাৰতীয় অঞ্চলৰ উন্নয়নক এই অঞ্চলৰ বিদ্ৰোহৰ সমস্যাক দমন বা নিয়ন্ত্ৰণৰ এক পদক্ষেপ হিচাপে ভবা হয়। উত্তৰ-পূব ভাৰতৰ সীমান্ত উত্থান ঘটাৰ কাৰণ হ'ল এই অঞ্চলৰ সৈতে ভাৰতৰ মূলভূমি আৰু আন দক্ষিণ-পূব এছিয় দেশসমূহৰ মাজত থকা ব্যৱধান। ইতিমধ্যে উল্লেখ কৰাৰ দৰে, বৰ্দ্ধিত ৰেল আৰু বিমানসেৱা, সীমান্তৰ বাণিজ্য ইত্যাদিৰ উন্নয়নে এইটো ধাৰণালৈ আমাক লৈ যায় যে উত্তৰ-পূব ভাৰতৰ ভৱিষ্যত পূবলৈ চাওক নীতি (Look East Policy) ৰ সৈতে বৰ সূক্ষ্মভাৱে সম্পৃক্ত হৈ আছে যেন প্ৰতীয়মান হয়।



অগ্ৰগতি নিৰীক্ষণ

[4] আঞ্চলিক সহযোগিতা আৰু আঞ্চলিক গোটবন্ধনৰ ধাৰণা ঐতিহাসিকভাৱে শীতল যুদ্ধৰ সমাপ্তি আৰু ছোভিয়েট যুক্তৰাষ্ট্ৰৰ পতনৰ মাজত পৰিদৰ্শিত হৈছে। (সঁচা ঐমিছা)

[5] মনমোহন সিঙৰ নেতৃত্বত চলি থকা চৰকাৰৰ সময়ছোৱাত ভাৰতৰ পূবলৈ চোৱা নীতিৰ আৰম্ভণি কৰা হৈছিল। (সঁচা ঐমিছা)



অনুশীলনী ৩

তলৰ প্ৰশ্নসমূহৰ উত্তৰ কৰক-

[1] পূবলৈ চাওক নীতি (Look East Policy) ৰ বিষয়ে আৰু বিশদ বিচাৰি উলিয়াওক।

.....

.....

.....



১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোত, উত্তৰ-পূব ভাৰতৰ প্ৰসঙ্গত উন্নয়নৰ ধাৰণাক কেনেকৈ বুজিব পাৰি তাক আপুনি জানিব পাৰিলে।
- উত্তৰ-পূব ভাৰতত উন্নয়ন প্ৰধানত সুৰক্ষাজনিত উদ্বিগ্নতাৰ ওপৰত নিৰ্ভৰশীল আৰু এইদৰে কেন্দ্ৰৰ ৰাজ্যকেন্দ্ৰীক দৃষ্টিয়ে গোটেই অঞ্চলটোক বেছিভাগ ক্ষেত্ৰত অনুন্নত আৰু অকলশৰীয়া কৰি ৰাখিছে। ইয়াত উন্নয়নৰ আলোচনাই সীমান্তৰ অঞ্চল এটাক জাতীয়কৰণ কৰাৰ আকাৰ লৈছে।
- "উন্নয়নবাদৰ যুক্তি" ভাৰত যুক্তৰাষ্ট্ৰৰ বিভিন্ন প্ৰতিষ্ঠান(বিভাগত) গভীৰভাৱে শিপাই আছে বুলি বিশ্বাস কৰা হয়। ইয়াৰ আঁৰত সীমান্তৰ অঞ্চলক জাতীয়কৰণ কৰাৰ লক্ষ্য নিহিত হৈ আছে। কেন্দ্ৰৰ এই অঞ্চলৰ উন্নয়নৰ পদক্ষেপক সেয়ে সীমান্ত অঞ্চলৰ দৈনন্দিন নিয়ন্ত্ৰণ হিচাপেহে পৰিলক্ষিত হোৱা দেখা যায়।
- এই অধ্যায়টোৰ জৰিয়তে আপুনি উত্তৰ পূব পৰিষদৰ ভূমিকা আৰু গুৰুত্বৰ বিষয়েও এইটো গম পালে যে উত্তৰ পূব পৰিষদ 1971 চনত এখন সংসদীয় আইনৰ দ্বাৰা গঠিত হৈছে। ইয়াৰ মূখ্য কাৰ্য্যালয় মেঘালয়ৰ শিলঙত অৱস্থিত। ইয়াৰ যুগ্ম উদ্দেশ্য হিচাপে উন্নয়ন আৰু সুৰক্ষা দুয়োটাকে ভাৰসাম্যভাৱে চলাই আছে।
- ডনাৰৰ বিভাগ (Department of DoNER, Development of North Eastern region) হিচাপে 2001 চনত স্থাপিত হোৱাৰ পিছত 2004 চনত উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্ৰণালয় হিচাপে ই ভাৰত যুক্তৰাষ্টৰ মন্ত্ৰণালয়লৈ উন্নীত হৈছিল যাক ডনাৰ (DoNER) হিচাপে জনা বেছিকৈ জনা যায়।
- কেন্দ্ৰীয় চৰকাৰৰ তলত এইটো সেই সংযোগকাৰী সংস্থা যি প্ৰধানত উত্তৰ-পূব ভাৰতৰ আঠটা ৰাজ্যৰ আৰ্থ-সামাজিক সংক্ৰান্তীয় পৰিমাপৰ লগত জড়িত গুৰুত্বপূৰ্ণ বিষয়সমূহ আৰু উন্নয়নৰ দিশসমূহ চোৱা-চিতা কৰে।

- ই পৰিকল্পনা; কার্যকাৰিতা আৰু উত্তৰ-পূব ভাৰতৰ উন্নয়নমূলক আঁচনি আৰু প্রকল্পসমূহৰ চোৱা-চিতাৰ লগত জড়িত বিষয়সমূহৰ দায়িত্ব বহন কৰে।
- ই 2004 চনতহে এটা সম্পূর্ণ মন্ত্রণালয় হিচাপে স্বীকৃতি লাভ কৰে।
- ডনাৰৰ মন্ত্রীসভাই কেন্দ্রীয় সচিব আৰু আন সহযোগী সচিবসমূহৰ দ্বাৰা সহায় লাভ কৰে। যিহেতু উত্তৰ-পূব পৰিষদ প্রধানকৈ পৰিকাঠামোৰ উন্নতি সাধন আৰু উত্তৰ-পূব ভাৰতৰ উন্নয়নৰ লগত জড়িত গতিকে ই ধাৰণ ক্ষমতা নির্মাণ প্রক্রিয়াৰ সুযোগ প্রদানকাৰী, উকালতি আৰু কেন্দ্রীয় মন্ত্রণালয় আৰু উত্তৰ-পূব ভাৰতৰ ৰাজ্যিক চৰকাৰসমূহৰ সৈতে সমন্বয়কাৰী হিচাপে কার্যনির্বাহ কৰে।
- 1991 চনত পি.ভি. নৰসিংহ ৰাওৰ নের্তৃত্বত চলি থকা চৰকাৰৰ সময়ছোৱাত ভাৰতৰ পূবলৈ চাওক নীতি (Look East Policy) ৰ আৰম্ভণি কৰা হৈছিল। ইয়াৰ লক্ষ্য আছিল ভাৰতক এটা আঞ্চলিক শক্তি হিচাপে সুদৃঢ় অধিকাৰ নিশ্চিত কৰাৰ উদ্দেশ্যে দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ সৈতে গুৰুত্বপূর্ণ অর্থনৈতিক আৰু কৌশলগত সম্পর্ক স্থাপন কৰাৰ।
- এই প্রসঙ্গত পূবলৈ চোৱা নীতি (Look East Policy) বৰ গুৰুত্বপূর্ণ হৈ পৰে কাৰণ এছিয়ান দেশসমূহৰ সৈতে বন্ধুত্বপূর্ণ সম্পর্ক গঢ় দি ইয়াক এটা নতুন দিশ প্রদান কৰিছে।
- মোদী চৰকাৰে এই ধাৰণাটোকে আগুৱাই লৈ গৈছে আৰু এছিয়ান আৰু পূব এছিয়াৰ দেশসমূহৰ সৈতে ভাৰতৰ সম্পর্ক স্থাপন আৰু উন্নত কৰিবলৈ নিজা সূত্র পূবলৈ কার্য কৰা নীতি প্রয়োগ কৰিছিল



১১.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Baruah, Sanjib. (2007). Durable Disorder: Understanding the Politics of Northest India. Oxford India Paperbacks.
2. Nayak, Purushottam. (2008). “Human Development in Northeast India.” Growth and Human Development in North East India. Oxford University Press New Delhi.



১১.৯ অগ্রগতিৰ খতিয়ান

[1] সঁচা [2] সঁচা [3] সঁচা [4] সঁচা [5] মিছা



১১.১০ আৰ্হি প্ৰশ্ন

[1] উত্তৰ-পূব ভাৰতত উন্নয়নৰ ধাৰণাক সমালোচনামূলকভাবে বিশ্লেষণ কৰক।

[2] এটা সীমান্ত অঞ্চল হিচাপে উত্তৰ-পূব ভাৰত আৰু এই অঞ্চলত এটা জাতীয়তাবাদী অঞ্চল হিচাপে গঠন কৰাত কেন্দ্ৰৰ ভূমিকাৰ যুক্তিযুক্ততা বৰ্ণনা কৰক।

[3] আন্ত-আঞ্চলিক যোগসূত্ৰ স্থাপন আৰু তাৰ জৰিয়তে এই অঞ্চলৰ বাধাসমূহ নিৰ্মূলকৰণত উত্তৰ-পূব পৰিষদ কি ভাৱে গুৰুত্বপূৰ্ণ?

[4] ডনাৰ মন্ত্ৰণালয়ৰ কাৰ্যাৱলী আৰু ভূমিকাৰ বিষয়ে আলোচনা কৰক।

[5] জাতীয় ৰাজ্যসমূহৰ মাজত আঞ্চলিক সহযোগিতা বৃদ্ধিৰ কাৰণ কি? উত্তৰ পূব ভাৰতৰ পৰিপ্ৰেক্ষিতত পূবলৈ চোৱা নীতি (Look East Policy) ৰ গুৰুত্ব বৰ্ণনা কৰক।

****



REFERENCES

Ahmed U Joynal;2007; *Industrialization in North-Eastern region*; Mittal publication; New Delhi.

Basole, Amit. 2010. "Agrarian Change in North India: Evidence from Haryana and Uttar Pradesh."

Barpujari H.K. (1992) The Comprehensive History of Assam, Publication Board Assam, Vol.2; Guwahati.

Baruah Sanjib (1999) Indian Against Itself, Oxford University Press, New Delhi.

Baruah, S. (2007). *Durable Disorder: Understanding the Politics of Northeast India*. New Delhi: Oxford University Press.

Bhaumik, S. (2009). *Troubled Periphery: The Crisis of India's North East*. New Delhi: SAGE.

Binswanger-Mkhize, Hans P. 2013. "The Stunted Structural Transformation of the Indian Economy: Agriculture, Manufacturing and the Rural Non-Farm Sector." Economic and Political Weekly XLVIII (26 and 27) (29 June): 5–13

Cline, L. E. (2006). The Insurgency Environment in Northeast India. *Small Wars & Insurgencies, 17*(2), 126-147. doi:10.1080/09592310600562894

CSD. 2004. Endangered Symbiosis: Evictions and India's Forest Communities. New Delhi: Campaign for Survival and Dignity. CSE. 2011. "Forest clearance." Centre for Science and Environment. http://www.cseindia.org

Dhar, pk; 1993; *Indian Economy its growing Dimensions*; Kalyani publishers; New Delhi.

Dutta P.S. (ed 1993) Autonomy Movements in Assam, vol-1, Cosmos publications; New Delhi.

Fenton, Steve (2003) Ethnicity, Polity; Cambridge.

George S. Jacob (1989) The Demand for Autonomy/ Statehood in N.C. Hills and Karbi Anglong: An Overview in B.C. Bhuyan (ed.) "Political Development in the North East"; New Delhi

Gohain U.N. (1942) Assam Under the Ahoms, D.K. fine Art Press; Delhi.

Hazarika, S. (2011). *Strangers of the Mist: Tales of War and Peace from India's Northeast*. New Delhi: Penguin Books.

Kar, Bodhisattva. 2004. What is in a Name? Politics of Spatial Imagination in Colonial Assam, CENISEAS Papers 5; Guwahati: Centre for Northeast India, South and Southeast Asia.

Karna (ed.). Land Relations on North-east India. New Delhi: Peoples Publishing House. pp. 167-171. Kumar, Nikhlesh. 2005. "Identity Politics in the Hill Tribal Communities in the North-Eastern Region of India," Sociological Bulletin, 54 (n. 2), pp. 195-217.

Kohli, Atul. 1989. The State and Poverty in India. Cambridge University Press.

Nayak, Purusottam. (2008)." Human Development in Northeast India*." Growth and Human Development in North East India*. Oxford University Press New Delhi.

North eastern council news letter, vol, 1. Issue.1.December, 2017.

Presentation on infrastructure development in north-east Indian states, presentation submitted in conference of chief ministers of north eastern region.

Saikia, Y., &Baishya, A. R. (2017). *Northeast India: A Place of Relations*. New Delhi: Cambridge University Press.

Sanjay Barbora. (2006). Rethinking India's Counter-Insurgency Campaign in North-East. *Economic and Political Weekly, 41*(35), 3805-3812. Retrieved from http://www.jstor.org/stable/4418651

Sengupta Sarthak (ed.2002) Tribal Studies in North East India, Mittal publications; New Delhi.

Singh, Ramesh; 2016; *Indian Economy*; Mc Graw hill, New Delhi.

Shah, Alpa, and Barbara Harriss-White. 2011. "Resurrecting Scholarship on Agrarian Transformations." Economic and Political Weekly XLVI (39) (24 September): 13–18.

Shah Ghanashyam (1990) Social Movements in India, Sage publications; New Delhi

Rao MSA (2002) Social Movements in India, Manohar Publishers and distributiors; New Delhi.

Reid, R. (2013). *History of the Frontier Areas Bordering on Assam: From 1883-1941*. Guwahati: Bhabani.

Xaxa, V. 2001. “Empowerment of Tribes,” in Debal L. Singharoy (ed). Social Development and the Empowernment of Marginalised Groups. New Delhi: Sage Publications, pp. 202-222.